

দৈনিক

# বাতৰি কাকত

সত্য আৰু ন্যায়ৰ সপক্ষে



PUBLISHED SIMULTANEOUSLY FROM GUWAHATI & JORHAT

RNI REGD. NO. ASSASS/2003/15035 • E-paper: centralread.com • email: dainikbatorikakot@gmail.com

VOL XXIII, No. 235 ত্ৰিবিংশ বছৰ, সংখ্যা- ২৩৫, ২৪ জুলাই, শুকুৰবাৰ, ২০২৬, ৭ শাওন, ১৯৪৫ শক, BATORI KAKOT, Friday, 24 July, 2026, Guwahati Edition / গুৱাহাটী সংস্কৰণ মূল্য ঃ ৭.০০ টকা


### উজনিত বান বিভীষিকাৰ মাজতে উদ্বেগজনক খবৰ ঃ বানত প্ৰাণ গ'ল ৪১ জনৰ

# নীপকোৱে খুলিলে দৈয়াং জলবিদ্যুৎ প্ৰকল্পৰ পানী

### গোলাঘাট-নামনিত প্ৰৱল বানৰ শংকা ঃ ৰাইজক সজাগ হৈ থাকিবলৈ আহ্বান প্ৰশাসনৰ

**ষ্টাফ ৰিপৰ্টাৰ, ২৩ জুলাই ঃ** বান বিভীষিকাৰ মাজতে আন এক উদ্বেগজনক খবৰ। এইবাৰ নীপকোৱে এৰিলে পানী। নীপকোৱে খুলি দিলে দৈয়াং জলবিদ্যুৎ প্ৰকল্পৰ পানী। প্ৰতি ছেকেণ্ডত ২৯ ঘনমিটাৰকৈ পানী এৰিছে নীপকোৱে। দুখন গে'টেৰে ৫০ ছেণ্টিমিটাৰকৈ খুলি দিয়া হৈছে দৈয়াং বান্ধৰ পানী। গোলাঘাটকে ধৰি নামনিত প্ৰৱল বানৰ আংশকা। ■ এঘাৰ পৃষ্ঠাত







### শিৱসাগৰৰ কালুগাঁৱত আশ্বৰ্যজনক ঘটনা

## জলমগ্ন পথৰ মাজতে জন্ম হ'ল কন্যা শিশু

### চৌদিশে বান- নাঁৱৰে হাস্পতাললৈ অনা হ'ল প্ৰসূতিক

**ষ্টাফ ৰিপৰ্টাৰ, শিৱসাগৰ, ২৩ জুলাই ঃ** চাৰিওফালে বানৰ বিভীষিকা। বানত ককবকাই হাহাকাৰ কৰিছে বানাক্ৰান্তই। কোনো দিশে যাবলৈ পথ নাই, জিৰাবলৈ নাই অকণমান ঠাই। প্ৰলয়ংকৰী বানে সকলো ঢাহি-মুহি নিছে। আপোন ঘৰখন এৰি অকণমান নিৰাপদ ঠাই বিচাৰি হাহাকাৰ কৰিছে বানাক্ৰান্তই। তাৰ মাজতে শিৱসাগৰৰ কালুগাঁৱৰ পৰা আহিল এক ভাল খবৰ। বান বিভীষিকাৰ মাজত প্ৰসৱ যন্ত্ৰণাত চটফাইছিল এগৰাকী মহিলাই। মহিলাগৰাকী প্ৰসৱৰ একেবাৰে শেষ পৰ্যায়ত আছিল আৰু তৎক্ষণাত ■ এঘাৰ পৃষ্ঠাত

### মুখ্যমন্ত্ৰী হিমন্ত বিশ্বৰে টেলিফোনিক বাৰ্তালাপ অমিত শ্বাহৰ

## বান পৰিস্থিতিৰ বুজ ল'লে কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে



### টুইটাৰত মুখ্যমন্ত্ৰীয়ে ক'লে শীঘ্ৰে অসমলৈ আহিব কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিনিধি

**ষ্টাফ ৰিপৰ্টাৰ, ২৩ জুলাই ঃ** অসমৰ বান পৰিস্থিতিৰ বুজ ল'লে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে। টেলিফোনযোগে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ পৰা বান পৰিস্থিতিৰ বুজ ল'লে অমিত শ্বাহে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সংবাদ মাধ্যমক জনালে এই কথা। সামাজিক মাধ্যমতো হিমন্ত বিশ্ব শৰ্মাই লিখিছে— কিছু সময় পূৰ্বে গৃহমন্ত্ৰী অমিত শ্বাহে টেলিফোনযোগে অসমৰ বান পৰিস্থিতিৰ বুজ লয়। অসমত উদ্ভৱ হোৱা অভূতপূৰ্ব বান পৰিস্থিতিৰ প্ৰেক্ষাপটত তেওঁ জনাইছে যে ৰাজ্যত হোৱা ক্ষয়-ক্ষতিৰ ■ এঘাৰ পৃষ্ঠাত

### উজনি অসমৰ বানপীড়িতলৈ দৰং জিলা পৰিষদৰ সাহায্য

**বাতৰি কাকত, মঙলদৈ, ২৩ জুলাই ঃ** বানপানীত সৰ্বহাৰা হোৱা উজনি অসমৰ শিৱসাগৰ, যোৰহাট, চৰাইদেউ, গোলাঘাট আদি জিলাৰ জনজীৱনৰ বিধস্ত হৈ পৰিছে। এই বানাক্ৰান্ত লোকসকলক কিঞ্চিত হ'লেও সহায় কৰাৰ লক্ষ্যৰে দৰং জিলা পৰিষদে আগবাঢ়িছে সাহায্য প্ৰদানৰ বাবে। প্ৰথম পৰ্যায়ত বৃহস্পতিবাৰে ১ লাখ টকাৰ বান সাহায্য আগবঢ়াইছে দৰং জিলা পৰিষদে। এই মূলধনৰ লগতে জিলা খনৰ পঞ্চায়ত পৰ্যায়ৰ সকলো প্ৰতিনিধি, বিষয়া কৰ্মচাৰী, জিলা খনৰ জনসাধাৰণক মুক্ত হস্তে দান কৰিবলৈ আহ্বান জনালে দৰং জিলা পৰিষদে। যিসকল লোকে এই সাহায্য ■ এঘাৰ পৃষ্ঠাত

## শিৱসাগৰত বানত ১৮ জনৰ মৃত্যু- সন্ধানহীন ৭০ৰো অধিক

**ষ্টাফ ৰিপৰ্টাৰ, ২৩ জুলাই ঃ** নাগালেণ্ডৰ পাহাৰীয়া অঞ্চলত হোৱা ডাৱৰ বিস্ফোৰণৰ ফলত নামনিৰ অসম ভূমিৰ শিৱসাগৰ, চৰাইদেউ, যোৰহাট তথা নাজিৰা সম-জিলাত সৃষ্টি হোৱা প্ৰলয়ংকৰী বানত মৃতকৰ সংখ্যা অৰ্ধশতাধিক পাৰ হোৱাৰ সম্ভাৱনা স্পষ্ট হৈ পৰিছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা বিভাগে জিলাকেইখনত ৩০গৰাকীৰো অধিক লোকৰ বানত মৃত্যু হোৱাৰ খবৰ প্ৰকাশ কৰিলেও বাতৰি লিখা পৰলৈকে প্ৰলয়ংকৰী বানত অৰ্ধশতাধিক লোকৰ মৃত্যু হোৱাৰ তথ্য পোৱা গৈছে। খবৰ অনুসৰি, কেৱল শিৱসাগৰতে ১৮জন লোকৰ মৃত্যু হোৱাৰ লগতে ৭০গৰাকীৰো অধিক লোক সন্ধানহীন হৈ আছে। আনহাতে নাজিৰাৰ পৰা পোৱা খবৰ অনুসৰি, নাজিৰা সম-জিলাত ২০জনৰো অধিক লোকৰ মৃতদেহ উদ্ধাৰ হৈছে। নাজিৰাৰ বিস্তীৰ্ণ এলেকা গেলেকী, বিহুবৰ, চণ্টক, কমল চাপৰি, বৰমিচিং গাঁও, কেন্দুগুৰি বাইলুং ■ এঘাৰ পৃষ্ঠাত

### গুৱাহাটীত কৃত্ৰিম বানত বিপৰ্যস্ত জনজীৱন

## ধাৰাসাৰ বৰষুণত মহানগৰীৰ পথ-উপপথত সাগৰসদৃশ পৰিৱেশ



**ষ্টাফ ৰিপৰ্টাৰ, ২৩ জুলাই ঃ** এজাক বৰষুণতে পুনৰ বুৰিল মহানগৰীৰ কেইবাটাও ব্যস্ত অঞ্চল। ধাৰাসাৰ বৰষুণৰ ফলত মহানগৰীৰ অধিকাংশ মুখ্যপথ আৰু আৱাসিক অঞ্চল কৃত্ৰিম বানৰ কবলত পৰে। যাৰ ফলত তীব্ৰ যান-জঁটৰ সৃষ্টি হৈ স্তব্ধ হৈ পৰে সমগ্ৰ গুৱাহাটীৰ স্বাভাৱিক জনজীৱন। বৰষুণৰ পাছতেই মহানগৰীৰ ■ এঘাৰ পৃষ্ঠাত

### সংবাদমেলত আত্মপক্ষ সমৰ্থনৰ চেষ্টা শিক্ষামন্ত্ৰী পেগুৰ

## প্ৰশ্নকাকত ফাদিলক লৈ ৰাজনীতি কৰিছে ৰাহুল গান্ধীয়ে



**ষ্টাফ ৰিপৰ্টাৰ, ২৩ জুলাই ঃ** নীটৰ পেপাৰ লীকক কেন্দ্ৰ কৰি হোৱা ছাত্ৰ-ছাত্ৰীৰ আন্দোলনৰ পৰা কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে ৰাজনৈতিক সুবিধা ল'ব বিচাৰিছে। দেশজুৰি বিধ্বস্ত কংগ্ৰেছ দলটোক পুনৰুজ্জীৱিত কৰিবলৈ ছাত্ৰ-ছাত্ৰীৰ আন্দোলনক ■ এঘাৰ পৃষ্ঠাত

### নগাঁৱত চোৰাং বালি-শিলৰ অবৈধ কাৰবাৰ

**বাতৰি কাকত বিশেষ, নগাঁও, ২৩ জুলাই ঃ** নগাঁও আৰু কাৰ্বি-আংলং সীমান্তৰ পৰা প্ৰতিদিনে জিলাখনৰ বিভিন্ন প্ৰান্তলৈ চলাচল কৰি আছে শিল আৰু বালিভৰ্তি অ'ভাৰ লোডিং ট্ৰাক-ড্ৰাম্পাৰ। বন বিভাগৰ চকুত ধূলি দি পৰিবহণ কৰা অ'ভাৰ লোডিং ড্ৰাম্পাৰ এইবাৰ পৰিল নগাঁও জিলা পৰিবহণ পৰ্দশকৰ ৰোষত। বৃহস্পতিবাৰে পুৱতি নিশা দুখনকৈ শিল ভৰ্তি ড্ৰাম্পাৰ জব্দ কৰে জিলা পৰিবহণ বিভাগে। ■ এঘাৰ পৃষ্ঠাত

## গোলাঘাটত মুখ্যমন্ত্ৰী ঃ আশ্ৰয় শিবিৰ পৰিদৰ্শন, উদ্ধাৰ সাহায্য অভিযানৰ কৰিলে তদাৰক



**ষ্টাফ ৰিপৰ্টাৰ, ২৩ জুলাই ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি গোলাঘাট জিলাৰ বিভিন্ন অঞ্চল পৰিদৰ্শন কৰি ক্ষয়-ক্ষতি আৰু উদ্ধাৰ-সাহায্য অভিযানৰ বুজ লোৱাৰ লগতে জিলাখনৰ কেইবাটাও বান সাহায্য শিবিৰলৈ গৈ শিবিৰসমূহত আশ্ৰয় লৈ থকা বানপীড়িত ৰাইজৰ সৈতে বাৰ্তালৈ কৰাৰ লগতে সাহায্য প্ৰক্ৰিয়া আৰু পুনৰ্বাসন কাৰ্যৰ বুজ লয়। মুখ্যমন্ত্ৰীয়ে আজি গোলাঘাটৰ কমাৰবন্ধাস্থ ভাস্কৰ প্ৰাথমিক বিদ্যালয়ত ■ এঘাৰ পৃষ্ঠাত

### কামৰূপৰ দদৰাত আৰক্ষীৰ অভিযান

## ডেৰ কোটি টকাৰ ড্ৰাগছ জব্দ

**বাতৰি কাকত, শুৱালকুছি, ২৩ জুলাই ঃ** কামৰূপৰ দদৰা আৰক্ষী চকীৰ অন্তৰ্গত গুৱাহাটী - হাজো সংযোগী পথৰ দদৰাত ২১ জুলাইৰ নিশা কামৰূপ আৰক্ষীয়ে অভিযান চলাই জব্দ কৰে প্ৰায় ডেৰ কোটি মূল্যৰ ড্ৰাগছ । আৰক্ষীয়ে বিশেষ সুত্ৰৰ পম খেদি, কামৰূপ আৰক্ষীৰ এটি দলে দদৰা আৰক্ষী চকীৰ সহযোগত তালাচী ■ এঘাৰ পৃষ্ঠাত

### বানপীড়িত জিলাত সাহায্য সামগ্ৰী বিতৰণ নিৰ্দেশ মন্ত্ৰী ৰয়ৰ

## অত্যাৱশ্যকীয় সামগ্ৰীৰ যোগান-মূল্য সম্পৰ্কত পৰ্যালোচনা বৈঠক



**ষ্টাফ ৰিপৰ্টাৰ, ২৩ জুলাই ঃ** খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা আদি বিভাগৰ মন্ত্ৰী কৌশিক ৰায়ে আজি উজনি অসম আৰু উত্তৰ অসমৰ বানপীড়িত জিলাসমূহৰ জিলা আয়ুক্ত তথা জিলা প্ৰশাসনৰ বিষয়াবৰ্গৰ সৈতে এক ভিডিঅ' কনফাৰেন্স অনুষ্ঠিত কৰি সাহায্য সামগ্ৰীৰ বিতৰণ, অত্যাৱশ্যকীয় ■ এঘাৰ পৃষ্ঠাত

### ভৱানীপুৰত দালালৰ হাতত পণবন্দী হাজাৰ হাজাৰ কৃষক

## ৰাষ্ট্ৰীয় ঘাইপথৰ পকী দলং-কালভাৰ্টৰ পানী নিষ্কাশনেৰে পথ ৰুদ্ধ

**সঞ্জীৱ দাস, ভৱানীপুৰ, ২৩ জুলাই ঃ** ভৱানীপুৰৰ ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথছোৱাৰ গলিয়া, ভৱানীপুৰ-কুছিয়াঝাৰ আদি ঠাইসমূহত অৱস্থিত কেইবাখনো পকী দলং আৰু কালভাৰ্টৰ তলেৰে পানী নিষ্কাশনৰ পথসমূহ অঞ্চলটোৰ একাংশ অসাধু লোকে মৎস্য পুখুৰী নিৰ্মাণৰ উদ্দেশ্যেই হওক বা অন্য কোনো উদ্দেশ্য ৰাখিয়েই হওক ওখকৈ মাটিৰে বান্ধ নিৰ্মাণ কৰি বন্ধ কৰি দিয়াৰ ফলত সমস্যাৰ গভীৰতা দিনক দিনে বৃদ্ধি পাইছে। পূৰ্বে বৰপেটা জিলা প্ৰশাসনে ক্ষতিগ্ৰস্ত কৃষক ৰাইজ আৰু বিভিন্ন দল-সংগঠনৰ অভিযোগৰ ভিত্তিত পকী দলং আৰু কালভাৰ্টৰ তলৰ আবদ্ধ পথসমূহ এবাৰলৈ খুলি দিছিল ■ এঘাৰ পৃষ্ঠাত

### ক'কৰোচৰ প্ৰতিবাদে কঁপাইছে দিল্লী

## নীটৰ প্ৰশ্নকাকত ফাদিলত জড়িত অভিযুক্তৰ বিৰুদ্ধে ফাৰ্ষ্টট্ৰেক আদালতত চলিব বিচাৰ

**নতুন দিল্লী, ২৩ জুলাই ঃ** কেন্দ্ৰীয় চৰকাৰে পুনৰ আলোচনাৰ বাবে ককৰোচ জনতা পাৰ্টিৰ প্ৰতিনিধিক আহ্বান জনাইছে। কেন্দ্ৰটোৰ হৈ মন্ত্ৰী জিতেন্দ্ৰ সিঙে বৃহস্পতিবাৰে কয় যে তেওঁলোকে যিকোনো সময়তে আলোচনাত বহিবলৈ সাজু। জিতেন্দ্ৰৰ বাহিৰে আন এজন মন্ত্ৰী জে পি নড্ডা তাত কেন্দ্ৰৰ প্ৰতিনিধি হিচাপে থাকিব। নাড্ডাৰ ঘৰত বা কাৰ্যালয়ত আলোচনা কৰিব পাৰি। আলোচনাৰ জৰিয়তে সমস্যা সমাধানৰ বাবে অনুৰোধ জনাইছে মন্ত্ৰীগৰাকীয়ে। কিন্তু চিজেপিয়ে এই আমন্ত্ৰণ নাকচ কৰা বুলি জানিব পৰা গৈছে। তেওঁলোকে বিচাৰে ■ এঘাৰ পৃষ্ঠাত



### বন মন্ত্ৰীৰ সমষ্টিতে বিভাগীয় বিষয়া-কৰ্মচাৰীৰ তামাচা

## বৰভাগত অবৈধ কাঠৰ মিলৰ বিৰুদ্ধে বন বিভাগৰ অভিযান

### পলমকৈ চকু মেল খালে নলবাৰী ৰেঞ্জাৰৰ ঃ ৭ টা কাঠফলা মিল জব্দ

**বাতৰি কাকত, বাহাৰঘাট, ২৩ জুলাই ঃ** নলবাৰী সমষ্টিৰ বিধায়ক জয়ন্ত মল্ল বৰুৱাক বন, বিত্ত আদিৰ গুৰুত্বপূৰ্ণ বিভাগৰ দায়িত্ব অৰ্পণ কৰাৰ পিছতে মন্ত্ৰীগৰাকীৰ দৃষ্টি আকৰ্ষণ হোৱাকৈ দৈনিক বাতৰি কাকতত পাগলাদিয়া-নোনা নৈত অবৈধ মাটি খনন,অবৈধ কাঠৰ মিল চলি থকাৰ অভিযোগ, নৱনিযুক্ত বনমন্ত্ৰী জয়ন্ত মল্লবৰুৱাৰ হস্তক্ষেপৰ দাবী, শীৰ্ষক বাতৰি প্ৰকাশ হোৱাৰ পিছতে মন্ত্ৰীগৰাকীয়ে সংশ্লিষ্ট বিভাগক অভিযান চলোৱা চোকা নিৰ্দেশ জাৰি কৰিছিল। ইয়াৰ পিছতে নলবাৰী আঞ্চলিক বন বিভাগে একাংশ অবৈধ কাঠৰ মিলৰ বিৰুদ্ধে অভিযান চলাই বিভিন্ন প্ৰান্তৰ অবৈধভাৱে গঢ়লৈ উঠা কাঠৰ মিল জব্দ কৰা পৰিলক্ষিত হৈছে। যাৰ পৰিপ্ৰেক্ষিতত জিলাখনৰ অবৈধ কাঠৰ মিলৰ মালিকৰ চকুত টোপনি নোহোৱা হৈছে। নলবাৰী জিলাৰ বিভিন্ন প্ৰান্তত অভিযান চলোৱাৰ পিছত আজি নলবাৰী জিলাৰ বৰক্ষেত্ৰী সমষ্টিৰ বৰভাগ ৰাজহ চক্ৰৰ অন্তৰ্গত দোকোহাত বন বিভাগে অভিযান চলাই ■ এঘাৰ পৃষ্ঠাত

### মুকালমুৱাৰ নাৰায়নপুৰ গাঁও পঞ্চায়তত চুৰি

**বাতৰি কাকত, মুকালমুৱা, ২৩ জুলাই ঃ** নলবাৰী জিলাৰ টিহু সমষ্টিৰ অন্তৰ্গত ৩০ নং নাৰায়নপুৰ সাপকাটা গাওঁ পঞ্চায়তৰ কাৰ্যালয়ত চোৰে চলালে লুট -পাট। উল্লেখযোগ্য যে কাৰ্যালয়টোৰ ভিতৰত থকা পানীৰ মটৰ , কম্পিউটাৰ চেট, ভি আই পি চকীৰ চেট, ইনভাৰ্টাৰ, ■ এঘাৰ পৃষ্ঠাত

# মৰিগাঁও বিশ্ববিদ্যালয়ত ৪ বছৰীয়া স্নাতক পাঠ্যক্ৰমৰ ইণ্টাৰশ্বিপ

**বাতৰি কাকত, ভূৰাগাঁও, ২৩ জুলাই ঃ** নতুন শিক্ষা নীতি ২০২০ৰ অধীনত বিশ্ববিদ্যালয় অনুদান আয়োগৰ নিৰ্দেশমৰ্মে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৪ বছৰীয়া স্নাতক পাঠ্যক্ৰমৰ অধীনত মৰিগাঁও জিলা কৃষি বিভাগে নিৰ্বাচিত ছাত্ৰ-ছাত্ৰীসকলৰ বাবে কৃষি খণ্ডৰ ব্যৱহাৰিক শিক্ষা আগবঢ়োৱা আৰু দক্ষতা বিকাশৰ উদ্দেশ্যে আয়োজন কৰা ইণ্টাৰশ্বিপ কাৰ্যসূচীৰ আজি সামৰণি পৰে। এই উপলক্ষে জিলা কৃষি বিষয়াৰ কাৰ্যালয়ৰ প্ৰেক্ষাগৃহত জিলা কৃষি বিষয়া দিলীপ কুমাৰ বৰাৰ সঞ্চালনাত সামৰণি অনুষ্ঠান আয়োজন কৰা হয়। এই অনুষ্ঠানত ১৫ দিনীয়া কাৰ্যসূচীৰে আয়োজিত ইণ্টাৰ্ণশ্বিপত উৎকৃষ্ট প্ৰদৰ্শনৰ প্ৰতি লক্ষ্য ৰাখি প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীক চাৰ্টিফিকেট প্ৰদান কৰাৰ লগতে প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান দখল কৰা ছাত্ৰ-ছাত্ৰীসকলক পুৰস্কৃত কৰি উৎসাহিত কৰা হয়। অনুষ্ঠানত সহকাৰী কৃষি সঞ্চালক অসীম কুমাৰ নাথ, মহকুমা কৃষি তথ্য বিষয়া গৌতম নাথ,



জ্যেষ্ঠ কৃষি উন্নয়ন বিষয়া পদুম বৰা, আত্মাৰ ডেপুটি প্ৰজেক্ট ডাইৰেক্টৰ হীৰামণি দাস, মিডিয়া বিশেষজ্ঞ গৌতম কুমাৰ নাথ উপস্থিত থাকে। এই ইণ্টাৰশ্বিপৰ জৰিয়তে জিলাখনৰ অগ্ৰণী শিক্ষা প্ৰতিষ্ঠান ঘনকান্ত বৰুৱা মহাবিদ্যালয় আৰু মৰিগাঁও মহাবিদ্যালয়ৰ প্ৰায় ৬০ গৰাকী শিক্ষাৰ্থীক সামৰি কৃষি খণ্ডৰ বিভিন্ন বিষয়ত ব্যৱহাৰিক জ্ঞান আৰু দক্ষতা বিকাশৰ প্ৰশিক্ষণ আগবঢ়োৱা হয়। এই কাৰ্যসূচীয়ে মৰিগাঁও জিলাৰ কৃষি খণ্ড, উদ্যান শস্য, ফুলৰ খেতি, কাষ্টম হায়াৰিং চেণ্টাৰ প্ৰদৰ্শন, কেঁচুসাৰ উৎপাদন, কাঠফুলা খেতি, কৃষক উৎপাদক কোম্পানী আদি বিভিন্ন বিষয় সামৰি লোৱাৰ লগতে কৃষি বিভাগৰ দ্বাৰা ৰূপায়িত বিভিন্ন আঁচনিৰ বিষয়ত ব্যৱহাৰিক প্ৰশিক্ষণ আগবঢ়োৱা হয়। ইয়াৰ লগতে ধান খেতি ৰোপন আৰু অনন্যা কৃষিৰ বিষয়ক প্ৰক্ৰিয়াৰ সন্দৰ্ভত ব্যৱহাৰিক প্ৰশিক্ষণ আগবঢ়োৱাৰ ব্যৱস্থা কৰা হয়।

# নগাঁও লায়ন্স ক্লাবৰ কাৰ্যনিৰ্বাহক সমিতি গঠন




**বাতৰি কাকত, নগাঁও, ২৩ জুলাই ঃ** নগাঁও লায়ন্স ক্লাবৰ ২০২৬-২৭ বৰ্ষৰ বাবে নিজৰ নৱনিৰ্বাচিত ৫৬ সংখ্যক কাৰ্যনিৰ্বাহক সমিতি গঠনৰ বাবে আনুষ্ঠানিক ভাৱে এখন সভা অনুষ্ঠিত কৰা হয়। অনুষ্ঠানত ২০২৫-২৬ বৰ্ষৰ লায়ন্স ক্লাৱৰ সভাপতি জিতেন আগৰৱালাক বিদায় দি সাৰংগা বল্লভগোস্বামীক আনুষ্ঠানিকভাৱে নৱনিৰ্বাচিত সভাপতিৰ দায়িত্ব ভাৰ অৰ্পণ কৰা হয়। অনুষ্ঠানৰ উপলক্ষে বিশেষভাৱে যোৰহাটৰ পৰা অহা ৩২২ ডি জিলাৰ প্ৰাক্তন জিলা ৰাজ্যপাল অনিমেশ বৰুৱাই পদ আৰু গোপনীয়তাৰ শপত গ্ৰহণ কৰে। সভাপতি সাৰংগা বল্লভগোস্বামীৰ সৈতে সম্পাদক অমন সাহা, কোষাধ্যক্ষ মহেশ জালান, আৰু বিপণন অধ্যক্ষ বিশ্বজিৎ মহন্ত উপস্থিত থাকে। লগতে শপত গ্ৰহণ কৰে। প্ৰাক্তন জিলা ৰাজ্যপাল অনিমেশ বৰুৱাইও পৰিচালনা সমিতিৰ সদস্যসকলক শপত গ্ৰহণ কৰে। এই উপলক্ষে ভাষণ দি বিদায়ী সভাপতিগৰাকীয়ে বছৰটোৰ ভিতৰত সুকলমে আৰু সফলভাৱে সম্পন্ন হোৱা বিভিন্ন সমাজ সেৱাৰ কামৰ বিশদ প্ৰতিবেদন দাখিল কৰে। লগতে কেইবাজনো লায়ন সদস্যক তেওঁলোকৰ অসাধাৰণ প্ৰদৰ্শনৰ বাবে সন্মান জনায়। তদুপৰি লায়ন্স ক্লাৱৰ ২০১৭- ১৮ বৰ্ষৰ সভাপতি দায়িত্ব ভাৰ গ্ৰহণ কৰা বিশিষ্ট সমাজসেৱক বিনোড খেটাৱতক প্ৰাক্তন সভাপতি জিতেন আগৰৱালাই ভূয়সী প্ৰশংসা কৰি কয় -খেটাৱত কৃপাদৃষ্টিতেই মই আৰু মোৰ সহধৰ্মীনী লায়ন্স ক্লাৱৰ লগত জড়িত হৈ পৰিলোঁ। তেওঁ বিগত আঠ বছৰ ধৰি সমাজৰ বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানত অক্সিজেন চিলিণ্ডাৰ যোগান ধৰি আহিছে সেয়ে আজি তেওঁক এই মঞ্চতে অক্সিজেন মেন নামেৰে উপাধীৰে অভিভূত কৰিছোঁ। তদুপৰি তেখেতৰ কাৰ্যকালত নগাঁৱৰ বৰঘাট বাইপাছত অৱস্থিত লায়ন্স ক্লাৱৰ পাৰ্কখন নিৰ্মাণ কৰাত যথেষ্ট অৰিহণা যোগাইছে বুলি কৈ সমগ্ৰ নগাঁওবাসী ৰাইজলৈ এক ইতিবাচক বাৰ্তা প্ৰেৰণ কৰে। উল্লেখ যে দেৱেন্দ্ৰ সিং সাহমী, গুৰচৰণ সিং, হৰদৰ্শন সিং, সুৰেন্দ্ৰ কৰৱা, মহাবীৰ আগৰৱালা, হিম্মত সিং সোলংকি, ধীৰাজ বৰদলৈ, অজয় মিততাল, মালচান্দ আগৰৱালা, পংকজ বেজবৰুৱা, মনিকা সাহা, গৌৰী সেনগুপ্ত, ত্ৰাভা আগৰৱালাকে আদি কৰি ভালে সংখ্যক গণ্যমান্য ব্যক্তিসকল উপস্থিত থাকে।

# অসম বিজ্ঞান সমিতি ছিপাঝাৰত বিষয় ভিত্তিক গ্ৰীষ্মকালীন কৰ্মশালা

**ইন্দাদুল হক, ছিপাঝাৰ, ২৩ জুলাই ঃ** অসম বিজ্ঞান সমিতি আৰু অসম পৰিৱেশ নিয়ন্ত্ৰণ পৰিষদৰ উদ্যোগত অসম বিজ্ঞান সমিতি, ছিপাঝাৰ শাখাই যোৱা একৈশৰ পৰা তেইশ জুলাইলৈ তুৰাই প্ৰাথমিক বিদ্যালয়ত আয়োজন কৰা বিষয় ভিত্তিক গণিত, বিজ্ঞান আৰু পৰিৱেশ বিষয়ৰ তিনি দিনীয়া গ্ৰীষ্মকালীন কৰ্মশালাৰ বুধবাৰে সামৰণি পৰে। তুৰাই অঞ্চলৰ নৱম আৰু দশম শ্ৰেণীত অধ্যয়নৰত অৰ্ধশতাধিক ছাত্ৰ ছাত্ৰীয়ে অংশগ্ৰহণ কৰা কৰ্মশালাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে অসম বিজ্ঞান সমিতিৰ প্ৰাক্তন যুটীয়া সম্পাদক হিৰণ্য কুমাৰ নাথে। উদ্বোধনী অনুষ্ঠানৰ আৰম্ভণিতে গ্ৰীষ্মকালীন কৰ্মশালাখনৰ বাবে আমন্ত্ৰিত সমল শিক্ষক আৰু সমিতিৰ বিষয়ববীয়াৰ সকলক শাখাৰ সম্পাদক ইকবাল ৰচিদ হাজৰিকাই ছাত্ৰ ছাত্ৰী সকলৰ সৈতে চিনাকি কৰাই দিয়ে। প্ৰথম দুটা দিনত নৱম আৰু দশম শ্ৰেণীৰ বিজ্ঞান, গণিত বিষয়ত পাঠদান কৰা শিক্ষক সকল আছিল অৱসৰী শিক্ষক হেৰম্ব কুমাৰ নাথ, হিৰণ্য কুমাৰ নাথ, কৈলাশ শৰ্মা, ছিপাঝাৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ শিক্ষক ইকবাল ৰচিদ হাজৰিকা। সমল শিক্ষক সকলে ছাত্ৰ ছাত্ৰী সকলৰ মাজত বিজ্ঞান আৰু অংক বিষয়ত থকা ভয় ভীতি আঁতৰাই বিষয় দুটাৰ প্ৰতি আকৰ্ষণ আৰু আগ্ৰহ বৃদ্ধি কৰাৰ বাবে ক্ৰিয়া কলাপৰ মাজেৰে বিজ্ঞান - অংকৰ পাঠদান কৰে। কৰ্মশালাত বিজ্ঞান আৰু অংকৰ কেতবোৰ কাৰ্যকলাপ শিক্ষক সকলে প্ৰদৰ্শন কৰাৰ উপৰি ছাত্ৰ ছাত্ৰী সকলকো জড়িত কৰে। সামৰণিৰ দিনা সমল শিক্ষক তথা গণজ্যোতি বিদ্যাপীঠৰ প্ৰধান শিক্ষক প্ৰবীন চন্দ্ৰ নাথ, ৰাজ্যিক বঁটাপ্ৰাপ্ত শিক্ষক হাফিজ আলী, অৱসৰী শিক্ষক দিলীপ কুমাৰ শইকীয়াই পৰিবেশ বিষয়টোত পাঠদান কৰে। সমল ব্যক্তিসকলে পৰিৱেশৰ বিভিন্ন উপাদান সমূহৰ লগতে বৰ্তমান পৰিৱেশ বিনষ্ট হোৱাৰ ভয়াবহ পৰিস্থিতিৰ ওপৰত আলোকপাত কৰে। পৰিৱেশ সংৰক্ষণৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলৰ ভূমিকা সম্পৰ্কেও সমল শিক্ষক সকলে বহলাই আলোচনা আগবঢ়ায়। কৰ্মশালাত খেলৰ মাধ্যমেৰেও ছাত্ৰ-ছাত্ৰীসকলক পৰিৱেশৰ বাস্তৱিক জ্ঞান প্ৰদান কৰিবলৈ প্ৰচেষ্টা কৰে। ৰাজ্যিক বঁটাপ্ৰাপ্ত কৃতী শিক্ষক হিৰণ্য কুমাৰ নাথে আজি প্ৰজেক্টৰৰ জৰিয়তে বিজ্ঞানৰ পাঠ উপস্থাপন কৰি পাঠদান কাৰ্য মনোগ্ৰাহী কৰি তোলে। ইয়াৰ উপৰি শিক্ষক গৰাকীয়ে কেৰিয়াৰ আৰু জীৱন শৈলী বিষয়তো প্ৰজেক্টৰৰ যোগেৰে বক্তব্য উপস্থাপন কৰে। তেওঁ উচ্চ, উচ্চতৰ আৰু স্নাতক পৰীক্ষা উৰ্ত্তীন হোৱাৰ পাছত ছাত্ৰ-ছাত্ৰীসকলে কি কি কেৰিয়াৰ বাছনি কৰিব পাৰে আৰু ইয়াৰ বাবে কিদৰে সাজু হ'ব লাগে সেই বিষয়ে বিবৰি কয়। এগৰাকী সফল ছাত্ৰ হ'বলৈ কি কি জীৱন শৈলী আহৰণ কৰিব লাগে সেই বিষয়েও সমল শিক্ষক গৰাকীয়ে বক্তব্যত উল্লেখ কৰে। তেওঁৰ বক্তব্যত ধনাত্মক চিন্তা, আবেগৰ নিয়ন্ত্ৰণ, সময়ানুবৰ্তিতা, যোগাযোগৰ কৌশল , সমস্যাৰ সমাধান আদি জীৱন শৈলীৰ বিভিন্ন দিশ সমূহ সামৰি লয়। গ্ৰীষ্মবন্ধৰ সময়ত ব্যতিক্ৰমী আৰু আনন্দদায়ক ভাৱে আয়োজন কৰা এই তিনি দিনীয়া কৰ্মশালাত অংশগ্ৰহণ কৰি যথেষ্ট আনন্দ আৰু উপকৃত হোৱা বুলি সামৰণি অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলে মনৰ অনুভৱ ব্যক্ত কৰে। সামৰণি অনুষ্ঠানত অসম বিজ্ঞান সমিতি ছিপাঝাৰ শাখাৰ বিষয়ববীয়াৰ লগতে স্থানীয় তুৰাই সুহৃদ সংঘৰ সভাপতি আৰু সম্পাদক ক্ৰমে বদিউৰ জামান আৰু খুৰছিদ আলমৰ লগতে সদস্য বৃন্দ, তুৰাই প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী পূৰবী দেৱী, তুৰাই গাওঁ পঞ্চায়তৰ সভানেত্ৰী চাহনাজ আলম , সদস্য আব্দুল মোন্নাভ,কৰ্মশালাৰ ব্যৱস্থাপক আজহাৰুল ইছলাম, সমাজসেৱক নজৰুল হক, মোস্তাক হুছেইন প্ৰমুখ্যে কেইবাজনো গণ্য মান্য ব্যক্তি উপস্থিত থাকে। উল্লেখ্য যে স্থানীয় স্বেচ্ছাসেৱী অনুষ্ঠান তুৰাই সুহৃদ সংঘৰ কৰ্মকৰ্তা সকলে কৰ্মশালাখনৰ সকলো দিশৰ ব্যৱস্থাপনা আৰু আতিথ্য আগবঢ়াইছিল।

**AFFIDAVIT**

I, ACHIYA BIBI, W/o-Mujibar Sheikh, a resident of Vill- Shimutapu No-3, PO - Shimutapu, PS-Gossaigaon, Dist-Kokrajhar, Assam do hereby solemnly affirmed and declared by an affidavit before the Notary public, Govt of Assam at Gossaigaon on 03/07/2026 that My actual and correct name is ACHIYA BIBI as per my Aadhaar card, PAN Card and other documents, But my name has been wrongly recorded in my SBI Bank Account vide A/C No. 34074551847 under Srirampur Branch as ASIYA BIBI in place of ACHIYA BIBI. That, ACHIYA BIBI and ASIYA BEGAM are the same person having one identical person i.e. myself.

**AFFIDAVIT**

I, SHAJIDA BIBI, C/o - Hasmad Ali, a resident of Vill- Shimutapu No-3, PO-Shimutapu, PS-Gossaigaon, Dist-Kokrajhar, Assam do hereby solemnly affirmed and declared by an affidavit before the Notary public, Govt of Assam at Gossaigaon on 21/07/2026 that My actual and correct name is SHAJIDA BIBI as per my Aadhaar card, PAN Card and other documents, But my name has been wrongly recorded in my SBI KIOSK Bank Account vide A/C No. 39178370753 under Srirampur Branch as SAJIDA BEGAM in place of SHAJIDA BIBI. That, SHAJIDA BIBI and SAJIDA BEGAM are the same person having one identical person i.e. myself.

# ২৭-২৮ জুলাইত আগৰতলাত অসম সাহিত্য সভা- ব্ৰহ্মপুত্ৰ-গোমতী গৱেষণা কেন্দ্ৰৰ সহযোগত সাহিত্য-সাংস্কৃতিক সমাৰোহ

**বাতৰি কাকত, শুৱালকুছি, ২৩,জুলাই ঃ** উত্তৰ-পূৰ্বাঞ্চলৰ একমাত্ৰ সৰ্ববৃহৎ জাতীয় অনুষ্ঠান 'অসম সাহিত্য সভা'ৰ নেতৃত্বত অসমৰ কাষৰীয়া ৰাজ্য ত্ৰিপুৰাৰ আগৰতলাত সভাৰ অন্তৰ্গত শিক্ষাসদী অনুষ্ঠান 'ব্ৰহ্মপুত্ৰ-গোমতী গৱেষণা কেন্দ্ৰ'ৰ সহযোগিতা অসমীয়া ভাষা-সাহিত্য আৰু সাংস্কৃতিক ক্ষেত্ৰত প্ৰচাৰ, প্ৰসাৰ আৰু সম্প্ৰসাৰণৰ বাবে সময়ে সময়ে বিভিন্ন কৰ্মসূচী, গৱেষণামূলক আলোচনা-সত্ৰ আদি অনুষ্ঠিত কৰি আহিছে। উল্লেখ্য সভাই ২০১৩ বৰ্ষৰে পৰা এই গৱেষণা প্ৰতিষ্ঠানটিৰ যোগেদিয়েই প্ৰবাসী অসমীয়াৰ লগতে ইচ্ছুক অনা-অসমীয়া লোকসকলক অসমীয়া ভাষা-সাহিত্যৰ লগত একাত্ম হ'বলৈ সুবিধা প্ৰদান কৰি আহিছে। এইবৰ্ষতো সভাই 'ব্ৰহ্মপুত্ৰ-গোমতী গৱেষণা কেন্দ্ৰ'ৰ সহযোগত অসম সাহিত্য সভাৰ মাননীয় সভাপতি আৰু উপ সভাপতিৰ উপস্থিতিত অহা ২৭ জুলাইত অনুষ্ঠিত হ'বলগীয়া সাহিত্য আৰু সাংস্কৃতিক সমাৰোহ আৰু ২৮ জুলাইত অসমীয়া ভাষা-সাহিত্য, সংস্কৃতিৰ লগতে গৱেষণা প্ৰতিষ্ঠানটিৰ আন্তগাঁথনি উন্নয়ন, পৰিকল্পনা আদি শিতানত ত্ৰিপুৰা চৰকাৰৰ লগত সৌহাদ্যমূলকভাৱে ভাব-বিনিময় কৰিব। ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ উপলক্ষ্যে এই সমাৰোহতে তেওঁৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাই এটি বিশেষ সাংস্কৃতিক কাৰ্যসূচীও ৰূপায়ণ কৰা হ'ব। সভাৰ এই সাহিত্য-সাংস্কৃতিক ভাব বিনিময় কাৰ্যসুচী হিচাপে অসম সাহিত্য সভাৰ উদ্যোগত ব্ৰহ্মপুত্ৰ-গোমতী গৱেষণা কেন্দ্ৰৰ সহযোগত সাহিত্য আৰু সাংস্কৃতিক সমাৰোহ অনুষ্ঠিত হ'ব আগৰতলা প্ৰেছ ক্লাৱ, ত্ৰিপুৰাত। কাৰ্যসূচী অনুসৰি ২৭ জুলাইত বিয়লি ৫ বজাৰ পৰা আৰম্ভণী গীত 'চিৰ চেনেহী মোৰ ভাষা জননী...' (গীতৰ কথা-সাহিত্যাচায্য মিত্ৰদেৱ মহন্ত) শীৰ্ষক গীতটি পৰিৱেশন কৰিব ত্ৰিপুৰা অসম এচ'ছিয়েনৰ সদস্যসকলে। অসম সাহিত্য সভাৰ সভাপতি, উপ সভাপতি আৰু প্ৰধানসম্পাদকৰ লগতে বিশিষ্ট ব্যক্তিসকলক মঞ্চলৈ আমন্ত্ৰণ তথা পৰিচয়সূচক বক্তব্য প্ৰদান কৰিব অসম সাহিত্য সভাৰ গুৱাহাটী কাৰ্যালয়ৰ সম্পাদক ড° সঞ্জীৱ কুমাৰ শৰ্মা আৰু 'ব্ৰহ্মপুত্ৰ-গোমতী গৱেষণা কেন্দ্ৰ'ৰ সম্পাদক ড° আশীষ কুমাৰ বৈদ্যই। বন্তি প্ৰজ্জ্বলন কৰিব মুখ্য প্ৰজ্জ্বলক ত্ৰিপুৰা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য, অধ্যাপক দেবব্ৰত দাসে, প্ৰজ্জ্বলক হিচাপে অসম সাহিত্য সভাৰ কৰ্ণধাৰ সমিতিৰ সদস্য ধীৰেন চন্দ্ৰ শৰ্মাই, ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ উপলক্ষ্যে স্মৃতিচাৰণ অনুষ্ঠানৰ উদ্দেশ্যৰ কথকতা কৰিব অসম সাহিত্য সভাৰ প্ৰধানসম্পাদক দেবজিৎ বৰাই, অনুষ্ঠানৰ উদ্বোধনী ভাষণ প্ৰদান কৰিব অসমৰ প্ৰাক্তন সাংসদ ডাঃ ৰাজদ্বীপ ৰয়ে। সভাপতিৰ শুভেচ্ছামূলক ভাষণ প্ৰদান কৰিব অসম সাহিত্য সভাৰ সভাপতি ড° বসন্তকুমাৰ গোস্বামীয়ে, মুখ্য অতিথিৰ ভাষণ প্ৰদান কৰিব সাংস্কৃতিক সমিতি, আই চি এ টি বিভাগ, ত্ৰিপুৰা চৰকাৰ উপসভাপতি সুব্ৰত চক্ৰৱৰ্তীয়ে, বিশিষ্ট অতিথিৰ ভাষণ প্ৰদান কৰিব ত্ৰিপুৰা চৰকাৰৰ উচ্চ শিক্ষা সঞ্চালক অনিমেষ দেৱবাৰ্মাই, অতিথিৰ ভাষণ প্ৰদান কৰিব ত্ৰিপুৰা বিশ্ববিদ্যালয়ৰ উপাচায্য ড°দেবব্ৰত দাস আৰু অসম সাহিত্য সভাৰ উপসভাপতিৰ ভাষণ প্ৰদান কৰিব পদুম ৰাজখোৱাই, আমন্ত্ৰিত অতিথিৰ ভাষণ প্ৰদান কৰিব অসম এচ'ছিয়েচন, ত্ৰিপুৰা সভাপতি পুলিন চাংমাই,শলাগ জ্ঞাপন কৰিব আগৰতলা গৱেষণা কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত বিষয়া ড° আশীষ কুমাৰ বৈদ্যই, সাংস্কৃতিক অনুষ্ঠানত সংগীতাৰতি - সংগীত শিক্ষা কেন্দ্ৰ (সমবেত সংগীত) পৰিচালনা কৰিব বিশিষ্ট সংগীত শিল্পী শীলা দাসগুপ্তই, আৰধনা সংগীত চৰ্চা কেন্দ্ৰ পৰিচালনা বিশিষ্ট সংগীত শিল্পী সুজাতা চক্ৰবৰ্তীয়ে, কলা ভৱন পৰিচালনা কৰিব বিশিষ্ট সংগীত শিল্পী নিৰঞ্জন অধিকাৰীয়ে, মৃন্ময়ী সামাজিক সাংস্কৃতিক সংস্থা পৰিচালনা কৰিব বিশিষ্ট সংগীত শিল্পী অমৃতা সিনহাই, বিহু নৃত্য প্ৰদৰ্শন কৰিব পৰিচালনা ৰেণুকা বৰাই, সংগীত পৰিৱেশন কৰিব সুদীপ্ত শেখৰ মিশ্ৰ, শীলা দাসগুপ্ত, নন্দিতা সাহা, লনী বৰঠাকুৰ গোস্বামী (ভূপেন হাজৰিকাদেৱৰ কালজয়ী গীতসমূহ পৰিবেশন কৰিব), কবিতা পাঠ কৰিব শুভ্ৰা সাহা, কামনা দেৱ, শংকৰ সাহা, গোপা বয়, শিবানী ভট্টাচায্য, সুচীত্ৰা দাস, শ্যামল বন্তি দে, মিনাক্ষী ভট্টাচায্য, কাজল ৰেখা দত্ত, মনোৰঞ্জন দেৱবাৰ্মাৰ লগতে অসমৰ পৰা অংশগ্ৰহণ কৰা বিশিষ্ট কবিসকল। জাতীয় সংগীত পৰিৱেশন আৰু সভা সমাপ্তি ঘোষণা। ২৮ জুলাইত দুপৰীয়া ১২-০০ বজাত পুথিভঁৰাল আৰু গৱেষণা কেন্দ্ৰ পৰিদৰ্শন আৰু অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ লগতে ব্ৰহ্মপুত্ৰ-গোমতী গৱেষণা কেন্দ্ৰৰ আন্তগাঁথনি উন্নয়ন, পৰিকল্পনা আদি শিতানত ত্ৰিপুৰা চৰকাৰৰ লগত সৌহাদ্যমূলক ভাৱ বিনিময় অনুষ্ঠান অনুষ্ঠিত কৰিব বুলি অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই জনাইছে।

# জাগীৰোডৰ সংগীত সূৰ্য লোককৃষ্টি বিকাশ কেন্দ্ৰৰ উদ্যোগত নৃত্য কৰ্মশালাৰ সামৰণি

**বাতৰি কাকত, জাগীৰোড, ২৩ জুলাই ঃ** মৰিগাঁও জিলাৰ অন্যতম সাংস্কৃতিক অনুষ্ঠান সংগীত সূৰ্য লোককৃষ্টি বিকাশ কেন্দ্ৰৰ সৌজন্যত অনুষ্ঠিত হোৱা নৃত্য কৰ্মশালাখনি বুধবাৰে সামণি পৰে। জাগীৰোড সমজিলাৰ অন্তৰ্গত ঝাৰগাঁও সমূহীয়া ভৱন প্ৰাংগনত অনুষ্ঠিত সামৰণি অনুষ্ঠানত কণ কণ প্ৰশিক্ষাৰ্থী সকলে ভিন্নসূৰীয়া দলীয় নৃত্যৰ যোগে উপস্থিত ৰাইজক মুগ্ধ কৰি তোলে। শতাধিক শিক্ষাৰ্থীয়ে অংশ গ্ৰহণ কৰা উক্ত অনুষ্ঠানতে প্ৰশিক্ষাৰ্থী সকলক সংগীত সূৰ্য লোককৃষ্টি বিকাশ কেন্দ্ৰৰ তৰফৰ পৰা একোখনকৈ মান পত্ৰ প্ৰদান কৰা হয়। আনহাতে ছাত্ৰ-ছাত্ৰীসকলৰ নৃত্য আৰু সুৰৰ মূৰ্চনাই মুখৰিত কৰি তোলা বৰ্ণিল অনুষ্ঠানটিত নিমন্ত্ৰিত অতিথি হিচাপে মায়ং মহাবিদ্যালয়ৰ প্ৰবক্তা উৎপল কুমাৰ নাথ, সাংবাদিক নজৰুল ইছলাম সাংস্কৃতিক কৰ্মী কমল ৰংপী সমাজকৰ্মী লোকেন মেধি, শিক্ষক পৰাগ কুমাৰ ডেকা সাংস্কৃতিক কৰ্মী মিনাৰাম মেধিৰ লগতে বৃহত্তৰ




অঞ্চলটোৰ বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। উল্লেখযোগ্য যে ৰচ দিনীয়াকৈ অনুষ্ঠিত হোৱা নৃত্য কৰ্মশালাত ছাত্ৰ-ছাত্ৰী সকলক প্ৰশিক্ষণ প্ৰদান কৰে ৰাষ্ট্ৰীয় পৰ্যায়ৰ নৃত্যশিল্পী থমাচ, লগতে অসমৰ জনপ্ৰিয় কৰিঅ'গ্ৰাফাৰ উদয় শংকৰ, অভিনেত্ৰী তথা কৰিঅ'গ্ৰাফাৰ চুমী বৰা, নৃত্য পৰিচালক ভাগ্যশ্ৰী বসুমতাৰী, নৃত্য পৰিচালক চন্দন ঘোষ। নৃত্য পৰিচালক ৰণ্টু বংজাং আৰু নৃত্য পৰিচালক বিখ্যাত ইংতিয়ে। স্মৰ্তব্য যে অনুষ্ঠানটি সংগীত সূৰ্য ডান্স এণ্ড একটিং একাডেমীৰ পৰিবৰ্তে সম্প্ৰতি অসম চৰকাৰৰ পৰা সংগীত সূৰ্য লোককৃষ্টি বিকাশ কেন্দ্ৰ হিচাপে স্বীকৃতি লাভ কৰিবলৈ সক্ষম হয়। চৰকাৰী পঞ্জীয়ণ প্ৰাপ্তিৰ বাবে অনুষ্ঠানটিৰ অধ্যক্ষ বিখ্যাত ইংটিয়ে সংশ্লিষ্ট বিভাগৰ লগতে অনুষ্ঠানটিৰে জড়িত শুভাকাংক্ষী ৰাইজ, অভিভাৱক তথা অনুৰাগী সকলক ধন্যবাদ আৰু কৃতজ্ঞতা প্ৰকাশ কৰে।

# বজালী জিলাত মোবাইল মেডিকেল ইউনিটৰ সফলতা

**প্ৰাঞ্জল দাস, পাঠশালা, ২৩ জুলাই ঃ** অসম চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ অধীনস্থ ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ উদ্যোগত বজালী জিলাত পৰিচালিত মোবাইল মেডিকেল ইউনিটৰ দ্বাৰা দুৰ্গম আৰু স্বাস্থ্য সেৱাৰ পৰা বঞ্চিত অঞ্চলসমূহত সফলভাৱে চিকিৎসা সেৱা আগবঢ়াই এক উল্লেখযোগ্য দৃষ্টান্ত স্থাপন কৰিছে। চিকিৎসালয়লৈ যোৱাত অসুবিধাৰ সন্মুখীন হোৱা বহু লোকৰ বাবে এই মোবাইল চিকিৎসা ব্যৱস্থাই আশীৰ্বাদস্বৰূপ হৈ পৰিছে। শেহতীয়া পৰিসংখ্যা অনুসৰি, ২০২৬ চনৰ ১ এপ্ৰিলৰ পৰা ৩০ জুনলৈকে তিনিমহীয়া সময়ছোৱাত বজালী জিলাত মোবাইল মেডিকেল ইউনিটৰ জৰিয়তে মুঠ ৪,৫৩৬ গৰাকী ৰোগীয়ে স্বাস্থ্য পৰীক্ষা আৰু চিকিৎসা সেৱা লাভ কৰে। পঞ্জীয়নভুক্ত আটাইকেইগৰাকী ৰোগীক বহিঃবিভাগীয় চিকিৎসা পৰামৰ্শ প্ৰদান কৰাৰ লগতে সম্পূৰ্ণ বিনামূলীয়াকৈ প্ৰয়োজনীয় ঔষধ বিতৰণ কৰা হয়। এই সময়ছোৱাত গ্ৰামাঞ্চলৰ লোকসকলৰ বিভিন্ন ৰোগ সঠিকভাৱে নিৰ্ণয় কৰাৰ উদ্দেশ্যে মুঠ ৪০৯১টা লেবৰেটৰী ডায়েগনষ্টিক পৰীক্ষা সম্পন্ন কৰা হয়। মাতৃ আৰু শিশু স্বাস্থ্যৰ ক্ষেত্ৰতো মোবাইল মেডিকেল ইউনিটে বিশেষ গুৰুত্ব আৰোপ কৰিছে। এই সময়ছোৱাত ২৩ গৰাকী গৰ্ভৱতী আৰু প্ৰসূতি মহিলাৰ প্ৰসৱপূৰ্বক পৰীক্ষা সম্পন্ন কৰি নিয়মীয়া স্বাস্থ্য পৰীক্ষা, পৰামৰ্শ আৰু প্ৰয়োজনীয় চিকিৎসা সেৱা আগবঢ়োৱা হয়। একে সময়তে চকুৰ বিভিন্ন সমস্যাত ভুগি থকা ৩৮ গৰাকী ৰোগীক বিশেষ চকু চিকিৎসা সেৱা প্ৰদান কৰা হয়। উল্লেখ্য যে, বজালী জিলাৰ বিভিন্ন গাঁও, দুৰ্গম অঞ্চল আৰু স্বাস্থ্যসেৱাৰ পৰা বঞ্চিত লোকসকলৰ দুৱাৰমুখলৈ চিকিৎসক, নাৰ্ছ, লেবৰেটৰী টেকনিচিয়ান আৰু প্ৰয়োজনীয় ঔষধসহ মোবাইল মেডিকেল ইউনিট নিয়মীয়াকৈ উপস্থিত হৈ স্বাস্থ্য পৰীক্ষা, ৰোগ নিৰ্ণয়, ঔষধ বিতৰণ, স্বাস্থ্য সজাগতা আৰু পৰামৰ্শমূলক সেৱা আগবঢ়াই আহিছে। ইয়াৰ ফলত আৰ্থিকভাৱে দুৰ্বল আৰু যাতায়াতৰ সমস্যাত ভোগা বহু লোকে সহজে আৰু বিনামূলীয়াকৈ উন্নত চিকিৎসা লাভ কৰাৰ সুযোগ পাইছে। মোবাইল মেডিকেল ইউনিটৰ দৰে উদ্যোগে প্ৰাথমিক স্বাস্থ্যসেৱাক অধিক শক্তিশালী কৰাৰ লগতে ৰোগসমূহ আৰম্ভণিৰ পৰ্যায়তেই চিনাক্ত কৰি সময়মতে চিকিৎসা প্ৰদান কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। বজালী জিলাত এই সেৱাৰ সফল ৰূপায়ণে ৰাজ্য চৰকাৰৰ 'সকলোৰে বাবে স্বাস্থ্য' লক্ষ্য পূৰণৰ ক্ষেত্ৰতো এক ইতিবাচক পদক্ষেপ হিচাপে পৰিগণিত হৈছে।

# তামুলপুৰত স্বাধীনতা দিৱস উদযাপন উপলক্ষে প্ৰস্তুতি সভা

**বাতৰি কাকত, তামুলপুৰ, ২৩ জুলাই ঃ** সমাগত ৮০সংখ্যক স্বাধীনতা দিৱস উদযাপন সফলভাৱে সম্পন্ন কৰাৰ উদ্দেশ্যে আজি তামুলপুৰ জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত জিলা আয়ুক্ত চিমি কৰণ, আই এ এছ-ৰ অধ্যক্ষতাত এখন প্ৰস্তুতি সভা অনুষ্ঠিত হয়। সভাত এইবাৰৰ স্বাধীনতা দিৱসৰ মূল অনুষ্ঠান অইন বেলিৰ দৰে তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰতে অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লোৱা হয়। অনুষ্ঠান সুচাৰুৰূপে সম্পন্ন কৰিবলৈ বিভিন্ন বিভাগক দায়িত্ব অৰ্পণ কৰা হয়। বৃক্ষৰোপণ কাৰ্যসূচী, ৰাষ্ট্ৰীয় সংগীত পৰিৱেশন, মাৰ্চপাষ্ট, সাংস্কৃতিক অনুষ্ঠান, ফটোগ্ৰাফী প্ৰতিযোগিতা, প্ৰীতি ফুলবল খেল, বিভিন্ন বিভাগৰ বিপনী, বিশিষ্ট ব্যক্তি তথা কৃতীসকলক সম্বৰ্ধনা ইত্যাদি সম্পৰ্কে সভাত বিশদভাৱে আলোচনা কৰা হয়। আনহাতে লোকপিয়ল-২০২৭ উপলক্ষ্যে এক বিশেষ প্ৰদৰ্শনী ষ্টল স্থাপন সম্পৰ্কেও আলোচনা কৰা হয়। উক্ত ষ্টলত সকলোকে প'ৰ্টেলৰ জৰিয়তে 'স্ব-গণনা' সম্পন্ন কৰিবলৈ জিলা আয়ুক্তগৰাকীয়ে আহ্বান জনায়। সভাত জ্যেষ্ঠ আৰক্ষী অধীক্ষক সুমন চক্ৰৱৰ্তীয়ে জাতীয় পতাকাখন সঠিকভাৱে উত্তোলনৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ উপৰি সুৰক্ষা তথা চাফাই অভিযান আদিৰ বিষয়েও আলোচনা কৰে।

*No.GDB/RD/BTC/15THFC/174/2020-21/888* *Date 14/07/2026*

**SHORT NOTICE INVITING TENDER (SNIT)**

Sealed tenders affixing a non-refundable Court Fee Stamp of Rs. 8.25 (Rupees Eight and Twenty Five Paise only) are invited from registered contractors of Class-III and Class-IV under APWD (Roads/Building) for execution of the following works under the 15th Finance Commission during the financial year 2024–25/2025–26. The tenders will be received by the undersigned up to the prescribed date and time and will be opened on the same day at 2:30 PM.

| Name of Work | A/A Amount | Estimated Amount | Earnest Money | Time of Completion | Cost of Bid Document |
|---|---|---|---|---|---|
| Const of Community Toilet at Jyotinagar Kali Mandir | 11.00L | 11.00L | 11000.00 (1%) For ST, SC & OBC<br>22000.00 (2%) For General | 3 Months | 330.00 |

The detailed NIT may be seen during office hours in the office of the undersigned. Tender papers will be issued from 14.07.2026 to 04.08.2026 on payment of the prescribed cost through Demand Draft/Fixed Deposit/Term Deposit from any Nationalised Bank, pledged in favour of the Principal Secretary, BTC, Kokrajhar.

Sd/-
Block Development Officer
Gobardhana Development Block,
Barpeta Road

*IPR(BTC)/C/2026-27/808*

**চন্দ্ৰমণি উপাধ্যায়ৰ অসমীয়া ভাষাৰ কবিতা সংকলন'এই চকুহাল ধন্য'**

# স্বেচ্ছাসেৱী অনুষ্ঠান 'চাকচিড'ৰ উদ্যোগত বিশেষ গ্ৰন্থ উন্মোচনী অনুষ্ঠান




**বাতৰি কাকত, তেজপুৰ, ২৩ জুলাই ঃ** তেজপুৰৰ জিলা আয়ুক্তৰ সন্মিলন কক্ষত আজি বিয়লি অনুষ্ঠিত হোৱা এক গাম্ভীৰ্যপূৰ্ণ বিশেষ গ্ৰন্থ উন্মোচনী অনুষ্ঠানত শোণিতপুৰ জিলাৰ জিলা আয়ুক্ত আনন্দ কুমাৰ দাসে দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গুজৰাটী ভাষাত ৰচনা কৰা তিনিকুৰি ৮টা কবিতাৰ 'এই চকুহাল ধন্য' শীৰ্ষক এখন গুৰুত্বপূৰ্ণ অসমীয়া অনুবাদ গ্ৰন্থ আনুষ্ঠানিকভাৱে উন্মোচন কৰে। উল্লেখ্য যে, তেজপুৰ নিবাসী সাহিত্য অকাডেমিৰ অনুবাদ বঁটা প্ৰাপক চন্দ্ৰমণি উপাধ্যায়ে অসমীয়া ভাষালৈ অনুবাদ কৰা ড° অঞ্জনা সন্ধীৰ হিন্দী ভাষাৰ অসমীয়া ভাষাৰ কবিতা সংকলনৰ বিশেষ গ্ৰন্থখন আনুষ্ঠানিকভাৱে উন্মোচন কৰা হয় । তেজপুৰৰ 'চাকচিড' শীৰ্ষক স্বেচ্ছাসেৱী অনুষ্ঠানটিৰ উদ্যোগত আয়োজিত অনুষ্ঠানটিৰ আৰম্ভণিতে বিশিষ্ট সাহিত্যিক তথা অনুবাদক চন্দ্ৰমণি উপাধ্যায়ে আদৰণী ভাষণ আগবঢ়াই গ্ৰন্থখনৰ বিষয়বস্তু আলোকপাত কৰি কবিতা কেইটাত প্ৰতিফলিত হোৱা দেশপ্ৰেম আৰু মানৱ প্ৰেমৰ বিষয়ে সদৰি কৰে । 'চাকচিড'ৰ সভাপতি পংকজ বৰুৱাই আঁত ধৰা অনুষ্ঠানটিত উন্মোচনী ভাষণত জিলা আয়ুক্ত আনন্দ কুমাৰ দাসে আগবঢ়োৱা উন্মোচনী ভাষণত অনুবাদ সাহিত্যৰ গুৰুত্ব আৰু মহত্ব আলোকপাত কৰি সৃষ্টিশীল সাহিত্যই মানুহৰ জীৱনত বিশেষ প্ৰভাৱ পেলাই বুলি মন্তব্য কৰি আৰ্ণেষ্টি হেমিঙৱেৰ 'দ্য অল্ড মেন অন দ্য চি'ৰ 'মানুহ ধ্বংস হ'ব পাৰে কিন্তু পৰাজিত নহয়' আদি বাণীৰ লগতে টলষ্টয়ৰ পৰা বিশ্ববিখ্যাত সাহিত্যিকৰ সাহিত্যৰাজিৰ উদাহৰণ দাঙি ধৰি সাহিত্যই মানুহৰ অন্তৰত বিশেষ প্ৰভাৱ পেলাবলৈ সক্ষম হয় বুলি মন্তব্য কৰে। উল্লেখ্য যে, শোণিতপুৰ জিলাৰ জিলাৰ লগতে জিলাখনৰ বাহিৰৰো বহু কেইগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশ গ্ৰহণ কৰা অনুষ্ঠানটিত বাণ থিয়েটাৰৰ প্ৰাক্তন সভাপতি মহেন্দ্ৰ নাথ কেওটে নিজৰ ছাত্ৰ চন্দ্ৰমণি উপাধ্যায়ে সৃষ্টিশীল পৃথিৱীখনত একাত্ম হৈ অসমীয়া ,নেপালী আৰু হিন্দী ভাষাৰ সাহিত্য সৃষ্টিত আগঢ়াই অহা অৰিহণাৰ বাবে নিজে ধন্য হৈছে বুলি মন্তব্য কৰে । আনহাতে অনুষ্ঠানটিত বিশিষ্ট অতিথি ৰূপে অংশ গ্ৰহণ কৰা শোণিতপুৰ জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° ভূপেন শইকীয়া, নেপালী সাহিত্য সভাৰ সভাপতি তথা বিশ্বনাথ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° চিন্তামণি শৰ্মা, ৰঙাপৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰঞ্জন কলিতা, শোণিতপুৰ জিলা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক মৃদুল কুমাৰ চহৰীয়াই বক্তব্য ৰখা অনুষ্ঠানটিত' চাকচিড'ৰ হৈ তেজপুৰৰ পৌৰপতি ৰমেন তামুলীয়ে জিলা আয়ুক্ত গৰাকীক এখন গামোচা আৰু প্ৰশস্তি পত্ৰৰে সম্বৰ্ধনা জ্ঞাপন কৰে। 'চাকচিড'ৰ সম্পাদক প্ৰীতম বৰাই শলাগ জ্ঞাপন কৰা অনুষ্ঠানটিত জিলা আয়ুক্তৰ প্ৰশস্তিখন পাঠ কৰে 'চাকচিড'ৰ কাৰ্যকৰী সভাপতি তথা নাট্যশিল্পী অচ্যুত শৰ্মাই ।

## স্থানীয় নিবনুৱাৰ নিযুক্তি-পুঁজিৰ দাবীত স্মাৰক পত্ৰ

**বাতৰি কাকত, ছিপাঝাৰ, ২৩ জুলাই ঃ** ছিপাঝাৰ অঞ্চলত স্থাপিত 'কামাখ্যা বায়'ফুৱেলচ প্ৰাইভেট লিমিটেড' নামৰ ইথানল উদ্যোগটোৱে কাৰ্যক্ষম হোৱাৰ পৰাই স্থানীয় ৰাইজৰ জীৱন-জীৱিকা আৰু প্ৰাকৃতিক পৰিৱেশৰ ওপৰত বিৰূপ প্ৰভাৱ পেলাইছে। ছাত্ৰ সন্থাই উদ্যোগ প্ৰতিষ্ঠাক স্বাগতম জনাই , কিন্তু ইয়াৰ ফলত স্থানীয় ৰাইজৰ স্বাস্থ্য ধূলিসাৎ হোৱা আৰু তেওঁলোকৰ প্ৰাপ্য অধিকাৰৰ পৰা বঞ্চিত হোৱাটো অত্যন্ত দুৰ্ভাগ্যজনক। এই সন্দৰ্ভত ছিপাঝাৰ আছুৰ মুখ্য দাবীসমূহ হ'ল পৰিৱেশ প্ৰদূষণ ৰোধ আৰু ইটিপি ৰ কাৰ্যকৰীকৰণ। উদ্যোগটোৰ পৰা নিৰ্গত দুৰ্গন্ধযুক্ত ধোঁৱা, ছাই আৰু কেঁচা কেমিকেল মিহলি প্ৰদূষিত পানীয়ে কাষৰীয়া কৃষিভূমি, জলাশয়, জীৱ জন্তু আৰু জনবসতি অঞ্চল ধংসৰ মুখলৈ ঠেলি দিছে। উদ্যোগটোত আধুনিক প্ৰদূষণ নিয়ন্ত্ৰণ ব্যৱস্থা সম্পূৰ্ণভাৱে কাৰ্যকৰী কৰি বায়ুমণ্ডল আৰু ভূ-গৰ্ভস্থ পানীৰ প্ৰদূষণ ৰোধ কৰিবলৈ অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ দ্বাৰা এক জৰুৰী তদন্তৰ নিৰ্দেশ দিয়া। স্থানীয় নিবনুৱাৰ বাবে তৃতীয় বৰ্গ আৰু চতুৰ্থ বৰ্গৰ পদ সমূহ ১০০ শতাংশ সংৰক্ষণ আৰু কাৰিকৰী তথা প্ৰশাসনীয় পদ সমূহত ১০০ শতাংশ অগ্ৰাধিকাৰ দি নিযুক্তি । উদ্যোগটো স্থাপনৰ সময়ত স্থানীয় ডেকা-গাভৰুক কৰ্মসংস্থাপন দিয়াৰ প্ৰতিশ্ৰুতি দিয়া হৈছিল, কিন্তু বৰ্তমান সৰহসংখ্যক পদতে বহিঃৰাজ্যৰ লোকক নিযুক্তি দিয়া হৈছে। স্থানীয় খিলঞ্জীয়া যোগ্য নিবনুৱা যুৱক-যুৱতীক প্ৰাথমিকতা দি উদ্যোগটোৰ তৃতীয় বৰ্গ আৰু চতুৰ্থ বৰ্গৰ পদ সমূহ ১০০ শতাংশ সংৰক্ষণ আৰু কাৰিকৰী তথা প্ৰশাসনীয় পদ সমূহত ১০০ শতাংশ অগ্ৰাধিকাৰ দি নিযুক্তি সুনিশ্চিত কৰিবলৈ চৰকাৰী হস্তক্ষেপ দাবী জনাইছোঁ। কৰ্পোৰেট সামাজিক দায়বদ্ধতা পুঁজিৰ স্থানীয় উন্নয়নত ব্যৱহাৰ। চৰকাৰী নিয়ম অনুসৰি উদ্যোগটোৰ CSR (Corporate Social Responsibility) পুঁজিৰ পুঁজি প্ৰথমেই প্ৰভাৱিত স্থানীয় অঞ্চলৰ উন্নয়নত খৰচ কৰিবলৈ দাবী জনাই। MCSR পুঁজিৰে ছিপাঝাৰ অঞ্চলৰ ৰাস্তা-ঘাট নিৰ্মাণ, খোৱাপানীৰ ব্যৱস্থা, স্থানীয় স্বাস্থ্যকেন্দ্ৰৰ উন্নতি আৰু শিক্ষা প্ৰতিষ্ঠানৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে উদ্যোগ কৰ্তৃপক্ষক বাধ্য কৰোৱা হওঁক। মুখ্যমন্ত্ৰীয়ে এই গুৰুত্বপূৰ্ণ বিষয়টো ব্যক্তিগতভাৱে পৰ্যবেক্ষণ কৰি দৰং জিলা প্ৰশাসন আৰু কামাখ্যা বায়'ফুৱেলচ প্ৰাইভেট লিমিটেড কৰ্তৃপক্ষক এক সপ্তাহৰ ভিতৰত জৰুৰী নিৰ্দেশনা প্ৰদান কৰে যেন। অন্যথা ছাত্ৰ সন্থা আৰু স্থানীয় ৰাইজে নিজৰ মৌলিক অধিকাৰ আৰু স্বাস্থ্য ৰক্ষাৰ খাতিৰত গণতান্ত্ৰিক আন্দোলনৰ পথ ল'বলৈ বাধ্য হ'ব। ছিপাঝাৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি পীযুষ কান্তি, সাধাৰণ সম্পাদক নীলোৎপল নাথৰ স্বাক্ষৰিত এক স্মাৰক পত্ৰ দৰং আছুৰ সাধাৰণ সম্পাদক তথা কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক হৃদয় বৰুৱাৰ উপস্থিতিত ছিপাঝাৰ সম জিলাৰ আয়ুক্তৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰে।

## ডিমাকুছিৰ পানেৰীত সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ ২৩ সংখ্যক অষ্ট শ্বহীদ দিৱসৰ আয়োজন

**বাতৰি কাকত, ষ্টাফ ৰিপ'ৰ্টাৰ, ২৩ জুলাই ঃ** ২০০৩ চনৰ ২৫ জুলাইত বৰ্তমান ওদালগুৰি জিলাৰ পানেৰী চাহ বাগিছাৰ কচুবিলত আদিবাসী ছাত্ৰ সন্থাই জনজাতিকৰণক লৈ আহ্বান জনোৱা অসম বন্ধৰ সময়ত প্ৰতিবাদকাৰীৰ ওপৰত জঁপিয়াই পৰিছিল অসম আৰক্ষী আৰু একাংশ দুষ্কৃতিকাৰী । যাৰ পৰিণতিত পানেৰী চাহ বাগিছাৰ আঠজনকৈ নিৰীহ আদিবাসী লোকে প্ৰাণ হেৰুওৱাৰ বিপৰীতে বহুকেইগৰাকী ব্যক্তি আহত হৈ আজিও পংগু হৈ মৃত্যুৰ সৈতে যুঁজ দি থাকিবলগীয়া হৈছে । গুলীচালনাৰ এই ঘটনাত পুলিচৰ গুলীত প্ৰাণ দিছিল পানেৰীৰ অৰুণ তাঁতী, নাথানিয়েল নাগ, জিতেন তাঁতী, ডাঙ্গুহাছা পূৰ্তি, চানিক চাঁৰাছী, যোছেফ বালা, মাংবা গোৱালা আৰু বাসুদেৱ খেৰুৱা নামৰ লোককেইজনে । তেওঁলোকৰ অকাল মৃত্যুৰ পিছতে আটাইকেইগৰাকীকে সদৌ অসম আদিবাসী ছাত্ৰ সন্থাই শ্বহীদ ঘোষণা কৰে । এই জঘন্য ঘটনাই ইতিমধ্যে কুৰি বছৰ অতিক্ৰম কৰিলে । প্ৰতি বছৰে চপ্ত জুলাই দিনটোতে অষ্ট শহীদক সুঁৱৰি পানেৰীত আছাই উদ্যাপন কৰে অষ্ট শ্বহীদ দিবস । বিগত বছৰবোৰৰ দৰে এই বেলিও পানেৰী চাহ বাগিচাত অৱস্থিত জগন্নাথ ভৱনত চ্ব সংখ্যক আদিবাসী জাতীয় অষ্ট শ্বহীদ দিৱস উদযাপন কৰিব সদৌ অসম আদিবাসী ছাত্ৰ ওদালগুৰি জিলা সমিতি , আদিবাসী জনিশক্তি সংগতিৰ সৌজন্যত আৰু পানেৰী আঞ্চলিক সমিতিৰ সহযোগত অষ্ট শ্বহীদ দিৱস উদ্‌যাপন কৰিব । কাৰ্যসূচী অনুসৰি ২৫ জুলাই শনিবাৰে ৰাতিপুৱা ৮ বজাত অভ্যৰ্থনা সমিতিৰ পতাকা উত্তোলন কৰিব অভ্যৰ্থনা সমিতিৰ সাধাৰণ সম্পাদক বুলন মালীয়ে , ৮.১০ বজাত ওদালগুৰি জিলা সমিতি আছাৰ পতাকা উত্তোলন কৰিব জিলা সমিতিৰ সভাপতি বাবুল পাইকে, ৮.২০ বজাত আদিবাসী জানি শক্তি সংগতিৰ পতাকা উত্তোলন কৰিব জিলা সমিতিৰ কাৰ্যকৰী সভানেত্ৰী ভাৰতী ৰৌতিয়াই, ৮.৩০ বজাত আছাৰ পানেৰী আঞ্চলিক সমিতিৰ পতাকা উত্তোলন কৰিব বৰুন নাগে, ৮.৪০ বজাত ক'লা পতাকা উত্তোলন কৰিব ওদালগুৰি জিলা সমিতিৰ প্ৰাক্তন সভাপতি আকিলা পুৰ্তীয়ে, ৮.৫০ বজাত অষ্ট শ্বহীদক স্মৰণ কৰি শ্বহীদ তৰ্পণ, ৯.২৫ বজাত বৃক্ষৰোপণ, ১১ বজাত অষ্ট শ্বহীদৰ সমাধিস্থলীলৈ বিশাল শোভাযাত্ৰা আৰম্ভ শোভাযাত্ৰা উদ্বোধন কৰিব পাঁচনৈ পৰিষদীয় সমষ্টিৰ পাৰিষদ শ্যাম চুণ্ডিয়ে ,আবেলি চবজাত অভ্যৰ্থনা সমিতিৰ সভাপতি বাবুল পাইকৰ সভাপতিত্বত স্মৃতিচৰণ সভা অনুষ্ঠিত কৰিব । শ্বহীদ দিৱসত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব আছাৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি ৰেজন হ'ব , নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকিব আছাৰ অবিভক্ত দৰং জিলা সমিতিৰ প্ৰাক্তন সভাপতি শান্তিয়াছ কুজুৰ। বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰিব ৰাজ্য চৰকাৰৰ কেবিনেট মন্ত্ৰী চৰণ বড়ো, বিটিচিৰ উপ মুখ্য কাৰ্যবাহী সদস্য ৰিহন দৈমাৰী, টংলা বিধানসভা সমষ্টিৰ বিধায়ক বিকন চন্দ্ৰ ডেকা, ভেৰগাঁও বিধানসভা সমষ্টিৰ বিধায়ক মহেশ্বৰ বড়ো, খালিংদুৱাৰ পৰিষদীয় সমষ্টিৰ পাৰিষদ অৰ্জুন দৈমাৰী, ননৈ চেৰফাং পৰিষদীয় সমষ্টিৰ প্ৰাক্তন কাৰ্যবাহী সদস্য সঞ্জিত তাঁতী, প্ৰাক্তন এমচিএলএ সুৰেশ তাঁতী, প্ৰাক্তন পাৰিষদ অৰ্পনা মেধি, আদিবাসী জাতীয় নায়ক তথা আছাৰ কেন্দ্ৰীয় সমিতিৰ প্ৰাক্তন সভাপতি প্ৰয়াত প্ৰদীপ নাগৰ সহধৰ্মিনী প্ৰীতিৰেখা বাৰ্লা, কেন্দ্ৰীয় সমিতিৰ অন্যতম সম্পাদক ৰবিৰাম বাক্সে, কেন্দ্ৰীয় সমিতিৰ শিক্ষা সম্পাদক প্ৰতাপ সিং গোঁড়, ভেৰগাঁও পৰিষদীয় সমষ্টিৰ টিএলচিচিৰ অধ্যক্ষ বিক্ৰম দৈমাৰী, বিশিষ্ট সমাজকৰ্মী জৌশ্ৰাং বড়ো, ধ্ৰুৱজ্যোতি বড়ো, মঙ্গলদৈ শাখা এচিএমএছ ৰ সভাপতি ৰতন কুৰ্মী ধৰি ওদালগুৰি জিলাৰ বিভিন্ন দল-সংগঠনৰ সভাপতিঙ্গসম্পাদক প্ৰমুখ্যে আছাৰ আঞ্চলিক সমিতিৰ সভাপতিঙ্গসম্পাদক প্ৰমুখ্যে বহুকেইগৰাকী বিশিষ্ট ব্যক্তি। সেয়েহে আছাৰ অষ্ট শ্বহীদ দিৱসৰ দিনটোত সকলো ৰাইজৰ সহায় সহযোগিতা তথা উপস্থিতি কামনা কৰিছে উদযাপন সমিতিৰ সভাপতি বাবুল পাইক সম্পাদক বুলন মালীয়ে।

## হোজাই জিলা পৰিষদৰ কাৰ্যালয়ৰ কনিষ্ঠ সহায়কৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ

**বাতৰি কাকত, হোজাই, ২৩ জুলাই ঃ** হোজাই জিলা পৰিষদৰ এগৰাকী কনিষ্ঠ সহায়কৰ বিৰুদ্ধে দীৰ্ঘদিন ধৰি একেটা কাৰ্যালয়ত কৰ্মৰত থাকি বিভাগীয় কাম-কাজত ব্যাপক অনিয়ম আৰু দুৰ্নীতি কৰাৰ অভিযোগ উঠিছে। স্থানীয় ৰাইজৰ অভিযোগ অনুসৰি, কনিষ্ঠ সহায়ক দিলদাৰ হুছেইনে বিগত ৬-৭ বছৰ ধৰি হোজাই জিলা পৰিষদত কৰ্মৰত হৈ আছে। এই দীৰ্ঘ সময়ছোৱাত তেওঁ পদৰ অপব্যৱহাৰ কৰি বিভাগটোত লুটি খোৱাৰ ৰাজহুৱা অভিযোগ উঠিছে। যেন এই গৰাকী কৰ্মচাৰীয়ে বিভাগটোৰ উঠি ৰজা বহি ৰজা হৈ পৰিল। আটাইতকৈ গুৰুতৰ অভিযোগ যে পঞ্চায়ত এলেকাৰ হাট, মীন পুখুৰী আদি আবণ্টন আৰু কৰ সংগ্ৰহৰ ক্ষেত্ৰত ব্যাপক অনিয়ম কৰি আহিছে। এগৰাকী সহায়কে কাৰ আশীৰ্বাদত এনে কৰ্ম কৰি আছে এয়া ৰহস্যৰ আৱৰ্তত। ৰাইজে অভিযোগ কৰিছে যে নিয়ম-নীতি নামানি নিজ ইচ্ছামতে হাট-বজাৰ আৰু পুখুৰী আবণ্টন দিয়া হৈছে। লগতে কৰ সংগ্ৰহৰ নামতো স্বচ্ছতা নাই বুলি স্থানীয় লোকে দাবী কৰিছে। ফলত চৰকাৰী ৰাজহ যথেষ্ট ক্ষতিগ্ৰস্ত হৈছে। তেওঁলোকে উচ্চস্তৰীয় তদন্ত দাবী কৰি কৰ্মচাৰী গৰাকীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ জিলা প্ৰশাসন আৰু গ্ৰামোন্নয়ন আৰু পঞ্চায়ত বিভাগক আহ্বান জনাইছে। ইপিনে অতি সোনকালে এইগৰাকী কৰ্মচাৰীৰ বিৰুদ্ধে মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ত অভিযোগ দাখিল কৰিব বুলি জনা গৈছে।

## মৰিগাঁৱৰ যুটীয়া স্বাস্থ্য সঞ্চালকৰ কাৰ্যালয়ত বিদায় সম্বৰ্ধনা



**বাতৰি কাকত, মৰিগাঁও, ২৩ জুলাই ঃ** মৰিগাঁও জিলা যুটীয়া স্বাস্থ্য সঞ্চালকৰ কাৰ্যালয়ৰ বিষয়া-কৰ্মচাৰীসকলৰ উদ্যোগত আজি কাৰ্যালয় প্ৰাংগণত দুই অৱসৰপ্ৰাপ্ত কৰ্মচাৰীক বিদায় সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত কৰা হয়। এই অনুষ্ঠানতে কাৰ্যালয়ৰ স্বাস্থ্য প্ৰশিক্ষক, বিশিষ্ট কবি সাহিত্যিক জ্যোতিষ বৰ্মন আৰু উচ্চবৰ্গৰ সহায়ক চিত্ৰকান্ত শৰ্মাৰ কৰ্মময় জীৱনৰ বৰ্ণিল যাত্ৰাৰ প্ৰতি সন্মান জনাই জাপি, গামোচা, শৰাই, মানপত্ৰ, গ্ৰন্থৰে বিদায় সম্বৰ্ধনা জনোৱা হয়। মৰিগাঁও জিলাৰ যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ শৈলেন্দ্ৰ বৰ্ধন বৰাৰ সভাপতিত্বত অনুষ্ঠিত গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটোৰ আঁত ধৰে জ্যেষ্ঠ কৰ্মচাৰী নৱ কুমাৰ মেধিয়ে। অনুষ্ঠানটোত আমন্ত্ৰিত অতিথি হিচাপে অংশগ্ৰহণ কৰি মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ সভাপতি অজিত শৰ্মাই অৱসৰগ্ৰহণ কৰা কৰ্মচাৰীদ্বয়ৰ সুদীৰ্ঘ কৰ্মজীৱন আৰু জনসাধাৰণৰ প্ৰতি আগবঢ়োৱা নিস্বাৰ্থ সেৱাৰ ওপৰত আলোকপাত কৰি দুয়োৰে সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰে। অনুষ্ঠানটোত প্ৰাক্তন যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ অৰুণ কুমাৰ নাথ, স্বাস্থ্য বিষয়া ডাঃ জয়া বড়ো, পিনাকীভূষণ মহন্ত, জেষ্ঠ গাণনিক বিষয়া সূৰ্য পাতৰ প্ৰমুখ্যে কেবাগৰাকীও কৰ্মচাৰীয়ে অৱসৰপ্ৰাপ্ত কৰ্মচাৰীদ্বয়ৰ নিষ্ঠা, কৰ্তব্যপৰায়ণতা আৰু কাৰ্যালয়লৈ আগবঢ়োৱা অনবদ্য সেৱাৰ কথা সোঁৱৰণ কৰে। অনুষ্ঠানটোত অৱসৰপ্ৰাপ্ত স্বাস্থ্য প্ৰশিক্ষক জ্যোতিষ বৰ্মনে এটি চমু ভাষণ প্ৰদান কৰি চাকৰি জীৱনত লাভ কৰা অভিজ্ঞতা, জিলাবাসীৰ বাবে পালন কৰা দায়িত্ব-কৰ্তব্য আৰু মৰিগএগু সমাজজীৱনৰ প্ৰতি আগবঢ়োৱা নিস্বাৰ্থ সেৱাৰ বিষয়ে বৰ্ণনা কৰে।

## ভেৰগাঁৱত সাংস্কৃতিক কৰ্মশালাৰ সফল সমাপ্তি

**বাতৰি কাকত, ষ্টাফ ৰিপ'ৰ্টাৰ, ২৩ জুলাই ঃ** অসম চৰকাৰৰ সাংস্কৃতিক বিভাগৰ উদ্যোগ আৰু ওদালগুৰি জিলা প্ৰশাসনৰ সহযোগত ৪৫ নং ভেৰগাঁও বিধানসভা সমষ্টিৰ অন্তৰ্গত পুৰণি ভেৰগাঁও সৰ্ব্বোদয় সংঘৰ প্ৰাংগণত বিগত ৯ জুলাইৰ পৰা অনুষ্ঠিত হৈ থকা ১৫ দিনীয়া সাংস্কৃতিক প্ৰশিক্ষণ কৰ্মশালাখনৰ আজি সফল পৰিসমাপ্তি ঘটে। প্ৰধান শিক্ষক বলেন্দ্ৰ ৰাভাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সামৰণি অনুষ্ঠানত ভেৰগাঁও মহকুমাৰ মহকুমাধিপতি ৰিংখাং মোছাহাৰীয়ে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। মহকুমাধিপতিগৰাকীয়ে বন্তি প্ৰজ্বলেৰে শুভাৰম্ভ কৰা সভাত ভাষণ প্ৰসংগত কয় যে এইধৰণৰ কৰ্মশালাই ছাত্ৰ-ছাত্ৰীসকলৰ মানসিক বিকাশ আৰু সাংস্কৃতিক উত্তৰণত যথেষ্ট অৰিহণা যোগাব ।অনুষ্ঠানত সৰ্ব্বোদয় সংঘৰ সভাপতি ভূপেন ৰাভা, প্ৰাক্তন সভাপতি নাৰায়ণ ৰাভা, ভেৰগাঁও খণ্ড উন্নয়ন কাৰ্যালয়ৰ অভিযন্তা পেৰিছ বড়ো, ভেৰগাঁও ভিচিডিচিৰ সভাপতি কমোদ কছাৰী, বিশিষ্ট মীন পালক ধৰ্মেশ্বৰ ৰাভা, জ্যেষ্ঠ শিল্পী মনোৰমা বৰা, ৰাভা উন্নয়ন পৰিষদৰ সদস্যা গীতা ৰাভা আৰু যাবাঙ্গা পথাৰ ভিচিডিচিৰ সভানেত্ৰী তুলিকা ৰাভা বিশেষ অতিথি হিচাপে উপস্থিত থাকে। উল্লেখযোগ্য যে, ভূপেন্দ্ৰ সংগীত আৰু ৰাভা নৃত্যক মূল শিতান হিচাপে লৈ অনুষ্ঠিত হোৱা এই কৰ্মশালাত প্ৰশিক্ষাৰ্থী ছাত্ৰ-ছাত্ৰীসকলে উৎসাহেৰে অংশগ্ৰহণ কৰি গীত-মাত আৰু আকৰ্ষণীয় ৰাভা নৃত্য প্ৰদৰ্শন কৰে ।সংঘৰ সদস্য প্ৰাণকৃষ্ণ ৰাভাই জানিবলৈ দিয়া মতে, এই প্ৰশিক্ষণৰ জৰিয়তে অঞ্চলটোৰ নমহলীয়াসকল সাংস্কৃতিক দিশত যথেষ্ট উপকৃত হৈছে। অনুষ্ঠানৰ শেষত ভূপেন্দ্ৰ সংগীতৰ প্ৰশিক্ষক উৎপল ৰাভা, ধ্ৰুৱজিৎ ৰাভা আৰু ৰাভা নৃত্যৰ প্ৰশিক্ষক হৰিপ্ৰিয়া ৰাভা, কংকনা ৰাভাৰ লগতে সহযোগী বাদ্যযন্ত্ৰীসকলক পুৰণি ভেৰগাঁও সৰ্ব্বোদয় সংঘৰ তৰফৰ পৰা গামোচা আৰু মানপত্ৰৰে আন্তৰিক অভিনন্দন জ্ঞাপন কৰা হয়।

*নাজিৰাত জল প্ৰলয়ৰ বিভিষিকাত মৃত্যুৰ কিৰিলি*

## এঘাৰটা মৃতদেহ উদ্ধাৰ, অধিক সন্ধানহীন

**বাতৰি কাকত, ষ্টাফ ৰিপ'ৰ্টাৰ, ২৩ জুলাই ঃ** নাজিৰাত সৃষ্টি হোৱা সংহাৰী বানত আঠ টা মৃতদেহ এতিয়ালৈকে উদ্ধাৰ হয় । উল্লেখ্য যে দেওবাৰৰ বিয়লিৰ পৰা হঠাৎ বাঢ়ি অহা দিখৌ নদীৰ বলিয়া বানে সমগ্ৰ নাজিৰা সমজিলাকে ধৰি কাষৰীয়া বৃহৎ অঞ্চল নিমিষতে বুৰাই পেলাই ।নাগা ৰাজ্যৰ নাগিনীমৰাৰ পৰা বৈ অহা দিখৌ নদীৰ লগতে সৰু সৰু আন কেইবাখনো নৈৰ পানী একলগ হৈ তীব্ৰ গতিত বাঢ়ি অহা এই বাঢ়নী পানীয়ে সমগ্ৰ নাজিৰা সমজিলাৰ গাঁও নগৰ আদি বুৰাই পেলোৱাত এক হাহাকাৰময় পৰিস্থিতিৰ সৃষ্টি হয় । কমসময়ৰ ভিতৰতেই অঞ্চলসমূহক পানীয়ে গ্ৰাহ কৰি পেলোৱাত যি যেনেকৈ পাৰে ঘৰৰ পৰা বাহিৰলৈ ওলাই যদিও শ শ লোক পানীৰ মাজতেই আবদ্ধ হৈ থাকি যায় ।এই জল প্ৰলয়ৰ বিভিষিকাত বাঢ়নী পানীৰ কোবাল সোঁতত উটি গৈ সন্ধানহীন হৈ পৰাৰ লগতে বহুকেইজন মৃত্যুৰ মুখত পৰে । দেওবাৰৰ বিয়লি অহা প্ৰথম বানতেই চন্টক বৰমিচিং গাঁৱৰ দুটি সন্তানৰ মাতৃ চিংকি বেগম (২৮) বাঢ়নী পানীত পৰি মৃত্যু হোৱাৰ লগতে মহিলাগৰাকীক উদ্ধাৰ কৰিবলৈ যোৱা এজন যুৱক সন্ধানহীন হৈ থাকে যদিও আজি মৃত অৱস্থাত উদ্ধাৰ হয় । একেদৰে নাজিৰাৰ শিমলুগুৰি বগৰিগুৰিৰ জয়ন্ত বৰুৱা, নাজিৰা সাতচৈ গ্ৰান্টৰ মৃদুল দত্ত, নাজিৰা মলা গাঁৱৰ দকন লাহনৰ মৃতদেহ উদ্ধাৰ হোৱাৰ লগতে নাজিৰা থানাত অচিনাক্ত মৃতদেহ এটা , বিহুবৰত এটা মৃতদেহ উদ্ধাৰ হোৱাৰ লগতে ডিমৌ সমষ্টিৰ খেলুৱা খেলুৱা পঞ্চায়তৰ বাকচু বকল গাঁৱৰ অম্লানজ্যোতি গগৈৰ মৃতদেহ উদ্ধাৰ হয় যদিও আৰু বহুসংখ্যক মৃতদেহ উদ্ধাৰ হোৱাৰ সম্ভাৱনা আছে । ইফালে আজি নাজিৰাৰ বিধায়ক ময়ূৰ বৰগোঁহাইয়ে বিহুবৰত খাদ্য সামগ্ৰী বিতৰণ কৰিবলৈ যাওঁতে মাটিৰে পোত খাই থকা এটা মৃতদেহ নিজ হাতেৰে উদ্ধাৰ কৰে । আনহাতে এই সংহাৰী বানত এতিয়ালৈকে বিশ জনৰো অধিক সন্ধানহীন হৈ আছে। ইয়াৰে চৰাইদেউ জিলাৰ টেঙাপুখুৰী আৰক্ষী চকীৰ অন্তৰ্গত অভয়পুৰীয়া গাঁৱৰ ৰোহিনী দূৱৰাৰ পৰিয়ালটোৰ চাৰি গৰাকী সন্ধানহীন হৈ আছে । ৰোহিনী দূৱৰাকে ধৰি পাঁচজনীয়া পৰিয়ালটোয়ে তেওঁলোকৰ বাসগৃহত বাঢ়নী পানীয়ে বুৰাই পেলোৱাত আশ্ৰয়ৰ বাবে ওখ ঠাই বিছাৰি পথৰ ওপৰলৈ আহিবলৈ লোৱাত পথৰ ওপৰতো বৈ থকা কোবাল সোঁতত ৰোহিনীৰ হাঁতৰ পৰা পত্নী টুটুমনি দূৱৰা আৰু কন্যা বিদিশা দূৱৰা এৰি গৈ পানীত ডুব যায় । নিশা সাত মান বজাত সংঘটিত এই ঘটনাত ৰোহিনী দূৱৰাৰ দুইপুত্ৰ বিদ্যুত দূৱৰা আৰু বিপ্লৱ দূৱৰাই মাতৃ ভগ্নীক উদ্ধাৰৰ বাবে পানীত নামি বিছাৰিবলৈ যাঁওতেই দুই ভাতৃকো কোবাল সোঁতে উটুৱাই নিয়ে । বৰ্তমান চাৰিজনীয়া পৰিয়ালটোৰ দুই ভাতৃ আৰু ভগ্নীৰ মৃতদেহ উদ্ধাৰ হৈছে আৰু মাতৃ গৰাকীৰ বৰ্তমানেও কোনো সন্ধান পোৱা নাই। একেদৰে নাজিৰা মলাগাঁৱৰ বীনা বৰগোঁহাই, নাজিৰা বামুণ পুখুৰীৰ দুই পিতা পুত্ৰ বীৰন পাছৰী আৰু চুজিত পাছৰীকে ধৰি বিশ জনৰো অধিক এতিয়াও সন্ধানহীন।

*No.TDB/15th FC/106/2024-25/372* *Date 23/07/ 2026*

**INVITATION FOR BIDS**

The Block Development Officer, Tamulpur Development Block, Dist.- Tamulpur, BTC, Assam invites bid affixing non-refundable Court fee Stamp of Rs. 8.25 (Rupees Eight and Twenty Five Paisa) only from the approved and eligible contractor Class-I (A, B, C), Class-II or Class-III category registered with Assam PWD (R&B)/Irrigation Deptt. for the following work under P&RD Deptt. under 15th FC for the year 2025-26. Tender Box will be available for dropping tender in the Office of the Block Development Officer, Tamulpur Development Block from 24/07/2026 up to 2.00 PM on 16/08/2026 (if any holidays or Bandh falls then the subsequent day) and the tender box will be opened at the same day on 3.00 PM in same office.

| Sl. No. | Name of work | Tender value | Time of Completion | Tender Cost &Earnest Money & Date offender |
|---|---|---|---|---|
| 1 | Const. of Community Toilet near Sri Sri Bar Gopal and Lakhi Narayan Mandir at No. 2 Ulubari Village | Rs. 17,85,833.00 | 6 months | 1 .Tender cost @ 0.03% of A/A amount to be pledged by Bank draft in favour of Principal Secretary, BTC. 2. Earnest money @2% of estimated value to be pledged by demand draft/FDR in favour of B.D.O Tamulpur Development Block 3. Bidders are specifically requested to inspect the field and study the working condition before submitting their offer/bid. |
| 2 | Const. of Community Toilet at Dongpar near LP School | Rs. 17,85,833.00 | | |
| 3 | Const. of Community Toilet near Gopalpur Gopal Mandir | Rs. 17,85,833.00 | | |
| 4 | Const. of Community Toilet near Bahumukhi Samabai Samiti at Kalakuchi | Rs. 17,85,833.00 | | |
| 5 | Const. of Muslim Community toilet at Bahbari Village | Rs. 17,85,833.00 | | |
| 6 | Const. of Community Toilet at Bherakhat village near Choudhurikhat Gokhaighar | Rs. 17,85,833.00 | | |
| 7 | Const. Of Community Toilet at No. 2 Jamuguri Near Jamuguri chowk | Rs. 17,85,833.00 | | |
| 8 | Const. of Community Toilet at Patkajuli village | Rs. 17,85,833.00 | | |

Details NIT may be seen at Office of the B.D.O. Tamulpur Development Block, Tamulpur, Dist- Tamulpur.

Sd/-
Block Development Officer,
Tamulpur Dev. Block, Tamulpur

*IPR(BTC)/C/2026-27/894*

# ড্ৰাগছৰ বিষাক্ত গ্ৰাসত অসমৰ ভৱিষ্যতঃ সংকট, প্ৰত্যাহ্বান আৰু সমাধানৰ পথ

**নলিনী ৰঞ্জন ভূঞা**

অসম বিধানসভাৰ চলিত বাজেট অধিবেশনৰ দ্বিতীয় দিনা ড্ৰাগছ মুক্ত অসম গঢ়াৰ লক্ষ্যৰে শাসক-বিৰোধী উভয় পক্ষই দলীয় ৰাজনীতিৰ উৰ্ধলৈ গৈ যি এক ঐক্যবদ্ধ সিদ্ধান্ত গ্ৰহণ কৰিলে, সি স্বাভাৱিকতে সমগ্ৰ অসমবাসীক আশাপ্ৰদ কৰাৰ লগতে যথেষ্ট সন্তোষিত কৰি তুলিছে। সংসদীয় গণতন্ত্ৰৰ মজিয়াত প্ৰকাশ পোৱা এনে অভূতপূৰ্ব একতাই প্ৰমাণ কৰে যে, বৰ্তমান সময়ত আমাৰ মূল্যবান মানৱ সম্পদ, বিশেষকৈ যুৱশক্তিক ড্ৰাগছ আৰু বিভিন্ন মাৰাত্মক নিচাযুক্ত দ্ৰব্যৰ বিষাক্ত গ্ৰাসৰ পৰা সুৰক্ষিত কৰাটো কিমান জৰুৰী হৈ পৰিছে।

যি যিকোনো এখন দেশ বা ৰাজ্যৰ সামগ্ৰিক প্ৰগতি, অৰ্থনৈতিক বিকাশ আৰু সাংস্কৃতিক উত্তৰণৰ মূল চালিকা শক্তি হ'ল- সেই দেশখনৰ নৱপ্ৰজন্ম। কিন্তু দুৰ্ভাগ্যবশতঃ, এক ভয়ংকৰ ক'লা ছাঁয়াই আজি আমাৰ সম্ভাৱনাপূৰ্ণ যুৱক-যুৱতীসকলক তিল তিলকৈ ধ্বংসৰ মুখলৈ ঠেলি দিছে। যি সময়ত তেওঁলোকে জ্ঞান-বিজ্ঞান, তথ্য-প্ৰযুক্তি, কলা-সংস্কৃতি আৰু ক্ৰীড়াৰ জৰিয়তে অসমৰ নাম বিশ্ব দৰবাৰত জিলিকাই তুলিব লাগিছিল, সেই সময়ত একাংশ যুৱপ্ৰজন্ম ড্ৰাগছৰ মায়াজালত আৱদ্ধ হৈ নিজৰ অমূল্য জীৱনৰ লগতে সমাজৰো ভৱিষ্যত অন্ধকাৰাচ্ছন্ন কৰি তুলিছে। নিচা কেৱল এটা ব্যক্তিগত বদভ্যাস বা নৈতিক স্খলন নহয়, ই আমাৰ সমগ্ৰ সমাজ ব্যৱস্থাৰ বাবে এক কৰ্কট সদৃশ মাৰাত্মক ব্যাধি, যিয়ে অতি নীৰৱে আমাৰ হাজাৰ বছৰীয়া বৰ্ণিল সামাজিক গাঁথনিটোক ভিতৰৰ পৰা ফোঁপোলা আৰু পংগু কৰি পেলাইছে। বিগত এটা দশকত অসমত নিচাযুক্ত দ্ৰব্যৰ ব্যৱহাৰ আৰু ইয়াৰ ক'লা বজাৰ উদ্বেগজনক পৰ্যায়লৈ বৃদ্ধি পাইছে আৰু আটাইতকৈ চিন্তনীয় বিষয়টো হ'ল যে, পূৰ্বতে যি সমস্যা মূলতঃ চহৰীয়া সমাজ বা উদ্যোগিক কেন্দ্ৰ সমূহতে সীমাবদ্ধ বুলি ধাৰণা কৰা হৈছিল, আজি সেই নিচাৰ সৰ্বগ্ৰাসী প্ৰভাৱে গ্ৰাম্যঞ্চলৰ শান্ত, নিৰ্মল আৰু পবিত্ৰ সামাজিক পৰিৱেশকো চানি ধৰিছে।

প্ৰকৃততে অসম তথা সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ ভৌগোলিক অৱস্থান নিচাযুক্ত দ্ৰব্যৰ আন্তঃৰাষ্ট্ৰীয় চোৰাং কাৰবাৰী তথা মাফিয়াসকলৰ বাবে এক সুৰক্ষিত 'কৰিড'ৰ' হিচাপে ব্যৱহৃত হৈছে। ম্যানমাৰ, লাউচ আৰু থাইলেণ্ড- এই তিনিখন দেশৰ সীমান্তক লৈ গঠিত পৃথিৱীৰ আটাইতকৈ কুখ্যাত আৰু বৃহৎ ড্ৰাগছ উৎপাদনকাৰী কেন্দ্ৰ 'সোণালী ত্ৰিভুজ' (Golden Triangle) ৰ অত্যন্ত নিকটৱৰ্তী ভৌগোলিক অৱস্থানত অসম থকাৰ বাবে, অতি সহজে আৰু কম সময়ৰ ভিতৰতে এই মাৰাত্মক ড্ৰাগছসমূহ আমাৰ সীমান্ত অতিক্ৰম কৰি ভিতৰলৈ সোমাই পৰে। আন্তঃৰাষ্ট্ৰীয় সীমাৰ দুৰ্গম অঞ্চল আৰু সুৰুঙাৰে সোমাই অহা এই বিষাক্ত দ্ৰব্যবোৰৰ বাবে অসমে কেৱল এটা পৰিবহণ পথ হিচাপেই কাম কৰা নাই, বৰঞ্চ বৰ্তমান ই এক বৃহৎ উপভোক্তা বজাৰ বা চোৰাং বাণিজ্য কেন্দ্ৰলৈ ৰূপান্তৰিত হৈছে। এই নেটৱৰ্কৰ দুষ্ট চক্ৰবোৰে অতি চতুৰতাৰে স্কুল-কলেজৰ কোমলমতীয়া ছাত্ৰ-ছাত্ৰী, হোষ্টেলত থকা শিক্ষাৰ্থী আৰু কৰ্মসংস্থাপনহীন নিবনুৱা যুৱক-যুৱতীসকলক লক্ষ্য কৰি লৈছে আৰু তেওঁলোকৰ হাতত এইবোৰ তুলি দিছে। বৰ্তমানৰ অতি প্ৰতিযোগিতামূলক আৰু যান্ত্ৰিক যুগটোত যুৱপ্ৰজন্মৰ মাজত যি তীব্ৰ মানসিক হীনমন্যতা, নিসংগতাই দেখা দিছে, তাৰ পূৰ্ণ সুযোগ লৈছে ড্ৰাগছ মাফিয়াই। কৰ্মসংস্থাপনৰ অভাৱ, পৰীক্ষাৰ মানসিক চাপ, বা পাৰিবাৰিক অশান্তিৰ পৰা ক্ষন্তেকীয়া মুক্তি বিচাৰি একাংশই এই পথ বাছি লয়। ইয়াৰ উপৰি, বৰ্তমান সময়ত সামাজিক মাধ্যমৰ বিকৃত প্ৰভাৱ আৰু চিনেমা-ৱেব চিৰিজৰ কিছুমান দৃশ্যৰ অন্ধ অনুকৰণ কৰি একাংশ যুৱক-যুৱতীয়ে ইয়াক এক আধুনিক 'ফেশ্বন' বা 'ষ্টাইল' হিচাপে ল'বলৈ আৰম্ভ কৰিছে। কেৱল কৌতূহলবশত এবাৰ সোৱাদ ল'বলৈ গৈ বা বন্ধুবৰ্গৰ বেয়া সংগৰ হেঁচাত পৰি আৰম্ভ কৰা এই বিপদসংকুল যাত্ৰাই অতি কম দিনৰ ভিতৰতে হেৰ'ইন, ব্ৰাউন চুগাৰ, ক্ৰিষ্টেল মেথৰ দৰে মাৰাত্মক ড্ৰাগছৰ লগতে বিভিন্ন নিচাযুক্ত টেবলেট, ডেনড্ৰাইট আৰু কফ চিৰাপৰ এক গভীৰ আসক্তিলৈ ৰূপান্তৰিত হয়, যিয়ে সমাজৰ এক পয়ালগা ছবি দাঙি ধৰিছে। আনকি ভাং বা গাঞ্জাৰ দৰে পৰম্পৰাগত দ্ৰব্যসমূহকো এতিয়া কেমিকেল মিহলাই অধিক মাৰাত্মক ৰূপত বজাৰত সুলভ কৰি তোলা হৈছে।

আনহাতে বৰ্তমান সময়ত ড্ৰাগছ সৰবৰাহৰ এই সমগ্ৰ প্ৰক্ৰিয়াটোৱে আধুনিক তথ্য-প্ৰযুক্তিৰ সহায়ত এক অত্যন্ত জটিল আৰু ভয়ানক ৰূপ ধাৰণ কৰিছে। এতিয়া কেৱল হাতে হাতে বা গোপনে কোনো নিৰ্দিষ্ট স্থানত নিষিদ্ধ দ্ৰব্যৰ লেনদেন নহয়, বৰঞ্চ ড্ৰাগছ মাফিয়াসকলে নৱপ্ৰজন্মক ফান্দত পেলাবলৈ ইণ্টাৰনেটৰ 'ডাৰ্ক ৱেব' আৰু এনক্ৰিপ্টেড ছ'চিয়েল মিডিয়া এপ্লিকেচনসমূহৰ বহুল ব্যৱহাৰ কৰিবলৈ লৈছে। অতি চিন্তনীয় বিষয় যে, স্কুল-কলেজৰ একাংশ প্ৰযুক্তি-নিপুণ ছাত্ৰ-ছাত্ৰীয়ে কাৰো চকুত নপৰাকৈ অনলাইন প্লেটফৰ্মৰ জৰিয়তে ড্ৰাগছৰ অৰ্ডাৰ দিয়ে আৰু ইয়াৰ বিনিময়ত হ'বলগীয়া ধনৰ লেনদেন 'ক্ৰিপ্টোকাৰেন্সী' বা ডিজিটেল মুদ্ৰাৰ জৰিয়তে কৰে, যাৰ ফলত অপৰাধীৰ মূল উৎস বিচাৰি উলিওৱাটো আৰক্ষী বা চোৰাংচোৱা সংস্থাৰ বাবেও এক ডাঙৰ প্ৰত্যাহ্বান হৈ পৰিছে। এইদৰে ক্ৰয় কৰা মাৰাত্মক ড্ৰাগছ বা টেবলেটসমূহক অতি চতুৰতাৰে বিভিন্ন পৰিচিত কুৰিয়াৰ চাৰ্ভিচ বা অনলাইন ডেলিভাৰী বয়ৰ অজ্ঞাতে তেওঁলোকৰ মাধ্যম ব্যৱহাৰ কৰি পোনপটীয়াকৈ গ্ৰাহকৰ হাতলৈ পঠিয়াই দিয়া হয়। প্ৰযুক্তিৰ এই অন্ধকাৰ দিশটোৱে ড্ৰাগছৰ ক'লা বজাৰখনক প্ৰতিখন ঘৰৰ ভিতৰলৈ লৈ গৈছে, যিয়ে পৰিস্থিতি অধিক বিস্ফোৰক কৰি তুলিছে।

নিচাৰ ভয়াবহতা কেৱল নিচাসক্ত ব্যক্তিজনৰ শৰীৰ বা মানসিকতাতে সীমাবদ্ধ নাথাকে, বৰঞ্চ ইয়াৰ প্ৰভাৱ পৰিয়ালৰ পৰা আৰম্ভ কৰি সমগ্ৰ চুবুৰী তথা সমাজখনৰ ওপৰত অতি নিষ্ঠুৰভাৱে পৰে। এটা পৰিয়ালৰ কোনো এজন সদস্য ড্ৰাগছৰ কবলত পৰা মানেই সেই পৰিয়ালটোৰ বাবে এক দীৰ্ঘদিনীয়া, যন্ত্ৰণাদায়ক আৰু মৰ্মন্তুদ নৰকযাত্ৰাৰ আৰম্ভণি হয়। এজন নিচাসক্ত ব্যক্তিয়ে নিজৰ ক্ষন্তেকীয়া নিচাৰ হেঁপাহ পূৰণ কৰিবলৈ ঘৰৰ মূল্যবান সা-সম্পত্তি, মাটিৰ দলিল, মাক-ভনীৰ আ-অলংকাৰ, আনকি নিত্য ব্যৱহাৰ্য মোবাইল বা আচবাব পৰ্যন্ত অতি কম মূল্যত বিক্ৰী কৰিবলৈ কুণ্ঠাবোধ নকৰে। ইয়াৰ ফলত বহুতো সুখে-সন্তোষে থকা স্বচ্ছল পৰিয়াল মুহূৰ্তৰ ভিতৰতে দেউলীয়া আৰু ৰাস্তাৰ ভিখাৰী হোৱাৰ শ শ কৰুণ উদাহৰণ যথেষ্ট আছে। নিচাসক্ত সন্তান বা স্বামীৰ বাবে পৰিয়ালৰ সদস্যসকলে সমাজত যি চৰম মানসিক যন্ত্ৰণা, অপমান আৰু সামাজিক লজ্জাৰ সন্মুখীন হ'বলগীয়া হয়, সেয়া ভাষাৰে বৰ্ণনা কৰা অসম্ভৱ।

আটাইতকৈ ভয়াৱহ দিশটো হ'ল- ড্ৰাগছ আৰু অপৰাধ একেটা মুদ্ৰাৰে ইপিঠি আৰু সিপিঠি। যেতিয়া এজন নিচাসক্ত যুৱকে নিচা ক্ৰয় কৰিবলৈ প্ৰয়োজনীয় ধন ঘৰত বা কোনো বৈধ উপায়েৰে বিচাৰি নাপায়, তেতিয়া তেওঁৰ মগজুৱে কাম কৰা বন্ধ কৰে। ফলস্বৰূপে তেওঁ চুৰি, ডকাইতি, পকেটমাৰ, আনকি ধনৰ বাবে নিজৰ আপোনজনক হত্যা বা লুণ্ঠন কৰাৰ দৰে জঘন্য সামাজিক অপৰাধৰ পথ বাছি লয়। এইদৰেই সমাজত এক তীব্ৰ নিৰাপত্তাহীনতাৰ পৰিৱেশ সৃষ্টি হয়। কেৱল সিমানেই নহয়, ই জনস্বাস্থ্যৰ প্ৰতিও এক ডাঙৰ ভাবুকি। নিচাসক্ত সকলে ড্ৰাগছ গ্ৰহণৰ বাবে একেটা বেজী বা ছিৰিঞ্জ বহুবাৰ আৰু বহু লোকে মিলি ব্যৱহাৰ কৰাৰ ফলত আমাৰ ৰাজ্যখনত এইচআই ভি আৰু হেপাটাইটিছ বি বা চি-ৰ দৰে মাৰাত্মক সংক্ৰামক ৰোগ এক গুপ্ত মহামাৰীৰ দৰে বিয়পি পৰিছে, যিয়ে আমাৰ সমগ্ৰ চিকিৎসাতন্ত্ৰক এক গভীৰ সংকটৰ দিশে ঠেলি দিছে।

ভাৰতবৰ্ষত ড্ৰাগছৰ এই অবৈধ ব্যৱসায় ৰোধ কৰিবলৈ ১৯৮৫ চনৰ 'নাৰকটিক ড্ৰাগছ এণ্ড চাইক'ট্ৰপিক চাবষ্টেন্সেছ এক্ট' বা চমুকৈ এন.ডি.পি.এছ. এক্ট বলবৎ কৰা হৈছে। এই আইনৰ অধীনত ড্ৰাগছৰ উৎপাদন, বিক্ৰী, ক্ৰয়, মজুত কৰা বা পৰিবহণ কৰাটো জামিনবিহীন আৰু এক গুৰুতৰ দণ্ডনীয় অপৰাধ। এই আইনৰ ধাৰা ১৫, ১৭, ১৮ আৰু ব্যৱসায়িক ভিত্তিত কৰা সৰবৰাহৰ বাবে ধাৰা ৩১ (ক)-ৰ অধীনত বিশেষ পৰিস্থিতিত মৃত্যুদণ্ড পৰ্যন্ত ঘোষণা কৰিব পৰা কঠোৰ আইনী ব্যৱস্থা আছে।

কেন্দ্ৰীয় চৰকাৰৰ 'নিচামুক্ত ভাৰত অভিযান'ৰ সমান্তৰালভাৱে অসম চৰকাৰে গ্ৰহণ কৰা 'শূন্য সহনশীলতা' নীতিয়ে বিগত কেইবছৰমানত এক যুগান্তকাৰী প্ৰভাৱ পেলাইছে। অসম আৰক্ষীয়ে দিন-ৰাতি একাকাৰ কৰি ড্ৰাগছ মাফিয়াসকলৰ আন্তঃজিলা আৰু আন্তঃৰাজ্যিক নেটৱৰ্কসমূহ ধূলিসাৎ কৰিবলৈ সক্ষম হৈছে। অসম বিধান সভাত দাখিল কৰা তথ্য মতে, কেৱল ২০২১ চনতে ড্ৰাগছ সম্পৰ্কীয় ২,২৫৪ টা গোচৰ ৰুজু হোৱাৰ বিপৰীতে ৪,১৭৫ জন লোকক গ্ৰেপ্তাৰ কৰা হৈছিল। এই অভিযানৰ তীব্ৰতা বৃদ্ধি পাই ২০২৫ চনত গোচৰৰ সংখ্যা ৩,৩৩৩ টা হয়গৈ আৰু সেইটো বছৰতে ৪,৯০১ জন সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰা হয়। সামগ্ৰিকভাৱে, ২০২১ চনৰ পৰা ২০২৫ চনৰ এই ৫ বছৰীয়া সময়ছোৱাত ৰাজ্যত মুঠ ১১,৯৪৫ টা ড্ৰাগছ সম্পৰ্কীয় গোচৰ ৰুজু হৈছে আৰু প্ৰায় ২৪,০০০ জন লোকক গ্ৰেপ্তাৰ কৰি জে'ললৈ প্ৰেৰণ কৰা হৈছে। পূৰ্বৰ তুলনাত বৰ্তমান ড্ৰাগছৰ প্ৰৱেশ কেনেকৈ বাঢ়িছে তাৰ প্ৰমাণ হ'ল- ২০০১ চনত সমগ্ৰ ৰাজ্যখনত মাত্ৰ ৰ কিলোগ্ৰাম হেৰ'ইন জব্দ কৰা হৈছিল, কিন্তু চৰকাৰী তৎপৰতাৰ ফলত ২০২১ চনত ১৬৭ কিলোগ্ৰাম আৰু ২০২৪ চনত ১৮৩ কিলোগ্ৰাম হেৰ'ইন জব্দ কৰিবলৈ আৰক্ষী সক্ষম হয়। ড্ৰাগছৰ ক'লা অৰ্থনীতি ভাঙি পেলাবলৈ ২০২১ চনৰ পৰা ২০২৫ চনলৈ ৰাজ্য চৰকাৰে মুঠ ২,৯১৯ কোটি টকাৰ মাৰাত্মক ড্ৰাগছ জব্দ কৰিবলৈ সক্ষম হৈছে আৰু ইয়াৰে ২,২০০ কোটিৰো অধিক মূল্যৰ ড্ৰাগছ ৰাজহুৱাভাৱে জুই লগাই ভস্মীভূত কৰি দিয়া হৈছে।

অসমৰ ইতিহাসত এক অভূতপূৰ্ব অধ্যায়ৰ সূচনা কৰি যোৱা ৬ জুলাইত অসম বিধান সভাৰ মজিয়াত ড্ৰাগছ মুক্ত অসম গঢ়াৰ ক্ষেত্ৰত শাসক আৰু বিৰোধী উভয়পক্ষই একত্ৰিত হৈ কঠোৰতম ব্যৱস্থা গ্ৰহণৰ পোষকতা কৰে। ৰাজনৈতিক মতভেদ পাহৰি সমগ্ৰ সদনে সমাজ ধ্বংসকাৰী এই ব্যাধীৰ বিৰুদ্ধে লোৱা ঐক্যবদ্ধ স্থিতি স্বাভাৱিকতে অসমবাসীৰ বাবে অত্যন্ত আশাপ্ৰদ আৰু ঐতিহাসিক হিচাপে বিবেচিত হৈছে। অৱশ্যে, এই চৰকাৰী কঠোৰতাৰ মাজতেই এক অতি স্পৰ্শকাতৰ আৰু ভয়াৱহ প্ৰত্যাহ্বানে দেখা দিছে। স্বয়ং মুখ্যমন্ত্ৰী গৰাকীয়েই অত্যন্ত উদ্বিগ্নতাৰে বিধানসভাৰ মজিয়াত প্ৰকাশ কৰিছে এক তাৎপৰ্যপূৰ্ণ সত্য। তেওঁ সদনক অৱগত কৰে যে, অসমত গঢ়ি উঠা বহু নিচামুক্তি কেন্দ্ৰ বৰ্তমান সুৰক্ষিতভাৱে ড্ৰাগছ সেৱন কৰা কেন্দ্ৰলৈহে পৰিণত হৈছে। এই গুৰুতৰ সমস্যাক প্ৰতিহত কৰিবলৈ চৰকাৰে এতিয়া নতুন পদক্ষেপ হাতত লৈছে। ব্যক্তিগত কেন্দ্ৰসমূহৰ ওপৰত কঠোৰ নজৰদাৰী চলোৱাৰ লগতে বিজ্ঞানসন্মতভাৱে নিচামুক্তি কেন্দ্ৰ স্থাপন আৰু পৰিচালনা কৰিবলৈ, তথা তাত আৰ্থিক সহায় আগবঢ়াব পৰাকৈ চৰকাৰে বিশেষ আঁচনি প্ৰৱৰ্তন কৰিব বুলি ঘোষণা কৰিছে, যিয়ে ভুক্তভোগী পৰিয়ালসমূহৰ মাজত এক নতুন আশাৰ সঞ্চাৰ কৰিছে।

কেৱল আৰক্ষী বা আদালতৰ আইনেৰে এখন সমাজক ড্ৰাগছমুক্ত কৰা কেতিয়াও সম্ভৱ নহয়, ইয়াৰ বাবে লাগিব এক সৰ্বাত্মক সামূহিক সামাজিক আন্দোলন। প্ৰতিগৰাকী পিতৃ-মাতৃয়ে নিজৰ সন্তানৰ প্ৰতিটো গতি-বিধি, ইণ্টাৰনেটৰ ব্যৱহাৰ আৰু বন্ধু-বৰ্গৰ ওপৰত চোকা নজৰ ৰখা উচিত। সন্তানক অকলশৰীয়া হ'বলৈ নিদি তেওঁলোকৰ মানসিক অৱস্থা বুজিবলৈ পিতৃ-মাতৃয়ে প্ৰতিদিনে গুণগত সময় দিয়াটো অপৰিহাৰ্য কৰ্তব্য। স্কুল-কলেজসমূহ কেৱল নম্বৰ অনাৰ পৰীক্ষামূলক পাঠ্যক্ৰমৰ মাজত আৱদ্ধ নাথাকি ছাত্ৰ-ছাত্ৰীক ড্ৰাগছৰ ভয়াৱহ পৰিণতিৰ বিষয়ে সজাগ কৰিবলৈ নিয়মীয়া নৈতিক শিক্ষা প্ৰদান কৰা উচিত। সমাজৰ প্ৰতিজন সচেতন নাগৰিকে নিজৰ চুবুৰী বা অঞ্চলত ড্ৰাগছৰ অবৈধ বেহা বা সন্দেহজনক লোকৰ অহাযোৱা দেখিলে ভয়তে নীৰৱে থকাৰ পৰিৱৰ্তে সাহস গোটাই লগে লগে আৰক্ষীক অৱগত কৰাটো এক জাতীয় কৰ্তব্য হিচাপে গ্ৰহণ কৰিব লাগিব। ইয়াৰোপৰি, যিসকল যুৱক-যুৱতী ইতিমধ্যে ড্ৰাগছৰ চিকাৰ হৈছে, তেওঁলোকক ঘিণ বা অৱহেলা কৰাৰ পৰিৱৰ্তে সহানুভূতিৰে চিকিৎসা কৰিব লাগে। সুস্থ হোৱাৰ পিছত তেওঁলোকক সমাজৰ মূল সুঁতিলৈ আনিবলৈ কৰ্মসংস্থাপন বা আত্মনিৰ্ভৰশীলতাৰ সুযোগ দিয়া উচিত, যাতে তেওঁলোকে হতাশাত ভুগি পুনৰ সেই অন্ধকাৰ জগতলৈ ঘূৰি যাবলগীয়া নহয়।

অসমীয়া সমাজ আজি এনে এক গুৰুতৰ সন্ধিক্ষণত উপনীত হৈছে, য'ত এফালে আমি আমাৰ সমৃদ্ধ ঐতিহ্য, সংস্কৃতি, বিহু বা গামোচাক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰাৰ বাবে গৌৰৱেৰে নিৰন্তৰ প্ৰচেষ্টা চলাই আছোঁ, আনফালে নিচাৰ এই কৰ্কট ৰোগে আমাৰ মূল শিপাডালকে কাটিবলৈ উদ্যত হৈছে। যদি আমি এতিয়াই এই সমস্যাৰ বিৰুদ্ধে সজাগ আৰু একগোট হৈ দৃঢ়ভাৱে থিয় নিদিওঁ, তেন্তে ভৱিষ্যতে এটা সুস্থ, সবল আৰু প্ৰতিভাশালী প্ৰজন্ম পোৱাটো অসম্ভৱ হৈ পৰিব। ড্ৰাগছমুক্ত অসম গঢ়াটো কেৱল চৰকাৰী ফাইলৰ আঁচনি নহৈ আমাৰ প্ৰতিজনৰে ব্যক্তিগত সংকল্প হ'ব লাগিব। সমাজৰ ধৰ্মীয় অনুষ্ঠান, নামঘৰ, মছজিদ, গীৰ্জা, সাহিত্য সভা আৰু বিভিন্ন ক্ৰীড়া বা সামাজিক সংগঠনেও এই ক্ষেত্ৰত সজাগতাৰ নেতৃত্ব ল'ব লাগিব। বিধানসভাত প্ৰকাশ পোৱা ৰাজনৈতিক একতা আৰু চৰকাৰী কঠোৰ নীতিক বাস্তৱত পৰিণত কৰিবলৈ ৰাইজৰ সক্ৰিয় সহযোগিতাৰ প্ৰয়োজন।

পৰিশেষত ক'ব পাৰি যে, ড্ৰাগছৰ বিৰুদ্ধে চলি থকা এই যুঁজখন কেৱল কোনো চৰকাৰী বিভাগ বা আৰক্ষীৰ দায়িত্ব নহয়, ই আমাৰ প্ৰতিগৰাকী অসমীয়াৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰাম। বিধানসভাৰ মজিয়াত শাসক-বিৰোধীৰ যি অভূতপূৰ্ব ৰাজনৈতিক সদিচ্ছা প্ৰকাশ পালে, তাক চৰকাৰী ফাইলৰ পৰা উলিয়াই আনি প্ৰতিখন ঘৰৰ চোতালত সজাগতাৰ চাকি জ্বলোৱাৰ দায়িত্ব এতিয়া আমাৰ। নিচামুক্ত অসম গঢ়িবলৈ হ'লে যুৱপ্ৰজন্মক কেৱল আইনী বাধাৰে নহয়, বৰঞ্চ ক্ৰীড়া, সাহিত্য, সাংস্কৃতিক কৰ্মশালা আৰু কৰ্মসংস্থাপনৰ এক ইতিবাচক পৰিৱেশেৰে মূল সুঁতিলৈ আকৰ্ষিত কৰিব লাগিব। এই বিষাক্ত পুলিটো উভালি নিশ্চিন্ন কৰিবলৈ হ'লে সমাজৰ প্ৰতিজন নাগৰিক সচেতন হ'ব লাগিব। ধ্বংসৰ গৰাহৰ পৰা মানৱ সম্পদক ৰক্ষা কৰি এক সুস্থ, সবল আৰু প্ৰগতিশীল নৱপ্ৰজন্মৰ হাতত অসমৰ ভৱিষ্যত তুলি দিব পৰাটোৱেই হওক এই সময়ৰ অন্যতম ৰাষ্ট্ৰীয় সংকল্প।

দূৰভাষ ঃ ৯৮৫৪৫-২৮৩০৪

## লেখকসকললৈ অনুৰোধ

সম্পাদকীয় পৃষ্ঠালৈ লেখা পঠিওৱা আৰু অনুৰোধপূৰ্বক লেখা প্ৰেৰণ কৰা লেখকসকললৈ আমাৰ বিনম্ৰ অনুৰোধ থাকিল — যাতে তেখেতসকলে লেখাবোৰৰ কোনো ফটোষ্টেট বা জেৰক্স কপি নপঠিয়ায়। লগতে স্পষ্ট আখৰেৰে ছপা বা হাতে লেখা পাণ্ডুলিপিৰ মাজত সম্পাদনাৰ সুবিধাৰ্থে ঠাই ৰখাৰো অনুৰোধ জনালোঁ। তদুপৰি লেখাৰ মূল কপি পূৰ্বচৰ্ত অবিহনে ঘূৰাই পঠোৱা বা ঘূৰাই দিয়াৰ ক্ষেত্ৰতো কাকত কৰ্তৃপক্ষ দায়বদ্ধ নাথাকিব।

**সম্পাদক**

দৈনিক বাতৰি কাকত, এ বি পাব্লিকেশ্যন, গোস্বামী ছাৰ্ভিচ, গুৱাহাটী - ৩

# শৈশৱৰ গৰমৰ বন্ধ আৰু আজিৰ গৰমৰ বন্ধ

মানুহৰ জীৱনত শৈশৱ হৈছে বসন্তৰ দৰে এক সেউজীয়া ঋতু। সেই ঋতুৰ প্ৰতিটো দিনেই যেন আনন্দ, কৌতূহল আৰু সপোনেৰে ৰঙীন। এই শৈশৱৰ স্মৃতিবোৰৰ ভিতৰত গৰমৰ বন্ধৰ স্থান বিশেষ। বিদ্যালয়ৰ ঘণ্টাধ্বনি, পাঠ্যপুথিৰ চাপ আৰু পৰীক্ষাৰ উৎকণ্ঠাৰ পৰা মুক্তি দি গৰমৰ বন্ধই শিশুমনক দিছিল এক মুক্ত আকাশ, য'ত সিহঁতে নিজৰ মনৰ পাখী মেলি উৰিব পাৰিছিল। কিন্তু সময়ৰ সোঁতে সোঁতে গৰমৰ বন্ধৰ ৰূপ, ৰং আৰু অনুভৱ বহু পৰিমাণে সলনি হৈছে। শৈশৱৰ গৰমৰ বন্ধ আৰু আজিৰ গৰমৰ বন্ধৰ মাজত এই পৰিৱৰ্তনৰ কাহিনী যেন এখন সমাজৰ পৰিৱৰ্তনৰো প্ৰতিচ্ছবি।

আগৰ দিনৰ গৰমৰ বন্ধ মানেই আছিল আনন্দৰ এক অন্তহীন উৎসৱ। বিদ্যালয় বন্ধ হোৱাৰ খবৰ শুনিয়েই শিশুসকলৰ মন আনন্দত নাচি উঠিছিল। যেন খিৰিকীৰে সোমাই অহা এজাক বসন্তৰ বতাহে মনৰ সকলো কোণ উজলাই তুলিছিল। সেই সময়ত মোবাইল ফোন, ইণ্টাৰনেট বা ভিডিঅ' গেমৰ আকৰ্ষণ নাছিল। সেয়েহে শিশুসকলৰ খেলৰ মঞ্চ আছিল গাঁৱৰ পথাৰ, গছৰ তল, নদীৰ পাৰ বা ঘৰৰ চোতাল।

গছত উঠা, লুকাভাকু খেলা, কাবাডী,গুটি খেল, চোৰ-পুলিচ, কণীযুঁজ অথবা সন্ধিয়া বেলি দল বান্ধি খেল-ধেমালি কৰাটো আছিল সেই সময়ৰ গৰমৰ বন্ধৰ অবিচ্ছেদ্য অংশ। শিশুসকলৰ হাঁহিৰ শব্দই যেন গাঁওখনৰ আকাশখনো মুখৰ কৰি তুলিছিল। সূৰ্যৰ প্ৰখৰ ৰ'দকো তেতিয়া সিহঁতে উপেক্ষা কৰিব পাৰিছিল, কাৰণ আনন্দৰ আগত গৰমৰ তাপো যেন ম্লান হৈ পৰিছিল।

গৰমৰ বন্ধৰ আন এক মধুৰ দিশ আছিল ককা-আইতা বা মামা খুৰাৰ গাঁৱলৈ ফুৰিবলৈ যোৱা। গাঁৱৰ সেউজীয়া পথ, পুখুৰীৰ পানী, বাঁহবনৰ সুৰ, আম-কঁঠালৰ সুবাস আৰু নিশাৰ জোনাকী পৰুৱাৰ পোহৰ- এই সকলোবোৰে শিশুমনত এক অনন্য আনন্দৰ সৃষ্টি কৰিছিল। ককা-আইতাৰ মুখৰ পৰা শুনা সাধুকথা আৰু জীৱনৰ অভিজ্ঞতাৰ কাহিনীবোৰ আছিল যেন অমূল্য সম্পদ। সেই কাহিনীবোৰে কেৱল মনোৰঞ্জনেই কৰা নাছিল, জীৱনৰ বহু মূল্যবান শিক্ষাও প্ৰদান কৰিছিল।

কিন্তু আজিৰ গৰমৰ বন্ধৰ চিত্ৰ বহুলাংশে ভিন্ন। আধুনিক বিজ্ঞান আৰু প্ৰযুক্তিয়ে মানুহৰ জীৱন সহজ কৰি তুলিছে যদিও শিশুমনৰ জগতখনত ইয়াৰ প্ৰভাৱ গভীৰ। আজিৰ বহু শিশুৰ গৰমৰ বন্ধ কটিছে মোবাইল ফোন, টেলিভিছন, ভিডিঅ' গেম আৰু সামাজিক মাধ্যমৰ মাজত। পথাৰ আৰু চোতালৰ ঠাই দখল কৰিছে মোবাইলৰ সৰু পৰ্দাই। বন্ধু-বান্ধৱীৰ সৈতে সন্মুখীন হৈ খেলাৰ সলনি এতিয়া বহুতে অনলাইন গেমৰ জগতত ব্যস্ত হৈ থাকে।

আজিৰ অভিভাৱকসকলেও সন্তানৰ ভৱিষ্যৎক লৈ অধিক সচেতন। ফলস্বৰূপে গৰমৰ বন্ধত শিশুসকলৰ বাবে বিভিন্ন কোচিং ক্লাছ, নৃত্য শিক্ষা, সংগীত শিক্ষা, কম্পিউটাৰ প্ৰশিক্ষণ বা আন আন পাঠ্যক্ৰমৰ ব্যৱস্থা কৰা হয়। নিঃসন্দেহে এইবোৰ শিশুৰ দক্ষতা বৃদ্ধিত সহায়ক, কিন্তু একে সময়তে ই গৰমৰ বন্ধৰ স্বতঃস্ফূৰ্ত আনন্দৰ কিছু অংশ কেঢ়ি নিয়া যেন লাগে। যি বন্ধ এক সময়ত আছিল মুক্ত আকাশৰ দৰে বিস্তৃত, সেয়া এতিয়া কেতিয়াবা সময়সূচীৰ গণ্ডীৰ ভিতৰত সীমাবদ্ধ হৈ পৰে।

চহৰীয়া জীৱনশৈলীয়েও এই পৰিৱৰ্তনত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। আগৰ দৰে খোলা পথাৰ, খেলপথাৰ বা নিৰাপদ খেলৰ স্থান এতিয়া সকলো ঠাইতে সহজলভ্য নহয়। বহুত শিশুৱে বহুতল অট্টালিকাৰ মাজত ডাঙৰ হয়, য'ত প্ৰকৃতিৰ সান্নিধ্য সীমিত। ফলত গৰমৰ বন্ধৰ বহু স্মৃতি এতিয়া ডিজিটেল ফাইল আৰু ফটোৰ মাজতে সীমাবদ্ধ হৈ থাকে।

অৱশ্যে আজিৰ গৰমৰ বন্ধ সম্পূৰ্ণৰূপে নেতিবাচক বুলিও ক'ব নোৱাৰি। আধুনিক যুগৰ শিশুসকলে অনলাইন পাঠ্যক্ৰম, শিক্ষামূলক ভিডিঅ', নতুন ভাষা শিক্ষা, বিজ্ঞানৰ পৰীক্ষা-নিৰীক্ষা, চিত্ৰাংকন বা সৃষ্টিশীল কামৰ জৰিয়তে বহু নতুন দক্ষতা আহৰণ কৰাৰ সুযোগ লাভ কৰিছে। পৃথিৱীৰ যিকোনো প্ৰান্তৰ জ্ঞান এতিয়া তেওঁলোকৰ আঙুলিৰ মূৰত উপলব্ধ। সেয়েহে আজিৰ গৰমৰ বন্ধেও নতুন সম্ভাৱনাৰ দুৱাৰ মুকলি কৰিছে।

প্ৰকৃততে শৈশৱৰ গৰমৰ বন্ধ আৰু আজিৰ গৰমৰ বন্ধৰ মাজত পাৰ্থক্য থাকিলেও দুয়োটাৰে নিজস্ব সৌন্দৰ্য আছে। আগৰ দিনৰ বন্ধত আছিল প্ৰকৃতিৰ সান্নিধ্য, মানৱীয় সম্পৰ্কৰ উষ্ণতা আৰু সহজ-সৰল আনন্দ; আনহাতে আজিৰ বন্ধত আছে জ্ঞান, প্ৰযুক্তি আৰু বিশ্বব্যাপী সুযোগৰ দুৱাৰ। প্ৰয়োজন মাথোঁ এই দুয়োটাৰ মাজত এক সুন্দৰ সামঞ্জস্য স্থাপন কৰা।

যদি আজিৰ শিশুসকলে মোবাইল আৰু ইণ্টাৰনেটৰ লগতে প্ৰকৃতি, খেল-ধেমালি, কিতাপ পঢ়া আৰু পৰিয়ালৰ সৈতে সময় কটোৱাৰ সুযোগ লাভ কৰে, তেন্তে গৰমৰ বন্ধ সঁচাকৈয়ে জীৱনৰ এক পূৰ্ণাংগ শিক্ষালয় হৈ উঠিব। কাৰণ শিক্ষা কেৱল পাঠ্যপুথিৰ পৃষ্ঠাত সীমাবদ্ধ নহয়; জীৱনৰ প্ৰতিটো অভিজ্ঞতাই মানুহক নতুন কিবা শিকায়।

শৈশৱৰ গৰমৰ বন্ধ আছিল যেন মুক্ত আকাশত উৰি ফুৰা এজাক চৰাইৰ দৰে, আৰু আজিৰ গৰমৰ বন্ধ হৈছে প্ৰযুক্তিৰ পাখি লগোৱা এক নতুন যাত্ৰা। সময় সলনি হৈছে, পৰিৱেশ সলনি হৈছে, কিন্তু গৰমৰ বন্ধৰ মূল উদ্দেশ্য-আনন্দ, বিশ্ৰাম আৰু আত্মবিকাশ- আজিও একেই আছে। এই মূল্যবোধক অটুট ৰাখিব পাৰিলেই গৰমৰ বন্ধৰ প্ৰকৃত সৌন্দৰ্য চিৰদিন জীয়াই থাকিব।সময়ৰ সোঁতে সোঁতে মানুহৰ জীৱনশৈলী যিদৰে সলনি হৈছে, সেইদৰে সলনি হৈছে শৈশৱৰ সংজ্ঞাও। আগৰ দিনৰ শিশুসকলে প্ৰকৃতিৰ বুকুত খেলি-ধেমালি কৰি, বতাহৰ সৈতে দৌৰি, বৰষুণৰ পানীত তিতি আৰু মাটিৰ সোঁদা গোন্ধ বুকুত সাঁচি ডাঙৰ হৈছিল। আজিৰ শিশুসকলে কিন্তু বহুলাংশে চাৰিদেৱালৰ মাজত, ডিজিটেল পৰ্দাৰ সন্মুখত আৰু সময়ৰ কঠোৰ নিয়মৰ মাজত শৈশৱ অতিবাহিত কৰে। ইয়াৰ ফলত গৰমৰ বন্ধৰ আনন্দ আৰু অভিজ্ঞতাও ক্ৰমাৎ ৰূপান্তৰিত হৈছে।

আগৰ গৰমৰ বন্ধত পুৱাই উঠি বন্ধুবান্ধৱীৰ সৈতে গছৰ তলত বহি গল্প কৰা, আম বা জাম পাৰিবলৈ যোৱা, পুখুৰীৰ পাৰত বহি মাছৰ খেল চাই থকা বা সন্ধিয়া বেলি জোনাকৰ পোহৰত দৌৰি ফুৰা-এইবোৰ আছিল একেবাৰে সাধাৰণ দৃশ্য। তেতিয়া সময় যেন অলপ ধীৰে বাগৰি গৈছিল। দিনবোৰ দীঘল আছিল, আৰু প্ৰতিটো মুহূৰ্ত যেন আনন্দৰ এক নতুন দুৱাৰ মুকলি কৰি দিছিল।

আজি সেই দৃশ্য বহু ঠাইত সোঁৱৰণি হৈ পৰিছে। ব্যস্ত নগৰীয়া জীৱন, শিক্ষাৰ প্ৰতিযোগিতা আৰু প্ৰযুক্তিৰ দ্ৰুত বিস্তাৰে শিশুসকলৰ জগতখনক এক নতুন ৰূপ দিছে। বহু শিশুৱে গৰমৰ বন্ধৰ সময়ত বিভিন্ন পাঠ্যক্ৰম, অনলাইন শ্ৰেণী বা প্ৰশিক্ষণ কাৰ্যসূচীত ব্যস্ত হৈ থাকে। সৃষ্টিশীলতাৰ বিকাশৰ বাবে এইবোৰৰ প্ৰয়োজনীয়তা থাকিলেও, কেতিয়াবা ই শৈশৱৰ স্বতঃস্ফূৰ্ত আনন্দক সীমিত কৰি তোলে।

গৰমৰ বন্ধৰ প্ৰকৃত সৌন্দৰ্য লুকাই আছে স্বাধীনতা আৰু অনুসন্ধিৎসাৰ মাজত। এই সময়খিনিত শিশুসকলে নিজৰ পছন্দৰ কাম কৰিবলৈ, নতুন কিবা জানিবলৈ আৰু পৃথিৱীখনক নতুন চকুৰে চাবলৈ সুযোগ পায়। কোনোবাই কিতাপ পঢ়ি নতুন জগতৰ সৈতে পৰিচিত হয়, কোনোবাই ছবি আঁকে, কোনোবাই সংগীত শিকে, আন কোনোবাই প্ৰকৃতিৰ সৈতে সময় কটাই জীৱনৰ সূক্ষ্ম সৌন্দৰ্য অনুভৱ কৰে।

সেয়েহে আজিৰ প্ৰয়োজন হৈছে গৰমৰ বন্ধক কেৱল বিশ্ৰামৰ সময় বা কেৱল অধ্যয়নৰ সময় হিচাপে নাচাব। ইয়াক আত্মঅন্বেষণ, সৃষ্টিশীলতা আৰু মানৱীয় সম্পৰ্ক শক্তিশালী কৰাৰ এক মূল্যৱান সুযোগ হিচাপে গ্ৰহণ কৰিব লাগে। যদি শিশুসকলক মোবাইল আৰু ইণ্টাৰনেটৰ জগতৰ লগতে প্ৰকৃতি, সাহিত্য, খেল-ধেমালি আৰু পৰিয়ালৰ উষ্ণতাৰ সোঁততো বোৱাই নিয়া যায়, তেন্তে গৰমৰ বন্ধ অধিক অৰ্থপূৰ্ণ হৈ উঠিব।

শৈশৱৰ গৰমৰ বন্ধৰ স্মৃতিবোৰ বহু সময়ত মানুহৰ জীৱনৰ আটাইতকৈ উজ্জ্বল সম্পদ হৈ ৰয়। সময় পাৰ হয়, মানুহ ডাঙৰ হয়, দায়িত্ব বৃদ্ধি পায়, কিন্তু সেই গৰমৰ আবেলি, সেই আমগছৰ ছাঁ, সেই বন্ধু-বান্ধৱীৰ হাঁহি আৰু সেই নিৰ্ভাৰ দিনবোৰ স্মৃতিৰ আকাশত জোনাকী পৰুৱাৰ দৰে চিকমিকাই থাকে।

সেইবাবেই গৰমৰ বন্ধ কেৱল বিদ্যালয়ৰ পৰা লাভ কৰা এটা অৱকাশ নহয়; ই শৈশৱৰ হৃদস্পন্দন, স্মৃতিৰ ভঁৰাল আৰু জীৱনৰ এক অনন্য অধ্যায়। সময় যিমানেই সলনি নহওক কিয়, গৰমৰ বন্ধৰ সেই সৰল আনন্দ, সেই মুক্ত আকাশ আৰু সেই শৈশৱৰ সপোনবোৰ মানুহৰ মনত চিৰদিন জীয়াই থাকিব।

**কানুপ্ৰিয়া ডেকা**
স্নাতকোত্তৰ ডিগ্ৰী
অসমীয়া বিভাগহাউলী, বৰপেটা

# দিখৌ নদীয়ে সৃষ্টি কৰা জলপ্ৰলয়ৰ মূল কাৰণ অবৈধ শিল-বালিৰ খনন ঃ দেৱব্ৰত শইকীয়া

**বাতৰি কাকত, ষ্টাফ ৰিপ'ৰ্টাৰ, নাজিৰা, ২৩ জুলাই ঃ** ইতিহাসত প্ৰথমবাৰৰ বাবে বশিষ্ঠ গংগা খ্যাত দিখৌ নদীৰ বাঢ়নী পানীয়ে বৰ্তমান সৃষ্টি কৰা জলপ্ৰলয়ৰ মূল কাৰণ নদীৰ বুকুত অবাধ গতিত চলোৱা অবৈধ শিল আৰু বালিৰ খনন কাৰ্য। এইদৰে মত পোষণ কৰি নাজিৰা বিধানসভা সমষ্টিৰ প্ৰাক্তন বিধায়ক তথা অসম বিধানসভাৰ প্ৰাক্তন বিৰোধী দলৰ দলপতি দেৱব্ৰত শইকীয়াই লগতে কয় ,নদীৰ আৰম্ভণিৰ শিলসমূহ আছিল দিখৌ নদীৰ প্ৰাকৃতিক 'ব্ৰেক'। শিলবোৰ চুৰি কৰি নিয়াৰ বাবে নদীখনে নিজৰ গভীৰতা হেৰুৱাই বহল আৰু তৰাং হৈ পৰিল, যাৰ ফলত এই বৰষুণতে নাজিৰা তথা কাষৰীয়া অঞ্চলসমূহত ভয়ংকৰ বানপানী আৰু খহনীয়াৰ সৃষ্টি হ'ল। কিন্তু সেই চোৰবোৰৰ পৰা চান্দা লৈ কিছুমান মানুহ এতিয়া ৰজা হৈ পৰিল, গতিকে তেওঁলাকে এই অবৈধ খনন কিয় বন্ধ কৰিব ? ২০১৯ চনত নাজিৰাৰ প্ৰাক্তন বিধায়ক গৰাকীয়ে গুৱাহাটী উচ্চ ন্যায়ালয়ত এখন জনস্বাৰ্থ জৰিত আবেদন (PIL) দাখিল কৰিছিল, কিন্তু কোনো ব্যৱস্থা লোৱা নহ'ল আৰু ৭ বছৰৰ পাছত সাধাৰণ জনতাই ইয়াৰ পৰিণাম ভুগিবলগীয়া হ'ল । নাজিৰাৰ প্ৰাক্তন বিধায়ক দেবব্ৰত শইকীয়াই ২০১৯ চনত গুৱাহাটী উচ্চ ন্যায়ালয়ত দাখিল কৰা জনস্বাৰ্থ জৰিত আবেদন (PIL No. ৬২/২০১৯ আৰু ইয়াৰ আইনী প্ৰক্ৰিয়াৰ চমু ইতিহাস তলত দাঙি ধৰে যে , প্ৰথমতে PIL দাখিলৰ মূল উদ্দেশ্য (২০১৮-২০১৯) আবেদনঃ দিখৌ নদীৰ তলিৰ পৰা চলাই থকা অবৈধ বালি-পাথৰৰ খনন (Illegal Riverbed Mining) আৰু চোৰাং ব্যৱসায় বন্ধ কৰিবলৈ দেবব্ৰত শইকীয়াই গুৱাহাটী উচ্চ ন্যায়ালয়ত PIL দাখিল কৰিছিল। এক সতৰ্কবাণীৰে আবেদনখনত স্পষ্টকৈ উল্লেখ কৰা হৈছিল যে দিখৌ নদীৰ তলিৰ পৰা অব্যাহতভাৱে পাথৰ কঢ়িয়াই নিয়াৰ ফলত নদীখনৰ প্ৰাকৃতিক ভাৰসাম্য নষ্ট হৈছে, নদী তৰাং হৈ পৰিছে আৰু ইয়াৰ ফলত ভৱিষ্যতে শিৱসাগৰ আৰু নাজিৰা অঞ্চলত ভয়ংকৰ বানপানী তথা খহনীয়া হ'ব। দ্বিতীয়তে , উচ্চ ন্যায়ালয়ৰ ঐতিহাসিক ৰায় (২১ অক্টোবৰ, ২০১৯) আবেদনখনৰ শুনানি গ্ৰহণ কৰি ২০১৯ চনৰ চৰ অক্টোবৰত উচ্চ ন্যায়ালয়ে ৰাজ্য চৰকাৰক অতি গুৰুত্বপূৰ্ণ নিৰ্দেশ দিছিল। 'Mines and Mineral Task Force Battalion' গঠন। অবৈধ খনন প্ৰতিৰোধ কৰিবলৈ খনি আৰু ভূ-তত্ব বিভাগৰ অধীনত এখন বিশেষ টাস্ক ফোৰ্চ গঠন কৰিবলৈ নিৰ্দেশ দিছিল ।উচ্চস্তৰীয় কমিটী (High-Power Committee)ঃ দিখৌ নদীৰ প্ৰাকৃতিক পৰিৱেশ সংৰক্ষণ আৰু নদীয়ে গতিপথ সলনি কৰা ৰোধ কৰিবলৈ এটা বিশেষ কমিটী গঠনৰ নিৰ্দেশ দিছিল ।তৃতীয়তে , চৰকাৰী অৱহেলা আৰু আদালতৰ অৱমাননা (২০২০-২০২২) উচ্চ ন্যায়ালয়ে নিৰ্দেশ দিয়া সত্ত্বেও চৰকাৰে কোনো ব্যৱস্থা গ্ৰহণ নকৰিলে। আদালতৰ অৱমাননা মামলা (Contempt Case)। আদালতৰ নিৰ্দেশ কাৰ্যকৰী নকৰাৰ বাবে ২০২১ চনত চৰকাৰী বিষয়াৰ বিৰুদ্ধে পুনৰ আদালতৰ অৱমাননাৰ গোচৰ (Cont.Cas (C)/66/2021) তৰা হয়। চৰকাৰৰ ৰিভিউ আবেদন (Review Petition 101/2022)। টাস্ক ফোৰ্চ গঠন কৰি চোৰাং ব্যৱসায় বন্ধ কৰাৰ সলনি চৰকাৰে ২০২২ চনত উচ্চ ন্যায়ালয়ত এক ৰিভিউ পিটিচন দাখিল কৰি জনায় যে 'বৰ্তমান থকা বন বিভাগৰ ফৰ্চেই যথেষ্ট, নতুন টাস্ক ফোৰ্চৰ প্ৰয়োজন নাই'। চতুৰ্থতে, ইয়াৰ পৰিণাম। সাধাৰণ ৰাইজৰ দুৰ্দশা আইনী মেৰপাক আৰু ফাইলৰ আদান-প্ৰদানৰ মাজতে নদীৰ তলি খালী হৈ গ'ল। ন্যায়ালয়ৰ স্পষ্ট নিৰ্দেশ থকাৰ পাছতো চিণ্ডিকেট আৰু বিষয়াৰ মিতিৰালিৰ বাবে খনন বন্ধ নহক্সল। যাৰ পৰিণাম স্বৰূপে আজি দিখৌ নদীৰ প্ৰাকৃতিক ব্ৰেক (পাথৰ) নোহোৱা হৈ নদীখন তৰাং হৈ পৰিল আৰু ইয়াৰ মূল্য সাধাৰণ জনতাই বানপানী আৰু খহনীয়াৰ যোগেদি ভৰিবলগীয়া হৈছে। ২০১৯ চনতে উল্লেখ কৰি দেৱব্ৰত শইকীয়াই দাখিল কৰা পি আই এল আবেদন খনৰ প্ৰতি গুৰুত্ব দি কাৰ্য ব্যৱস্থা গ্ৰহণ কৰা হ'লে আজিৰ জনগণে দিখৌ নদীৰ এই জলপ্ৰলয়ৰ সন্মুখীন হ'ব লগা নহ'ল হেঁতেন।

## নীট পৰীক্ষাত গৌৰৱ কঢ়িয়াই আনিলে ৰঙিয়ালৈ

**বাতৰি কাকত, ৰঙিয়া বিশেষ, ২৩ জুলাই ঃ** তিনিআলি নিবাসী তথা ৰঙিয়া মহাবিদ্যালয়ৰ অধ্যাপক অমিত শৰ্মা আৰু আৰিমত্ত বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী ৰেখা শৰ্মাৰ কন্যা আকাংক্ষা শৰ্মাই। আকাংক্ষাৰ সাফল্যত এতিয়া গৰ্বিত ৰঙিয়াবাসী তথা পিতৃ মাতৃ। উল্লেখযোগ্য যে সদ্যঘোষিত নীট পৰীক্ষাত ৰঙিয়াৰ দুগৰাকীকৈ কিৰ্তী মান ছাত্ৰী ক্ৰমে বৰ্ণালী কলিতাই ৫৩০নম্বৰ আৰু আকাংক্ষা শৰ্মাই ৫৪০নম্বৰ লাভ কৰি ৰঙিয়া তথা অসমলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। এইফালে ভৱিষ্যতে এগৰাকী সু চিকিৎসক হোৱাৰ সপোন আকাংক্ষাৰ। লগতে ৰঙিয়াৰ ৰাইজে শুভেচ্ছা জনাইছে আৰু ফুলাম গামোচাৰে সম্বৰ্ধনা জনায়। প্ৰেৰক মহেন্দ্ৰ কলিতা

## জনপ্ৰতিনিধিয়ে পথ মেৰামতি নকৰাত কামপুৰলৈ বানৰ পানীৰ আগমন

**বাতৰি কাকত, কামপুৰ, ২৩ জুলাই ঃ** আমি যোৱা পৰহি এই কাকতত কাৰ্বি পাহাৰেৰে অহা বানে বৃহত্তৰ কামপুৰৰ বিপুল ক্ষতি কৰিব সেয়া আজি পৰিণতিৰ দিশলৈ পৰ্যবসিত হৈছে । কামপুৰ মাহনী আটি নৈপাম পথটো বিগত দুটা বানে অপযাপ্ত ক্ষতি কৰিছিল। ৰাইজ তথা সংবাদ কৰ্মীয়ে মেৰামতিৰ বাবে স্থানীয় বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীক বহুবাৰ দৃষ্টি গোচৰ কৰা হৈছিল যদিও জন প্ৰতিনিধি গৰাকীয়ে কোনো দায়বদ্ধতা নেদেখুৱালে। ফলত নগালেণ্ড পানী কাৰ্বি পাহাৰেৰে আহা বানে কামপুৰ মাহনি আটি পথটো ভঙাতেই ভাঙি চিঙি বান কাপুৰলৈ গতি কৰিছে । এই বানৰ আগ্ৰাসী যাত্ৰাত কঠীয়াতলী পঞ্চায়তৰ গৰুবন্ধা বুকলুং, গৰুবন্ধা মিকিৰ গাঁও, বিলচা আটি, টেপৰ আটি, বৰহুলা, বৰঘাট, তেলিয়াটি, মাহনি আটি, অমৰৱতী, কুটুহা পাৰ, পূব-পশ্চিম খালৈ ভঙা, তেঁতেলি সৰা পঞ্চায়তৰ কেকুৰিবাৰী, কলাইখোৱা গাঁৱলৈ সন্ত্ৰাসৰ সূচনা কৰিছে । অদ্যপি স্থানীয় বিধায়কৰ কোনো দায়বদ্ধতা পৰিলক্ষিত নোহোৱাত ৰাইজ হতাশহৈ পৰিছে।

## উজনি অসমৰ বান পৰিস্থিতিৰ বাবে হাজাৰ কোটি টকাৰ বিশেষ পেকেজ দাবী বদৰুদ্দিন আজমলৰ



**খাইৰুদ্দিন আহমেদ, শিৱসাগৰ, ২৩ জুলাই ঃ** উজনি অসমৰ ভয়াৱহ বান পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ভাৰতৰ ৰাষ্ট্ৰপতিক হাজাৰ কোটি টকাৰ বিশেষ বান সাহায্য পেকেজ ঘোষণা কৰাৰ আহ্বান জনাইছে জমিয়ত উলামা-ই-অসমৰ সভাপতি মৌলানা বদৰুদ্দিন আজমলে। শিৱসাগৰ নগৰৰ সমীপৰ জোলা গাওঁৰ পৰা আজি আজমল ফাউণ্ডেচনে বানাক্ৰান্তৰ মাজত সাহাৰ্য বিতৰণ কৰা কাৰ্যসূচী মুকলি কৰি আজমলে কয় যে যোৰহাট, শিৱসাগৰ আৰু চৰাইদেউ জিলাত বানৰ ফলত ব্যাপক ক্ষতি হৈছে। বহু পৰিয়াল গৃহহীন হোৱাৰ লগতে পশুধনৰো ব্যাপক ক্ষতি হৈছে। ইতিমধ্যে ৬০-৭০টাৰো অধিক মানুহ আৰু পশুৰ মৃত্যুৰ ঘটনাই জিলা কেইখনত জনস্বাস্থ্যৰ বাবে গুৰুতৰ বিপদৰ সৃষ্টি কৰিব বুলি তেওঁ আশংকা কৰে । আজমলে কয় যে বানত ক্ষতিগ্ৰস্ত লোকসকলৰ প্ৰায় ৯৯ শতাংশ হিন্দু সম্প্ৰদায়ৰ, সেয়েহে এই দুৰ্যোগৰ সময়ত ধৰ্ম-বৰ্ণৰ ঊৰ্দ্ধত উঠি সকলো ক্ষতিগ্ৰস্ত লোকক তেওঁ সহায় আগবঢ়াব । তেওঁ কেন্দ্ৰীয় চৰকাৰক তাৎক্ষণিকভাৱে অধিক সংখ্যক এনডিআৰএফৰ দল নিয়োগ কৰাৰ লগতে উদ্ধাৰ অভিযান আৰু অত্যাৱশ্যকীয় সামগ্ৰী আকাশমাৰ্গে যোগান ধৰিবলৈ সেনাৰ হেলিকপ্টাৰ ব্যৱহাৰৰ ব্যৱস্থা কৰাৰ দাবী জনায়। আজমলে লগতে জনায় যে-বানপীড়িত অঞ্চলত সাহায্য আৰু উদ্ধাৰ কাৰ্য তদাৰক কৰাৰ উদ্দেশ্যে তেওঁ তিনিদিন উজনি অসমতে অৱস্থান কৰিব। "Emergency Flood Relief ২০২৬ in Upper Assam" শীৰ্ষক এই সাহায্য অভিযানৰ জৰিয়তে বানাক্ৰান্ত হাজাৰ হাজাৰ পৰিয়াললৈ খাদ্য, ঔষধ আৰু অন্যান্য অত্যাৱশ্যকীয় সামগ্ৰী যোগান ধৰাৰ লক্ষ্য লোৱা হৈছে।

## নদীত উপঙি আহিল অচিনাক্ত মৃতদেহ

**বাতৰি কাকত, জুৰীয়া, ২৩ জুলাই ঃ** উজনিত বানৰ বিভিষীকা চলি থকাৰ সময়তে নগাঁও জিলাৰ জুৰীয়াৰ কলাডুবা অঞ্চলৰ কাষেৰে বৈ যোৱা ব্ৰহ্মপুত্ৰ নদীত আজি এটা অচিনাক্ত মৃতদেহ উপঙি থকা অৱস্থাত প্ৰত্যক্ষ কৰে স্থানীয় ৰাইজে। মৃতদেহটো প্ৰবল সোঁতৰ সৈতে ভাঁহি উটি গৈ থকা অৱস্থাত ঘটনাস্থলীত বহু লোকৰ সমাগম হয়। প্ৰত্যক্ষদৰ্শীৰ মতে, নদীৰ প্ৰবল সোঁত থকাৰ বাবে কোনেও মৃতদেহটো উদ্ধাৰ কৰিবলৈ সক্ষম নহ'ল। উটি অহা মৃতদেহটো ক'ৰ পৰা আহিছেবা কোন লোকৰ, সেই বিষয়ে এতিয়ালৈকে কোনো নিৰ্দিষ্ট তথ্য পোৱা হোৱা নাই। উজনিৰ বানপানীৰ সোঁতত মৃতদেহটো ভাঁহি আহিছে বুলি স্থানীয় লোকে সন্দেহ প্ৰকাশ কৰিছে। ঘটনাৰ পিছতে স্থানীয় ৰাইজে তৎক্ষণাত জিলা প্ৰশাসন, আৰক্ষী আৰু এছডিআৰএফ বাহিনীক ঘটনাস্থলীত উপস্থিত হৈ উদ্ধাৰ অভিযান চলোৱাৰ দাবী জনাইছে। সময়মতে উদ্ধাৰ অভিযান আৰম্ভ নকৰিলে মৃতদেহটো সোঁতৰ সৈতে বিলীন হৈ যোৱাৰ আশংকা প্ৰকাশ কৰিছে স্থানীয়সকলে।

## বাল্য বিবাহ কৰি পদ হেৰুৱালে নিৰ্বাচিত ৱাৰ্ড মেম্বাৰে

**বাতৰি কাকত, ৰূপহীহাট, ২৩ জুলাই ঃ** নগাঁও জিলাৰ বগৰিগুৰী উন্নয়ন খণ্ডৰ অন্তৰ্গত মাহেৰিপাৰ গাওঁ পঞ্চায়তৰ সভাপতি আজিজুৰ ৰহমান বাল্য বিবাহত জড়িত হৈ গাওঁ পঞ্চায়তৰ ৱাৰ্ড সদস্য পদ হেৰুৱাব লগা ঘটনাই সমগ্ৰ জুৰীয়া অঞ্চলত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে।। ও জিলাৰ মহেৰিপাৰ গাওঁ পঞ্চায়তৰ সদস্য আজিজুৰ ৰহমানে ।মাহেৰিপাৰ গাওঁ পঞ্চায়তৰ ৪ নং ৱাৰ্ডৰ নিৰ্বাচিত সদস্যজনে নিৰ্বাচনৰ সময়ত নথি জালিয়াতি কৰাৰ অভিযোগ উত্থাপন হোৱাত জিলা আয়ুক্তৰ নিৰ্দেশক্ৰমে কৰা তদন্তত এই কথা স্পষ্ট হয় যে, তেওঁ নাবালক অৱস্থাতে এটি সন্তানৰ পিতৃ হৈছিল। নথি পৰীক্ষাত দেখা গক্সল যে তেওঁৰ জন্ম হৈছিল ১৯৯৯ চনৰ্‌ৰ জানুৱাৰীত, আৰু তেওঁৰ প্ৰথম সন্তানৰ জন্ম হৈছিল ২০১৬ চনৰ ৭ আগষ্টত। জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া, খণ্ড উন্নয়ন বিষয়াৰ প্ৰতিবেদনৰ উপৰি সহকাৰী আয়ুক্তৰ তদন্তত এই কথা স্পষ্ট হৈ পৰাত জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই জাৰী কৰা এক আদেশ মৰ্মে তেওঁৰ সদস্যপদ খাৰিজ কৰে। বৰ্তমান উক্ত ৱাৰ্ডটো খালী হৈ থকা বুলি ঘোষণা কৰা হৈছে।

## ভূত বাংলাত পৰিণত জাহোৰপাম জল জীৱন মিছন আঁচনি

**বাতৰি কাকত, জনীয়া, ২৩ জুলাই ঃ** বৰপেটা জিলাৰ জনীয়াৰ জাহোৰপামত কেন্দ্ৰীয় চৰকাৰৰ সপোনৰ আঁচনি জল জীৱন মিছন আঁচনি ভূত বাংলাত পৰিণত হৈছে। সম্প্ৰতি জাহোৰপাম জল জীৱন মিছন আঁচনিৰ প্ৰকল্পত সাপ, ভেকুলী, বান্দৰৰ বাসস্থান হৈ পৰিছে। প্ৰায় বিশ বছৰ পূৰ্বে জহোৰপামত বিশুদ্ধ খোৱা পানী যোগান ধৰাৰ বাবে চৰকাৰে নিৰ্মাণ কৰিছিল প্ৰকল্পটো কিন্তু আজোকুপতি জাহোৰপামত কেন্দ্ৰীয় চৰকাৰৰ সপোনৰ আঁচনিখনৰ জৰিয়তে এটুপি বিশুদ্ধ খোৱা লাভ কৰা নাই বুলি ক্ষোভ প্ৰকাশ কৰিছে স্থানীয় ৰাইজে। একশবিংশ শতিকাতো এটুপি বিশুদ্ধ খোৱাপানীৰ বাবে হাহাকাৰ কৰিবলগীয়া হৈছে ৰাইজে। এই জল জীৱন মিছন আঁচনিৰ উদ্দেশ্য হৈছে প্ৰতিটো গ্ৰাম্য পৰিয়ালক পাইপেৰে বিশুদ্ধ খোৱা পানী যোগান ধৰা। ২০ বছৰেও লাভ নকৰিলে এটুপিও বিশুদ্ধ খোৱা পানী । উল্লেখ্য যে প্ৰায় ৫০০ টা পৰিয়ালক বিশুদ্ধ খোৱা পানীৰ যোগান ধৰাৰ বাবে চৰকাৰে গ্ৰহণ কৰিছিল কোটি টকীয়া আঁচনি ।আজিকোপতি পাইপেৰে নোলাল এটুপি বিশুদ্ধ খোৱা পানী। বিভাগীয় কৰ্তৃপক্ষই কোনো কাণহাৰ নিদিয়াৰ অভিযোগ উত্থাপন কৰিছে স্থানীয় ৰাইজে । সেয়ে অতি শীঘ্ৰে চৰকাৰ তথা বিভাগীয় কৰ্তৃপক্ষৰ লগতে স্থানীয় বিধায়ক শ্বেৰমান আলী আহমেদক উক্ত প্ৰকল্পটো মুকলি কৰি বৃহত্তৰ অঞ্চলৰ ৰাইজক বিশুদ্ধ খোৱা পানীৰ যোগান ধৰাৰ আহ্বান জনায় ৰাইজে।

## মেৰা যুৱ ভাৰত, নলবাৰী জিলাৰ গাননিক বিষয়া বিৰাজ চক্ৰবৰ্তী লৈ নৱপ্ৰভাতৰ সম্বৰ্ধনা

**বাতৰি কাকত, ধমধমা, ২৩ জুলাই ঃ** মেৰা যুৱ ভাৰত নলবাৰী জিলাৰ গাননিক বিষয়া বিৰাজ চক্ৰৱৰ্তীক জিলাখনত চাকৰীৰ পৰা বদলি কৰণৰ দিনা সম্বোৰ্ধনা জ্ঞাপন কৰে নলবাৰীৰ বেচৰকাৰী সংস্থা 'নৱপ্ৰভাত' অনুষ্ঠানটোৱে। 'নৱ প্ৰভাত' সংস্থাটোৱে মেৰা যুৱ ভাৰতৰ লগত দীৰ্ঘদিনভাৱে জড়িত হৈ বিভিন্ন সময়ত গছপুলি ৰোপণ, খেল-ধেমালী প্ৰতিযোগিতা আদি সামাজিক কামবোৰ কৰি আহিছে। এই অনুষ্ঠানৰ গাননিক বিষয়া বিৰাজ চক্ৰৱৰ্তী য়ে নলবাৰীৰ পৰা মিজোৰাম লৈ চাকৰি সুত্ৰে বদলি হোৱা খবৰ শুনি নৱপ্ৰভাত অনুষ্ঠানটোৰ সভাপতি মৃদুল কলিতা সম্পাদক অপূৰ্ব শৰ্মা , সদস্য শিল্পা তালুকদাৰ আৰু দিপাংকৰ মালাকৰে নলবাৰীস্থিত কাৰ্যলয়লৈ আহি তেখেতক সম্বৰ্ধনা জনায় আৰু অনাগত সময়ত কৰ্মজীৱন সুখৰ হোৱা কামনা কৰে। উল্লেখ্য বিৰাজ চক্ৰৱতীয়ে জনোৱা মতে তেখেতে ১৯৯৪ চনত তেতিয়াৰ নেহেৰু যুৱ কেন্দ্ৰ বৰ্তমানৰ মেৰা যুৱ ভাৰত অনুষ্ঠানত মেঘালয়ত চাকৰি হিচাপে যোগদান কৰে। তেখেত কৰিমগঞ্জৰ অৰ্থাৎ শ্ৰীভূমি জিলাৰ বাসিন্দা হয়। তেখেতে অসমৰ লগতে অসমৰ বাহিৰৰ ৰাজ্যতো চাকৰিৰ কামৰ দায়িত্ব পালন কৰিছে। তেখেতে নলবাৰীৰ থকা সময়ত নলবাৰীৰ ৰাইজৰ কাম কৰাৰ মানসিকতা আছে বুলি প্ৰকাশ কৰিছে, নলবাৰীৰ থকা সময়ত জিলা যুৱ বিষয়া তথা ডেপুটি ডিৰেক্টৰ মোহিত ৰাভাই অনুষ্ঠানটোৰ হকে দিনে নিশাই কৰা কামক প্ৰশংসা কৰে। মোহিত ৰাভাৰ দৰে বিষয়া কাৰ্যালয়ত থকা প্ৰয়োজন বুলিও জনায়। লগতে সামাজিক কাম-কাজত জড়িত হোৱা সংস্থা 'নৱ প্ৰভাতক' শলাগ জনাই।




*টাপাজুলি- কালামপুৰ সংযোগী পথৰ দুৰৱস্থা*

## জনীয়াৰ শিক্ষাৰ্থী, গাঁৱৰ ৰাইজৰ কষ্টলৈ গুৰুত্ব নাই জনপ্ৰতিনিধি-চৰকাৰৰ



**বাতৰি কাকত, জনীয়া, ২৩ জুলাই ঃ** বৰপেটা জিলাৰ মন্দিয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত টাপাজুলিৰ পৰা কালামপুৰলৈ যোৱা পথৰ দুৰৱস্থাই জ্বলা-কলা খুৱাইছে ৰাইজক। মন্দিয়া উন্নয়ন খণ্ডৰ অধীনস্থ টাপাজুলিৰ পৰা কালামপুৰলৈ যোৱা অতি গুৰুত্বপূৰ্ণ পথচোৱা দীৰ্ঘদিন ধৰি বৃহত্তৰ অঞ্চলৰ ৰাইজে যাতায়তৰ ক্ষেত্ৰত জীয়াতু চৰম দুৰ্ভোগ ভুগিবলগীয়া হৈছে। এজাক বৰষুণতেই জমা হয় একাঁঠুলৈকে পানী কদৰ্যময় হৈ পৰে পথচোৱা। সম্প্ৰতি কেইবাদিন ধৰি হোৱা বৰষুণৰ ফলত সৃষ্টি হৈছে কৃত্ৰিম বানৰ। উক্ত পথচোৱা সম্প্ৰতি পানীৰ তলত। কলগছৰ ভূৰ নাইবা টুলুঙা নাৱেৰে বিপদসংকুল ভাৱে যাতায়ত কৰিবলগীয়া হৈছে বৃহত্তৰ অঞ্চলৰ ৰাইজে। নিৰ্বাচনৰ পূৰ্বে প্ৰতিনিধি সকলে প্ৰতিশ্ৰুতি দিয়ে যদিও নিৰ্বাচনৰ পাছত কোনো ধৰণৰ গুৰুত্ব প্ৰদান নকৰাৰ অভিযোগ ৰাইজৰ। সেয়ে অতি শীঘ্ৰে চৰকাৰ তথা বিভাগীয় কৰ্তৃপক্ষৰ লগতে স্থানীয় জনপ্ৰতিনিধিক উক্ত পথচোৱা নিৰ্মাণ কৰি যাতায়ত ব্যৱস্থা সুচল কৰাৰ আহ্বান জনায় ৰাইজে।

## শুৱালকুছিত ৰাজ্যিক ভিত্তিত ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা ঃ প্ৰথম পুৰস্কাৰ ৫০,০০০টকা

**বাতৰি কাকত,শুৱালকুছি, ২৩ জুলাই ঃ** অসমৰ অন্যতম সমাজ সাংস্কৃতিক অনুষ্ঠান 'শুৱালকুছি সাংস্কৃতিক সন্মিলন'ৰ উদ্যোগত আগত ১৩ ছেপ্টেম্বত ৰাজ্যিক ভিত্তিত ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা আয়োজন কৰা হৈছে। প্ৰতিযোগিতাৰ সমস্ত নিয়মাৱলী সম্পৰ্কে উদ্‌যাপন সমিতিৰ সম্পাদকদ্বয় নিৰোদ ডেকা আৰু খনিকৰ দাসে জানিবলৈ দি কয় যে, সদৌ অসম ভিত্তিত অনুষ্ঠিতব্য এই মেগা ইভেণ্ট প্ৰতিযোগিতাত ১৪ বছৰ বা তাৰ উৰ্ধৰ অসমৰ প্ৰতিভাবান প্ৰতিযোগী সকলে নাম পঞ্জীয়ন কৰিব পাৰিব। প্ৰতিযোগিতাত তিনিগৰাকী সৰ্বশ্ৰেষ্ঠ প্ৰতিযোগীক পুৰস্কাৰ হিচাপে, প্ৰথম পুৰস্কাৰ নগদ ৫০ হাজাৰ টকা, বঁটা আৰু মানপত্ৰ, দ্বিতীয় পুৰস্কাৰ নগদ ৩০ হাজাৰ টকা, বঁটা আৰু মানপত্ৰ, তৃতীয় পুৰস্কাৰ নগদ ২০ হাজাৰ টকা, বঁটা আৰু মানপত্ৰ আনুষ্ঠানিক ভাৱে প্ৰদান কৰা হ'ব। ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতাৰ ক্ষেত্ৰত অসমৰ ইতিহাসৰ সৰ্ববৃহৎ ধনৰাশিৰ পুৰস্কাৰ প্ৰদান কৰা এই প্ৰতিযোগিতাখন দুটা পৰ্যায়ত অনুষ্ঠিত হ'ব। প্ৰতিযোগী সকলে নিজৰ নাম পঞ্জীয়ন কৰি ড° ভূপেন হাজৰিকাৰ কথা আৰু সুৰাৰোপিত যিকোনো এটি গীত ভিডিঅ' ৰেকৰ্ডিং কৰি ৫ আগষ্ট তাৰিখৰ পৰা ১৫ আগষ্ট তাৰিখৰ ভিতৰত উদ্‌যাপন সমিতিয়ে নিৰ্ধাৰণ কৰা ৯৯৫৪৯৯৩৬২১ হ্বাইটছআপ নম্বৰত নাইবা sualkuchisanskritiksanmilan@gmail.com ইমেইল যোগে পঠাব লাগিব। প্ৰথম পৰ্যায়ৰ সৰ্বশ্ৰেষ্ঠ ৫০ গৰাকী প্ৰতিযোগীয়ে মূল প্ৰতিযোগিতাত অংশগ্ৰহণ সুবিধা লাভ কৰিব। শুৱালকুছি শ্ৰীমন্ত শংকৰ নাটঘৰৰ সুসজ্জিত প্ৰেক্ষাগৃহত মূল প্ৰতিযোগিতা খন ১৩ চেপ্তেম্বৰ তাৰিখে পুৱা ১০:০০ বজাৰ পৰা আৰম্ভ হ'ব। উল্লেখ্য যে, আয়োজক সমিতিয়ে মূল প্ৰতিযোগিতাৰ সকলো প্ৰতিযোগীৰ বাবে বিনামূলীয়া বাদ্য শিল্পী যোগান ধৰিব। ইচ্ছুক প্ৰতিযোগীসকলে প্ৰতিযোগিতা সম্পৰ্কত ৯৯৫৪৯৯৩৬২১ আৰু ৯৪৩৫১০৩৮০৯ দুৰভাষ নম্বৰত সোধা পোছা কৰি ল'ব পাৰিব। ইতিমধ্যে প্ৰতিযোগী সকলৰ নাম পঞ্জীয়ন কৰাৰ সুবিধাৰ্থে ১ জুলাই তাৰিখে নিৰ্ধাৰিত প্ৰ-পত্ৰ আৰু নিয়মাৱলী প্ৰকাশ কৰা হৈছে। সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ সৈতে সামঞ্জস্য ৰাখি শুৱালকুছি সাংস্কৃতিক সন্মিলনে আয়োজন কৰা এই আকৰ্ষণীয় প্ৰতিযোগিতাত অসমৰ চুকে কোণে থকা সমস্ত প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰি মহান শিল্পী গৰাকীৰ প্ৰতি প্ৰকৃতাৰ্থত শ্ৰদ্ধাঞ্জলি নিবেদন কৰিব বুলি শুৱালকুছি সাংস্কৃতিক সন্মিলনে আশা প্ৰকাশ কৰিছে।

## ছিপাঝাৰ সাহিত্য সভাৰ স্মৃতি ভৱনত গ্ৰন্থ উন্মোচনী সভা

**বাতৰি কাকত, ছিপাঝাৰ, ২৩ জুলাই ঃ** ছিপাঝাৰ সাহিত্য সভাৰ শতবৰ্ষ উদ্‌যাপনৰ কাৰ্যসূচীৰ অংশ হিচাপে বুধবাৰে ছিপাঝাৰ সাহিত্য সভাৰ স্মৃতি ভৱনত দুখন গ্ৰন্থ উন্মোচন কৰা হয় । তদুপলক্ষে কাৰ্যসূচী অনুসৰি বন্তি প্ৰজ্বলন কৰে ডাঃ দীনেশ চন্দ্ৰ গোস্বামীয়ে । ছিপাঝাৰ সাহিত্য সভাৰ আকাশৰ শিল্পী বৃন্দৰ দ্বাৰা 'চিৰ চেনেহী মোৰ ভাষা জননী' গীতেৰে শুভাৰম্ভ হোৱা সভা খনৰ আঁত ধৰে ছিপাঝাৰ সাহিত্য সভাৰ সম্পাদক হেৰম্ব কুমাৰ শইকীয়াই । তাৰ পিছত ছিপাঝাৰ সাহিত্য সভাৰ সভাপতি ড° প্ৰসন্ন কুমাৰ নাথৰ সভাপতিত্বত অনুষ্ঠিত হয় এখনি গ্ৰন্থ উন্মোচনী সভা । বৰদৌলগুৰি সাহিত্য সভাৰ সভাপতি হেৰম্ব কুমাৰ নাথে উদ্বোধন কৰা সভা খনত গায়ত্ৰী দেৱীৰ 'সূৰ্য মাষ্টাৰ কেনি গ'ল' আৰু অলকা বৰুৱা চহৰীয়াৰ 'অনুপমা' শীৰ্ষক গ্ৰন্থ দুখনি ক্ৰমে দৰং কৰ্কট কেন্দ্ৰৰ অধ্যক্ষ ডাঃ চৈয়দ ইফটিখাৰ চোভানী আৰু চৈয়দ চচমে আৰা জাহানে উন্মোচন কৰে । ত্ৰিদিপ নাথৰ দুটি সুমধুৰ গীত আৰু লেখিকা গায়ত্ৰী দেৱীৰ কথা আৰু জয়মতী দেৱীৰ সুৰেৰে সজোৱা এটি সমবেত সংগীত পৰিৱেশন কৰি আপ্লুত কৰা সভা খনত বৃহত্তৰ ছিপাঝাৰ তথা দৰং জিলাৰ ভিন্ন প্ৰান্তৰ তিনি শতাধিক বিশিষ্ট ব্যক্তি উপস্থিত থাকে । উল্লেখ্য যে সভা খনত ঊষা ৰাণী দেৱী, নতুন দৌৰংগ কাকতৰ সম্পাদক শঙ্কৰ কাকতি, ড° মোহিনী গোস্বামী, গিৰীশ নাথ আৰু নলিনী শৰ্মাই সমজুৱাৰ এষাৰত ব্যক্তব্য ৰাখে । ছিপাঝাৰ সাহিত্য সভাৰ উপ সভাপতি কৈলাশ শৰ্মাই শলাগৰ শৰাই আগবঢ়োৱা সভা খন অসম সংগীতেৰে সামৰণি পৰে।

দৈনিক বাতৰি বাকত সত্য আৰু ন্যায়ৰ সপক্ষে

# অসম কবি সন্মিলনৰ ৩৯ সংখ্যক মধ্যকালীন অধিৱেশনৰ সামৰণি




**গুৱাহাটী,২৩জুলাইঃ** গুৱাহাটীৰ জালুকবাৰী ছোৱালী হাইস্কুল প্ৰাংগনত ১৯জুলাইত অসম কবি সন্মিলনৰ ৩৯সংখ্যক মধ্যকালীন অধিৱেশনখন দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হয়। পুৱা ৯.৩০ বজাত পতাকা উত্তোলনৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰে সন্মিলনৰ সভাপতি দীনেশ দাসে। স্মৃতি তৰ্পণ কৰে কাব্য কস্তুৰী ৰেনু মহন্ত আৰু আদৰণি সমিতিৰ উপ- সভাপতি জগন্নাথ পাঠকে। অসমৰ বিভিন্ন প্ৰান্তৰ পৰা অহা এশজনৰো অধিক প্ৰতিনিধিয়ে ভাগ লোৱা প্ৰতিনিধি সভাখন ইলোৰা কলিতাই পৰিবেশন কৰা মহাপুৰুষ মাধৱদেৱ বিৰচিত বৰগীতেৰে শুভাৰম্ভ কৰা হয়। সভাৰ আৰম্ভণিতে প্ৰতিনিধি তথা সন্মিলনৰ কৰ্মকৰ্তাসকলক আদৰণি জনাই আদৰণি সমিতিৰ সভাপতি তথা কামৰূপ মহানগৰ জিলা কবি সন্মিলনৰ সভাপতি, অৱসৰপ্ৰাপ্ত অধ্যক্ষ হাচমত আলীয়ে। সন্মিলনৰ সভাপতি দীনেশ দাসৰ সভাপতিত্বত অনুষ্ঠিত সভাত সন্মিলনৰ বিগত বৰ্ষৰ কাৰ্যকলাপ আৰু ভৱিষ্যতৰ কৰ্মপন্থাৰ বিষয়ে বিশদভাৱে আলোচনা আৰু প্ৰস্তাৱ গ্ৰহণ কৰা হয়। প্ৰতিনিধি সভাৰ আঁত ধৰে সম্পাদক নীলমণি বৰাই। বিয়লি ২বজাৰপৰা জালুকবাৰী লেখিকা সমাৰোহৰ মহিলা শিল্পীসকলে পৰিৱেশন কৰা অসম কেশৰী অম্বিকাগিৰী ৰায়চৌধুৰী ৰচিত দেশপ্ৰেমমূলক এটি সমবেত সংগীতেৰে আৰম্ভ কৰা হয় মুকলি সভা। সভাত সভাপতিত্ব কৰে সন্মিলনৰ সভাপতি দীনেশ দাসে। সভাত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকি খ্যাতনামা কবি, সাহিত্যিক কৌস্তুভমণি শইকীয়াই কবিসকলৰ সামাজিক দায়বদ্ধতাৰ ওপৰত বক্তব্য ৰাখে। নিৰ্দিষ্ট বক্তা হিচাপে গুৱাহাটী বিশ্ববিদ্যালয়ৰ বাণিজ্য বিভাগৰ মুৰব্বী তথা বাণিজ্য শিক্ষাৰ ডীন অধ্যাপক প্ৰশান্ত শৰ্মাই কবিতা, কবি আৰু জনজীৱনৰ ওতঃপ্ৰোত সম্বন্ধৰ ওপৰত এক বিশদ, সুন্দৰ, সাৱলীল ৰসাল ভাষণেৰে সকলোকে মুগ্ধ কৰে। সভাত সন্মিলনৰ কাৰ্যকৰী সভাপতি ত্ৰিদীপ লস্কৰেও কবি সমাজৰ দায়িত্ববোধৰ ওপৰত ভাষণ ৰাখে। আদৰণি সমিতি তথা কামৰূপ মহানগৰ জিলা কবি সন্মিলনৰ সম্পাদক ৰবিন ৰাজবংশী, মণিদীপা বৰ্মন, ৰুমা দেৱী আৰু অঞ্জনা দাসৰ লগতে মনোজ দাসে অধিৱেশনৰ কাৰ্যসূচীৰ ৰূপায়ণৰ আঁত ধৰে। মুকলি সভাতেই ইতিমধ্যে অনুষ্ঠিত হোৱা কবিতা প্ৰতিযোগিতাৰ বঁটা বিতৰণ আৰু সন্মিলনৰ আজীৱন সদস্য তথা হিতৈষী সভ্যসকলৰ প্ৰমাণ পত্ৰ দিয়া হয়। সভাৰ শেষত শলাগৰ শৰাই আগবঢ়াই আদৰণি সমিতিৰ সম্পাদক ৰঞ্জন জ্যোতি শৰ্মা বৰদলৈয়ে।

# কামৰূপ জিলাত বান প্ৰস্তুতিৰ পৰ্যালোচনা বৈঠক
## বান পৰিস্থিতি মোকাবিলাৰ বাবে জিলা প্ৰশাসন তৎপৰ

**আমিনগাঁও, ২৩জুলাইঃ** ৰাজ্যজুৰি অব্যাহত থকা গুৰুতৰ বান পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত বুধবাৰে আমিনগাঁওস্থিত সহৰত জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত কামৰূপৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰৰ সভাপতিত্বত এখন বান প্ৰস্তুতিৰ পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়।বৈঠকত জিলাখনৰ সামগ্ৰিক বান প্ৰস্তুতি, দুৰ্যোগ সঁহাৰি ব্যৱস্থা, আন্তঃ বিভাগীয় সমন্বয়, সাহায্য বিতৰণ, সম্ভাব্য উদ্ধাৰ আৰু স্থানান্তৰণ ব্যৱস্থাৰ লগতে দুৰ্যোগকালীন সময়ত অত্যাৱশ্যকীয় সেৱাসমূহ অব্যাহত ৰখাৰ ক্ষেত্ৰত গ্ৰহণ কৰা ব্যৱস্থাসমূহৰ বিস্তৃত পৰ্যালোচনা কৰা হয়।বৈঠকত পলাশবাৰী আৰু উত্তৰ গুৱাহাটী ৰাজহ চক্ৰৰ বানাক্ৰান্ত অঞ্চলসমূহত ইতিমধ্যে সাহায্য সামগ্ৰী বিতৰণ কৰা হৈছে। বানত ক্ষতিগ্ৰস্ত পৰিয়ালসমূহৰ অস্থায়ী আশ্ৰয়ৰ বাবে উত্তৰ গুৱাহাটী ৰাজহ চক্ৰৰ অন্তৰ্গত বেংগলী এল পি স্কুল, আমিনগাঁও আৰু আমিনগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ত সাহায্য শিবিৰ স্থাপন কৰা হৈছে



বুলি বৈঠকত জানিবলৈ দিয়ে। বান পৰিস্থিতি স্বাভাবিক নোহোৱালৈকে এই শিবিৰসমূহ অব্যাহত থাকিব। সভাত ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনী, খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগ, ভাৰতীয় সেনাবাহিনী, সশস্ত্ৰ সীমা বল, স্বাস্থ্য বিভাগ, জলসম্পদ বিভাগ, ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণ কে ধৰি বিভিন্ন বিভাগৰ বান প্ৰস্তুতি আৰু জৰুৰীকালীন সঁহাৰি ব্যৱস্থাৰ বিস্তৃত পৰ্যালোচনা কৰা হয়, যাতে যিকোনো দুৰ্যোগজনিত পৰিস্থিতিত সময়মতে সমন্বিতভাৱে ব্যৱস্থা গ্ৰহণ কৰিব পৰা যায়। বৈঠকত জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই বান সঁহাৰি কাৰ্যৰ সৈতে জড়িত বিভাগসমূহৰ বিষয়া-কৰ্মচাৰীসকলক জৰুৰীকালীন সময়ছোৱাত কোনো ধৰণৰ ছুটি মঞ্জুৰ নকৰিবলৈ নিৰ্দেশ দিয়ে। লগতে সকলো সঁহাৰি দলক প্ৰয়োজন অনুসৰি বানপ্ৰৱণ আৰু ক্ষতিগ্ৰস্ত অঞ্চলসমূহ পৰিদৰ্শন কৰি পৰিস্থিতিৰ মূল্যায়ন কৰাৰ লগতে তাৎক্ষণিক সাহায্য আগবঢ়াবলৈ নিৰ্দেশ প্ৰদান কৰে।বৈঠকত নতুনকৈ নিৰ্মাণ কৰা জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ ভৱনৰ পৰা ২৪ ঘণ্টাই বিশেষ দল নিয়োজিত কৰি বান পৰিস্থিতিৰ নিৰৱচ্ছিন্ন নিৰীক্ষণ, সমন্বয় আৰু জৰুৰীকালীন সঁহাৰি ব্যৱস্থা নিশ্চিত কৰাৰ বিষয়েও আলোচনা কৰা হয়। বৈঠকত কামৰূপ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া সিদ্ধাৰ্থ গোস্বামী, জিলা উন্নয়ন আয়ুক্ত সুশান্ত কুমাৰ দত্ত, অতিৰিক্ত জিলা আয়ুক্ত বিক্ৰম চেত্ৰী, সম-জিলা আয়ুক্তসকল, চক্ৰ বিষয়াসকল, জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ জিলা প্ৰকল্প বিষয়া আৰু বিভিন্ন সংশ্লিষ্ট বিভাগৰ বিষয়াসকল উপস্থিত থাকে।

# লংকেশ্বৰত অচিনাক্ত মৃতদেহ উদ্ধাৰ



**গুৱাহাটী ,২৩জুলাইঃ** গুৱাহাটী মহানগৰীৰ জালুকবাৰী আৰক্ষী চকীৰ অন্তৰ্গত লংকেশ্বৰৰ সমীপৰ মিছনেৰী অৱ চেৰিটিৰ শান্তিদানৰ সন্মুখত ২১ জুলাইত দিনৰ ভাগত এজন অচিনাক্ত লোকৰ মৃতদেহ উদ্ধাৰ কৰে আৰক্ষীয়ে। প্ৰায় ৫০ বছৰ বয়সৰ পাঁচ ফুট চাৰি ইঞ্চি উচ্চতাৰ সেউজীয়া ৰঙৰ চোলা আৰু ক'লা হাফপেণ্ট পৰিহিত মিঠা বৰণৰ লোকজনক এই পৰ্যন্ত চিনাক্ত কৰিব পৰা হোৱা নাই। জানিব পৰা মতে কোনোৱে লোকজনক তাত মৃত অৱস্থাত প্ৰত্যক্ষ কৰি জালুকবাৰী আৰক্ষী চকীত খবৰ দিয়াত কিছু সময় পাছতে এটা আৰক্ষীৰ দল আহি মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে জি এমচি এইচলৈ প্ৰেৰণ কৰে। আনহাতে বুধবাৰে মৰণোত্তৰ পৰীক্ষাৰ অন্তত মৃতদেহটো ৭২ ঘণ্টাৰ চিনাক্তকৰণৰ বাবে মৰ্গত ৰখা হৈছে বুলি আৰক্ষীয়ে জানিবলৈ দিছে। এই সন্দৰ্ভত ভাৰতীয় ন্যায় সংহিতাৰ আধাৰত এটা অস্বাভাৱিক মৃত্যুৰ গোচৰ ৰজু কৰি তদন্ত আৰম্ভ কৰিছে আৰক্ষীয়ে।

# অৱসৰকালীন আঁচনি মুকলি এক্সিছ মেক্স লাইফ ইঞ্চুৰেন্সে

**গুৱাহাটী, ২৩ জুলাইঃ** এক্সিছ মেক্স লাইফ ইঞ্চুৰেন্স লিমিটেডে স্মাৰ্ট ৰিটায়াৰমেণ্ট ইনকাম উইথ চাষ্টেইনড আৰ্নিংছ প্লেন নামৰ এক নতুন অৱসৰকালীন আঁচনি মুকলি কৰিছে। এই আঁচনিখনে এক নিশ্চিত এন্যুইটিক নিফটি ৫০সংলগ্ন পৰিৱৰ্তনশীল এন্যুইটিৰ সৈতে একত্ৰিত কৰিছে।এই আঁচনিৰ অধীনত পলিচীধাৰীসকলে এক পিছুৱাই দিয়াৰ সময়সীমা বাছনি কৰিব পাৰিব। এই সময়সীমা পাৰ হোৱাৰ পিছত, পলিচীধাৰীসকলে পলিচীৰ সমগ্ৰ ম্যাদত এক নিৰ্দিষ্ট নিশ্চিত এন্যুইটি লাভ কৰাৰ লগতে নিফটি ৫০ সূচকাংকৰ প্ৰদৰ্শনৰ সৈতে জড়িত এক পৰিৱৰ্তনশীল লাভো প্ৰাপ্ত কৰিব। এই পৰিকল্পনাত এক উত্তৰাধিকাৰ-পৰিকল্পনাৰ সুবিধাও অন্তৰ্ভুক্ত কৰা হৈছে, যাৰ অধীনত পলিচীৰ চৰ্ত সাপেক্ষে গ্ৰাহক বা মূল ব্যক্তিজনৰ মৃত্যু হ'লে ক্ৰয় মূল্য মনোনীত ব্যক্তিক ঘূৰাই দিয়া হ'ব ।এক্সিছ মেক্স লাইফ ইঞ্চুৰেন্সৰ প্ৰডাক্ট, ই-কমাৰ্চ আৰু এণ্টাৰপ্ৰাইজ চিঅ'ইৰ মুৰব্বী বৈভৱ কুমাৰে এই বিষয়ে কয় যে, 'এই ৰূপান্তৰশীল এন্যুইটিৰ সংযোজনে কোম্পানীটোৰ অৱসৰকালীন পৰ্টফলিঅ' উল্লেখনীয়ভাৱে সম্প্ৰসাৰিত কৰিছে। ই বিত্তীয় সুৰক্ষা, নমনীয়তা আৰু দীৰ্ঘম্যাদী অৱসৰকালীন সুৰক্ষা বিচৰা গ্ৰাহকসকলৰ ক্ৰমবৰ্ধমান প্ৰয়োজনীয়তা পূৰণ কৰিব পৰাকৈ প্ৰস্তুত কৰা হৈছে।গুৱাহাটী মহানগৰীত এই আঁচনিখন এনে এক সময়ত মুকলি কৰা হৈছে, যেতিয়া সমগ্ৰ অসমতে অৱসৰকালীন পৰিকল্পনাৰ প্ৰতি সজাগতা ক্ৰমান্বয়ে বৃদ্ধি পাইছে। বিত্তীয় উপদেষ্টা পৰামৰ্শদাতাসকলে জানিবলৈ দিয়া অনুসৰি গুৱাহাটীৰ কৰ্মজীৱী পেচাদাৰী, ব্যৱসায়ী আৰু স্ব-নিয়োজিত ব্যক্তিসকলে নিশ্চিত উপাৰ্জনৰ সৈতে বজাৰ-সংলগ্ন বিকাশৰ সুযোগ থকা অৱসৰকালীন সামগ্ৰীৰ প্ৰতি অধিক আগ্ৰহ দেখুৱাইছে। উপাৰ্জনৰ নিশ্চিতি আৰু সম্পদ সৃষ্টিৰ সম্ভাৱনা-উভয় সুবিধা প্ৰদান কৰা সামগ্ৰীসমূহে দীৰ্ঘম্যাদী বিত্তীয় সুৰক্ষা বিচৰা বিনিয়োগকাৰীসকলক আকৰ্ষণ কৰিব বুলি আশা কৰা হৈছে।পূৰ্বতে মেক্স লাইফ ইঞ্চুৰেন্স কোম্পানী লিমিটেড নামেৰে জনাজাত এক্সিছ মেক্স লাইফ ইঞ্চুৰেন্স লিমিটেডে ২০২৫-২৬ বিত্তীয় বৰ্ষত ৩৮,৮৭৭ কোটি টকাৰ মুঠ লিখিত প্ৰিমিয়াম সংগ্ৰহ কৰাৰ কথা প্ৰকাশ কৰিছে। কোম্পানীটোৱে এজেন্সী আৰু তৃতীয় পক্ষৰ বিতৰণ মাধ্যমৰ জৰিয়তে জীৱন বীমাৰ সুবিধা আগবঢ়াই আহিছে।

# ভাৰতে বিশ্বজনীন বৈজ্ঞানিক প্ৰমাণসমূহক পৰীক্ষা কৰি এক সফল অভিলেখ গঢ়ি তুলিছেঃ ড° মহচিন ৱালী

**গুৱাহাটী,২৩ জুলাইঃ** ইউ এছ ফুড এণ্ড ড্ৰাগ এডমিনিষ্ট্ৰেশ্যনৰ দ্বাৰা অলপতে কিছুমান অদহনশীল নিকোটিন প্ৰডাক্টৰ বাবে সংশোধিত-আশংকা দাবীৰ অনুমোদন জনোৱাটো ধঁপাত আৰু নিকোটিন ব্যৱহাৰৰ কৌশল সম্পৰ্কীয় এক ব্যাপক আন্তঃৰাষ্ট্ৰীয় আলোচনাৰ অংশ। ভাৰতৰ বাবে গুৰুত্বপূৰ্ণ প্ৰশ্নটো হৈছে যে দেশখনৰ গৱেষণা প্ৰতিষ্ঠানসমূহ নিজৰ পৰিৱেশৰ সৈতে খাপ খুৱাই এই উদীয়মান তথ্যসমূহৰ এক স্বতন্ত্ৰ বিশ্লেষণ কৰিবলৈ সাজুনে। ভিন্ন নিয়ন্ত্ৰণমূলক মডেল গ্ৰহণ কৰা দেশসমূহৰ পৰা তথ্যসমূহ সংগ্ৰহ হৈছে। চুইডেন, যুক্তৰাজ্য, জাপান আৰু নৰৱেই অদহনশীল বিকল্পসমূহ গ্ৰহণ কৰাৰ সমান্তৰালকৈ চিগাৰেট ধূমপানৰ হাৰ হ্ৰাস হোৱাৰ কথা লিপিবদ্ধ কৰিছে। আমেৰিকাই এফডিএৰ মূল্যায়নৰ পিছত সংশোধিত-আশংকা দাবীৰ অনুমতি প্ৰদান কৰে। ভাৰতীয় চিকিৎসা গৱেষণা পৰিষদ হৈছে দেশৰ শীৰ্ষ জৈৱ-চিকিৎসা গৱেষণা প্ৰতিষ্ঠান আৰু স্বাস্থ্য বিষয়ত চৰকাৰৰ মুখ্য বৈজ্ঞানিক উপদেষ্টা। এক শতিকাতকৈও অধিক সময় ধৰি ইয়াৰ মূল্যায়নে সংক্ৰামক ৰোগ নিয়ন্ত্ৰণৰ পৰা আৰম্ভ কৰি ক্লিনিকেল গৱেষণাৰ মানদণ্ডলৈকে সকলোতে ৰাষ্ট্ৰীয় নীতি নিৰ্দেশনা প্ৰদান কৰি আহিছে। ইয়াৰ প্ৰতিষ্ঠানিক বিশ্বাসযোগ্যতাৰ বাবে, উদীয়মান ধঁপাত আৰু নিকোটিন সম্পৰ্কীয় তথ্যৰ বস্তুনিষ্ঠ মূল্যায়নৰ নেতৃত্ব ল'বলৈ আইচিএমআৰ আটাইতকৈ উপযুক্ত স্থানত আছে। ছাৰ গংগা ৰাম হাস্পতালৰ জ্যেষ্ঠ পৰামৰ্শদাতা তথা পদ্মশ্ৰী বঁটাপ্ৰাপক ড° মহচিন ৱালীয়ে প্ৰকাশ কৰা মতে, ভাৰতে বিশ্বজনীন বৈজ্ঞানিক প্ৰমাণসমূহক সূক্ষ্মভাৱে পৰীক্ষা কৰি নিজৰ ঘৰুৱা প্ৰাথমিকতা অনুসৰি ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত এক সফল অভিলেখ গঢ়ি তুলিছে। তেওঁ উল্লেখ কৰে যে ক'ভিড-১৯ৰ ডায়গনষ্টিক প্ৰমাণীকৰণ, জিন থেৰাপীৰ বিকাশ, ক্লিনিকেল ট্ৰায়েল আৰু 'গুড ক্লিনিকেল প্ৰেকটিচ'ৰ ক্ষেত্ৰত ভাৰতীয় চিকিৎসা গৱেষণা পৰিষদে ইয়াৰ গাঁথনিক আমেৰিকাৰ এফডিএ আৰু আই চি এইচৰ দৰে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ মানদণ্ডৰ সৈতে একাকাৰ কৰি এই ব্যৱহাৰিক দৃষ্টিভংগীৰ উৎকৃষ্ট উদাহৰণ দাঙি ধৰিছে। এই বিশেষ পদ্ধতিৰ বাবেই ভাৰতে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰমাণিত কাৰিকৰী ব্যৱস্থাসমূহ গ্ৰহণ কৰাৰ লগতে দেশৰ প্ৰেক্ষাপট অনুসৰি সেইবোৰ সঠিকভাৱে সলনি কৰিবলৈ সক্ষম হৈছে। ড° ৱালীৰ মতে, এতিয়া ধঁপাত নিয়ন্ত্ৰণৰ ক্ষেত্ৰতো আমেৰিকা যুক্তৰাষ্ট্ৰৰ নীতি আৰু যাত্ৰাক অনুৰূপ ধৰণে মূল্যায়ন কৰাৰ প্ৰয়োজন আহি পৰিছে। বিগত কেইটামান দশকত আমেৰিকাত চিগাৰেট সেৱন আৰু সামগ্ৰিক ধঁপাতৰ ব্যৱহাৰ লক্ষণীয়ভাৱে হ্ৰাস পাইছে। ইয়াৰ বিপৰীতে, ভাৰতত ধঁপাতৰ ব্যৱহাৰ এক বৃহৎ প্ৰত্যাহ্বান হৈয়েই আছে আৰু কিছুমান বিশেষ শ্ৰেণীৰ মাজত ইয়াৰ প্ৰকোপ ক্ৰমাৎ বৃদ্ধিহে পাইছে। ভাৰত বিশ্বৰ ভিতৰতে ধঁপাতৰ আটাইতকৈ ডাঙৰ বোজা বহন কৰা দেশসমূহৰ অন্যতম, য'ত প্ৰায় ২৬.৭ কোটি ব্যৱহাৰকাৰী আছে। ধঁপাতজনিত ৰোগ কেন্সাৰ, হৃদৰোগ আৰু শ্বাস-প্ৰশ্বাসজনিত ৰোগৰ এক অন্যতম কাৰণ হৈয়েই আছে। ধঁপাত সেৱনৰ আৰম্ভণি প্ৰতিৰোধ কৰা আৰু ইয়াক সম্পূৰ্ণৰূপে ত্যাগ কৰাত সহায় কৰাটোৱেই ধঁপাত নিয়ন্ত্ৰণৰ মূল ভেটি হ'ব লাগে। সৰ্বভাৰতীয় চিকিৎসা বিজ্ঞান প্ৰতিষ্ঠান, নতুন দিল্লীৰ কমিউনিটি মেডিচিন কেন্দ্ৰৰ প্ৰাক্তন অধ্যাপক তথা মুৰব্বী আৰু পদ্মশ্ৰী বঁটা প্ৰাপক ড° চন্দ্ৰকান্ত এছ পাণ্ডৱে কয়, 'আটাইতকৈ ডাঙৰ আপত্তিটো হ'ল যে এইধৰণৰ আলোচনাই যুৱক-যুৱতীসকলৰ মাজত ইয়াৰ প্ৰচলন বৃদ্ধি কৰিব। ধাৰাবাহিক জনস্বাস্থ্য বাৰ্তাৰ সৈতে সন্তুলিত নিয়ন্ত্ৰণে যুৱ প্ৰজন্মক ইয়াৰ আসক্তিৰ পৰা আঁতৰাই ৰাখিব পাৰে। আনহাতে প্ৰাপ্তবয়স্ক ব্যৱহাৰকাৰীসকলক দহনশীল ধঁপাতৰ পৰা আঁতৰাই নিয়াৰ পথসমূহ মূল্যায়ন কৰিব পৰা যায়। যুৱ প্ৰজন্মক সুৰক্ষা দিয়া আৰু প্ৰাপ্তবয়স্ক গ্ৰাহকক বিকল্প প্ৰদান কৰাটো পৰস্পৰ বিৰোধী লক্ষ্য নহয়। এটা স্বতন্ত্ৰ বৈজ্ঞানিক পৰ্যালোচনাৰ আহ্বান জনোৱাৰ অৰ্থ আন কোনো দেশৰ নীতি গ্ৰহণ কৰা, কোনো প্ৰডাক্টৰ সমৰ্থন কৰা বা ভাৰতৰ ধঁপাত নিয়ন্ত্ৰণ ব্যৱস্থাক দুৰ্বল কৰাটো নহয়। 'ভাৰতৰ ধঁপাত মহামাৰীৰ ভয়াৱহতা বা ব্যাপকতালৈ চাই, ইয়াৰ সমাধান কোনো মতাদৰ্শৰ দ্বাৰা নহয়, বৰঞ্চ ভাৰতীয় জনস্বাস্থ্যৰ স্বাৰ্থত বিশ্বজনীন আৰু স্থানীয় - উভয় পৰ্যায়ৰ বৈজ্ঞানিক প্ৰমাণৰ ওপৰত ভিত্তি কৰিহে হ'ব লাগে; কাৰণ প্ৰতি বছৰে হেৰুৱাই পেলোৱা মূল্যবান মানৱ জীৱনৰ ক্ষতি কেতিয়াও পূৰণ কৰিব নোৱাৰি।'

# বিক্ৰী বৃদ্ধিৰে টিভিএছ মটৰৰ প্ৰথম ত্ৰৈমাসিকত অভিলেখ সংখ্যক ৰাজহ, লাভ অৰ্জন

**গুৱাহাটী, ২৩ জুলাইঃ** টিভিএছ মটৰ কোম্পানীয়ে ২০২৬-২৭ বিত্তীয় বৰ্ষৰ প্ৰথমটো ত্ৰৈমাসিকত নিজৰ সৰ্বকালৰ সৰ্বোচ্চ বিত্তীয় প্ৰদৰ্শনৰ খতিয়ান দাঙি ধৰিছে। কোম্পানীটোৰ ৰাজহ বাৰ্ষিক ভিত্তিত ৩৮শতাংশ বৃদ্ধি পাই ১৩,৮৯৬ কোটি টকা হৈছেগৈ আৰু কৰ-পৰৱৰ্তী লাভ (পিএটি) ৫১শতাংশ বৃদ্ধিৰে ১,১৭৪ কোটি টকা স্পৰ্শ কৰিবলৈ সক্ষম হৈছে। যোৱা বিত্তীয় বৰ্ষৰ একেটা ত্ৰৈমাসিকত কোম্পানীটোৰ ৰাজহ আছিল ১০,০৮১ কোটি টকা আৰু কৰৰ পৰৱৰ্তী লাভ আছিল ৭৭৬কোটি টকা। কোম্পানীটোৱে সৰ্বকালৰ সৰ্বোচ্চ ত্ৰৈমাসিক এবিটডা ১,৭৭৯কোটি টকা হোৱা বুলি উল্লেখ কৰিছে, যি পূৰ্বৰ বছৰৰ ১,২৬০কোটি টকাৰ তুলনাত ৪১শতাংশ অধিক। কেঁচামালৰ ক্ৰমবৰ্ধমান মূল্য আৰু গোলকীয় বজাৰৰ অনিশ্চয়তাই উৎপাদন ব্যয় বৃদ্ধি কৰা স্বত্বেও কোম্পানীটোৰ এবিটডা ব্যৱধান ১২.৫ শতাংশৰ পৰা ১২.৮শতাংশলৈ উন্নত হৈছে। টিভিএছ মটৰে জনোৱা মতে, নিৰ্বাচিত মডেলৰ মূল্য সংশোধন, ব্যয় হ্ৰাস কৰাৰ পদক্ষেপ আৰু উৎপাদনৰ পৰিসৰ বৃদ্ধিৰ জৰিয়তে এই বৰ্ধিত ব্যয়ৰ প্ৰভাৱ আংশিকভাৱে নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হৈছে। প্ৰতিটো ব্যৱসায়িক শ্ৰেণীতে বিক্ৰীৰ গতি তীব্ৰ আছিল। সামগ্ৰিকভাৱে দুচকীয়া আৰু তিনিচকীয়া বাহনৰ বিক্ৰী ২৮ শতাংশ বৃদ্ধিৰে ১.৬৩ মিলিয়ন হৈছেগৈ। মটৰচাইকেলৰ বিক্ৰী ১৯ শতাংশ বৃদ্ধিৰে ০.৭৪ মিলিয়ন ইউনিট হোৱাৰ বিপৰীতে স্কুটৰৰ বিক্ৰী ৩৬ শতাংশ বৃদ্ধি পাই ০.৬৮ মিলিয়ন ইউনিট হৈছেগৈ। আন্তঃৰাষ্ট্ৰীয় ব্যৱসায় ৩৩ শতাংশ বৃদ্ধিৰে ০.৪৭ মিলিয়ন ইউনিট হৈছে আৰু বৈদ্যুতিক দুচকীয়া বাহনৰ বিক্ৰী ৮৬ শতাংশ বৃদ্ধি পাই ১২৯,৯৪০ ইউনিট হৈছেগৈ। কোম্পানীটোৰ ইভি গ্ৰাহকৰ সংখ্যাই ১ মিলিয়নৰ ঘৰ অতিক্ৰম কৰিছে। ইফালে, তিনিচকীয়া বাহনৰ বিক্ৰী ৪৮ শতাংশ বৃদ্ধি পাই ৬৬,৬৯৭ ইউনিট হৈছে।এই শক্তিশালী প্ৰদৰ্শনে উত্তৰ-পূৰ্বাঞ্চলৰ অন্যতম বৃহত্তম অটোম'বাইল বজাৰ গুৱাহাটী মহানগৰীৰ লগতে সমগ্ৰ অঞ্চলটোতে টিভিএছ মটৰৰ স্থিতি অধিক সুদৃঢ় কৰিব বুলি আশা কৰা হৈছে। স্কুটাৰ আৰু বৈদ্যুতিক বাহনৰ ব্যপক বৃদ্ধিয়ে ডীলাৰশ্বিপসমূহক লাভান্বিত , গ্ৰাহকৰ বাবে বাছনিৰ সুযোগ বৃদ্ধি আৰু ব্যক্তিগত বাহনৰ ক্ৰমবৰ্ধমান চাহিদাক পূৰণ কৰিব। সমান্তৰালভাৱে ইভি গ্ৰাহকৰ এই ক্ৰমবৰ্ধমান সংখ্যাই ৰাজ্যজুৰি চাৰ্জিং আন্তঃগাঁথনি আৰু আনুষংগিক সেৱাসমূহত অধিক বিনিয়োগ কৰিবলৈ উৎসাহিত কৰাৰ প্ৰবল সম্ভাৱনা আছে।

# ৰীলড্ৰামাত সম্প্ৰচাৰিত অসমীয়া চলচ্চিত্ৰ ৰুদ্ৰ




**গুৱাহাটী, ২৩ জুলাইঃ** বহু প্ৰত্যাশিত অসমীয়া চলচ্চিত্ৰ ৰুদ্ৰ অ'টিটি প্লেটফৰ্ম ৰীলড্ৰামাত আনুষ্ঠানিকভাৱে প্ৰিমিয়াৰ কৰা হৈছে, যাৰ দ্বাৰা অঞ্চলটোৰ আটাইতকৈ চৰ্চিত চিনেমাখন বিস্তৃত ডিজিটেল দৰ্শকৰ মাজলৈ লৈ যোৱা হৈছে।অঞ্চলটোৰ প্ৰতি শক্তিশালী জ্ঞানেৰে পৰিচালিত আৰু স্থানীয় মাটিত গভীৰভাৱে শিপাই থকা কাহিনীৰে পৰিচালিত ৰুদ্ৰই ইতিমধ্যে বঁটাৰ জগতখনত এক হুলস্থূলৰ সৃষ্টি কৰিছে। ছবিখনৰ মুখ্য অভিনেতা অসমীয়া প্ৰবীণ চুপাৰষ্টাৰ ৰবি শৰ্মাক তেওঁৰ শক্তিশালী আৰু আৱেগেৰে ভৰা অভিনয়ৰ বাবে সন্মানীয় আইএনচিএ বঁটা আৰু ফিল্মফেয়াৰ অসম শ্ৰেষ্ঠ অভিনেতাৰ বঁটা প্ৰদান কৰা হৈছে। ৰুদ্ৰত শৰ্মাৰ অভিনয়ক ইয়াৰ গভীৰতা, সংযম আৰু তীব্ৰতাৰ বাবে প্ৰশংসা কৰা হৈছে, যি কেৱল অসমীয়া চলচ্চিত্ৰৰ অন্যতম স্থায়ী আৰু বহুমুখী অভিনেতা হিচাপে তেওঁৰ মৰ্যাদা প্ৰমাণ কৰে। তেওঁৰ অভিনয়ক ছবিখনৰ সমালোচনামূলক সফলতাৰ মূল উপাদান হিচাপে চোৱা হয়। ছবিখনৰ ডিজিটেল মুক্তিৰ সন্দৰ্ভত এক বিবৃতিত, ৰুদ্ৰৰ দলটোৱে কয়, 'ছবিখন ৰীলড্ৰামাত উপলব্ধ হোৱাত আমি আনন্দিত আৰু অ'টিটি প্ৰিমিয়াৰে অসমৰ বাহিৰৰ দৰ্শকসকলক সমসাময়িক অসমীয়া কাহিনী কোৱাৰ অভিজ্ঞতা লাভ কৰাৰ সুযোগ প্ৰদান কৰা।' ৰিলড্ৰামালৈ অহা ৰুদ্ৰই আঞ্চলিক চলচ্চিত্ৰৰ বৰ্ধিত তালিকাত যোগদান কৰিছে যি ডিজিটেল প্লেটফৰ্মৰ জৰিয়তে ৰাষ্ট্ৰীয় আৰু আন্তৰ্জাতিক দৃশ্যমানতা লাভ কৰিছে। এই মুক্তিয়ে ভাৰতৰ পৰিৱৰ্তিত মনোৰঞ্জনৰ দৃশ্যপটত অসমীয়া চলচ্চিত্ৰৰ নিৰন্তৰ উত্থানৰ ইংগিত দিছে য'ত অঞ্চলটোৰ কাহিনীবোৰে বিভিন্ন ৰঙৰ দৰ্শকৰ মাজত এক বিস্তৃত প্ৰতিধ্বনি লাভ কৰিছে। ৰুদ্ৰ এতিয়া ৰীলড্ৰামাত সম্প্ৰচাৰ হৈ আছে। ৰীলড্ৰামা হৈছে অসমীয়া ভাষাৰ মনোৰঞ্জনৰ ওপৰত প্ৰাথমিক গুৰুত্ব দি ভাৰতীয় আঞ্চলিক সমল উদযাপন আৰু বিতৰণৰ বাবে উৎসৰ্গিত এক প্ৰধান অ'টিটি ষ্ট্ৰীমিং প্লেটফৰ্ম। এই প্লেটফৰ্মটোৱে চলচ্চিত্ৰ, ৱেব ছিৰিজ, মোবাইল থিয়েটাৰ, সংগীত, সাংস্কৃতিক অনুষ্ঠান, শৈক্ষিক মাষ্টাৰক্লাছ আদিৰ লগতে অসমীয়া সমলৰ বিশ্বৰ সৰ্ববৃহৎ ডিজিটেল কেটালগ প্ৰদান কৰে। প্ৰযুক্তি, সৃষ্টিকৰ্তাৰ সমৰ্থন আৰু বিশ্বব্যাপী প্ৰৱেশযোগ্যতাৰ জৰিয়তে, ৰীলড্ৰামায়ে আঞ্চলিক কাহিনীকাৰসকলক সমগ্ৰ বিশ্বৰ দৰ্শকৰ সৈতে সংযোগ কৰা অব্যাহত ৰাখিছে।

# বিশ্বকৰ্মা মহাৰাণাসকলৰ প্ৰতি সন্মান প্ৰদৰ্শন আশীৰ্বাদৰ



**গুৱাহাটী, ২৩ জুলাইঃ** ভাৰতৰ জনপ্ৰিয় আটা ব্ৰেণ্ড আশীৰ্বাদে গুণাত্মক পৰম্পৰা নামৰ এক নিমজ্জিত সাংস্কৃতিক অভিযান আৰম্ভ কৰিছে। ওড়িশাৰ শতিকা পুৰণি ৰথ নিৰ্মাণ পৰম্পৰাৰ দ্বাৰা অনুপ্ৰাণিত এই অভিযানে বাৰ্ষিক পুৰী ৰথযাত্ৰাৰ বাবে ভগৱান জগন্নাথৰ পৱিত্ৰ ৰথসমূহ নিৰ্মাণ কৰা দক্ষ কাৰিকৰী সমাজ বিশ্বকৰ্মা মহাৰাণা সম্প্ৰদায়ক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। এই পদক্ষেপে ব্ৰেণ্ডটোৰ কোৱালিটি কি গেৰাণ্টি অৰ্থাৎ গুণগত মানৰ প্ৰতিশ্ৰুতিক পুনৰবাৰ দৃঢ় কৰাৰ লগতে প্ৰজন্মৰ পিছত প্ৰজন্ম ধৰি চলি অহা কাৰিকৰী নিপুণতা, নিখুঁততা আৰু গুণগত মানক উদযাপন কৰিছে। ৰথ প্ৰস্তুতৰ অতি সূক্ষ্ম প্ৰক্ৰিয়াৰ দ্বাৰা অনুপ্ৰাণিত হৈ এই অভিযানে ভগৱান জগন্নাথৰ ৰথৰ চকৰি আৰু পৰম্পৰাগত শিলৰ চাকিৰ মাজত এক প্ৰতীকী সংযোগ স্থাপন কৰিছে। যিয়ে গুণগত মানদণ্ড, নিষ্ঠা আৰু পুষ্টিৰ এক উমৈহতীয়া মূল্যবোধক প্ৰতিফলিত কৰে। এই নিমজ্জিত অভিজ্ঞতাত এক ৩৬০ডিগ্ৰী প্ৰজেকশ্যন ডোম অন্তৰ্ভুক্ত কৰা হৈছে, যাৰ জৰিয়তে দৰ্শনাৰ্থীসকলক ৰথ প্ৰস্তুতৰ যাত্ৰা আৰু ইয়াৰ আঁৰৰ কাৰিকৰসকলৰ কাহিনীসমূহ দেখুওৱা হয়। ভক্তসকলেও পৱিত্ৰ ৰথ প্ৰস্তুতত প্ৰতীকীভাৱে অংশগ্ৰহণ কৰিব পাৰে আৰু ইয়াৰ পিছত জয় জগন্নাথ ধ্বনিৰ মাজত ভগৱান জগন্নাথৰ কৃপাময় নয়ন যুগলৰ এক দৃশ্যমান প্ৰদৰ্শন প্ৰত্যক্ষ কৰিব পাৰে। ওড়িয়া অভিনেত্ৰী এলিনা সমন্তৰায়ৰ উপস্থিতিত এই অভিজ্ঞতা কেন্দ্ৰটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয়। আনহাতে আইটিচি ফুডছ ডিভিজনৰ মুখ্য কাৰ্যবাহী অনুজ ৰোস্তগীয়ে এই বিষয়ে কয় যে, এই পদক্ষেপে পৱিত্ৰ ৰথ প্ৰস্তুত পৰম্পৰা ৰক্ষাৰ ক্ষেত্ৰত বিশ্বকৰ্মা মহাৰাণা সম্প্ৰদায়ৰ চিৰস্থায়ী অৱদানক সন্মান জনায় আৰু গুণগত মানদণ্ড, আস্থা তথা পুষ্টিৰ প্ৰতি আশীৰ্বাদৰ যি প্ৰতিশ্ৰুতি, তাকেই প্ৰতিফলিত কৰে। আশীৰ্বাদৰ এই পদক্ষেপে উত্তৰ-পূৰ্বাঞ্চলত আশীৰ্বাদৰ ব্ৰেণ্ড সংযোগক অধিক শক্তিশালী কৰিব বুলি আশা কৰা হৈছে। য'ত সাংস্কৃতিক আৰু আস্থাভিত্তিক বিপণনে গ্ৰাহকৰ পছন্দক প্ৰভাৱিত কৰি আহিছে। উদ্যোগ পৰ্যবেক্ষকসকলৰ মতে, এনে ঐতিহ্য-কেন্দ্ৰিক পদক্ষেপে অসম আৰু চুবুৰীয়া ৰাজ্যসমূহৰ গ্ৰাহকৰ সৈতে আৱেগিক সম্পৰ্ক গভীৰ কৰাত সহায় কৰিব, যিয়ে অঞ্চলটোৰ অত্যন্ত প্ৰতিযোগিতাপূৰ্ণ পেকেটজাত অত্যাৱশ্যকীয় খাদ্য সামগ্ৰীৰ বজাৰত ব্ৰেণ্ডটোৰ উপস্থিতিক অধিক শক্তিশালী কৰিব।

# ৰায়ান বৰঠাকুৰ-জিহান আহমেদ পিএছপিবি টেবুল টেনিছ একাডেমীৰ বাবে নিৰ্বাচিত




**গুৱাহাটী,২৩জুলাইঃ** অসমৰ ক্ৰীড়া জগতৰ বাবে এক সুখবৰ কঢ়িয়াই আনিছে শিৱসাগৰৰ দুই উদীয়মান টেবুল টেনিছ প্ৰতিভা ৰায়ান বৰঠাকুৰ আৰু জিহান আহমেদে। হাৰিয়ানাৰ চোনীপটস্থিত পেট্ৰ'লিয়াম স্প'ৰ্টছ প্ৰমোচন ব'ৰ্ড (পিএছপিবি) টেবুল টেনিছ একাডেমীৰ বাবে নিৰ্বাচিত হৈছে এই দুই খেলুৱৈ। ১৯৯৫চনত প্ৰতিষ্ঠা হোৱা বিশ্বমানৰ পিএছপিবি টেবুল টেনিছ একাডেমী ভাৰতৰ অন্যতম শ্ৰেষ্ঠ প্ৰশিক্ষণ কেন্দ্ৰ হিচাপে পৰিচিত। এই একাডেমীখনে এনে বহু আগশাৰীৰ খেলুৱৈ গঢ়ি তুলিছে, যিসকলে অলিম্পিক, বিশ্ব চেম্পিয়নশ্বিপ, কমনৱেলথ গেমছ আৰু এছিয়ান গেমছত দেশক প্ৰতিনিধিত্ব কৰিছে। ১৯৯৫ চনত প্ৰতিষ্ঠা হোৱা একাডেমীখনত বৰ্তমানলৈকে অসমৰ মাত্ৰ আঠজন খেলুৱৈয়েহে (ৰায়ান-জিহানকে ধৰি) নিৰ্বাচিত হৈছে। অত্যন্ত প্ৰতিযোগিতামূলক প্ৰতিষ্ঠানখনত স্থান লাভ কৰিবলৈ প্ৰাৰ্থীসকলে কঠোৰ অৰ্হতাৰ চৰ্ত পূৰণ কৰিব লাগে-যেনে ৰাজ্যিক ৰেংকিঙত ১ বা ২ নম্বৰ স্থান লাভ কৰা অথবা টেবুল টেনিছ ফেডাৰেচন অৱ ইণ্ডিয়াৰ ২০১৫ বৰ্ষৰ চূড়ান্ত ৰেংকিঙত শীৰ্ষ ৩০টা স্থানৰ ভিতৰত থকাটো বাধ্যতামূলক। নিৰ্বাচন প্ৰক্ৰিয়াত খেলুৱৈসকলৰ কাৰিকৰী দক্ষতা, শাৰীৰিক সুস্থতা, কৌশলগত বুজাবুজি, মানসিক শক্তি আৰু ভৱিষ্যতৰ সম্ভাৱনীয়তাক অতি সূক্ষ্মভাৱে মূল্যায়ন কৰা হয়। এই সকলোবোৰ প্ৰত্যাহ্বান অতিক্ৰম কৰি ৰায়ান আৰু জিহানে প্ৰমাণ কৰি দিছে যে তেওঁলোক ভাৰতীয় টেবুল টেনিছ জগতৰ অন্যতম উজ্জ্বল প্ৰতিভা।

# আৰ্তনাদ

*নিৰঞ্জনৰ বিয়া আয়োজন চলিছে। ছোৱালীজনী সি নিজে পচন্দ কৰিছে, অতি দুখীয়া পৰিয়ালৰ স্নাতক ডিগ্ৰীধাৰী। ঘৰ ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰত, তাতে আকৌ ছোৱালীজনী সিহঁতকৈ নিম্ন জাতিৰ। নিৰঞ্জনৰ মাক সন্মত হৈছে যদিও দেউতাক আৰু বিবাহিতা দুই ভনীয়েকৰ ঘোৰ আপত্তি, এই ক্ষেত্ৰত নিৰঞ্জনেও অকৰা মৈত উঠা দিছে। সেইজনী ছোৱালীক নিৰঞ্জনে কোনোপধ্যে নেৰে। নিৰঞ্জনৰ ভাৱ, সি নিজৰ উপাৰ্জনেৰে যিখিনি পাৰে সেই খিনিৰেহে বিয়াখন চলাব, দেউতাকৰ টকা বিয়াত নখটুৱাই। হয়তো কোনোবা এটি মন্দিৰতে বিয়াখন পাতিব।*



ব'হাগ মাহৰ পোন্ধৰ তাৰিখ। পুৱাৰে পৰাই ধাৰাসাৰ বৰষুণ। সেই দিনটোতে ৰংজুলি গাঁৱৰ নিৰঞ্জনৰ বিয়া। নেৰা-নেপেৰা বৰষুণৰ বাবে আলহী-অতিথি যেনে ধৰণে আহিব লাগিছিল তেনে ধৰণে পৰা নাই। এৰিব নোৱাৰা কেইঘৰহে আহিছে। প্ৰায় সকলোৱে বৰুণ দেৱতালৈ কাতৰ প্ৰাৰ্থনা, যাতে বৰষুণ এৰে। মাজে মাজে ঢেৰেকণি। অৱশ্যে ৰভা আদি এসপ্তাহ পূৰ্বৰে পৰাই সজাইছে। ৰভাথলীত পানী সোমোৱা নাই যদিও চাৰিওফালে পানীয়ে কৃত্ৰিম বানৰ সৃষ্টি কৰিছে। দৰাৰ মাক-দেউতাকৰ মুখৰ ৰং নাইকীয়া হৈছে। অহংকাৰী মানুহৰ বিয়া কিয় তেনে নহ'ব, শুনা-নুশুনাকৈ দুই এজনীয়ে তেনেকৈ কোৱা-কুই কৰিছে। প্ৰতিবেশীক ভালদৰে নিমন্ত্ৰণ নজনোৱাৰ অভিযোগ উঠিছে। দৰাৰ বাপেক মহা অহংকাৰী বুলি অঞ্চলটোতে চৰ্চিত। দৰাজনক কিন্তু সকলোৱে বখানে, নিৰহংকাৰী। মাকৰ টোপে টোপে চকুপানী সৰিছে। হাজাৰে হওঁক বিয়া অন্য কিবা কাজ-কৰ্মত বৰষুণ হ'লে এচামে নানা ধৰণৰ অশান্তিদায়ক কথা ক'বলৈ ধৰে। নিৰঞ্জনৰ বিয়াখনতো সেই একেই অৱস্থা হৈছে। ছাতি লৈ কেনেবাকৈ নদীৰ ঘাটৰ পৰা পানী তুলি আনিছে। ঠিক তেনেকৈ সুৱাগো জাৰিছে। বেণ্ডপাৰ্টিয়ে বাদ্য বজাইছে যদিও বৰষুণৰ শব্দৰ বাবে ভালদৰে শুনিব পৰা নাই। দৰাৰ দেউতাক জনাৰ্দন। তেওঁ মহাজন হিচাপে পৰিচিত। ব্যৱসায়েৰে ধন উপাৰ্জন কৰি গাঁওখনতে প্ৰভাৱশালী হৈ পৰিছে। গাঁওখনৰ শীৰ্ষৰ ধনী ব্যক্তি জনাৰ্দন। ধনগৰ্বত মত্ত জনাৰ্দন। নিৰ্ধনী তথা সাধাৰণ মানুহক ভৰিৰ গছকত ৰাখিব বিচাৰে। এইফালে ব্যৱসায়ত দুৰ্নীতি কৰা বুলিও চৰ্চিত। দুৰ্নীতিৰে ধন নঘটালে ই মানখিনি আগবাঢ়ি বও নোৱাৰিলেহেঁতেন। সুলভ মূল্যৰ দোকানখনৰ অন্তৰালত নিশ্চিয় কিবা আছে। গৰিবৰ মুখৰ ভাত কাঢ়ি, অন্যায়েৰে ধন উপাৰ্জন কৰি জনাৰ্দনে শিল, বালি, চিমেণ্ট আদিৰ ব্যৱসায় আৰম্ভ কৰি তাতো প্ৰতিষ্ঠা লাভ কৰিছে। তাতে আকৌ ধানৰ ব্যৱসায়, সূতলৈ টকা দিয়া আদি ব্যৱসায়ো আছে। মুঠৰ ওপৰত এতিয়া জনাৰ্দনৰ ধনৰ উভৈনদী। সকলোবিধ ব্যৱসায়তে কম-বেছি পৰিমাণে দুৰ্নীতি আছে। সাধাৰণ মানুহক তুচ্ছ-তাৎচিল্ল কৰি কথা কোৱাটো জনাৰ্দনৰ অভ্যাসত পৰিণত। কোনোবাজন দুখীয়া গ্ৰাহকে যদি বিপদে-আপদে এশ-দুইশ বাকীও কৰে, এমাহ পাৰ হোৱাৰ লগে লগে সূদ ধৰে, ইয়াৰ পিছতো যদি বাকী নিদিয়ে সুদৰো সুদ ধৰি চক্ৰবৃদ্ধিলৈ লৈ যায়। সিমানতো দিব নোৱাৰিলে গৰু-ছাগলী আদি ঘৰৰ পৰা লৈ আহে। মুঠৰ ওপৰত এটকা দুটকা বাকী দিব থাকিলেও জনাৰ্দনৰ পৰা সাৰিব নোৱাৰে। কেইবাজনো গ্ৰাহকে বাকী দিব নোৱাৰি মাটিকে মহাজনৰ নামত দলিল কৰি দিছে। কেইবাজনীও দুখীয়া তিৰোতাই কাণৰ-হাতৰ সোণ আদি দিও বাকী সোধাইছে। আকৌ মহাজনৰ দুশ্চৰিত্ৰ যে গাঁওখনৰ যাতে কোনোঘৰ মানুহ তৈওঁতকৈ ওপৰত যাব নোৱাৰে, তাৰ বাবে প্ৰতি দিনে চকু দি থাকে। কোনোবা ঘৰ বা কোনোবাজন ওপৰমুৱা বা সচ্ছল হ'বলৈ ধৰিলে যিকোনো প্ৰকাৰে নহ'ক অৱনমিত কৰায়। তাৰ ওচৰত শৰণাপন্ন হ'বলৈ বাধ্য কৰায়। জনাৰ্দনে পাঁচ-ছয়জন গুণ্ডাবাহিনীও পুহি ৰাখিছে। সেইকেইজনৰ হতুৱাই বেয়া কাৰ্যবোৰ সংঘটিত কৰে। দোকানলৈ কাৰোবাৰ জীয়ৰী- বোৱাৰী গ'লে শেন চকু নিক্ষেপ কৰে। দুই এজনী জনাৰ্দনৰ জীয়ৰী সদৃশ দুখীয়া পৰিয়ালৰ বোৱাৰীৰ সৈতে অবৈধ সম্পৰ্ক কৰি থকা বুলিও চৰ্চিত।

জনাৰ্দনৰ একমাত্ৰ পুত্ৰ নিৰঞ্জন, জীয়ৰী দুজনী, বিয়া দিছে। নিৰঞ্জন কিন্তু বাপেকৰ লেখিয়া নহয়। বাপেকৰ গৰ্ব অহংকাৰক সি মুঠেও সহাৰি নজনায়। তাৰ কথা হ'ল আনে বেয়া নোপোৱাকৈ আগবাঢ়ি যাব লাগে। বাপেকৰ উপাৰ্জনৰ ফালেও সি বেছি চকু-কাণ নিদিয়ে। নিৰঞ্জন পঢ়াত উত্তম নহয় যদিও কোনোটো পৰীক্ষাতে ফেল নপৰাকৈ উত্তীৰ্ণ হৈছে। সি স্নাতক ডিগ্ৰীধাৰী। বাপেকৰ উত্তৰাধিকাৰী হিচাপে তাক সুলভ মূল্যৰ দোকানখনতে বহিব দিছিল যদিও সি সন্মতি নহ'ল। চহৰত সি এখন কিতাপৰ দোকানহে আৰম্ভ কৰিছে। বাপেকৰ অনিচ্ছাৰ বিৰুদ্ধে আগবাঢ়ি যোৱাত কেইবাদিনো বাপেকৰ ককৰ্থনাৰ সন্মুখীন হ'বলগা হৈছিল। তথাপিও নিৰঞ্জন হতাশ নহৈ নিজৰ সু-সিদ্ধান্তৰে আগবাঢ়িছে। নিৰঞ্জনৰ মতে কিতাপৰ ব্যৱসায়ত দুৰ্নীতিৰ কোনো প্ৰশ্নই উঠিব নোৱাৰে। আৰু সি অন্যায় বা দুৰ্নীতি নকৰে। গ্ৰাহকে মূল্য চাই নিব পাৰিব। তেনে উদ্দেশ্য আগত ৰাখিয়ে নিৰঞ্জনে কিতাপৰ দোকানখন দিছে। তাৰ ভাৱ, মাজে মাজে ভাল ভাল গ্ৰন্থ সমূহো অধ্যয়ন কৰিব পাৰিব। মুঠৰ ওপৰত নিৰঞ্জন বাপেকৰ সম্পূৰ্ণ বিপৰীত। বাপেকৰো নিৰঞ্জনক লৈ মহা চিন্তা। জনাৰ্দনৰ ব্যৱসায়ৰ উত্তৰাধিকাৰী কোন হ'ব? চাৰি-পাঁচটা ব্যৱসায়। নিৰঞ্জনে যদি কিতাপৰ দোকানখনতে সোমাই থাকে সেইবোৰ কোনো চম্ভালিব। সি কিতাপৰ ব্যৱসায়েৰে কেনেকৈ আগবাঢ়িব পাৰিব। ব্যৱসায় সন্দৰ্ভত বাপেকৰ লগত তাৰ কেতিয়াবা সৰুসুৰা তৰ্কাতৰ্কিও নোহোৱা নহয়। চাৰি চকীয়া গাড়ী দুখন, মটৰ চাইকেল দুখন কিন্তু নিৰঞ্জনে চাইকেলেৰেহে অহা-যোৱা কৰে। ইয়াৰ বাবেও বাপেকৰ ভীষণ খং। নিৰঞ্জনৰ কথা হ'ল স্বোপাৰ্জিত ধনেৰে পাৰিলে সি মটৰ চাইকেল বা চাৰিচকীয়া বাহন কিনিব, নোৱাৰিলে নাই। চাইকেলখন কিন্তু সি স্বোপাৰ্জিত ধনেৰে কিনিছে। আনহাতে নিৰঞ্জনে কিতাপৰ দোকানখন দিয়াৰ আগতে ডি. আই. চি.ৰ পৰা দুইলাখ টকাৰ ঋণ লৈছে। কিতাপৰ দোকান দিব বুলি জানি বাপেকে পাঁচ লাখ টকা তাৰ হাতত দিছিল যদিও সি গ্ৰহণ নকৰিলে। ঋণ লোৱা দুই লাখ টকাৰে কিতাপৰ ব্যৱসায় আৰম্ভ কৰি স্বাৱলম্বী হ'বলৈ চেষ্টা কৰিছে। খোৱা-লোৱা কিন্তু বাপেকৰ উপাৰ্জনেৰে কৰি আছে। কেতিয়াবা কেতিয়াবা শাক-পাচলি বজাৰ নকৰা নহয়। তাতো বাকেৰ খং, সেইবোৰ সি কিয় আনিব লাগে। বাপেকৰ আকৌ মহা চিন্তা, প্ৰায় দুই কোটিৰ ঘৰত ৰাহি হোৱা নগদ ধন সমূহ যদি নিৰঞ্জনে গ্ৰহণ নকৰে তেতিয়া কি হ'ব। নিৰঞ্জনৰ ভৱিষ্যতৰ ফালে চায়েতো বাপেকে ইমানবোৰ ধন উপাৰ্জন কৰে। সি একো নকৰাকৈয়ে তাৰ জীৱন কালেই নহয়, তাৰ ল'ৰা-ছোৱালী অৰ্থাৎ নাতি-পুতিয়েও চলিব পাৰিব। আজিৰ দিনত কোন এনেকুৱা ব্যক্তি আছে, ধনক পিঠি দিয়া, এক মাত্ৰ নিৰঞ্জনৰ বাহিৰে যেন আন কোনোৱে নাই। এইভাৱ বাপেকৰ!

"কিয় বাৰু মই উপাৰ্জন কৰা ধনৰ প্ৰতি সি আসক্ত নহয়। বহুতে আতিয়েকৰ সম্পত্তিত নাতিয়েক উত্তৰাধিকাৰী হৈছে। অথচ ই বাপেকৰ সম্পত্তিৰ উত্তৰাধিকাৰী হ'বলৈ কুণ্ঠাবোধ কৰিছে। আজিৰ দিনত মানুহক ধন লাগে, ধনৰ উৎস বিচৰাৰ কোনো প্ৰয়োজন নাই, কেৱল সমাজত প্ৰভাৱ বিস্তাৰ কৰিব লাগে, ধনেৰে ক্ষমতা কিনিব লাগে। কথাতে আছে 'ধনেই ধৰ্মৰ মূল, ধন নহ'লে যায় জাতি কূল।' আমাৰ মূৰ্খই এইবোৰ কথা অলপো উপলব্ধি নকৰে। সি এতিয়া যুধিষ্ঠিৰ হৈ বনবাসী হ'বলৈ ওলাইছে। অ'ত ধন সম্পত্তি অৰ্জন কৰিলো তাৰ বাবে, কিন্তু সি অকণো চকু-কাণ নিদিয়ে, বাপেকে কিনা গাড়ীত নুঠে, বাপেকে দিয়া টকা নলয়। বাপ্পেকে কিবা খং উঠিলে ছোৱালী দুজনীকে ধন সম্পত্তিসমূহ লিখি দিম।"

নিৰঞ্জনৰ বাবে মাকৰো মহা চিন্তা, বাপেকৰ স'তে মাকৰো কেতিয়াবা তৰ্কা-তৰ্কি হয়। মাকে কেতিয়াবা বাপেকক কয়- আপোনাৰ অন্যায় অনীতি সমূহ যি দেখিব নোৱাৰা হৈছে হয়তো, সি এতিয়া সৰু ল'ৰা হৈ থকা নাই, তাৰ মন ঘূৰাব বিচাৰিছে যদি সেইবোৰ বন্ধ কৰক। ইমানবোৰ ধন সম্পত্তি কৰি কি লাভ হ'ল? যি মোক বহুদিনে কৈছে- "মা দেউতাই ইমান অন্যায় অনীতিৰে কিয় ধন উপাৰ্জন কৰি আহিছে, সিহঁতৰ হতুৱাই কিয় তেনে কাৰ্যসমূহ সংঘটিত কৰি আহিছে, দেউতাৰ বিষয়ে বহুতে বেয়া ধৰণে সমালোচনাও কৰে, দেউতা যে সমাজৰ এজন মুখাপিন্ধা ভদ্ৰলোক সেই কথা সকলোৱে জনা হৈছে। দেউতাৰ কাণ্ড-কাৰখানা আদি দেখি মই লাজ পোৱা হৈছো। জনাৰ্দন মহাজনৰ পুতেক বুলি ক'লে দুই-এজনে মোক কেৰাহিকৈ চাই। দুই এজনে কয় দেউতেৰে আগৰ দৰেই আছেনে, কিবা পৰিবৰ্তন হৈছে? তেতিয়া মই তল মুৱাৰ পৰা ওপৰ মুৱা হ'বলৈ সাহস নেপাও, দুই এজনে মোক দেউতাৰ চৰিত্ৰৰ প্ৰভাৱ থকা বুলি তাৎচিল্ল সুৰত দুই এষাৰ কথাও কয়। দেউতাক মা বুজাবা।"

আপুনি এতিয়া কিছু হ'লেও পৰিবৰ্তন হওক। সিহঁতৰ লগত মদ পানী খাই এতিয়াও আপুনি বেহুচ হৈ থাকে, সি লাজ পায়, অপমানবোধ কৰে, আৰু সেইবোৰ কথাও সি গম পাই আহিছে। দুজনীকৈ জীয়ৰী সদৃশ অইনৰ বোৱাৰীৰ সৈতে যি কাণ্ড-কাৰখানা কৰিলে, অইন ঘৈণীয়েক হ'লে........। দুদিন পিছে তাৰ বিয়া পাতিব লাগিব, আপোনাৰ এনে কাণ্ডৰ কথা শুনিলে কোনে ছোৱালী দিব বা কোন ছোৱালী আহিব? এই পয়ষ্ঠি বছৰ বয়সতো আপুনি কামনাৰ ভোক সামৰিব পৰা নাই। এতিয়াও পৰস্ত্ৰীৰ ওপৰত শেন চকু।

ঘৈণীয়েকৰ কথায়ো যেন জনাৰ্দনক সেও মনাব পৰা নাই। ধনবলত মদমত্ত হৈ গুৰু গোসাই নমনা বিধৰ। ঘৈণীয়েক জনীক একপ্ৰকাৰ সতী সাবিত্ৰীৰ দৰেই বুলি ক'ব পাৰি।

নিৰঞ্জনৰ বিয়া আয়োজন চলিছে। ছোৱালীজনী সি নিজে পচন্দ কৰিছে, অতি দুখীয়া পৰিয়ালৰ স্নাতক ডিগ্ৰীধাৰী। ঘৰ ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰত, তাতে আকৌ ছোৱালীজনী সিহঁতকৈ নিম্ন জাতিৰ। নিৰঞ্জনৰ মাক সন্মত হৈছে যদিও দেউতাক আৰু বিবাহিতা দুই ভনীয়েকৰ ঘোৰ আপত্তি, এই ক্ষেত্ৰত নিৰঞ্জনেও অকৰা মৈত উঠা দিছে। সেইজনী ছোৱালীক নিৰঞ্জনে কোনোপধ্যে নেৰে। নিৰঞ্জনৰ ভাৱ, সি নিজৰ উপাৰ্জনেৰে যিখিনি পাৰে সেই খিনিৰেহে বিয়াখন চলাব, দেউতাকৰ টকা বিয়াত নখটুৱাই। হয়তো কোনোবা এটি মন্দিৰতে বিয়াখন পাতিব।

এদিনাখন বিয়া সন্দৰ্ভত নিৰঞ্জনে মাক-দেউতাকৰ আগত তাৰ মনৰ ভাৱ প্ৰকাশ কৰিলে. বাপেকৰ কথা হ'ল বিয়াখনত বাপেকে সমস্ত খৰচ কৰিব আৰু যদি নিৰঞ্জনে নেমানে তেতিয়াহ'লে চিৰদিনৰ বাবে বাপেকে গৃহ ত্যাগ কৰিব। এনে দৃঢ় সিদ্ধান্তৰ কথা শুনি নিৰঞ্জন কিছু নমনীয় হ'ল। মাকেও নিৰঞ্জনক বুজালে। মাকে ক'লে- "তই ছোৱালী নিজে ঠিক কৰিছ, দেউতাৰাই প্ৰথমে আপত্তি কৰিছিল যদিও পিছত সন্মতি দিলে, কিন্তু বিয়াখন দেউতাৰাৰ মতে হ'বলৈ দি, সকলো কথাতে তই আপত্তি কৰি নাথাকিব।"

বিয়াৰ বাজেট সন্দৰ্ভত এদিনাখন আকৌ বাপেক-মাকৰ সৈতে নিৰঞ্জনৰ আলোচনা চলিল। বাপেকৰ মতে কইনাক দুযোৰকৈ সোণৰ গহনা দিব, ঠিক তেনেদৰে পাট-মুগাৰ কাপোৰো দুযোৰকৈ দিব, নিৰঞ্জনৰ বাবে একলাখ টকাৰ এডাল সোণৰ চেইন গঢ়াব, আপ্যায়নত মাছ-মাংস দুয়োবিধৰ লগতে পণিৰ, দৈ-মিঠাইকে ধৰি প্ৰায় বিশটা সামগ্ৰী থাকিব। ৰাতিপুৱাৰ পৰা দৰা যোৱা লৈকে চাহৰ পৰিবৰ্তে কফি দিব। তাৰে লগত চাৰি-পাঁচবিধ নাস্তা থাকিব। কলিকতাৰ পৰা ৰভা বনোৱা সুদক্ষ কাৰিকৰ আনিব, বহা চকী আদি দামি হ'ব। পাণ-তামোলৰ বাবে দুজন দোকানীক ঠিক কৰিব। ইয়াৰ উপৰিও শীতল পনীয়া থাকিব। বাপেকৰ মতে এইখন শেষ বিয়া। সেয়ে যিমান পাৰে সিমানে ভাল কৰিব। বিয়াখনলৈ মন্ত্ৰী-বিধায়কৰ লগতে প্ৰভাৱশালী বিষয়া ব্যক্তিসকলকো নিমন্ত্ৰণ জনাব। অৱশ্যে দুই-এজন মন্ত্ৰী-বিধায়কক নিৰ্বাচনৰ সময়ত নগদ ধনেৰে সহায় নকৰাও নহয়। পেণ্ডেল দুটা বনাব, এটা বিশেষ ব্যক্তিৰ বাবে আৰু আনটো সাধাৰণ ব্যক্তিৰ বাবে।

নিৰঞ্জনে বাপেকৰ কথা শুনি অতিষ্ঠ হৈ ক'লে-

দেউতা,

তুমি ভৱা ধৰণে বিয়াখন নহ'ব, আৰু তেনে বিয়াত মই সন্মতি জনাব নোৱাৰিম, তেনে ৰাজসিক বিয়াই মোক শোভা নাপাব, তুমিয়ে খৰচ কৰা কিন্তু সাধাৰণভাৱে, তাত বিশেষ ব্যক্তি বা সাধাৰণ ব্যক্তি বুলি কোনো কথা নাই, সকলোকে একেলগে বহুৱাব লাগিব। একেখন ৰভাথলীতে সকলোকে খুৱাব লাগিব। শেৱালি এগৰাকী অতি দুখীয়া পৰিয়ালৰ জীয়ৰী, তেওঁক ইমানবোৰ প্ৰসাধনে শোভাবৰ্ধন নকৰিব। তেওঁক দামী কাপোৰ গহনা আদি পিন্ধাই আনি তুমিয়ে হয়তো এদিন কবা 'আমিয়ে বোৱাৰীজনীক সজাই আনিছো, বিকট হাঁহি মাৰিবা, তেতিয়া তেওঁ বৰকৈ দুখ পাব। তেওঁৰ মুখ বোবা কৰি দিবা, তেওঁ মুখ খুলি কথা ক'ব নোৱাৰা হ'ব, মই তেওঁক ৰূপৰ আঙঠি পিন্ধাম বুলিহে ভাবিছো, ইমানবোৰ কাপোৰ নেলাগে। এযোৰ কাপোৰ দিলে হ'ব, তাকো সাধাৰণ। দামী টেণ্টৰ কথা পৰিহাৰ কৰি আমাৰ গাঁৱৰ নন্দকাৰ টেণ্ট ঠিক কৰা, ৰান্ধনি আদিও আমাৰ গাঁৱৰে যদুকাহঁতকে ঠিক কৰা, খানা সাধাৰণ হ'লেই হ'ব, যদি মোক এইখিনি কথাত সহাৰি দিয়া তেতিয়া হ'লে মই বিয়াত সন্মতি দিম আৰু যদি নিদিয়া তেতিয়া হ'লে মই শেৱালিক মন্দিৰলৈ নি মালা পিন্ধাই লৈ আহিম, আৰু শুনা দেউতা- গাঁৱৰ প্ৰতিঘৰ মানুহকে সুন্দৰ ব্যৱহাৰ কৰিব লাগিব, সকলোকে সমভাৱে চাব লাগিব।

পুতেকৰ আঁকোৰগোজ তথা যুক্তিবাদী কথাত বাপেক সৈমত হ'ল যদিও পেটে পেটে মনোকষ্টত ভূগিছে। পুতেকে ইমানবোৰ কোৱাৰ পিছতো কিন্তু বাপেকৰ দম্ভ অহংকাৰ সমূলি মষিমূৰ হোৱা নাই।

ধাৰাসাৰ বৰষুণৰ মাজেৰে দিনটো পাৰ হ'ল। দৰা যাবৰ সময় হৈছে। ধাৰাসাৰ বৰষুণ হ'লেও নিৰঞ্জনক এৰিব নোৱাৰা ইষ্ট কুটুমৰ লগতে বন্ধু সহ প্ৰায় সত্তৰজন যাব ওলাইছে। অৱশ্যে পদুলি মুখতে বাছখন ৰৈ আছে।

যথা সময়ত মহা আনন্দৰে যাত্ৰা আৰম্ভ কৰিলে। নিৰঞ্জনক দৰাৰ সাজে ধুনীয়াকৈ শুৱাইছে। ব্ৰহ্মপুত্ৰৰ ঘাটতত পানী জাহাজখন ৰৈ আছে। জাহাজেৰে দক্ষিণ পাৰলৈ গৈ আকৌ বাছেৰে যাত্ৰা আৰম্ভ কৰিলে। কিছু সময়ৰ পিছত কইনাৰ ঘৰ পালে। তাত বৰষুণৰ প্ৰকোপ কম। কইনাৰ ঘৰে গাঁওবাসীৰ সহযোগত ৰভা মজবুটকৈ বনাইছে। এটুপিও পানী নপৰা কৰিছে। শেৱালিৰ বিয়া বুলি গাঁৱৰ প্ৰায় সকলোৱে হাত জোকাৰিছে। বৰযাত্ৰীক সুন্দৰভাৱে আতিথ্যও কৰিছে। গাঁওবাসীৰ পূৰ্ণ সহযোগে সঁচাকৈয়ে শেৱালিৰ বিয়াখন সুন্দৰ কৰি তুলিছে।

বিয়াৰ পৰ্বৰ সামৰণি পৰিল। পুৱা প্ৰায় চাৰি বজাত কইনাসহ বৰযাত্ৰী উভতিল। আকৌ পানী জাহাজত কইনাসহ বৰযাত্ৰী। কোনো কোনোজনৰ চকুত টোপনি, কোনো কোনোজনৰ মুখত বিয়াগীত, কোনো কোনোজনৰ মুখত খিলখিলিয়া হাঁহি যেন সাংস্কৃতিক অনুষ্ঠানহে অনুষ্ঠিত হৈ আছে। দুই এজনে বিয়াগীতৰ তালে তালে নাচিচেও। বৰ আমোদজনক পৰিৱেশ।

জাহাজখন ঠিক ব্ৰহ্মপুত্ৰৰ মাজভাগ পাইছে। ঠিক তেনেতে জাহাজ চালক এজনে কাৰুণ্যৰে ক'লে- আপোনালোক সাৱধান হওঁক। জাহাজখনৰ দুয়োটা ইঞ্জিনেই বিকল হৈছে। আমি চেষ্টা কৰিও ভাল কৰিব পৰা নাই, চেষ্টা কৰিয়েই আছোঁ। কিন্তু আপোনালোকক সাৱধান কৰি থ'লো।

আটাইৰে মাজত হুৱাদুৱা, কান্দোনৰ ৰোল বাজি উঠিল। আটাইয়ে জলদেৱতাক ৰক্ষা কৰাৰ বাবে প্ৰণাম কৰিব ধৰিলে, কাতৰ প্ৰাৰ্থনা। ক্ৰমান্বয়ে জাহাজখন পশ্চিমলৈ গৈ গৈ বহুদূৰ পালে। এতিয়াও ইঞ্জিন ভাল হোৱা নাই।

আকৌ কিছুদূৰ যোৱাৰ পিছত চালক এজনে ক'লে- ইঞ্জিন ভাল হোৱা নাই। আমি বিপদৰ ফালেহে আগবাঢ়ি আছো আৰু বিশ মিনিটমান গ'লেই বিপদৰ সন্মুখীন হ'ব লাগিব। হয়তো জাহাজখন দুভাগ হৈ যাব পাৰে, গতিকে আপোনালোকক আকৌ সাৱধান কৰি দিলো। যদি দহ মিনিটমানৰ ভিতৰত ইঞ্জিন ভাল নহয় তেতিয়াহ'লে আপোনালোকে নিজে নিজৰ জীৱন ৰক্ষাৰ বাবে ব্যৱস্থা কৰিব। জীৱন ৰক্ষাৰ সজুঁলিবোৰ ইয়াতেই আছে, আপোনালোকে ব্যৱহাৰ কৰিব। উপায় নাই, আমি নেৰানেপেৰা চেষ্টা কৰিয়েই আছো।

দৰা-কইনাসহ সকলোৱে আৰ্তনাদ হৈ চিঞৰি উঠিল, আমি মৰিলো ঐ, মৰিলো, আমাক ৰক্ষা কৰা।

**দিলীপ বৰ্মন**



**আপুনি এতিয়া কিছু হ'লেও পৰিবৰ্তন হওক। সিহঁতৰ লগত মদ পানী খাই এতিয়াও আপুনি বেহুচ হৈ থাকে, সি লাজ পায়, অপমানবোধ কৰে, আৰু সেইবোৰ কথাও সি গম পাই আহিছে। দুজনীকৈ জীয়ৰী সদৃশ অইনৰ বোৱাৰীৰ সৈতে যি কাণ্ড-কাৰখানা কৰিলে, অইন ঘৈণীয়েক হ'লে........। দুদিন পিছে তাৰ বিয়া পাতিব লাগিব, আপোনাৰ এনে কাণ্ডৰ কথা শুনিলে কোনে ছোৱালী দিব বা কোন ছোৱালী আহিব? এই পয়ষ্ঠি বছৰ বয়সতো আপুনি কামনাৰ ভোক সামৰিব পৰা নাই। এতিয়াও পৰস্ত্ৰীৰ ওপৰত শেন চকু।**

কবিতা

## নাৰী

নাৰী মানে মাতৃ, জগতৰ সৃষ্টিকাৰী নাৰী!
তোমাৰ চেনেহী কোলাতেই
জন্ম লভিলো এটি দিনৰ এটি ক্ষণত
সুন্দৰ পৃথিৱীখন দেখিলো তোমাৰেই কৃপাত।

তুমি দূৰ্গাৰূপিনী, শক্তিদায়িনী
তুমিয়েই আকৌ ৰুদ্ৰমূৰ্ত্তি সংহাৰিণী কালী
তুমি ৰামায়ণৰ যুগৰ সীতা, মহাভাৰতৰ যুগৰ দ্ৰোপদী,
আধুনিক যুগৰ কল্পনা চাওলা।।

তুমি বিদ্যাদায়িনী দেবী সৰস্বতী, ধনদাত্ৰী দেবী লক্ষ্মী
স্বাধীনতা আন্দোলনৰ বৰ জীয়ৰী কনকলতা
তুমি সতী জয়মতী, মুলাগাভৰু ৰাণী।।
অপূৰ্ব্ব সত্য সাধনাৰে বিৰাজমান কৰিছে বিশালতা প্ৰসাৰি।।
যুগে যুগে দেখি অহা নাৰী শক্তিৰ অপাৰ মহিমাৰ চানেকী।

হে পাৰী মহিমাময়ী!!
তুমি ঈশ্বৰৰ অপূৰ্ব্ব সৃষ্টি, নাৰী প্ৰকৃতিৰ অপূৰ্ব্ব
সৃষ্টি,—সুন্দৰৰ প্ৰতিমূৰ্তি
তোমাক পূজাৰ বেদীত স্থাপন কৰি জনাওঁ প্ৰণাম
তুমি হৃদয় আলোকিত কৰি আহিছা তোমাৰ
জ্যোতিৰে, উদাৰতাৰে,—তোমাৰ যাত্ৰাৰ শেষ নাই।।

বৰ্তমান যুগৰ বিজ্ঞান প্ৰযুক্তিত
তোমাৰ অৱদানো অসীম,
ৰাজনীতিত অগ্ৰসৰ বহু নাৰী
হৈছে সমাজৰ উজ্বল জ্যোতি।
নাৰী হ'ল সবল এপাট তীক্ষ্ণ অস্ত্ৰ
সমাজ গঢ়াৰ পাৰে নাৰীয়েয
অমানুহক মানুহ কৰিব পাৰে নাৰীয়ে,
সৃষ্টি কৰিব পাৰে বসুন্ধৰা।।

সেয়েহে দৃঢ়তাৰে কওঁ—
সচাঁকৈয়ে নাৰী তুমি অনন্যা,
নাৰী মাতৃ নমস্য ৰূপে প্ৰতিষ্ঠিত
আমাৰ এই সুন্দৰ ধৰাত,
মন প্ৰাণ জয় কৰিব পৰা নাৰী
হল সুন্দৰৰ প্ৰতীক, চিৰবিৰাজমান
সকলোৰে অন্তৰত।।

**— কৰবী তালুকদাৰ**

# হাজো-শুৱালকুছিত কৰ্কট ৰোগ নিৰাময় কৰাৰ অভিযান চলিব

**বাতৰি কাকত, শুৱালকুছি,২৩ জুলাইঃ** ২০৩০ চনৰ ভিতৰত হাজো-শুৱালকুছিত কৰ্কট ৰোগ নিৰাময় কৰাৰ বাবে এক অভিযান আৰম্ভ হয়। বৰ্তমান এই অঞ্চলটো ১৫০ গৰাকী কৰ্কট ৰোগী আছে। বিগত ত্ৰিশ বছৰে শুৱালকুছিস্থিত কবিকৃষ্ণ টেলি মেডিচিন কেয়াৰ জৰিয়তে এই চিকিৎসাৰ সেৱা আগবঢ়াই আহিছে। আনকি মাত্ৰ তিনি হাজাৰ টকাৰ বিনিময়ত ৰোগী সকলক 'কেমো' দিয়াৰো ব্যৱস্থা কৰা হৈছে। ইয়াৰে কিছু সংখ্যক ৰোগী সম্পূৰ্ণ সুস্থ হৈ উঠিছে। এই মন্তব্য বিশিষ্ট আন্তৰাষ্ট্ৰীয় চিকিৎসা বিজ্ঞানী বিকুল দাসৰ। হাজোৰ ব্ৰাহ্মণটোলাত কবিকৃষ্ণ দূৰ চিকিৎসা সেৱা আৰু কবিকৃষ্ণ ভাৰতীয় জ্ঞান প্ৰণালী কেন্দ্ৰৰ তত্বাৱধানত কবিকৃষ্ণ চিকিৎসা সত্ৰ নামৰ এটা কৰ্কট ৰোগৰ সেৱা কেন্দ্ৰ মুকলি কৰা অনুষ্ঠানত উপস্থিত থাকি ডাঃ বিকুল দাসে পুনৰ কয় যে, প্ৰকৃততে মানুহৰ মনত কৰ্কট ৰোগ সদৃশ বেমাৰে দেখা দিছে। কিয়নো ঘৰ সমুহত হাই কাজিয়া, ইঘৰৰ লগত সিঘৰৰ মিলাপ্ৰীতি নাই, সঘনে দূৰ্ঘটনা, অৰিয়াঅৰি, অসামাজিক কাম বৃদ্ধি আদিবোৰে মানুহ মনবোৰ ভাৰাক্ৰান্ত কৰি তুলিছে। এনে সমস্যাবোৰ মানুহৰ মনৰ পৰা যেতিয়াই নিৰ্মূল হ'ব তেতিয়াই ৰাজ্যত কৰ্কট ৰোগ নাইকীয়া হৈ পৰিব। সমাজ ব্যৱস্থাইয়ো কৰ্কট ৰোগৰ ওপৰত বহুত প্ৰভাৱ পেলাই। গতিকে সামাজিক ভাৱে আমি সকলোৱে দায়িত্ব লৈ কৰ্কট ৰোগীসকলক উৎসাহিত কৰি প্ৰেৰণা যোগাব লাগে। যিকোনো ৰোগে মানুহৰ মনটো হতাশ কৰি পেলায়। গতিকে আমি সদায় মানসিকভাৱে শক্তিশালী হ'ব লাগিব। চিকিৎসক গৰাকীয়ে হাজো অঞ্চলৰ ৰোগী সকলক আজি মুকলি কৰা কেন্দ্ৰটিৰ লগত যোগাযোগ কৰিবলৈ আহ্বান জনায়। কেন্দ্ৰটি বন্তি প্ৰজ্বলনৰে মুকলি কৰি স্থানীয় বিধায়ক প্ৰকাশ চন্দ্ৰ দাসে সজাগতা,সমাজিক সচেতনা আৰু মনৰ দৃঢ়তাই কৰ্কট ৰোগৰ প্ৰধান ঔষধ বুলি দোহাৰে। বিধায়ক গৰাকীয়ে কয় যে ডাঃ বিকুল দাসৰ পিতৃ কবি কৃষ দাসে কৰ্কট ৰোগত আক্ৰান্ত হৈ মৃত্যু হোৱাৰ পিছতে তেওঁ কৰ্কট ৰোগ নিৰ্মূলৰ বাবে পণ লয় আৰু সুদৰ আমেৰিকাত গৈ এই ৰোগ সন্দৰ্ভত গৱেষণা আৰম্ভ কৰে। সফলতাৰে গৱেষণা শেষ কৰি বিদেশত বিলাসী জীৱন কটাব পাৰিলেহঁতেন যদিও তেওঁ তাকে নকৰি অসমলৈ আহি ইয়াৰ ৰোগী সকলৰ লগত একাত্ম হৈ কৰ্কট ৰোগ নিৰাময়ৰ বাবে সংগ্ৰাম আৰম্ভ কৰে। তেওঁ আনকি কৰ্কট ৰোগীৰ ঘৰত ৰোগীৰ সৈতে একেলগে দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰি ৰোগীক প্ৰেৰণা যোৱা কাৰ্যয়ো সচাকৈয়ে আদৰণীয়। বিধায়ক দাসে ডাঃবিকুল দাসৰ আই আই টি ত থকা দহ কোটি টকাৰ বিজ্ঞানগাৰটো সন্দৰ্ভতো কিছু কথা ৰাইজক অৱগত কৰে। মানুহক সেৱা কৰাটোয়ে ধৰ্ম তাক ডাঃ দাসে দেখুৱাই দি এক আদৰ্শ প্ৰতিষ্ঠা কৰিছে। বিধায়ক গৰাকীয়ে কৰ্কট ৰোগ এক জটিল ৰোগ বুলি উল্লেখ কৰি এই ৰোগে চিকিৎসাৰ নামত পৰিয়ালক সৰ্বস্বান্ত কৰে। গতিকে ইয়াক আৰম্ভণিতে নিৰ্মূল কৰাৰ প্ৰচেস্টা লব লাগে। এই সন্দৰ্ভত তেওঁ এজন বন্ধুৰো উদাহৰণ দাঙি ধৰে। তেওঁ পৰিয়াল সমুহক স্বাস্থ্য বীমা কৰাৰ বাবেও আহ্বান জনায়। বিধায়ক গৰাকীয়ে কৰ্কটৰোগ চিকিৎসাৰ বাবে ১১০ গৰাকীক বিশেষ সাহাৰ্য আগবঢ়োৱাৰ ব্যৱস্থা কৰা বুলিও উল্লেখ কৰে। ডাঃ বিপুল দাসৰ ত্যাক স্বীকাৰ কৰি তেওঁ পৰৱৰ্তী দিনত ডাঃ দাসৰ এজন সহযোগী হ'ব বুলি প্ৰতিশ্ৰুতি দিয়ে। অনুষ্ঠানত কামৰূপ জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা সমাজকৰ্মী নৃপেন্দ্ৰ ভাগৱতীয়ে কৰ্কট ৰোগৰ ক্ষেত্ৰত অন্ধ বিশ্বাসৰ বলি নহবলৈ সকলোকে আহ্বান জনায়। অন্ধ বিশ্বাসে মানুহক বিপদত পেলায়। সভাত ৰাজদীপ দাস, শুৱালকুছি জাৰ্ণেলিষ্ট এছ'চিয়েচনৰ সভাপতি দিলীপ মেধি প্ৰমুখ্যে কেবাজনে বক্তব্য প্ৰদান কৰে। দ্বিজেন ভৰালীয়ে আতঁধৰা অনুষ্ঠানটিত হলধৰ ভাগৱতী, নয়ন ভট্টাচাৰ্য প্ৰমুখ্যে কেবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে।



# বঙাইগাঁও জিলা কৃষি বিজ্ঞান কেন্দ্ৰৰ উদ্যোগত বীজ-ৰোপণ সমগ্ৰী বিতৰণ

**বঙাইগাঁও, ২৩ জুলাইঃ** অসম কৃষি বিশ্ববিদ্যালয়ৰ অন্তৰ্গত বঙাইগাঁও জিলা কৃষি বিজ্ঞান কেন্দ্ৰৰ উদ্যোগত অভয়াপুৰীৰ আশীৰ্বাদ ভৱনত এখন বীজ আৰু ৰোপণ সামগ্ৰী বিতৰণ সভা অনুষ্ঠিত হয়। উক্ত সামগ্ৰী বিতৰণ সভাত অভয়াপুৰী বিধানসভা সমষ্টিৰ বিধায়ক ভূপেন ৰায়ে মুখ্য অতিথি হিচাপে উপস্থিত থাকে । আনহাতে সভাত অসম কৃষি বিশ্ববিদ্যালয়ৰ সম্প্ৰসাৰণ শিক্ষা সঞ্চালক ডঃ মনোৰঞ্জন নেওগে সন্মানীয় অতিথি হিচাপে উপস্থিত থকাৰ লগতে বঙাইগাও জিলাৰ অতিৰিক্ত আয়ুক্ত (কৃষি) প্ৰাঞ্জল দাস, সহকাৰী কৃষি সঞ্চালক কল্যাণ দাস, বঙাইগাও জিলা পৰিষদৰ সদস্য জ্যোতিৰ্ময় সৰকাৰ, কৃষি বিজ্ঞান কেন্দ্ৰৰ মুৰব্বী ডঃ পৰাগ শইকীয়া, বঙাইগাঁও কৃষি বিজ্ঞান কেন্দ্ৰৰ সমূহ বিজ্ঞানী আৰু শতাধিক কৃষক উপস্থিত থাকে। সামগ্ৰী বিতৰণ সভাত কৃষক সকলৰ মাজত উন্নত জাতৰ মাটি মাহৰ জাত এছ. বি. চি.৪০, মগুমাহৰ উন্নত জাত এছ .জি. চি. ১৬, উন্নত চম্পাৱতী জাতৰ তিল, জালুক আৰু আনাৰসৰ পুলি, এৰিপলু পালনৰ ট্ৰে আদি বিতৰণ কৰা হয়। সভাখনত বঙাইগাও জিলাৰ বিভিন্ন উন্নয়ন খণ্ডৰ শতাধিক কৃষক, তিনিটা কৃষক উৎপাদক সংস্থা আৰু কৃষিৰ লগত জড়িত বেচৰকাৰী অনুষ্ঠান 'চেষ্টা' উপস্থিত থাকে। এই কাৰ্যসূচীৰ জৰিয়তে উন্নত মানৰ বীজ আৰু ৰোপণ সামগ্ৰী কৃষকৰ হাতত প্ৰদান কৰাৰ লগতে বিজ্ঞানভিত্তিক কৃষি পদ্ধতিৰ প্ৰচাৰ আৰু প্ৰসাৰৰ দিশত অসম কৃষি বিশ্ববিদ্যালয়ে এক গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰা বুলি উপস্থিত অতিথিসকলে মত প্ৰকাশ কৰে।

# নলবাৰীত যুৱ-ছাত্ৰ পৰিষদৰ অষ্টাদশ বাৰ্ষিক ভবেন বৰুৱা সোঁৱৰণী শিশু নাট প্ৰতিযোগিতাৰ আয়োজন

**মজিবুৰ ৰহমান, নলবাৰী,২৩ জুলাইঃ** অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ নলবাৰী জিলা সমিতিৰ উদ্যোগত অষ্টাদশ বাৰ্ষিক ভবেন বৰুৱা সদৌ অসম শিশু নাট প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ প্ৰস্তুতি পূৰ্ণগতিত চলিছে। অহা ২, ৩ আৰু ৪ ছেপ্টেম্বৰত নলবাৰী নাট্য মন্দিৰত এই শিশু নাট প্ৰতিযোগিতাখন অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাৰ প্ৰস্তুতিৰ সন্দৰ্ভত নলবাৰী চহৰৰ এন টি ৰোডস্থিত যুৱ-ছাত্ৰ পৰিষদৰ জিলা কাৰ্যালয়ত এখন সাধাৰণ সভা অনুষ্ঠিত হয়। যুৱ-ছাত্ৰ পৰিষদৰ জিলা সমিতিৰ সভাপতি আচিক আহমেদৰ সভাপতিত্বত অনুষ্ঠিত এই সভাত অষ্টাদশ বাৰ্ষিক শিশু নাট প্ৰতিযোগিতাখন সাফল্যমণ্ডিত কৰাৰ সন্দৰ্ভত বিশদভাৱে আলোচনা কৰা হয়।উক্ত নাট প্ৰতিযোগিতাত বিশিষ্ট নাট্যকাৰ, অভিনেতা তথা পৰিচালক, নলবাৰীৰ সু-সন্তান প্ৰয়াত ভবেন বৰুৱাৰ স্মৃতি জনমানসত সজীৱ কৰি ৰখাৰ উদ্দেশ্যে নাট্য ক্ষেত্ৰৰ লগত জড়িত এগৰাকী বিশিষ্ট ব্যক্তিক 'ভবেন বৰুৱা বঁটা' প্ৰদান কৰা হ'ব। প্ৰতিযোগিতাৰ বিজয়ী দলসমূহৰ বাবে ক্ৰমে প্ৰথম পুৰস্কাৰ হিচাপে ১০,০০০ টকা, দ্বিতীয় পুৰস্কাৰ হিচাপে ৭,০০০ টকা আৰু তৃতীয় পুৰস্কাৰ হিচাপে ৫,০০০ টকাৰ লগতে প্ৰতিটো পুৰস্কাৰৰ সৈতে ট্ৰফী আৰু মানপত্ৰ প্ৰদান কৰা হ'ব। ইয়াৰ লগতে নাট প্ৰতিযোগিতাৰ লগত সংগতি থকা বিভিন্ন শিতানৰ পুৰস্কাৰো প্ৰদান কৰা হ'ব।নাট প্ৰতিযোগিতাখন সুচাৰুৰূপে পৰিচালনা কৰিবলৈ বৃন্দাবন থিয়েটাৰৰ প্ৰযোজক তথা বিশিষ্ট সমাজকৰ্মী গণেশ ৰয় মেধিক সভাপতি, পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ প্ৰচাৰ সম্পাদক পাৰ্থ প্ৰতীম শৰ্মাক কাৰ্যকৰী সভাপতি আৰু পৰিষদৰ নলবাৰী জিলা সমিতিৰ সাধাৰণ সম্পাদক প্ৰাঞ্জল কলিতাক সম্পাদক হিচাপে এখন পৰিচালনা সমিতি গঠন কৰা হয়। প্ৰতিযোগিতাৰ লগত সংগতি ৰাখি 'সংলাপ' শীৰ্ষক এখন স্মৰণিকাও প্ৰকাশ পাব। 'সংলাপ' সম্পাদনা সমিতিৰ সভাপতি হিচাপে পৰিষদৰ নলবাৰী জিলা সমিতিৰ উপদেষ্টা কৌশিক বৰ্মন আৰু সম্পাদক হিচাপে যুটীয়াভাৱে তাজিম আহমেদ আৰু নয়ন শৰ্মাক দায়িত্ব অৰ্পণ কৰা হয় ।প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব বিচৰা নাট্যদলসমূহে অহা ৫ আগষ্টৰ ভিতৰত নাটকৰ পাণ্ডুলিপি প্ৰতিযোগিতা পৰিচালনা সমিতিৰ হাতত জমা দিব লাগিব। ইচ্ছুক নাট্যদলসমূহক অধিক তথ্যৰ বাবে ৭০০২১৬৯০৪০ আৰু ৭০০২৩৮০৭৮৭ নম্বৰত যোগাযোগ কৰিবলৈ প্ৰতিযোগিতা পৰিচালনা সমিতিয়ে আহ্বান জনাইছে।




# সোনম ৱাংচুকৰ সমৰ্থনত বঙাইগাঁৱত গীত-মাতেৰে প্ৰতিবাদ

**বঙাইগাঁও, ২৩ জুলাইঃ** দেশৰ শিক্ষা খণ্ডৰ সংস্কাৰ, শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগকে ধৰি কেইবাটাও দাবীৰে দিল্লীত কুৰি দিন ধৰি অনশন অব্যাহত ৰাখি অসুস্থ হৈ পৰা পৰিৱেশবিদ তথা ৰেমন মেগছেছে বঁটা বিজয়ী শিক্ষাবিদ সোনম ৱাংচুকৰ সমৰ্থনত দেশ-বিদেশত ব্যাপক চৰ্চা আৰু প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। সেইদৰে ছ'চিয়েল মিডিয়াতো চলিছে ব্যাপক চৰ্চা। দেশৰ বিভিন্ন প্ৰান্তত তেঁৱৰ সমৰ্থনত অব্যাহত আছে প্ৰতিবাদ । বঙাইগাঁও চহৰতো ৱাংচুকৰ সমৰ্থনত একাংশই সাব্যস্ত কৰে প্ৰতিবাদ । বঙাইগাঁও চহৰৰ মাজমজিয়াৰ পাগলাস্থানস্থিত মহত্মা গান্ধীৰ মূৰ্তিৰ সন্মুখত সোনম ৱাংচুকৰ সমৰ্থনত সচেতন মহল একত্ৰিত হৈ প্ৰতিবাদী গীত-মাতেৰে সাব্যস্ত কৰে এই প্ৰতিবাদ। প্ৰতিবাদকাৰীসকলে সোনম ৱাংচুকৰ সমৰ্থনত তথা কেন্দ্ৰীয় চৰকাৰৰ নীৰৱ ভূমিকাক ধিক্কাৰ জনাই বিভিন্ন শ্লোগানো দিয়ে ।এই প্ৰতিবাদী কাৰ্যসূচীত বঙাইগাঁৱত জ্যেষ্ঠ অধিবক্তা, সাংবাদিক, শিক্ষাবিদ, ছাত্ৰ-ছাত্ৰী সংগঠনৰ প্ৰতিনিধিকে ধৰি সমাজৰ বিভিন্ন স্তৰৰ সচেতন লোকে অংশগ্ৰহণ কৰে। প্ৰতিবাদকাৰীসকলে কয় যে, সোনম ৱাংচুক সমগ্ৰ দেশৰ শিক্ষা ব্যৱস্থা আৰু পৰিৱেশ সুৰক্ষাৰ লগত জড়িত। সেয়ে চৰকাৰে শীঘ্ৰে তেওঁৰ লগত আলোচনাত বহিব লাগে। আনহাতে জ্যেষ্ঠ অধিবক্তা হৰেশ্বৰ দাসে সংবাদ মাধ্যমৰ আগত কয় যে বিশিষ্ট পৰিৱেশবিধ গৰাকীয়ে ছাত্ৰ- ছাত্ৰীৰ ভৱিষ্যতৰ উত্তৰোত্তৰৰ কাৰণে সুস্থ নীতি নিৰ্ধাৰণৰ কাৰণে অনশন কৰি আছিল । কিন্তু অনশন কৰি থকা অৱস্থাতে পুৱতি নিশা যি ধৰণে ৰাষ্ট্ৰযন্ত্ৰই উঠাই লৈগৈ হস্পিতালত ৰখাৰ নামত আৱদ্ধ কৰিলে তাক আমি প্ৰতিবাদ জনাইছো । আমি ভাৱিছো যে এনে কাৰ্য গণতন্ত্ৰৰ বাবে এটা অসুস্থ পৰম্পৰা আৰু এনে পৰম্পৰাকে ৰাষ্ট্ৰ শক্তিয়ে আনিব বিচাৰিছে । গতিকে ইয়াক প্ৰতিহত কৰিব লাগিব । অন্যথা ভৱিষ্যতে ইয়াতকৈকো অধিক পৰিণাম দেশৰ জনসাধাৰণে ভূগিব লাগিব। সেয়ে আমি এনে পৰিৱেশৰ পৰিৱৰ্তন বিচাৰিছোঁ ।

# শিৱসাগৰৰ বিস্তীৰ্ণ অঞ্চল জলমগ্ন

**খাইৰুদ্দিন আহমেদ শিৱসাগৰ ২৩ জুলাইঃ** ধাৰাসাৰ বৰষুণৰ ফলত শিৱসাগৰ জিলাৰ বিস্তীৰ্ণ অঞ্চল জলমগ্ন হৈ পৰিছে। শিৱসাগৰ জিলাৰ নৈ-উপনৈ , জান-জুৰি আদিৰ জলপৃষ্ঠ বৃদ্ধি পাইছে আৰু কৃষি পথাৰ সমূহ বুৰাই পেলাইছে। নেৰানেপেৰাকৈ হৈ থকা ধাৰাসাৰ বৰষুণৰ ফলত জনজীৱন বিপৰ্যস্ত হৈ পৰে। কৃত্ৰিম বানপানীয়ে নগৰৰ বাট-পথ বুৰাই পেলোৱাৰ ফলত নগৰীয়াসকল গৃহবন্দী হৈ পৰে আৰু দৈনন্দিন জীৱন - যাপন স্থবিৰ হৈ পৰে। শিৱসাগৰ নগৰৰ মুক্তিনাথ চাৰিআলি, দৌলমুখ চাৰিআলি,বি জি ৰোড আদিকে ধৰি নগৰখনৰ বহু স্থানত সৃষ্টি হোৱা কৃত্ৰিম বানে আজি চৰকাৰ তথা শিৱসাগৰ পৌৰসভাৰ উন্নয়নৰ ফোঁপোলা স্বৰূপ উদঙাই দেখুৱালে। খৰালি কালত তথা সময়মতে নগৰৰ নলা-নৰ্দমা সমূহ নিৰ্মাণ নকৰাৰ বাবেই কৃত্ৰিম বানৰ সৃষ্টি হৈছে বুলি ৰাইজে অভিযোগ তুলিছে।

# পশ্চিম নলবাৰীত সংঘ নিৰ্মাণৰ নামত আৱণ্টিত ধনৰ অনিয়মৰ অভিযোগ ঃ তদন্তৰ দাবী স্থানীয় ৰাইজৰ

**বাতৰি কাকত, বৰনৰ্দী , ২৩ জুলাইঃ** পশ্চিম নলবাৰীৰ নলিছাত এক গুৰুতৰ বিত্তীয় অনিয়মৰ ঘটনা পোহৰলৈ আহিছে। এজন স্থানীয় ঠিকাদাৰে এখন মিলন সংঘ নিৰ্মাণৰ নামত আৱণ্টিত লাখ লাখ টকা কোনো কাম নকৰাকৈয়ে সম্পূৰ্ণৰূপে আত্মসাত কৰাৰ অভিযোগ উত্থাপন হৈছে। এই ঘটনাক লৈ বৰ্তমান স্থানীয় ৰাইজৰ মাজতীব্ৰ ক্ষোভ আৰু অসন্তুষ্টিয়ে বিৰাজ কৰিছে। উল্লেখযোগ্য যে, নলবাৰী জিলা পৰিষদৰ পঞ্চদশ বিত্তীয় আয়োগৰ ২০২১-২২ বৰ্ষৰ 'আনটাইড ফাণ্ড'ৰ পৰা ৫ লাখ টকা ব্যয়েৰে 'নলিছা মিলন সংঘ' নিৰ্মাণৰ আঁচনি হাতত লোৱা হৈছিল। সেই অনুসৰি, ২০২৩ বৰ্ষৰ ১১ জানুৱাৰী দিনা বেলশৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ বিপুল ডেকা, স্বাস্থ্য বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী প্ৰভাত হাজৰিকা, পৰিসংখ্যা বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী ৰোহিনী ডেকা, অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী কৰুণা ডেকা, যোগেন ডেকা আৰু সংঘৰ বিষয়ববীয়াৰ উপস্থিতিত পকোৱা জিলা পৰিষদৰ তদানীন্তন সদস্য পবিত্ৰ কুমাৰ ডেকাই এই নিৰ্মাণ কাৰ্যৰ আধাৰশিলা স্থাপন কৰিছিল। নলিছা প্ৰাথমিক বিদ্যালয়ৰ পিছফালে মিলন সংঘই ক্ৰয় কৰা তিনি কথা মাটিত এই ভৱনটো নিৰ্মাণৰ প্ৰস্তুতি চলোৱা হৈছিল ।উক্ত নিৰ্মাণকাৰ্যৰ ঠিকা লাভ কৰিছিল স্থানীয় অমূল্য বৰ্মন নামৰ এজন ব্যক্তিয়ে। অভিযোগ অনুসৰি, শাসকীয় বিজেপি দলৰ একাংশ প্ৰভাৱশালী নেতাৰ ছত্ৰছায়াত থকা ঠিকাদাৰ অমূল্য বৰ্মনে আধাৰশিলা স্থাপনৰ পিছত নিৰ্মাণকাৰ্যৰ একো কাম নকৰাকৈয়ে সমগ্ৰ ৫ লাখ টকা আত্মসাৎ কৰে। আনকি কিছুদিন পিছত আধাৰশিলাৰ ফলকখনো ভাঙি দলিয়াই পেলোৱা বুলি স্থানীয় ৰাইজে জানিবলৈ দিয়ে। এই দুৰ্নীতিৰ সন্দৰ্ভত স্থানীয় ৰাইজে বিভাগীয় কৰ্তৃপক্ষৰ ওচৰত এক উচিত তদন্তৰ দাবী জনাইছিল। কিন্তু আধাৰশিলা স্থাপনৰ তিনিটা বছৰ অতিক্ৰম কৰাৰ পিছতো বিভাগীয় তৰফৰ পৰা কোনো ধৰণৰ পদক্ষেপ বা তদন্ত নকৰাত ৰাইজ হতাশ হৈ পৰিছে। অতি শীঘ্ৰে এই সমগ্ৰ কেলেংকাৰীৰ এক উচ্চস্তৰীয় আৰু উচিত তদন্ত কৰি দোষীক শাস্তি প্ৰদান কৰিবলৈ স্থানীয় ৰাইজে পুনৰ দাবী উত্থাপন কৰিছে।

# বঙাইগাঁৱত চাৰিদিনীয়াকৈ অনুষ্ঠিত বৰগীত - গোৱালপৰীয়া লোকগীতৰ কৰ্মশালাৰ সামৰণি

**বঙাইগাঁও,২৩ জুলাইঃ** বঙাইগাঁও জিলা সাংস্কৃতিক মহাসভাৰ উদ্যোগত চাৰিদিনীয়া কাৰ্যসূচীৰে বীৰঝৰা কন্যা মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা বৰগীত আৰু গোৱালপৰীয়া লোকগীতৰ কৰ্মশালাখনিৰ সামৰণি পৰে । এই উপলক্ষে জিলা সমিতিৰ সভাপতি নন্দলাল বৰ্মনৰ সভাপতিত্ব অনুষ্ঠিত হয় সামৰণি অনুষ্ঠান । সহকাৰী সম্পাদক মনোৰঞ্জন বৰ্মনে আঁত ধৰা অনুষ্ঠানটিত সাংস্কৃতিক মহাসভাৰ বঙাইগাঁও জিলা সমিতিৰ উপদেষ্টা, শিল্পী পেঞ্চনাৰ ধৰণী বনিক্য, অভয়াপুৰী মহাবিদ্যালয়ৰ অধ্যাপক ধৰ্মেন্দ্ৰ দাস, শক্তি আশ্ৰম গিৰিজানন্দ মহাবিদ্যালয়ৰ অধ্যাপক ধৰ্মেন্দ্ৰ নাৰায়ণ দেৱ, বীৰঝৰা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ডঃ ৰাণু ৰায়, উপ সভাপতি বনলতা দাস আদিয়ে অতিথি হিচাপে উপস্থিত থাকে । অনুষ্ঠানত কৰ্মশালাখনত বৰগীতৰ প্ৰক্ষিক্ষক হিচাপে উপস্থিত থাকি প্ৰশিক্ষণ প্ৰদান কৰা ভাৰত চৰকাৰৰ দ্বাৰা সংগীত নাটক অকাডেমী বঁটাৰে সন্মানিত বৰপেটাৰ গুনীন্দ্ৰ নাথ ওজা আৰু গোৱালপৰীয়া লোকগীতৰ প্ৰশিক্ষক হিচাপে উপস্থিত থকা অনাতাঁৰ শিল্পী সুমিতা বৰ্মনক বিশেষ সম্বৰ্ধনা জনোৱা হয় । একেদৰে কৰ্মশালত অংশগ্ৰহণ কৰা ৪৯ গৰাকী শিক্ষাৰ্থীক প্ৰদান কৰা হয় প্ৰমাণ পত্ৰ । সেইদৰে অনুষ্ঠানত সক্ৰিয় কৰ্মী ভক্তি মনি শৰ্মা, মনোৰঞ্জন বৰ্মন, ইলা বৰ্মন, প্ৰাঞ্জল চৌধুৰী, মনিৰাম সিংহক ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত শলাগৰ শৰাই আগবঢ়ায় মুখ্য আহ্বায়ক হেৰম্ভ অধিকাৰীয়ে । উল্লেখ্য যে প্ৰথমদিনা কৰ্মশালাখন বীৰঝৰা কন্যা মহাবিদ্যালয়ৰ অধ্যক্ষ বসন্ত কুমাৰ দাসে বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভণি কৰিছিল।

# পত্নীৰ জটিল ৰোগত হাহাকাৰ বৰপেটাৰোডৰ দিন মজুৰি কৰা যুৱকৰ মুখ্যমন্ত্ৰীক আৰ্থিক সহায়ৰ অনুৰোধ

**বাতৰি কাকত,বৰপেটাৰোড, ২৩ জুলাইঃ** বৰপেটাৰোডত দিন মজুৰি তথা ৰান্ধনীৰ কাম কৰি খোৱা এগৰাকী যুৱকৰ পত্নীৰ জটিল ৰোগত আক্ৰান্ত হোৱাৰ পিছত দুই কণমানি থকা পৰিয়ালটিৰ এতিয়া হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হোৱা পৰিলক্ষিত হৈছে। উল্লেখ্য যে চহৰখনৰ চন্দনপুৰত ভাড়াতীয়া হিচাপে থকা হীৰালাল দেৱনাথে পথৰ কাষত (ষ্ট্ৰীট ভেণ্ডৰ) ঠেলা বাহনত ৰুটি তৰকা আৰু আন খাদ্য বস্তু বিক্ৰী কৰি কষ্ট কৰি পৰিয়াল পোহপাল দি আহিছিল। কিন্তু হীৰালালৰ পত্নী ফুলবালা দেৱনাথে বিগত কিছু বছৰ ধৰি কিডনীজনিত জটিল সমস্যা, চকু আৰু একাধিক ৰোগত আক্ৰান্ত হৈ এতিয়া দীৰ্ঘদিন ধৰি চিকিৎসাধীন হৈ আছে। চিকিৎসকৰ পৰামৰ্শ অনুসৰি সোনকালে এটি অস্ত্ৰোপচাৰ সম্পন্ন কৰিব লাগিব বুলি জানিব পৰা গৈছে। এই জটিল সময়ত চিকিৎসাৰ বিপুল ব্যয় বহন কৰাটো পৰিয়ালটোৰ বাবে অত্যন্ত কঠিন হৈ পৰিছে। স্বামীয়ে ষ্ট্ৰীট ফুডৰ দোকান এৰি এতিয়া দিন মজুৰি কৰিব লগাত আৰ্থিক অৱস্থা অধিক শোচনীয় হৈ পৰে। পেটৰ বিষ আদিত ককবকাই থকা দুৰ্ভগীয়া ফুলবালাই সংবাদ মাধ্যমৰ আগত এতিয়া মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাক এইক্ষেত্ৰত সহায় আগবঢ়োৱাৰ কাতৰ আহ্বান জনাইছে। পৰিয়ালটোৱে সমাজ, শুভাকাংক্ষী আৰু হৃদয়বান ৰাইজৰ ওচৰত আৰ্থিক সহায়ৰ বাবে বিনম্ৰ আহ্বান জনাইছে। পৰিয়ালৰ এই দুখৰ সময়ত মানৱীয়তাৰ খাতিৰত যিয়ে যিমান পাৰে সহায়ৰ হাত আগবঢ়াব বুলি আশা ৰাখিছে।সহায় আগবঢ়াব ইচ্ছা কৰিলে 7727558346 IFSC codeÊ. IDIB000B119 একাউণ্ট নম্বৰ তথা ৬৯০১৩১২০২৫ ফোন নম্বৰত যোগাযোগ কৰিব পাৰিব বুলি জনাইছে।

# কচুৱাত বৰপানী নদীত দলঙৰ কাম পূৰ্ণগতিত কৰাৰ দাবী ৰাইজৰ

**বাতৰি কাকত কচুৱা,২৩ জুলাইঃ** ৰহা সমষ্টিৰ কচুৱাৰ কেইবাটাও অঞ্চলৰ ৰাইজৰ দীৰ্ঘদিনীয়া সমস্যা সমাধান কৰাৰ লক্ষ্যৰে ৰহা সমষ্টিৰ বিধায়ক শশীকান্ত দাসৰ প্ৰচেষ্টাত শিঙিমাৰী বজাৰ পাৰঘাটৰ বৰপানী নদীৰ ওপৰত পকী দলঙৰ নিৰ্মাণৰ কাম আৰম্ভ হয়। বৰ্তমান দলঙখনৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হৈ উঠা নাই যদিও যাতায়তৰ ক্ষেত্ৰত চৰম দূৰ্দশাত পৰিছে স্থানীয় ৰাইজে। যাতায়তৰ ক্ষেত্ৰত বিকল্প কোনো ব্যৱস্থা নথকাত ৰাইজে দলঙৰ দুটা মূৰে মাটি পেলাই কোনো প্ৰকাৰে যাতায়াত কৰিব পৰাকৈ ব্যৱস্থা কৰিছে যদিও এজাগ বৰষুণ দিলেই যাতায়াত বন্ধ হৈ পৰে, দলঙৰ দুটা মূৰে উঠা নমা সময়ত বহু দুৰ্ঘটনাও সংঘটিত হোৱা বুলি স্থানীয় ৰাইজে মন্তব্য কৰে। যাৰ বাবে দলঙৰ কাম পূৰ্ণগতিত চলাই নিবৰ বাবে আৰু দলঙৰ দুটা মূৰে মাটি পেলাই যাতায়তৰ ক্ষেত্ৰত উপযোগী কৰি তুলিবলৈ বিভাগীয় কৰ্তৃপক্ষ আৰু চৰকাৰক দাবী জনাইছে। ইপিনে জুৰিৰপাৰ মাধৱপাৰা সংযোগী পথছোৱাও জৰাজীৰ্ণ হৈ পৰাত যমৰ যন্ত্ৰণাত ভূগিছে ৰাইজে।



# গোৰেশ্বৰৰ বাঙালীপাৰাত চাঞ্চল্যৰ হত্যাকাণ্ড

**বাতৰি কাকত, গোৰেশ্বৰ,২৩ জুলাইঃ** তামুলপুৰ জিলাৰ অন্তৰ্গত গোৰেশ্বৰ বাঙালীপাৰাত যোৱা নিশা নিজ গৃহতে কৰ্মসূত্ৰে বহিঃৰাজ্যত থকা ৰামকৃষ্ণ দাসৰ পত্নী ৰূপালী দাসক ৰাজস্থানৰ প্ৰেমিক চন্দন কুমাৰে শোৱা পাটীতে ডিঙি চেপি হত্যা কৰি থৈ যোৱা ঘটনাই অঞ্চলজুৰি চাঞ্চল্যৰ সৃষ্টি কৰে। ৰূপালী দাসৰ ৭ বছৰীয়া পুত্ৰৰ ভাষ্য অনুসৰি ৰাজস্থানৰ চন্দন কুমাৰ নামৰ প্ৰেমিকাই তেওঁক ঘৰৰ ভিতৰত বান্ধি থৈ তেওঁৰ মাতৃক নিশা ডিঙি চেপি হত্যা কৰে । আনহাতে পৰিয়ালৰ সূত্ৰৰ অভিযোগ অনুসৰি কৰ্মসূত্ৰে ইজৰাইলত থকা বাঙালীপাৰাৰ ৰামকৃষ্ণ দাসৰ পত্নী ৰূপালী দাসক নিশা প্ৰেমিক চন্দন কুমাৰে নিশা মদ্যপান কৰোৱাই ডিঙি চেপি হত্যা কৰি পলায়ন কৰে। ৰং নাম্বাৰৰ জৰিয়তে পৰিচয় হোৱা চন্দন কুমাৰে বাঙালীপাৰাত ইতিপূৰ্বে দুবাৰ আহি যোৱাৰ লগতে ৰূপালীও ৰাজস্থানত তিনি মাহ থাকি আহিছিল বুলি জানিবলৈ দিয়ে। ইপিনে ঘটনা সংঘটিত হোৱাৰ পিছতে তামুলপুৰ জিলা উপ-আৰক্ষী অধীক্ষক আৰু গোৰেশ্বৰ ৰাজহ চক্ৰ বিষয়া ত্ৰিলিনা টাইদো ঘটন স্থলীত উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে মুছলপুৰলৈ পঠিয়াই দিয়াৰ লগতে ঘটনা সন্দৰ্ভত তদন্ত অব্যাহত ৰাখিছে।স্থানীয় লোকে অতি শীঘ্ৰে হত্যাকাৰীক গ্ৰেপ্তাৰ কৰি উচিত শাস্তিৰ ব্যৱস্থা কৰিবলৈ আৰক্ষী প্ৰশাসনক দাবী জনাইছে।

# নাথকুছিত আইন সজাগতা সভা সফলতাৰে সম্পন্ন

**কুমুদ বৰ্মন টিহু ,২৩জুলাইঃ** টিহু উন্নয়ন খণ্ডৰ অন্তৰ্গত নাথকুছি গাঁও পঞ্চায়ত কাৰ্যালয়ত District Legal Services Authority (DLSA), নলবাৰীৰ উদ্যোগত এখন আইন সজাগতা সভা কালি সফলতাৰে সম্পন্ন হয় । সভাত অধিবক্তা অনিচুৰ ৰহমানে NALSA-ৰ বিভিন্ন আঁচনি,(ASHA JAGRITI), বিনামূলীয়া আইনী সহায়, Mediation, Lok Adalat, মহিলা, শিশু, জ্যেষ্ঠ নাগৰিকৰ অধিকাৰ আৰু চাইবাৰ অপৰাধ আদি বিষয়ত মূল্যৱান বক্তব্য ৰাখে । ইয়াৰ উপৰি Para Legal Volunteer (PLV) ৰঞ্জিত তালুকদাৰে DLSA-ৰ বিনামূলীয়া আইনী সহায় লাভৰ পদ্ধতি, Legal Aid Helpline—১৫১০০ আৰু যিকোনো আইনী সমস্যাত ভয় নকৰি DLSA, Nalbari-ৰ সৈতে যোগাযোগ কৰাৰ বাবে উপস্থিত ৰাইজক আহ্বান জনায়। সভাত উপস্থিত ৰাইজে অনুষ্ঠানটোক অত্যন্ত ফলপ্ৰসূ বুলি অভিহিত কৰি ভৱিষ্যতেও এনে আইন সজাগতা সভা নিয়মীয়াকৈ আয়োজন কৰাৰ অনুৰোধ জনায়।

# ভাৰতৰ দুগ্ধ উৎপাদনশীলতাৰ প্ৰত্যাহ্বানঃ জলবায়ু-অনুকূল সঁহাৰিৰ প্ৰয়োজনীয়তা




**এ ৰাই ৰাজেন্দ্ৰ**

**ভা**ৰতৰ দুগ্ধ খণ্ডই জলবায়ু পৰিৱৰ্তনৰ প্ৰতি নিজৰ সহনশীলতা জৰুৰীভাৱে শক্তিশালী কৰাৰ প্ৰয়োজন। কিয়নো ভৱিষ্যদ্বাণী কৰা এল নিনো পৰিস্থিতিয়ে কম বৰষুণ, দীৰ্ঘদিনীয়া গ্ৰীষ্মৰ প্ৰকোপ আৰু গৰু-ম'হৰ ওপৰত অতিৰিক্ত হিট ষ্ট্ৰেছ বৃদ্ধিৰ আশংকা কঢ়িয়াই আনিছে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগৰ মতে, এইবাৰ বৰষুণ স্বাভাৱিক গড়তকৈ প্ৰায় ৯০ শতাংশ কম হোৱাৰ সম্ভাৱনা আছে। ইয়াৰ ফলত দুগ্ধ উৎপাদনক লৈ উদ্বেগ বৃদ্ধি পাইছে। কিয়নো পলমকৈ অহা বা দুৰ্বল মৌচুমী প্ৰবাহে গ্ৰীষ্মকালৰ প্ৰচণ্ড গৰমৰ পৰা কোনো সকাহ নিদিয়ে। ভাৰত বিশ্বৰ ভিতৰতে সৰ্ববৃহৎ দুগ্ধ উৎপাদনকাৰী দেশ হ'লেও উৎপাদনশীলতা এতিয়াও কম। বিশ্বব্যাপী দৈনিক গড়ে ৭.১৮ কেজি দুগ্ধ উৎপাদনৰ বিপৰীতে ভাৰতত প্ৰতিজনী গাই গৰুৰ পৰা দৈনিক গড়ে মাত্ৰ ৪.৮৭ লিটাৰহে গাখীৰ পোৱা যায়। অত্যধিক গৰমে এই ব্যৱধান অধিক বৃদ্ধি কৰে। অধ্যয়ন অনুসৰি খৰাং পৰিস্থিতিয়ে দুগ্ধ উৎপাদন ২৫ শতাংশতকৈও অধিক হ্ৰাস কৰিব পাৰে। আনহাতে এই এল নিনো প্ৰভাৱিত অঞ্চলৰ পৰা লাভ কৰা গোলকীয় প্ৰমাণে ২৫-৩০ শতাংশ পৰ্যন্ত উৎপাদন লোকচান হোৱাৰ দিশ আঙুলিয়াই দিয়ে। ভাৰতৰ প্ৰধানকৈ ক্ষুদ্ৰ দুগ্ধপালকসকলৰ ক্ষেত্ৰত এনে জলবায়ুজনিত আঘাত বা প্ৰভাৱে মানসিকতাতো প্ৰভাৱ পেলায়। ইয়াৰ ফলত ব্যৱসায়ত বিনিয়োগ হ্ৰাস পায়, গৰুৰ সংখ্যা বৃদ্ধিত পলম হয় আৰু কেৱল উৎপাদনক্ষম পশুখিনিকহে পোহপাল দিয়াত অধিক গুৰুত্ব দিয়া হয়। জলবায়ুৰ প্ৰভাৱে দুগ্ধ পামক বিভিন্ন স্তৰত ক্ষতিগ্ৰস্ত কৰে। অত্যধিক গৰমে দুগ্ধ উৎপাদন কমায়, ৰোগ প্ৰতিৰোধ সামঞ্জস্য হ্ৰাস কৰে আৰু প্ৰজনন ক্ষমতাও দুৰ্বল কৰে। একে সময়তে ঘাঁহ-বন আৰু পানীৰ অভাৱে উৎপাদনশীলতাত অধিক প্ৰভাৱ পেলায়। জলবায়ু পৰিৱৰ্তনৰ বাবে যিহেতু প্ৰতিকূল বতৰ আৰু জলবায়ু সঘনাই হ'বলৈ ধৰিছে। গতিকে দুগ্ধ পালনক ইয়াৰ অনুকূল কৰি তোলাটো এতিয়া আৰু বৈকল্পিক হৈ থকা নাই, ই অপৰিহাৰ্য হৈ পৰিছে।সহনশীলতা গঢ়ি তোলাৰ প্ৰথম খোজটোৱেই হৈছে উন্নত পুষ্টি। অত্যধিক গৰমে গৰুৰ খাদ্য গ্ৰহণৰ পৰিমাণ লক্ষণীয়ভাৱে হ্ৰাস কৰে। ২৫-২৬ ডিগ্ৰী চেলচিয়াছ উষ্ণতাতে খীৰতী গাইগৰুৱে কম খাদ্য খাবলৈ আৰম্ভ কৰে। ৩০ ডিগ্ৰী চেলচিয়াছৰ ওপৰত এই পৰিমাণ তীব্ৰভাৱে হ্ৰাস পায় আৰু ৪০ ডিগ্ৰী চেলচিয়াছত ই প্ৰায় ৪০ শতাংশ পৰ্যন্ত কমি যাব পাৰে। পানীৰ উপলব্ধতাও সমানেই গুৰুত্বপূৰ্ণ। কাৰণ প্ৰতি লিটাৰ দুগ্ধ উৎপাদনৰ বাবে প্ৰায় ৪-৫ লিটাৰ পানীৰ প্ৰয়োজন হয়। যেতিয়া জীৱ-জন্তুবোৰে কম খাদ্য আৰু পানী গ্ৰহণ কৰে, তেতিয়া দুগ্ধ উৎপাদন, স্বাস্থ্য আৰু প্ৰজনন দক্ষতা সকলোতে প্ৰভাৱ পৰে। বিজ্ঞানসন্মতভাৱে প্ৰস্তুত কৰা মিশ্ৰিত খাদ্যই এই পুষ্টিৰ নাটনি পূৰণ কৰাত সহায় কৰে। ইয়াৰ পুষ্টিৰে ভৰপূৰ মিশ্ৰণে পশুটোক কম খাদ্য খোৱাৰ পিছতো প্ৰয়োজনীয় পুষ্টি প্ৰদান কৰে আৰু হজম প্ৰক্ৰিয়াৰ সময়ত শৰীৰত কম উত্তাপ উৎপন্ন কৰে। সন্তুলিত পুষ্টিয়ে খাদ্যৰ কাৰ্যক্ষমতাও উন্নত কৰে। নিম্নমানৰ ঘাঁহৰ নাটনি পূৰণ কৰে, প্ৰজনন ক্ষমতাত সহায় কৰে আৰু ৰোগ প্ৰতিৰোধ ক্ষমতা শক্তিশালী কৰে, যাৰ ফলত জীৱ-জন্তুবোৰে জলবায়ুৰ চাপ ভালদৰে সহ্য কৰিব পাৰে। অৱশ্যে কেৱল পুষ্টিৰ লগতে দুগ্ধ পামৰ সু-ব্যৱস্থাপনাও জৰুৰী। ছাঁৰ ব্যৱস্থা কৰা, বতাহ চলাচল কৰিব পৰা গোহালি আৰু খোৱা পানীৰ অহৰহ যোগানে অত্যধিক গৰমৰ প্ৰভাৱ হ্ৰাস কৰাত সহায় কৰে। সু-স্বাস্থ্য, সময়মতে টীকাকৰণ, নিয়মীয়া পশু চিকিৎসা আৰু পৰিষ্কাৰকৈ গাখীৰ খীৰোৱা পদ্ধতি আদিও সমানেই গুৰুত্বপূৰ্ণ, যাতে দুগ্ধ উৎপাদনত পোনপটীয়া প্ৰভাৱ পেলোৱা ৰোগসমূহ প্ৰতিৰোধ কৰিব পৰা যায়। গাখীৰ ঠাণ্ডা কৰি ৰখা আন্তঃগাঁথনি আৰু স্বাস্থ্যকৰ দুগ্ধ সংৰক্ষণৰ বিনিয়োগে গাখীৰৰ গুণগত মান উন্নত কৰে আৰু অপচয় হ্ৰাস কৰে।কৃষকসকলৰ মাজত এই জ্ঞান-তথ্যৰ প্ৰসাৰ ঘটোৱাটোৱে এই পদ্ধতিসমূহ দ্ৰুত কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। ডিজিটেল পৰামৰ্শ মঞ্চ, প্ৰদৰ্শনী ফাৰ্ম আৰু কৃষক প্ৰশিক্ষণ কাৰ্যসূচীয়ে উন্নত পদ্ধতিসমূহ বিয়পাই দিয়াত সহায় কৰিব পাৰে। আনহাতে নতুন প্ৰযুক্তিয়ে কৃষকসকলক পশুখিনিৰ স্বাস্থ্য আৰু উৎপাদনশীলতা অধিক কাৰ্যকৰীভাৱে নিৰীক্ষণ কৰাত সহায় কৰে। প্ৰজনন কাৰ্যসূচীত ধাৰাবাহিক বিনিয়োগে অধিক তাপ-সহনশীল আৰু উৎপাদনক্ষম গৰু গঢ়ি তোলাত সহায় কৰিব। জলবায়ু সহনশীলতা গঢ়ি তোলাৰ বাবে সামূহিক প্ৰচেষ্টাৰ প্ৰয়োজন। এই পদক্ষেপসমূহে সজাগতা কাৰ্যসূচী, প্ৰদৰ্শনী আৰু বিজ্ঞানসন্মত খাদ্য সমাধানৰ জৰিয়তে কৃষকসকলক সহায় কৰিব পাৰে। আনহাতে চৰকাৰে ৰাষ্ট্ৰীয় গোকুল মিছন আৰু পশু ঔষধিৰ দৰে পদক্ষেপৰ জৰিয়তে ইতিমধ্যে প্ৰজনন উন্নয়ন আৰু পশু চিকিৎসা ব্যৱস্থা শক্তিশালী কৰি তুলিছে। ধাৰাবাহিক নীতিগত সমৰ্থন, সহজ ঋণৰ সুবিধা আৰু জলবায়ু-সহনশীল পদ্ধতি গ্ৰহণৰ বাবে উদগনিমূলক ব্যৱস্থাই এই অগ্ৰগতিক অধিক ত্বৰান্বিত কৰিব।জলবায়ুৰ অনিশ্চয়তা যিহেতু এতিয়া এক স্বাভাৱিক পৰিস্থিতি হৈ পৰিছে। গতিকে দুগ্ধ উৎপাদনশীলতা বৃদ্ধি কৰাটো কেৱল গাখীৰৰ পৰিমাণ বঢ়োৱাতে সীমাবদ্ধ নহয়। ই হৈছে কৃষকৰ জীৱিকা সুৰক্ষিত কৰা, খাদ্য সুৰক্ষা শক্তিশালী কৰা আৰু ভৱিষ্যতৰ জলবায়ুৰ আঘাত-প্ৰভাৱ সহ্য কৰিব পৰা এক দুগ্ধ খণ্ড গঢ়ি তোলা। আজি গঢ়ি তোলা এই সহনশীলতাই ভাৰতৰ দুগ্ধ খণ্ডক উৎপাদনক্ষম, বহনক্ষম আৰু ভৱিষ্যতৰ প্ৰত্যাহ্বানৰ বাবে প্ৰস্তুত কৰি তুলিব।

**লেখক-গড্ৰেজ এগ্ৰ'ভেট লিমিটেডৰ মুখ্য কাৰ্যবাহী বিষয়া পশুপুষ্টি ব্যৱসায়**

# শিক্ষাই মানুহৰ মনত উচিত-অনুচিতৰ বিবেক জাগ্ৰত কৰেঃ ড°মোহন ভাগৱত

**নয়নজ্যোতি তালুকদাৰ**



**ৰা**ষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ সৰসংঘচালক ড° মোহন ভাগৱতে পহিলা জুলাইত জৰীপটকাৰ সিন্ধু এডুকেচন ছ'চাইটীৰ অমৃত মহোৎসৱ বৰ্ষৰ উদ্বোধনী কাৰ্যসূচীত ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী তথা উপস্থিত নাগৰিকসকলক মাৰ্গদৰ্শন কৰে।তেওঁ কয় যে, ৭৫ বছৰ সম্পূৰ্ণ হোৱাৰ এই উৎসৱ কেৱল আনন্দ উদযাপন কৰিবলৈ নহয়, বৰঞ্চ এই আনন্দৰ আঁৰত থকা সংগ্ৰামৰ গাথাসমূহ স্মৰণ কৰিবলৈহে। ঐতিহাসিক প্ৰসংগৰ অৱতাৰণা কৰি তেওঁ কয় যে, পৰিস্থিতি আৰু দশা সলনি হ'ব পাৰে, কিন্তু লক্ষ্যৰ দিশ সলনি হ'ব নালাগে। ড° এপিজে আব্দুল কালামৰ জীৱনৰ এক প্ৰসংগ উল্লেখ কৰি তেওঁ কয় যে, এৰ'নটিকেল ইঞ্জিনীয়াৰিং (বিমান অভিযান্ত্ৰিক) পৰীক্ষাত ব্যৰ্থ হোৱাৰ পিছত হতাশ হৈ তেওঁ ঋষিকেশলৈ গৈছিল, কিন্তু তাত স্বামী শিৱানন্দৰ মাৰ্গদৰ্শনৰ পৰা তেওঁ এই অনুপ্ৰেৰণা লাভ কৰিলে যে এখন দুৱাৰ বন্ধ হোৱাৰ অৰ্থ হৈছে আন এখন দুৱাৰ তেওঁৰ বাবে খোল খাই পৰা।তেওঁ কয় যে, পৰিস্থিতিৰ সন্মুখত ভাঙি পৰি কান্দি থকাটো উচিত নহয়, বৰঞ্চ প্ৰয়াস কৰা, অপেক্ষা কৰা আৰু নিৰন্তৰ সংগ্ৰাম কৰি যোৱাটোহে কৰ্তব্য। জীৱনত পৰিস্থিতিৰ পৰা পলাই যাব নালাগে। পলাই গ'লে, আঁতৰি গ'লে বা বহি পৰিলে কেৱল বদনামীহে হ'বলগীয়া হয়, সেইবাবে সদায় থিয় দি থাকিব লাগে আৰু যুঁজি থাকিব লাগে। যেনেকৈ ভগৱান শ্ৰীকৃষ্ণই অৰ্জুনক যুদ্ধক্ষেত্ৰৰ পৰা পলায়ন কৰাত বাধা দিছিল। দেশ বিভাজনৰ সময়ত নিজৰ সকলো ত্যাগ কৰি ভাৰতলৈ অহা সিন্ধী সমাজৰ পূৰ্বপুৰুষসকলক স্মৰণ কৰি সৰসংঘচালকগৰাকীয়ে কয় যে, তেওঁলোক শৰণাৰ্থী নাছিল, বৰঞ্চ আছিল বাস্তুচ্যুত (বিস্থাপিত)যিসকলে সম্পত্তি আৰু জীৱিকাৰ সলনি নিজৰ ধৰ্ম আৰু ৰাষ্ট্ৰক বাছি লৈছিল। পৰিস্থিতি যিয়েই নহওক কিয়, ধৈৰ্য আৰু সতত প্ৰয়াসেৰেহে মানুহ বিজয়ী হয়। জীৱিকা উপাৰ্জনৰ বাবে শিক্ষা আৱশ্যকীয় হ'ব পাৰে, কিন্তু সেয়াই পৰ্যাপ্ত নহয়। প্ৰকৃত শিক্ষা সেয়াহে, যিয়ে মানুহৰ মনত উচিত আৰু অনুচিতৰ বিবেক জাগ্ৰত কৰে। এই শিক্ষা ঘৰৰ পৰা, মাতৃৰ পৰা আৰম্ভ হয় আৰু জীৱনৰ অভিজ্ঞতাৰ মাজেৰে পৰিপক্ক হৈ উঠে। ভগৱান বুদ্ধৰ শিক্ষাৰ কথা সোঁৱৰাই দি তেওঁ কয় যে যি কৰ্মই আনক কষ্ট দিয়ে, সেয়াই পাপ আৰু তাৰ পৰা সদায় বিৰত থকা উচিত।মোহন ভাগৱতে কয় যে জীৱনৰ লক্ষ্য কেৱল নিজৰ বাবে জীয়াই থকাটো নহয়, বৰঞ্চ আনৰ বাবে জীয়াই থকাটোহে-নিজকে এজন সৎ মানুহ হিচাপে গঢ়ি তুলি, কথাৰে নহয়, বৰঞ্চ নিজৰ আচাৰ-ব্যৱহাৰৰ মাধ্যমেৰে আনকো সৎ মানুহ হ'বলৈ অনুপ্ৰাণিত কৰাটোৱেই জীৱনৰ প্ৰকৃত উদ্দেশ্য। তেওঁ সিন্ধু এডুকেচন ছ'চাইটীৰ ৭৫ বছৰীয়া যাত্ৰাক এই মূল্যবোধভিত্তিক জীৱন-দৰ্শনৰেই প্ৰতিফলন বুলি অভিহিত কৰি সংস্থাটোক অমৃত মহোৎসৱ বৰ্ষৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰে। এই কাৰ্যসূচীত সংস্থাটোৰ বিষয়ববীয়াসকল, শিক্ষক সমাজ, ছাত্ৰ-ছাত্ৰী আৰু গণ্য-মান্য নাগৰিকসকল উপস্থিত আছিল।

# আমি কিবা খেলনা নেকি ?

**দীনবন্ধু কলিতা**



**নি**বলৈ আহিছা বুলিয়েই তোমাৰ লগত ঘূৰি যাম বুলি কেনেকৈ ভাবিব পাৰিলা কোৱাচোন? যেতিয়া তোমাৰ লগত থাকিবলৈ হাজাৰ কাকুতি-মিনতি কৰিছিলোঁ, তুমি যে কিমান জোৰ-জুলুম কৰি মোক ঘৰৰ পৰা খেদি পঠিয়াইছিলা, সেই সকলো কথা পাহৰি পেলালা নেকি? তুমি মোৰ পত্নী। সেয়ে তোমাক নিবলৈ আহিছোঁ। দস্তুৰমতে, তোমাক সেন্দূৰ পিন্ধাই, সামাজিক ৰীতি-নীতিৰ মাজেৰে বিয়া পাতিছিলোঁ। নাযাওঁ বুলিলেই নহ'ব নহয়। যাবই লাগিব।কপালত সেন্দুৰকণ পিন্ধাই দিলেই স্বামী ধৰ্ম শেষ হৈ যায় নেকি? তোমাৰ লগত থকা কালছোৱাত তুমি মোৰ ওপৰত কিমান মানসিক নিৰ্যাতন চলাইছিলা, কেতিয়াবা ভাবি চাইছানে? হ'ব হ'ব, পুৰণি কথাবোৰ আৰু পাগুলি থাকিব নালাগে। সেইবোৰ বাদ দিয়া। অ', প্ৰয়োজনত তোমালোকে ৰাখিবা আৰু অপ্ৰয়োজনত আমাক দলিয়াই পেলাবা, নহয়নে? আমি কিবা খেলনা নেকি? তোমালোকৰ দৰে কিছুমান পুৰুষে আমাক কি বুলি ভাবা? অনুগ্ৰহ কৰিছোঁ, তুমি মোৰ চকুৰ সমুখৰ পৰা এতিয়াই আঁতৰি যোৱা। সেইবোৰ ধৰি নাথাকিবা। বয়স বহুত হ'ল-বহু কথাই শিকিলোঁ। জীৱনটোত অনেক ভুল কৰি আহিলোঁ। অতীতৰ কথাবোৰ পাহৰি যোৱা। মই এতিয়া বৰ অকলশৰীয়া হৈছোঁ, জানানে তুমি? তুমি কৈছা বুলিয়েই সকলো পাহৰিব নোৱাৰোঁ। কাৰণ সকলো ভুলেই সদায় ক্ষমা যোগ্য হ'ব নোৱাৰে। ডেকা বয়সত ধন-জনৰ বলত তুমি আমাক মানুহ বুলিয়েই গণ্য কৰা নাছিলা। মোক তুমি বান্দীতকৈও বেয়া ব্যৱহাৰ কৰিবলৈ অকণো সংকোচ নকৰিছিলা। তথাপিও পত্নীধৰ্ম পালনত কিবা অৱহেলা কৰিছিলোঁ বুলি মোক আজিও তুমি ক'ব নোৱাৰিবা। সকলো বুজিলোঁ। মোক মাফ কৰি দিয়া। এটা কথা, সৌন্দৰ্য আৰু ক্ষমতা চিৰকাল একেদৰে নাথাকে। সময়ে যে পৰ্যায়ক্ৰমে তোমাৰ সকলো এটা এটাকৈ কাঢ়ি নিবলৈ ধৰিছে সেয়া মন কৰিছানে নাই? ধন-ঐশ্বৰ্যৰ বলত বলীয়ান হৈ তোমাৰ আপোন মানুহবোৰক যে দূৰলৈ ঠেলি পঠিয়াইছিলা, সেইবোৰ পাহৰিলে নহ'ব। তুমি হয়তো ভাবিছিলা তোমাৰ দিনবোৰ সদায় একেদৰেই যাব। মই সঁচাই বৰ ডাঙৰ ভুল কৰিছিলোঁ। আজি তাৰ বিষময় ফল ভুগিছোঁ। মোৰ কাষত আজি তেতিয়াৰ কোনো এজন নাই। সকলোৱে লগ এৰিলে। লাহে লাহে নানানটা ৰোগেও মোৰ শৰীৰত ঘৰ সাজিবলৈ লৈছে। ব'লানা-মই আজি অনুভৱ কৰিছোঁ যে এই পৃথিৱীত তোমাতকৈ আপোন মোৰ আৰু কোনো নাই। সাপে কঁকালৰ কোব নাপাহৰাৰ দৰে ময়ো তোমাৰ পৰা পোৱা অমানৱীয় আচৰণৰ কথা কেতিয়াও পাহৰিব নোৱাৰিম। ইতিমধ্যে তুমি অবিহনে মই জীয়াবলৈ শিকিলোঁ। এতিয়া আৰু মোৰ জীৱনত তোমাৰ কোনো স্থান নাই। তুমি অহা বাটে উভতি যোৱা।

# অসম সাঁতোৰৰ স্বৰ্ণযুগৰ নেপথ্যৰ ৰূপকাৰ ভাস্কৰ ৰঞ্জন দাস

**মুকুটেশ্বৰ গোস্বামী,ক্ৰীড়া স্তম্ভ লেখক**

**ছু**ইমিং ফেডাৰেচন অৱ ইণ্ডিয়াৰ উপ-সভাপতি তথা অসম সাঁতোৰ সংস্থাৰ সাধাৰণ সম্পাদক ভাস্কৰ ৰঞ্জন দাস। তেখেতৰ বলিষ্ঠ নেতৃত্বৰ সময়ছোৱাত অসমে ভাৰতীয় সাঁতোৰ ক্ষেত্ৰত নিজৰ এক সুকীয়া পৰিচয় গঢ়ি তুলিবলৈ সক্ষম হৈছে। বিগত এটা দশকত অসমৰ সাঁতোৰে সৰ্বভাৰতীয় পৰ্যায়ত ধাৰাবাহিকভাৱে সাফল্য লাভ কৰি ৰাজ্যখনক এক সাঁতোৰ শক্তি হিচাপে প্ৰতিষ্ঠা কৰাৰ দিশত উল্লেখযোগ্য অগ্ৰগতি সাধন কৰিছে।এটা ক্ৰীড়া সংগঠনৰ সাফল্য কেৱল পদকৰ সংখ্যাৰে লেখ-জোখ কৰিব পৰা নাযায়। সাফল্যৰ প্ৰকৃত মানদণ্ড হৈছে নন প্ৰতিভা সৃষ্টি, সুপৰিকল্পিত ক্ৰীড়া ব্যৱস্থাপনা গঢ়ি তোলা, দক্ষ প্ৰশিক্ষণৰ পৰিবেশ নিশ্চিত কৰা আৰু উৎকৰ্ষৰ ধাৰাবাহিকতা বজাই ৰখা। এই দৃষ্টিকোণৰ পৰা ভাস্কৰ ৰঞ্জন দাসৰ কাৰ্যকাল অসম সাঁতোৰৰ বাবে এক স্বৰ্ণিম অধ্যায়।এসময়ত ৰাষ্ট্ৰীয় পৰ্যায়ত অসম সাঁতোৰ দলটোৱে সীমিত সাফল্য লাভ কৰা পৰিলক্ষিত হৈছিল। তাৰ বিপৰীতে আজি অসম ভাৰতীয় সাঁতোৰৰ এক উল্লেখযোগ্য শক্তি হিচাপে আত্মপ্ৰকাশ কৰিছে। এয়া আকস্মিক পৰিৱৰ্তন নহয়, ই হৈছে সুদূৰপ্ৰসাৰী পৰিকল্পনা, দায়িত্বশীল ক্ৰীড়া প্ৰশাসন, দৃঢ় নেতৃত্ব আৰু খেলুৱৈ-কেন্দ্ৰিক দৃষ্টিভংগীৰ সমন্বিত ফল।তেখেতৰ নেতৃত্বত অসমৰ সন্তৰণবিদে কেৱল ৰাষ্ট্ৰীয় মঞ্চতেই নহয়, আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তো নিজৰ সামঞ্জস্য শক্তিৰে উজ্জ্বল পৰিচয় দাঙি ধৰিছে। ক'ভিড কালৰ পিছত শিৱাংগী শৰ্মা, আস্থা চৌধুৰী, তীৰ্থাংক পেগু, জনঞ্জয় জ্যোতি হাজৰিকা, বিক্ৰম চাংমাই, জাহ্নৱী কাশ্যপ আদি খেলুৱৈয়ে ভাৰতীয় জাতীয় দলত স্থান লাভ কৰি এছিয়ান গেমছ, এছিয়ান এইজ গ্ৰুপ চেম্পিয়নশ্বিপ আদি প্ৰতিযোগিতাত অংশগ্ৰহণেৰে অসম আৰু ভাৰতৰ সুনাম বৃদ্ধি কৰিছে। ভাৰতীয় সাঁতোৰ জগতৰ কেইবাটাও ৰাষ্ট্ৰীয় অভিলেখ অসমৰ খেলুৱৈসকল যথাক্ৰমে জনঞ্জয় জ্যোতি হাজৰিকা, জাহ্নৱী কাশ্যপ, বিক্ৰম চাংমাই নিজৰ নামত খোদিত কৰিবলৈ সক্ষম হৈছে। একবাৰে শেহতীয়া ৰাষ্ট্ৰীয় অভিলেখ গঢ়িলে ৭৯তম ছিনিয়ৰ ৰাষ্ট্ৰীয় সাঁতোৰ চেম্পিয়নশ্বিপত অসমৰ আস্থা চৌধুৰীয়ে ২০০ মিটাৰ বাটাৰফ্লাই শাখাত ১৭ বছৰ পুৰণি ৰাষ্ট্ৰীয় অভিলেখ ভংগ কৰি অসমবাসীক গৌৰৱান্বিত কৰিছে। এই সফলতাৰ অন্তৰালত আছে সুসংহত প্ৰতিভা বিকাশৰ এক ধাৰাবাহিক প্ৰক্ৰিয়া। তৃণমূল পৰ্যায়ৰ পৰা প্ৰতিভা চিনাক্তকৰণ, প্ৰশিক্ষক উন্নয়ন, বৈজ্ঞানিক প্ৰশিক্ষণ পদ্ধতিৰ প্ৰয়োগ, আধুনিক সুবিধাৰ সম্প্ৰসাৰণ আৰু সঠিক প্ৰতিযোগিতামূলক পৰিকল্পনাই অসমৰ সাঁতোৰক নতুন উচ্চতাৰ শিখৰ লৈ ধাৱমান কৰিছে। তাৰ ফলস্বৰূপে জুনিয়ৰ, ছাব-জুনিয়ৰ, ছিনিয়ৰ ৰাষ্ট্ৰীয় চেম্পিয়নশ্বিপৰ পৰা ৰাষ্ট্ৰীয় গেমছলৈকে অসমৰ উপস্থিতি এতিয়া নিয়মিত, শক্তিশালী আৰু প্ৰতিদ্বন্দ্বিতাপূৰ্ণ। এই ধাৰাবাহিকতাই যিকোনো সফল ক্ৰীড়া ব্যৱস্থাৰ প্ৰকৃত শক্তিৰ পৰিচয় বহন কৰে।এজন সফল সংগঠকৰ সৰ্বশ্ৰেষ্ঠ কৃতিত্ব হৈছে এনে এক ব্যৱস্থা গঢ়ি তোলা, যিয়ে ব্যক্তিনিৰ্ভৰতা অতিক্ৰম কৰি




নিজ শক্তিত আগবাঢ়ি যাব পাৰে। ভাস্কৰ ৰঞ্জন দাসে অসম সাঁতোৰত তেনে এক ভেটি গঢ়ি তোলাৰ প্ৰয়াস কৰিছে। তেওঁৰ নেতৃত্বই কেৱল সাফল্যই কঢ়িয়াই অনা নাই, বৰং ভৱিষ্যৎ প্ৰজন্মৰ বাবে এক সুদৃঢ় ক্ৰীড়া পৰিবেশো সৃষ্টি কৰিছে।অসমৰ সাঁতোৰৰ এই উত্থান কোনো ক্ষণস্থায়ী চমক নহয়। ই হৈছে সুদূৰপ্ৰসাৰী নেতৃত্ব, বিচক্ষণ সিদ্ধান্ত, দায়িত্বশীল ক্ৰীড়া প্ৰশাসন আৰু উৎকৰ্ষৰ প্ৰতি অবিচল অংগীকাৰৰ ফল। সেইবাবেই আজিৰ অসম সাঁতোৰৰ সাফল্যৰ ইতিহাস লিখোঁতে ভাস্কৰ ৰঞ্জন দাসৰ নেতৃত্বৰ কথা বিশেষভাৱে স্মৰণীয় হৈ থাকিব। লগতে আমাৰো দায়িত্ব আছে তেখেতৰ হাতত হাত থৈ অসম সাঁতোৰক আৰু অধিক গতি দি অধিক শক্তিশালী কৰি তোলা। আহক, ৰূপকাৰগৰাকীৰ সপোনক বাস্তৱায়িত কৰাৰ লক্ষ্যৰে একেলগে আগবাঢ়ি অসম সাঁতোৰক বিশ্ব মঞ্চত এক উজ্জ্বল নক্ষত্ৰ পৰিচয় দিওঁ।

# পদ্ম ৰাজবংশীৰ ছাত্ৰ-ছাত্ৰীৰ উপযোগী গ্ৰন্থ ৰচনা মাধুৰ্য

**দিলীপ বৰ্মন**

**আমি** প্ৰাথমিক বিদ্যালয়তে অধ্যয়ন কৰিছো যে, 'যি পুথি অধ্যয়ন কৰিলে ভাষা শুদ্ধকৈ ক'ব আৰু লিখিব পাৰি তাকেই ব্যাকৰণ বোলে। ব্যাকৰণ মানে হ'ল - আখৰ, শব্দ, বাক্যৰ শৃংখলাবদ্ধ নিয়ম। নিয়মৰ মাজেৰে গতি কৰে ব্যকৰণে। ব্যকৰণ মানে শুদ্ধ। বিশ্বৰ প্ৰায় সকলোবোৰ ভাষাৰেই ব্যকৰণ আছে। ব্যাকৰণৰ মাধ্যমৰে ভাষাই মৰ্যাদা লাভ কৰে। কিছুদিন পূৰ্বে আমাৰ শ্ৰদ্ধাৰ আজীৱন শিক্ষাব্ৰতী, অসমীয়া ভাষা - সাহিত্যৰ একনিষ্ঠ সেৱক, মানৱদৰদী, শাস্ত্ৰ অধ্যয়নত, বিশেষ ব্যুৎপত্তি লাভ কৰা, মিলন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অভিজ্ঞ শিক্ষক,একাধিক গ্ৰন্থৰ প্ৰণেতা পদ্ম ৰাজবংশীয়ে 'ৰচনা মাধুৰ্য' (ব্যকৰণসহ) শীৰ্ষক গ্ৰন্থখন স্নেহাশীলভাৱে অৰ্পণ কৰে। গ্ৰন্থখন আমি মহা আনন্দৰে গ্ৰহণ কৰো। গ্ৰন্থখন আমাৰ হাতত অৰ্পিত হোৱাৰে পৰাই অধ্যয়নৰ দিশে অগ্ৰসৰ হওঁ ।ৰাজবংশীয়ে গ্ৰন্থখনৰ বেটুপাততে গ্ৰন্থখন ষষ্ঠ, সপ্তম,অষ্টম,নৱম আৰু দশম শ্ৰেণীৰ বাবে বুলি উল্লেখ কৰিছে। বেটুপাত পৃষ্ঠা অধ্যয়ন কৰিয়ে বুজি পালো যে গ্ৰন্থখন ষষ্ঠ শ্ৰেণীৰ পৰা দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ উপযোগী ।শিক্ষাৰ ক্ষেত্ৰত ৰাজবংশী অসমীয়া বিষয়ৰ স্নাতকোত্তৰ ডিগ্ৰীধাৰী। ৰাজবংশীয়ে বহুসংখ্যক গ্ৰন্থ অধ্যয়ন কৰি জ্ঞান সঞ্চিত কৰিছে। অৰ্থাৎ ৰাজবংশীৰ জ্ঞানৰ ভঁৰাল চহকী। এই গ্ৰন্থখন যুগুত কৰাৰ ক্ষেত্ৰতো বহুসংখ্যক গ্ৰন্থ অধ্যয়ন কৰিছে। গাখীৰৰ পৰা ক্ৰীম উলিওৱা কাৰ্য ৰূপায়ণ কৰিছে গ্ৰন্থখনত। অধ্যয়নপুষ্ট জ্ঞানৰ বাবে গ্ৰন্থখনে আশাৰ ফচল বুটলিব পাৰিছে বুলি ক'ব পাৰি। গ্ৰন্থখনত আমাৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু, সাহিত্যাচাৰ্য ডক্টৰ বসন্ত কুমাৰ ভট্টাচাৰ্য ছাৰৰ অভিমত এটাও প্ৰকাশ পাইছে। ছাৰে অভিমতটোত উল্লেখ কৰিছে যে,'অসমীয়া বিষয়ৰ এনে পুথি ভালেসংখ্যক আছে । এনে পুথিৰ সংখ্যা বৃদ্ধি পোৱাটো ভাষাটোৰ কাৰণেই এটা শুভ লক্ষণ। শ্ৰীৰাজবংশীৰ ৰচনা আৰু ব্যাকৰণ বিষয়ক যিখিনি নতুন কথা পুথিখনত সংযোজন কৰিছে সেইবোৰে ছাত্ৰ-ছাত্ৰীক নতুন পোহৰ দিব আৰু পৰীক্ষাৰ কাৰণেও উপযোগী হ'ব। গ্ৰন্থখনত সন্নিৱিষ্ট বিষয়সূচীসমূহ হ'ল - প্ৰথম খণ্ডঃ ব্যাকৰণ বিভাগ - ধ্বনি আৰু ভাষা, বৰ্ণ বা আখৰ আৰু বৰ্ণমালা, বৰ্ণ বিভাগ, স্বৰবৰ্ণৰ ভাগ, ব্যঞ্জনবৰ্ণৰ ভাগ, ভাষা, কথিত আৰু লিখিত, উপভাষা আৰু মান্যভাষা, যুক্তাক্ষৰ, বৰ্ণ বিন্যাস, শব্দ, শব্দৰ প্ৰকৃতি ,শব্দৰ শ্ৰেণী বিভাজন,বাক্য , বাক্য-ৰীতি, বাক্যৰ আংগিক বিভাজন, গঠন অনুসৰি বাক্যৰ প্ৰকাৰ, পদ, অব্যয় পদ, ক্ৰিয়া পদ, বচন, পৰুষ,ধাতু,কাল, বিভক্তি, কাৰক আৰু বিভক্তি, প্ৰত্যয় , তদ্ধিত প্ৰত্যয়, নিৰ্দেশাত্মাক প্ৰত্যয়, অনিৰ্দেশক প্ৰত্যয়, দৃঢ়তাবাচক প্ৰত্যয়,স্বাৰ্থিক প্ৰত্যয়, উপসৰ্গ, নত্ববিধি , ষত্ববিধি,লিংগ, সন্ধি, সমাস, নিত্য সমাস , সন্ধি আৰু সমাসৰ প্ৰভেদ, পদ পৰিৱৰ্তন, বাচ্য, বাচ্য পৰিৱৰ্তন, উক্তি , বাক্য পৰিৱৰ্তন,খণ্ডবাক্য আৰু বাক্যাংশ, খণ্ডবাক্য আৰু জতুৱা ঠাঁচৰ বাক্যৰচনা , অনুকাৰ আৰু অনুৰূপ শব্দ, সামৰ্থক বা প্ৰতি শব্দ, বিপৰীত শব্দ, সমোচ্চাৰণ শব্দ, বাক সংযত বা এটা শব্দত প্ৰকাশ কৰা, সাধাৰণতে কেতবোৰ ভুল হোৱা বানান, ভুল বাক্যৰ শুধৰণি, ফকৰা - যোজনা ভাব সম্প্ৰসাৰণ। দ্বিতীয় খণ্ডঃ চিঠি আৰু দৰ্খাস্ত বা আবেদনৰ আৰ্হি । তৃতীয় খণ্ডঃ ৰচনা । অৱশ্যে গ্ৰন্থখনত কিছু পৰিমানে ইংৰাজী ভাষাৰো জ্ঞান লাভ কৰিব পাৰিব। গ্ৰন্থখন প্ৰস্তুত কৰোতে ৰাজবংশীয়ে সত্যনাথ বৰাৰ বহল ব্যাকৰণ, ভগবান মৰলৰ অসমীয়া ব্যাকৰণ জ্যেতি, ডক্টৰ গোলক চন্দ্ৰ গোস্বামীৰ অসমীয়া ব্যাকৰণ প্ৰৱেশ, ধৰ্মসিংহ ডেকাৰ ৰচনা বিচিত্ৰা, ডেকা আৰু ডেকাৰ ৰচনা প্ৰবাহ, ভূঞা আৰু খানৰ সহজ ৰচনা শিক্ষা, ডেকা আৰু কলিতাৰ আধুনিক ৰচনা বিচিত্ৰা, দীনেশ্বৰ নাথৰ নতুন আৰ্হি অসমীয়া ব্যাকৰণ আৰু ৰচনা ,ডক্টৰ ৰুবী বৰা শইকীয়াৰ আধুনিক অসমীয়া ব্যাকৰণ আৰু ৰচনা শিক্ষা, ভাস্কৰ বৰ্মনৰ সম্পাদনা সংকলন কৰোনা আৰু ইয়াৰ প্ৰতিৰোধ, জগন্নাথ শৰ্মাৰ পটন্তৰ কোষ, ডক্টৰ অজয় চক্ৰবৰ্তীৰ অলংকাৰ ধ্বনি আৰু ছন্দ,ডক্টৰ ৰমেশ পাঠকৰ ব্যাকৰণ আৰু প্ৰকৃতি বিজ্ঞান, ডক্টৰ উপেন্দ্ৰনাথ গোস্বামীৰ অসমীয়া ভাষাৰ ব্যাকৰণ, ডক্টৰ মহেশ্বৰ নেওগৰ আধুনিক অসমীয়া অভিধানকে ধৰি আৰু বহুকেইজনৰ গ্ৰন্থ অধ্যয়ন কৰি সমল সংগ্ৰহ কৰিছে। আনহাতে গ্ৰন্থখনত ৰাজবংশীৰ মৌলিক চিন্তা ধাৰাও প্ৰতিফলিত হৈছে । এক কথাত কবলৈ হ'লে স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ পৰা কলেজীয়া ছাত্ৰ-ছাত্ৰীৰ বাবেও গ্ৰন্থখন উপযোগী হোৱা বুলি ক'ব পাৰি। গ্ৰন্থখন অসমীয়া সাহিত্যৰ ছাত্ৰ-ছাত্ৰীৰ বাবে গ্ৰহণযোগ্য। গ্ৰন্থখনৰ ভিতৰ চৰাত সাধাৰণ দুই এটি সৰুসুৰা ভুল নথকা নহয়। দুই এটি বানানো ভুল আছে। সামগ্ৰিকভাৱে ক'বলৈ হ'লে গ্ৰন্থখনে অসমীয়া ভাষাৰ মৰ্যাদা লাভ কৰিছে। গ্ৰন্থখনৰ পৃষ্ঠা ৩৪৩, মূল্য-২২০ টকা। পৰিৱেশক জাৰ্ণাল এম্পৰিয়াম, প্ৰকাশক - বাবুল প্ৰকাশন, হাঁহদলী, নলবাৰী ।




# হাল এৰি শিয়াল খেদো আহক

**দিপেন ভৰালী**

**দেশ** জ্বলিছে
মূল্যবৃদ্ধিয়ে জ্বলাইছে
নিৰন্ন জনতাক
এইবোৰকলৈ মাত মাতিবলৈ
মৌন দল-সংগঠন
আহক টুপাই বুৰ মাৰো
হাল এৰি শিয়াল খেদো।
প্ৰতিদিনে বাঢ়িছে পেট্ৰল-
ডিজেলৰ দাম
চিলিঙাৰে চুবলৈ গৈ আছে
এহেজাৰ
এইবোৰক লৈ কিয়নো মাত
মাতো
আহক আমি
হাল এৰি শিয়াল খেদো।
মাত মাতিবলগা কথাত
নামাতি আহক আমি লুকাচুৰি
খেলো
মাত মাতিবলৈ আমাৰনো কি
গৰজ পৰিছে।
আনবোৰ আছে নহয়।
শিক্ষা ব্যৱস্থাত অজস্ৰ কেৰোণ
ফাদিল হয় পৰীক্ষাৰ পেপাৰ
ৰজাঘৰৰ কিয়নো ৰোষত পৰো
আহক আমি
হাল এৰি শিয়াল খেদো।
এনেকৈয়ে চলিব দেশ
লুটিব দেশৰ সম্পত্তি ।
আমাৰনো কি যাব।
কিনো আহিব।



# ছমৰীয়াত ২০ বছৰীয়া যুৱক নিৰুদ্দেশ পৰিয়ালৰ মাজত হাহাকাৰ

**বাতৰি কাকত সোণতলী,২৩ জুলাইঃ** কামৰূপ জিলাৰ বকো - ছয়গাঁও সমষ্টিৰ অন্তৰ্গত ছমৰীয়া সত্ৰত নিশা এগৰাকী যুৱক নিৰুদ্দেশ হৈ থকাৰ ঘটনাই পৰিয়ালৰ মাজত হুৰা - দুৰাৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, ছমৰীয়া সত্ৰৰ গাঁও নিবাসী বাবুল মজুমদাৰৰ ২০ বছৰীযা পুত্ৰ বিদ্যুত মজুমদাৰে নিশাই নিজ বাসগৃহৰ পৰা ওলাই যায় যদিও নিজ ঘৰলৈকে ওভতি নহাৰ লগতে নিৰুদ্দেশ হৈ থকাত পৰিয়ালৰ মাজত হুৰা - দুৰাৰ সৃষ্টি হয়। ইতিমধ্যে পৰিয়ালৰ লোকে অনেক বিচাৰ - খোচাৰ কৰি যুৱক গৰাকীৰ শুংসূত্ৰ নোপোৱাত ছমৰীয়া পহৰা চকীত এখনি এজাহাৰ দাখিল কৰা বুলি জানিবলৈ দিয়ে। বিদ্যুত মজুমদাৰৰ শুংসূত্ৰ কোনোবাই লাভ কৰিলে ৬০০৩৬২২৩৯৬ মোবাইল নম্বৰৰ যোগে জানিবলৈ পৰিয়ালৰ লোকে আহবান জনাইছে।

# তামুলপুৰ জিলা ৰাভা ছাত্ৰ সন্থাৰ উদ্যোগত কীৰ্তিমান ছাত্ৰ-ছাত্ৰীক অভিনন্দন অনুষ্ঠান

**বাতৰিকাকত,তামুলপুৰ,২৩ জুলাইঃ** তামুলপুৰ জিলা ৰাভা ছাত্ৰ সন্থাৰ উদ্যোগত আৰু নিখিল ৰাভা ছাত্ৰ সন্থাৰ সহযোগত আজি তামুলপুৰ মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত এক বিশেষ আলোচনাচক্ৰ অনুষ্ঠিত হৈ যায়। উঠি অহা নৱপ্ৰজন্মৰ শৈক্ষিক ভৱিষ্যত সুনিশ্চিত কৰাৰ উদ্দেশ্যেৰে শিক্ষা- এক সুস্থ সমাজ আৰু উজ্বল ভৱিষ্যতৰ চাবিকাঠি শীৰ্ষক আলোচনা চক্ৰখন আনুষ্ঠানিকভাৱে উদঘাটন কৰি অসম চৰকাৰৰ হস্ততাঁত, বস্ত্ৰ, ৰেচম, ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ কেবিনেট মন্ত্ৰী বিশ্বজিৎ দৈমাৰীয়ে ছাত্ৰ-ছাত্ৰীসকলক সময়ৰ সঠিক ব্যৱহাৰ কৰিবলৈ আৰু কেৱল চাকৰিমুখী নহৈ জ্ঞান অৰ্জনৰ বাবে মনোযোগ দি সমাজৰ একো একোজন সুনাগৰিক হ'বলৈ উদগনিমূলক পৰামৰ্শ আগবঢ়ায়। তামুলপুৰ জিলা ৰাভা ছাত্ৰ সন্থাৰ সভাপতি কমল ৰাভা হাকাচামৰ সঞ্চালনাত আৰু সাধাৰণ সম্পাদক ৰাহুল ৰাভাৰ আদৰণি ভাষণেৰে আৰম্ভ হোৱা এই গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে নিখিল ৰাভা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক সুভাষ ৰাভা। উক্ত অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰিবলৈ নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে প্ৰাক্তন এ.চি.এছ. তথা কেৰিয়াৰ ক্লাছৰ প্ৰতিষ্ঠাপক পুনম গগৈ। নিৰ্দিষ্ট বক্তা পুনম গগৈয়ে ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক ভৱিষ্যতৰ বাবে লক্ষ্য স্থিৰ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ লগতে আধুনিক প্ৰত্যাহ্বানৰ মাজতো একাগ্ৰতাৰে আগবাঢ়ি গৈ কেনেকৈ নিজৰ কেৰিয়াৰ গঢ়িব পাৰি সেই সম্পৰ্কে গুৰুত্বপূৰ্ণ বক্তব্য ৰাখি ছাত্ৰ-ছাত্ৰী সকলক অনুপ্ৰেৰণা যোগায়। এই বিশেষ অনুষ্ঠানটোতেই সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত জিলাখনৰ পৰা ৭৫ শতাংশ আৰু ততোধিক নম্বৰ লাভ কৰিবলৈ সক্ষম হোৱা ১৭



গৰাকী কৃতী ছাত্ৰ-ছাত্ৰীক ৰাভা জনগোষ্ঠীৰ জাতীয় পাজাৰ আৰু একোখনকৈ মানপত্ৰেৰে উষ্ম সম্বৰ্ধনা জ্ঞাপন কৰা হয়। এই বিশেষ আলোচনাচক্ৰখনত বিশিষ্ট অতিথি হিচাপে তামুলপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ যোগেন বড়ো আৰু সন্মানীয় অতিথি হিচাপে ৰাভা উন্নয়ন পৰিষদৰ উপ-সভাপতি লক্ষী ৰাভা,বিটিচিৰ প্ৰাক্তন মনোনীত এমচিএল এ হেমন্ত কুমাৰ ৰাভাৰ লগতে অঞ্চলটোৰ বহুসংখ্যক ছাত্ৰ-ছাত্ৰী আৰু গণ্যমান্য ব্যক্তিসকল উপস্থিত থাকে।

# পশ্চিম চামতাত বিশিষ্ট শিক্ষাবিদ, সমাজহিতৈষী ধীৰেন্দ্ৰ নাথ দত্তৰ স্মৃতিচাৰণ সভা সম্পন্ন

**বাতৰি কাকত পশ্চিম নলবাৰী , ২৩ জুলাইঃ**পশ্চিম চামতা হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক, বিশিষ্ট শিক্ষাবিদ তথা সমাজহিতৈষী প্ৰয়াত ধীৰেন্দ্ৰ নাথ দত্তৰ প্ৰথম মৃত্যু বাৰ্ষিকী উপলক্ষে পশ্চিম চামতাৰ লহকৰপাৰা চুবুৰীৰ নিজ বাসগৃহত এক গাম্ভীৰ্যপূৰ্ণ স্মৃতিচাৰণ আৰু সোঁৱৰণী গ্ৰন্থ " ধীৰজ্যোতি" উন্মোচনী সভা অনুষ্ঠিত হয়। পুৱা আৰম্ভ হোৱাস্মৃতিচাৰণ আৰু সোঁৱৰণী গ্ৰন্থ উন্মোচনী সভাত সভাপতিত্ব কৰে পশ্চিম চামতা হাইস্কুলৰ সদ্য অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ভগৱান বৰ্মনে। আৰম্ভণিতে প্ৰয়াত ধীৰেন্দ্ৰ নাথ দত্তৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে প্ৰয়াত দত্তৰ ভগ্নী ডাঃ নন্দিতা দত্ত চৌধুৰীয়ে। সভাত প্ৰয়াত শিক্ষাবিদ, সমাজহিতৈষী ধীৰেন্দ্ৰ নাথ দত্তৰ জীৱন কৃতি সম্বলিত সোঁৱৰণী গ্ৰন্থ "ধীৰজ্যোতি" উন্মোচন কৰে দেৱীৰাম পাঠশালা হাইস্কুল ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক,সমাজকৰ্মী ৰমা নাথ বৰুৱাই। আৰম্ভণিতে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সোঁৱৰণী গ্ৰন্থ "ধীৰজ্যোতি"ৰ সম্পাদক, পানীগাওঁ ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক নৃপেন দত্তই। সভাত নলবাৰী জ্ঞান পীঠ হাইস্কুলৰ অৱসৰি প্ৰধান শিক্ষক বাবুল চন্দ্ৰ বৰ্মন, পশ্চিম চামতা হাইস্কুলৰ অৱসৰি শিক্ষক অনিল বৰ্মন, পশ্চিম চামতা হাইস্কুলৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক ভৱানী বৰ্মন, কামৰূপ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ৰাজেন বৰুৱা, ছেলিমুদ্দিন আহমেদ, দিলীপ শৰ্মা,অৱসৰি প্ৰধান শিক্ষক অনিমেষ চৌধুৰীকেধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তিয়ে স্মৃতিচৰণ ভাষণ প্ৰদান কৰে সভাৰ শেষত পৰিয়ালৰ তৰফৰ পৰা প্ৰয়াত দত্তৰ জোৱাই ননিধৰ দত্তই শলাগৰ শৰাই আগবঢ়ায়।

# নলবাৰীত মুক্তি যুঁজাৰু সন্মিলনৰ নতুন জিলা সমিতি গঠন

**মজিবুৰ ৰহমান, নলবাৰী ,২৩ জুলাইঃ** নলবাৰী জিলা মুক্তি যুঁজাৰু সন্মিলনৰ জিলা অধিৰেশন সুচাৰুৰূপে সম্পন্ন হৈ যায় । নলবাৰী জিলা পুথিভঁৰালত দিনযোৰাকৈ আয়োজিত অধিৰেশনৰ মুকলি সভাত সভাপতিত্ব কৰে জিলা মুক্তি যুঁজাৰু সন্মিলনৰ উপদেষ্টা সত্যেন শৰ্মাই ।জিলা মুক্তি যুঁজাৰু সন্মিলনৰ সাধাৰণ সম্পাদক নৃপাল বৰ্মাই পৰিচালনা কৰা সভাত মুক্তি যুঁজাৰু সন্মিলনৰ ৰাজ্যিক সাধাৰণ সম্পাদক দ্বীজেন্দ্ৰ মোহন শৰ্মা, ৰাজ্যিক পৰ্যবেক্ষক ৰোহিনী শৰ্মা দলৈ, নৱজিত ঠাকুৰীয়া উপস্থিত থকাৰ লগতে অতিথি হিচাপে উপস্থিত থাকে বিনয় ৰঞ্জন শৰ্মা, কেন্দ্ৰীয় সমিতিৰ কোষাধ্যক্ষ কমল লহকৰ, কমলেশ্বৰ ডেকা, পৰেশ শৰ্মা, কামৰূপ গ্ৰাম্য জিলাৰ সাধাৰণ সম্পাদক অমৰজিত শইকীয়া, অসম চৰকাৰৰ অৱসৰপ্ৰাপ্ত বিষয়া অঞ্জন শৰ্মাকে ধৰি বিভিন্নজন লোক উপস্থিত থাকে ।সভাৰ আৰম্ভণিতে দেশৰ স্বাধীনতা আন্দোলনত অংশগ্ৰহণ কৰা সংগ্ৰামী সকলক স্মৰণ কৰা, তেওঁলোকৰ পৰিয়ালক সম্বৰ্ধনা জনোৱা হয় । এই সভাতে মুক্তি যুজাৰু সকলৰ পৰিয়ালৰ নিৰনুৱা সদস্যক 'সন্মান পেঞ্চন' আঁচনি শীঘ্ৰেই কাৰ্যকৰী কৰা, জিলা মুক্তি যুঁজাৰু কাৰ্যালয় গৃহৰ নামত ৫০ লাখ টকাৰ অনুদান আগবঢ়োৱাৰ দাবী জনাই । ইয়াৰ সমান্তৰালকৈ মুকুন্দ কাকতি আৰু ধৰ্ম ডেকাৰ নামত বিশেষ অনুষ্ঠান নামাংকৃত কৰাৰো আজিৰ সভাতে দাবী জনোৱা হয় । এই জিলা অধিৰেশনতে নলবাৰীৰ একমাত্ৰ জীৱিত মুক্তিযোদ্ধা কনক বৰ্মনক সভাপতি আৰু কনক বৰ্মাক সাধাৰন সম্পাদক হিচাপে লৈ নতুন কমিটিখন গঠন কৰা হয় । উক্ত সভাতে মহেন্দ্ৰ মল্ল বুজৰ বৰুৱাক কাৰ্যকৰী সভাপতি হিচাপে, ভূপেন কলিতা,লক্ষীৰানী দাস, প্ৰশান্ত বৰ্মন আৰু কামাখ্যা বৰ্মনক উপসভাপতি, প্ৰশান্ত বৰ্মন আৰু প্ৰতুল কলিতাক সহকাৰী সম্পাদক হিচাপে লৈ নতুন কমিটিখন গঠন কৰা হয় ।

# ৰাংচুকৰ প্ৰতি সমৰ্থন তেজপুৰ বিশ্ববিদ্যালয়ৰ শিক্ষাৰ্থীৰ

**বাতৰি কাকত ,তেজপুৰ,২৩ জুলাইঃ** তেজপুৰ বিশ্ব বিদ্যালয়ৰ শিক্ষাৰ্থী সকলে সমৰ্থন আগবঢ়াইছে সোনম ৱাংচুকৰ প্ৰতি ।তেওঁৰ সমৰ্থনত কাইলৈ পুৱা নবজাৰ পৰা পালন কৰিব দিনযোৰা অৱস্থান ধৰ্মঘট কাৰ্যসূচী। এই বিষয়ে তেজপুৰ বিশ্ব বিদ্যালয় ছাত্ৰ সমাজে প্ৰকাশ কৰি কয় যে দেশৰ শিক্ষাব্যৱস্থাক সুস্থ, নিকা আৰু গণতান্ত্ৰিক কৰি ৰাখিবলৈ সোনম ৱাংচুক আৰু হেজাৰ হেজাৰ শিক্ষাৰ্থীৰ অনিৰ্দিষ্টকালীন অনশনে 'শিক্ষা আমাৰ মৌলিক অধিকাৰ' বোলা কথাষাৰৰ সত্যতাটো বাৰে বাৰে সোঁৱৰাই দিলে ।এই গণতান্ত্ৰিক আৰু শান্তিপূৰ্ণ আন্দোলনটোৰ প্ৰতি সঁহাৰি জনাই তেজপুৰ বিশ্ববিদ্যালয়ৰ শিক্ষাৰ্থীসকলে এক দিনযোৰা অৱস্থান ধৰ্মঘট। এই অৱস্থান ধৰ্মঘটৰ উদ্দেশ্য এটাই ৰাজহুৱা শিক্ষা ব্যৱস্থাবোৰ সুস্থ আৰু গণতান্ত্ৰিক চিন্তা-চৰ্চাৰ এক নিদৰ্শন হৈ থাকক । এই অৱস্থান ধৰ্মঘটটো সম্পূৰ্ণ অনা-ৰাজনৈতিক আৰু গণতান্ত্ৰিক মূল্যবোধ বাহাল ৰখাৰ এক পথ যি ভাৰতৰ সংবিধানেও স্পষ্টকৈ দাঙি ধৰে ।



# ধুবুৰীত মমবাতি প্ৰজ্বলন কৰি মৌন প্ৰতিবাদ আছুৰ

**ধুবুৰী, ২৩ জুলাইঃ** দেশৰ শিক্ষা খণ্ডৰ সংস্কাৰ তথা শিক্ষা মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগৰ দাবীৰে ২০দিন ধৰি অনশন অব্যাহত ৰাখি অসুস্থ হৈ পৰা সোনম ৱাংচুকৰ সমৰ্থনত দেশ বিদেশত চলিছে চৰ্চা। ৱাংচুকৰ সমৰ্থনত অব্যাহত আছে দেশজুৰি প্ৰতিবাদ। সমান্তৰালভাৱে ধুবুৰীতো সদৌ অসম ছাত্ৰ সন্থাই সোনম ৱাংচুকৰ গণতান্ত্ৰিক আন্দোলন সহমৰ্মিতা আগবঢ়াই প্ৰজ্বলন কৰে মমবাতি। ধুবুৰী চহৰৰ মাজমজিয়াত থকা শ্বহীদ বেদীৰ সন্মুখত জিলা ছাত্ৰ সন্থাৰ কৰ্মী সকলে হাতে হাতে মমবাতি লৈ মৌন প্ৰতিবাদ সাব্যস্ত কৰা পৰিলক্ষিত হয় ।নামতিৰ খেজুৰিতলত সত্ৰীয়া নৃত্য আৰু ভাওনা কৰ্মশালাৰ সামৰণি অনুষ্ঠানৰ আয়োজন

# 'একলব্য গুৰু দক্ষিণা' শিশু ভাওনাৰ আয়োজন

**খাইৰুদ্দিন আহমেদ শিৱসাগৰ, ২৩ জুলাইঃ** শিৱসাগৰ জিলাৰ নামতিৰ পিয়লি ফুকন শাখা সাহিত্য সভা আৰু জ্ঞানজ্যোতি স্মাৰ্ট স্কুলৰ উদ্যোগত আৰু স্থানীয় ৰাইজৰ সহযোগত অহা ৯ আগষ্টত খেজুৰিতলস্থিত জ্ঞানজ্যোতি স্মাৰ্ট স্কুলত 'একলব্যৰ গুৰু দক্ষিণা' নাটখনি প্ৰদৰ্শন কৰিবলৈ লোৱা হৈছে। উল্লেখ্য যে ১৩ জুলাইৰ পৰা ১ আগষ্টলৈকে ছাত্ৰ-ছাত্ৰী সকলৰ মাজত সত্ৰীয়া নৃত্য আৰু ভাওনাৰ কৰ্মশালা আয়োজন কৰাৰ অন্তত শিশু ভাওনাখনিৰ আয়োজন কৰা হৈছে। ভাওনাখনি উদ্বোধন কৰিব শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ৰ অধ্যক্ষ ধ্ৰুৱজ্যোতি নাথে। অনুষ্ঠানটিত বিশিষ্ট অতিথি হিচাপে শিৱসাগৰ জিলা সাহিত্য সভাৰ সভাপতি যোগেশ কিশোৰ ফুকন, উপ-সভাপতি জীৱন কলিতা, সম্পাদক মনোজ কুমাৰ গগৈ, অৱসৰী প্ৰৱক্তা, সু-লেখক মোহিনী কুমাৰ মহন্ত, আমগুৰি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মৃদুল হাজৰিকা, চিলড্ৰেন হাউচ চিনিয়ৰ ছেকেণ্ডাৰী বিদ্যালয়ৰ অধ্যক্ষ দূৰ্গাপ্ৰসাদ শইকীয়া, নামতি চাৰিআলি জাতীয় বিদ্যা নিকেতনৰ অধ্যক্ষ নৃপেন নেওগ, আটাছুৰ শিৱসাগৰ জিলাৰ সভাপতি অখিল আহোম, আছু নেতা ধ্ৰুৱজ্যোতি কলিতা, বিশিষ্ট সমাজকৰ্মী ধনদেৱ মহন্ত, জগত হাজৰিকা, দিলীপ গগৈ, আমগুৰি কোষাগাৰ বিষয়া বিকাশ প্ৰতীম গগৈ উপস্থিত থাকিব। উক্ত অনুষ্ঠানটিত সদাশয় ৰাইজৰ সহায় সহযোগিতা তথা উপস্থিতি কামনা কৰিছে জ্ঞানজ্যোতি স্মাৰ্ট স্কুলৰ সঞ্চালিকা তথা শিৱসাগৰ জিলা সাহিত্য সভাৰ সহকাৰী সম্পাদক দেৱযানী শইকীয়া গগৈ আৰু উদ্‌যাপন সমিতিৰ সম্পাদক জিনুমণি আৰন্ধৰাই ।

# নগাঁও চাইল্ড ডেভেলপমেণ্ট ছ'চাইটিৰ ইণ্টাৰ্নসকলৰ দগাঁও আদৰ্শ চিকিৎসালয় ভ্ৰমণ

**বাতৰি কাকত, ৰূপহীহাট, ২৩ জুলাইঃ** নগাঁও চাইল্ড ডেভেলপমেণ্ট ছ'চাইটিৰ উদ্যোগত আৰু পিপলচ ৰেলফিয়াৰ এণ্ড স্কিল এম্পাৱাৰমেণ্ট ফাউণ্ডেচনৰ সহযোগত আয়োজিত স্বাস্থ্যসেৱা আৰু জীৱবিজ্ঞান ইণ্টাৰ্নশ্বিপ কাৰ্যসূচীৰ অংশ হিচাপে জুৰীয়া মহাবিদ্যালয়ৰ ইণ্টাৰ্নসকলে দগাঁও আদৰ্শ চিকিৎসালয় ভ্ৰমণ কৰে। ভ্ৰমণকালত ইণ্টাৰ্নসকলে চিকিৎসালয়ৰ বিভিন্ন বিভাগ পৰিদৰ্শন কৰি ৰক্ত পৰীক্ষা, HIV/AIDS পৰীক্ষা, প্ৰাথমিক স্বাস্থ্যসেৱা আৰু ৰোগী সেৱা সম্পৰ্কে ব্যৱহাৰিক জ্ঞান লাভ কৰে। উক্ত কাৰ্যসূচী সফলতাৰে সম্পন্ন কৰাত এছ ডি এম জঃ আঃ ফাৰুকী, ডাঃ মুখতাৰ হুছেইন আৰু লেৱ টেকনিচিয়ানসকলৰ আন্তৰিক সহযোগিতা বিশেষভাৱে উল্লেখযোগ্য।

# কামপুৰ শংকৰদেৱ বিদ্যা নিকেতনৰ বছেৰেকীয়া সাধাৰণ সভা সম্পন্ন

**বাতৰি কাকত কামপুৰ ,২৩ জুলাইঃ** শংকৰদেৱ বিদ্যানিকেতনৰ বাৰ্ষিক সাধাৰণ সভা খন কামপুৰ শাখা সাহিত্য সভাৰ সভাপতি তথা বিদ্যালয়ৰ সভাপতি পূৰ্ণানন্দ নাথৰ সভাপতিত্বত বিদ্যালয়ৰ সভা গৃহত অনুষ্ঠিত হয় ।কামপুৰ শাখা সাহিত্য সভাৰ সম্পাদক তথা নিকেতনৰ সম্পাদক শৰৎ গোস্বামীয়ে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে । নিকেতন ছাত্ৰীৰ দ্বাৰা সমবেত সংগীত পৰিবেশনেৰে সভাৰ কাৰ্যসূচী প্ৰাৰম্ভন ঘটায়। সম্পাদক শৰৎ গোস্বামীয়ে সভাৰ কাৰ্যসূচী উপস্থাপন কৰে । বিত্তীয় প্ৰতিবেদন পাঠ কৰে হিচাব পৰীক্ষক হিৰণ্য হাজৰিকাই । নিকেতনৰ উন্নয়ৰ সম্পৰ্কত বিধায়ক জিতু গোস্বামীয়ে প্ৰদান কৰা ১০ লাখ টকাৰে নিকেতনক উচ্চতৰ মাধ্যমিকলৈ উন্নীত কৰাৰ যাৱতীয় সকলো কাৰ্য ভাল ভাবে চলাই কামটো সম্পূৰ্ণ কৰাৰ প্ৰতিবেদন সভাক অবগত কৰে । সভাই পুৰণি সমিতি ভংগ কৰি কবিন বৰাক সভাপতি , ডিম্বেশ্বৰ বৰাক সম্পাদক , ৰাণী বৰা আৰু বকুল শৰ্মাক উপসভাপতি , যতীন বৰাক কোষাধ্যক্ষ তিনি গৰাকী মহিলা সদস্যৰে ৰপ্ত জনীয়া কাৰ্যনিৰ্বাহকৰে নিকেতনৰ নতুন সমিতি গঠন কৰা হয় ।

# চেঙাৰ পূৰমহচৰাত দেৱাল নিৰ্মাণ কামৰ শুভ উদ্বোধন



**বাতৰি কাকত নগৰবেৰা , ২৩ জুলাইঃ** বৰপেটা জিলাৰ চেঙা উন্নয়ন খণ্ডৰ ম'হচৰা গাঁও পঞ্চায়তত আঞ্চলিক পঞ্চায়তৰ আৱণ্টিত ধনেৰে পূৰমহচৰা উপস্বাস্থ্য কেন্দ্ৰৰ এখন দেৱাল নিৰ্মাণ কামৰ শুভ উদ্বোধন কৰা হয়। চেঙা আঞ্চলিক পঞ্চায়তৰ ম'হচৰা গাঁও পঞ্চায়তত ২০২৪-২৫ ইং বিত্তীয় বৰ্ষৰ পঞ্চাদশ বিত্তীয় আয়োগৰ অনুমোদিত ধনেৰে পূৰমহচৰা উপস্বাস্থ্য কেন্দ্ৰৰটো দেৱাল নিৰ্মাণ কামৰ শুভউদ্বোধন কৰে অঞ্চলটোৰ জ্যেষ্ঠ ব্যক্তি তথা অৱসৰপ্ৰাপ্ত শিক্ষক আলহাজ ছাহজাহান আলী আহমেদে । আঞ্চলিক পঞ্চায়তৰ সদস্য মুস্তাফিজুৰ ৰহমান, মহচৰা গাঁও পঞ্চায়তৰ সভাপতি মহিৰ উদ্দিনৰ সহযোগত আৰু ভালে সংখ্যক সন্মানীয় ব্যক্তিৰ উপস্থিতিত তিনি লাখ ছয় হাজাৰ টকাৰে নিৰ্মাণ কৰিবলগীয়া দেৱাল নিৰ্মাণ কামৰ আনুষ্ঠানিকভাৱে শুভউদ্বোধন কৰে । উদ্বোধনী অনুষ্ঠানত অঞ্চলটোৰ ভালে সংখ্যক সন্মানীয় ব্যক্তি সভাত অংশ গ্ৰহণ কৰি উপস্বাস্থ্য কেন্দ্ৰটোৰ দীৰ্ঘদিনীয়া এটি সমস্যাৰ সমাধান হোৱা বুলি মন্তব্য কৰে। লগতে আঞ্চলিক পঞ্চায়তৰ সদস্য নিৰ্বাচিত হৈ প্ৰথমটো উন্নয়নমূলক আঁচনিৰ কাম স্বাস্থ্য কেন্দ্ৰলৈ আগবঢ়োৱাত আঞ্চলিক পঞ্চায়তৰ সদস্য মুস্তাফিজুৰ ৰহমানক কৃতজ্ঞতা জনায় ।উদ্বোধনী অনুষ্ঠানত উপস্থিত থকা গণ্য মান্য সকলোকে সম্ভৰ্ধনা জনোৱা হয়।

# জটিল ৰোগত আক্ৰান্ত বজালীৰ সোণপাহী বড়োক আৰ্থিক সাহায্য প্ৰদান 'শব্দ'ৰ

**পাঠশালা, ২৩ জুলাইঃ** মানৱতাৰ অনন্য নিদৰ্শন দাঙি ধৰিলে বজালীৰ সামাজিক, সাংস্কৃতিক স্বেচ্ছাসেৱী সংগঠন 'শব্দ'ই। দীৰ্ঘদিন ধৰি এক জটিল ৰোগত আক্ৰান্ত হৈ জীৱন-মৃত্যুৰ সৈতে যুঁজ দি থকা বজালী জিলাৰ অন্তৰ্গত পালহা নিবাসী সোণপাহী বড়োৰ গৃহত ৰ উপস্থিত হয় সংগঠনটোৰ কেইবাগৰাকীও প্ৰতিনিধি। উল্লেখ্য যে আৰ্থিক দুৰৱস্থাৰ বাবে উন্নত চিকিৎসা প্ৰদান কৰিব নোৱৰাত সম্প্ৰতি পৰিয়ালটোৱে গভীৰ সংকটৰ মাজেৰে দিন পাৰ কৰিছে। সংগঠনটোৱে সোণপাহী বড়োৰ গৃহত উপস্থিত হৈ মানসিক সাহস যোগোৱাৰ লগতে কিছু পৰিমাণে আৰ্থিক সাহায্য প্ৰদান কৰে। শব্দৰ বিষয়ববীয়া সকলে পৰিয়ালটোক মানসিক সাহস যোগায়। 'শব্দ'ৰ সঞ্চালক বনজিৎ দাসে অতি দুখীয়া পৰিয়ালৰ মহিলাগৰাকীক হৃদয়ৱান লোকক সহায়ৰ হাত আগবঢ়াবলৈ আহ্বান জনাইছে সকলোকে।

# ঐতিহাসিক সৰাগুৰি চাপৰিৰ হজৰত আজান পীৰ দৰগাহৰ অস্তিত্বৰ প্ৰতি ভাবুকি

**খাইৰুদ্দিন আহমেদ, শিৱসাগৰ,২৩ জুলাইঃ** শিৱসাগৰ জিলাৰ অন্তৰ্গত ঐতিহাসিক সৰাগুৰি চাপৰিত অৱস্থিত হজৰত আজান পীৰ দৰগাহৰ কাষতে থকা ব্ৰহ্মপুত্ৰ নদীৰ তীব্ৰ খহনীয়াই দৰগাহখনৰ লগতে বৃহত্তৰ অঞ্চলটোৰ প্ৰতি ভাবুকিৰ সৃষ্টি হৈছে। উল্লেখ্য যে, বিগত চবছৰৰো অধিক কাল ধৰি বাৰিষাৰ সময়ত ব্ৰহ্মপুত্ৰ নদীৰ প্ৰৱল বানে খহনীয়াৰ সৃষ্টি কৰাৰ ফলত শ শ বিঘা কৃষিভূমি ক্ষতিগ্ৰস্ত হৈছে। ব্ৰহ্মপুত্ৰ নদীৰ এনে খহনীয়া আৰু কালৰূপ দেখি আতংকিত হৈ পৰা সৰাগুৰি, গটঙা, মামল গড়ভগা আদি বৃহৎ অঞ্চলৰ ৰাইজে ঈশ্বৰৰ ওপৰত শৰণাপন্ন হৈ পূজা - অৰ্চনা আৰম্ভ কৰাও দেখা গৈছে। আহোম ৰাজত্বকালত স্বৰ্গদেউ গদাধৰ সিংহই হজৰত আজান পীৰৰ আধ্যাত্মিক শক্তি প্ৰত্যক্ষ কৰি দিখৌ দিচাং আৰু ব্ৰহ্মপুত্ৰৰ সংগমস্থল সৰাগুৰি চাপৰিত মঠ নিৰ্মাণ কৰি চুফি সাধক গৰাকীক থকাৰ ব্যৱস্থা কৰি দিছিল। তেতিয়াৰে পৰা ৪০০ বছৰৰো অধিক সময় সৰাগুৰি চাপৰিৰ আজান পীৰ দৰগাহলৈ ব্ৰহ্মপুত্ৰ নদীয়ে খহনীয়া আৰু ভাবুকিৰ সৃষ্টি কৰা নাছিল। কিন্তু বৰ্তমান ব্ৰহ্মপুত্ৰৰ বুকুত সৃষ্টি হোৱা প্ৰৱল বানপানীয়ে বিভিন্ন অঞ্চল প্লাৱিত কৰি কৃষিভূমি নষ্ট কৰাৰ লগতে হজৰত আজান পীৰ দৰগাহ আৰু সৰাগুৰিৰ হাজাৰ হাজাৰ ৰাইজৰ কৃষিজীৱি ৰাইজক আতংকিত কৰি তুলিছে। এনে জটিল পৰিস্থিতিৰ নিৰীক্ষণৰ বাবে কালি শিৱসাগৰ জিলাৰ আয়ুক্ত মৃদুল যাদৱে অতিৰিক্ত আয়ুক্ত মিনাক্ষী পাৰ্মে আৰু চক্ৰ বিষয়া মিত্ৰাবৃন্দা গগৈৰ সৈতে সমগ্ৰ বান আক্ৰান্ত অঞ্চল পৰিদৰ্শন কৰি স্থানীয় ৰাইজৰ সৈতে আলোচনা কৰি পৰিস্থিতিৰ বুজ লয়। ইয়াৰ পিছতেই চক্ৰ বিষয়া মিত্ৰাবৃন্দা গগৈয়ে হজৰত আজান পীৰ দৰগাহত উপস্থিত হৈ দৰগাহ সমিতিৰ সভাপতি আলহাজ হাৰুনল ৰচিদ আৰু উপ-সভাপতি খাইৰুদ্দিন আহমেদৰ সৈতে বিপদসংকুল পৰিস্থিতিৰ দৰগাহখনৰ সংৰক্ষণ সম্পৰ্কে বিভিন্ন দিশ আলোচনা কৰে। দৰগাহৰ লগতে সমগ্ৰ অঞ্চলটোত সৃষ্টি হোৱা বানৰ তাণ্ডৱৰ পৰা ৰক্ষা পাবলৈ দৰগাহ পৰিচালনা সমিতিয়ে স্থানীয় ৰাইজৰ সহযোগত ইছলাম ধৰ্মৰ নিয়ম অনুসৰি পৰম কৰুণাময় আল্লাহৰ ওচৰত দোৱা প্ৰাৰ্থনা কৰে।

## নীটৰ প্ৰশ্নকাকত ফাদিলত জড়িত অভিযুক্তৰ বিৰুদ্ধে ফাৰ্ষ্টট্ৰেক আদালতত

নিৰপেক্ষ স্থানত আলোচনা। জিতেন্দ্ৰই কয় যে বুধবাৰে বিয়লিৰ পৰা প্ৰতিবাদকাৰীৰ প্ৰতিনিধিক চাৰিবাৰকৈ আলোচনাৰ বাবে মাতি অনা হৈছে। ছাত্ৰ-ছাত্ৰীৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে তেওঁলোকৰ দাবীক গুৰুত্বসহকাৰে লৈছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়— চৰকাৰে আনুষ্ঠানিকভাৱে প্ৰতিবাদকাৰীসকলৰ সৈতে আলোচনাত বহিবলৈ আগবঢ়াইছে। যুৱক-যুৱতীসকললৈ আমাৰ বাৰ্তা হৈছে যে চৰকাৰে আপোনালোকৰ সুবিধা অনুসৰি যিকোনো সময়তে সকলো বিষয়ৰ ওপৰত আলোচনা কৰিবলৈ সাজু। আপোনালোক সকলোকে বিনম্ৰ অনুৰোধ জনাইছো, আহক আৰু আলোচনাত বহিব ক্ৰমান্বয়ে সমাধানৰ দিশত আগবাঢ়িছে। জিতেন্দ্ৰই কয় যে চৰকাৰে ছাত্ৰ-ছাত্ৰীৰ কল্যাণৰ বাবে নিৰন্তৰ পদক্ষেপ গ্ৰহণ কৰিছে বৃহস্পতিবাৰে। কিন্তু প্ৰতিবাদকাৰীয়ে নাকচ কৰে। ইয়াৰ পূৰ্বে নড্ডাই এবাৰ চিজেপিৰ প্ৰতিনিধিৰ সৈতে সাক্ষাৎ কৰিছিল। প্ৰতিবাদকাৰী ছাত্ৰ-ছাত্ৰী আৰু যুৱক-যুৱতীসকলৰ দাবীসমূহ বিবেচনা কৰাৰ আশ্বাস দিয়ে। কিন্তু কোনো সমাধান পোৱা নগ'ল। বৃহস্পতিবাৰে পুৰা প্ৰশ্নকাকত ফাদিল হোৱা সন্দৰ্ভত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মুখ মেলিলে। তেওঁ কয় যে প্ৰশ্নকাকত ফাদিল হোৱা অভিযুক্তসকলৰ ক্ষিপ্ৰ বিচাৰ আৰু শাস্তি নিশ্চিত কৰিবলৈ ফাষ্ট ট্ৰেক আদালত গঠন কৰা হ'ব। কিন্তু চিজেপিৰ প্ৰতিবাদী আন্দোলন চলি আছে। ককৰোচ পাৰ্টিৰ মুৰব্বী অভিজিৎ দীপে কেন্দ্ৰীয় প্ৰতিনিধিসকলক যন্তৰ মন্তৰত বা নিৰপেক্ষ স্থানত আলোচনাত বহিবলৈ আহ্বান জনাইছে। জিতেন্দ্ৰৰ প্ৰস্তাৱ অনুসৰি নড্ডাৰ ঘৰত বা কাৰ্যালয়ত অনুষ্ঠিত হোৱা সভাত বহিবলৈ অনিচ্ছুক। ইয়াৰ লগতে প্ৰতিবাদকাৰীসকলে অভিযোগ কৰে যে আলোচনাত বহি থকাৰ কথা কোৱাৰ পিছতো আৰক্ষীয়ে একে সময়তে আন্দোলনকাৰীক দমন কৰি আছে। এই কাম অনতিপলমে বন্ধ কৰিবলৈ দাবী জনাইছে চিজেপিয়ে। মন্ত্ৰীসকলৰ ঘৰত কোনো ধৰণৰ আলোচনা নহ'ব বুলি দাবী কৰে। 'জনসাধাৰণৰ আদালত'ত সকলোৰে সন্মুখত আলোচনা হ'ব লাগে। প্ৰতিবাদস্থলীলৈ মন্ত্ৰীসকল আহিব লাগে। শিক্ষাৰ ক্ষেত্ৰত দুৰ্নীতি আৰু NEET প্ৰশ্ন ফাদিলৰ প্ৰতিবাদত চিজেপিৰ আহ্বানত দীৰ্ঘদিন ধৰি দিল্লীৰ ৰাজপথত প্ৰতিবাদ অব্যাহত আছে। কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগৰ দাবী জনাইছে। এই প্ৰতিবাদৰ সমৰ্থনত সোণম ৱাংচুক আৰু কেইজনমান ছাত্ৰ-ছাত্ৰীয়ে যন্তৰ মন্তৰৰ সন্মুখত অনশন আৰম্ভ কৰে। যোৱা সোমবাৰে চিজেপিয়ে সংসদ ভৱনলৈ ড্ৰাইভৰ আহ্বান জনাইছিল। তাত ১০ হাজাৰৰো অধিক লোক সমবেত হয়। শোভাযাত্ৰাত আৰক্ষীয়ে লাঠি-চাৰ্জ। অভিযোগ উত্থাপন হৈছে যে 'অত্যধিক শক্তি' ব্যৱহাৰ কৰি শান্তিপূৰ্ণ আন্দোলন দমন কৰা হৈছিল। ইয়াৰ ফলত এই বিতৰ্ক আৰু অধিক তীব্ৰতৰ হৈ পৰিছে। বুধবাৰে দিল্লী উচ্চ ন্যায়ালয়ে কেন্দ্ৰ আৰু আৰক্ষীক এই বিষয়ত তেওঁলোকৰ স্থিতিৰ বিষয়ে অৱগত কৰিবলৈ নিৰ্দেশ দিয়ে। সোণমে এতিয়াও ব্ৰত ভংগ কৰা নাই।

## নীপকোই খুলিলে দৈয়াং জলবিদ্যুৎ প্ৰকল্পৰ পানী

ৰাইজক সজাগ হৈ থাকিবলৈ আহ্বান গোলাঘাট জিলা প্ৰশাসনৰ। গোলাঘাটকে ধৰি নামনিত ভয়ংকৰ বানৰ আশংকা। বিধানসভাৰ মাজতে গোলাঘাটলৈ ৰাওনা বিশ্বজিৎ ফুকন। ইতিমধ্যে বানত ৪১জন লোকৰ মৃত্যু হৈছে। শতাধিক লোক সন্ধানহীন হৈ আছে। উল্লেখযোগ্য উজনি উজনি অসমত এতিয়াও অপৰিৱৰ্তিত বান পৰিস্থিতি। বানাক্ৰান্ত ৰাইজৰ দুৰ্দশাই চকু সেমেকাই তুলিছে সকলোৰে। বানত সকলো হেৰুৱাই এতিয়া অনিশ্চিত ভৱিষ্যতৰ দুশ্চিন্তাত সময় কটাইছে বানাক্ৰান্ত ৰাইজে। প্ৰলয়ংকৰী বানে সৰ্বস্বান্ত কৰা বহু বানাক্ৰান্তই এতিয়া এটুপি খোৱাপানী, অকণমান খাদ্যবস্তুৰ বাবে হাহাকাৰ কৰিবলগীয়া হৈছে। যদিও চৰকাৰ-প্ৰশাসনৰ ফালৰ পৰা সাহায্য বিতৰণৰ ব্যৱস্থা কৰিছে, তথাপি মুখ্যমন্ত্ৰীয়ে নিজেই কৈছে যে কিছুমান অঞ্চলত এতিয়াও উদ্ধাৰকাৰী দল উপস্থিত হ'ব পৰা নাই। শিৱসাগৰত বানপানী কিছু হ্ৰাস হৈছে যদিও দুৰ্যোগ আঁতৰা নাই। শিৱসাগৰত দৰিকা, দিচাং নদীৰ বাঢ়নী পানী বিপদসীমাৰ দুই মিটাৰ ওপৰেৰে বৈ আছে। সেইদৰে দিখৌৰ পানী বিপদ সীমাৰ ওপৰেৰে বৈ আছে। এতিয়াও পানীত ডুব গৈ আছে বেতবাৰী, নিমাইজান, খেলুৱা, চেৰেকাপাৰ, শুকানপুখুৰী আদি অঞ্চলসমূহৰ লগতে শিৱসাগৰ চহৰ। শিৱসাগৰৰ ৩৭ ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰেৰে বাগৰি আছে দৰিকা নদীৰ বাঢ়নী পানী। শিৱসাগৰ চহৰৰ অধিকাংশ ৱাৰ্ড বৰ্তমানেও দৰিকা নদীৰ বাঢ়নী পানীত প্লাবিত হৈ আছে। ডিব্ৰুগড় জিলাতো বুঢ়ীদিহিং আৰু দিচাং নৈৰ বাঢ়নী পানীয়ে প্লাৱিত কৰিছে বহু অঞ্চল। টিংখাং সমষ্টিৰ চ্নং শলগুৰি, কৈৱৰ্ত্ত গাঁও, দিচাং-ৰংচোৱাল, চেঁচা নেপালী গাঁৱৰ বান পৰিস্থিতি কিছু শাম কাটিছে যদিও বানাক্ৰান্তৰ দুখ-দুৰ্দশাৰ অন্ত পৰা নাই। পানী কিছু কমিছে যদিও এতিয়াও বানাক্ৰান্ত ৰাইজে মথাউৰিতেই শিবিৰ পাতি থাকিব লগা হৈছে। ঘৰৰ ভিতৰখন নদীৰ পলসেৰে ভৰি পৰিছে। টিংখাঙৰ দিচাং-ৰংচোৱাল, চেঁচা নেপালী, ২নং শলগুৰি আৰু ২নং ভৰালীবাৰী কলিতা গাঁৱত বানৰ ফলত হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছিল। বানে জুৰুলা কৰি থৈ যোৱাৰ পিছতেই এতিয়া বোকা-পলসেৰে ভৰি পৰিছে ঘৰৰ চৌপাশ। কিছু পৰিয়ালে ঘৰ-দুৱাৰ পৰিষ্কাৰ কৰিছে যদিও আন কিছু পৰিয়ালে এতিয়াও যাব পৰা নাই নিজ গৃহলৈ। লগতে ভিন্ন সমস্যাৰে জৰ্জৰিত হৈ পৰিছে বানপীড়িত ৰাইজসকল। খোৱাপানী, যাতায়াত, বিদ্যুৎ আদিকে ধৰি কেইবাটাও মূল সমস্যাত ভুগিছে গাঁওবাসী। যাতায়াতৰ বাবে থকা একমাত্ৰ পথটোৰ কিছু অংশ এতিয়াও পানীৰ তলত, যাৰ বাবে নিজৰ ঘৰখনলৈ যাবলৈ একমাত্ৰ নাওখনেই হৈ পৰিছে তেওঁলোকৰ সাৰথি। বুঢ়ীদিহিং আৰু দিচাং নৈৰ বাঢ়নী পানী ২ৰ পৰা ৩ ফুট পৰ্যন্ত হ্ৰাস পাইছে যদিও বৰ্তমানেও বাসগৃহসমূহ থকাৰ উপযোগী হৈ উঠা নাই।

## জলমগ্ন পথৰ মাজতে জন্ম হ'ল কন্যা শিশু

চিকিৎসাৰ প্ৰয়োজন হৈছিল। সন্ধিয়া কালুগাঁও চি পি এইচ চিৰ পৰা আহিছিল এই জৰুৰী ফোনটো। কিন্তু শিৱসাগৰলৈ যোৱা সকলো পথ সম্পূৰ্ণ জলমগ্ন হৈ আছিল। এছ ডি আৰ এফ-এন ডি আৰ এফৰ নাৱেই একমাত্ৰ ভৰসা। খবৰ পোৱাৰ পিছতে জিলা প্ৰশাসন, স্বাস্থ্য বিভাগৰ কৰ্মচাৰীসকল আৰু এছ ডি আৰ এফৰ দলে আৰম্ভ কৰে উদ্ধাৰ অভিযান। প্ৰথমে যিমান দূৰলৈ সম্ভৱ এম্বুলেঞ্চেৰে অনা হ'ল মহিলাগৰাকীক। কিন্তু আদবাটতে জলমগ্ন পথৰ মাজতে মহিলাগৰাকীয়ে জন্ম দিলে এটি কন্যা সন্তান। কিন্তু সকলো চিন্তিত হ'ল এটা কথাক লৈ - নৱজাতকটিয়ে কন্দা নাই কিয়? লগে লগে তৎপৰ হৈ পৰিল স্বাস্থ্য বিভাগৰ কৰ্মীসকল। চিকিৎসক, নাৰ্ছ আৰু আশা কৰ্মীয়ে নিজৰ সৰ্বস্ব উজাৰি চেষ্টা চলাই গ'ল। অৱশেষত বহু সময়ৰ অপেক্ষাত সকলোৰে মুখত বিৰিঙিল হাঁহি। শুনা গ'ল দেৱশিশুটিৰ কান্দোনৰ ধ্বনি। স্বস্তিৰ নিশ্বাস এৰিলে সকলোৱে। দেৱশিশুটিৰ কান্দোনে সকলো কষ্ট, উৎকণ্ঠা আৰু তেওঁলোকৰ আপ্ৰাণ চেষ্টা আৰু পৰিশ্ৰম সাৰ্থক কৰি তুলিলে। কিন্তু অভিযান ইমানতে শেষ হোৱা নাছিল। কাৰণ এই সমগ্ৰ ঘটনা ঘটিছিল পানীৰ মাজতে। মহিলাগৰাকীয়ে সন্তান জন্ম দিয়াৰ পিছত পুনৰ এছ ডি আৰ এফ জোৱানসকল ব্যস্ত হৈ পৰিল। পথৰ আৱৰ্জনা আঁতৰাই কেইবা কিলোমিটাৰ পানী ফালি মাতৃ আৰু নৱজাতকটিক নিৰাপদে এম্বুলেন্স পোৱাই দিয়ে। এই ঘটনা এতিয়া চৰ্চিত হৈছে সামাজিক মাধ্যমত। উদ্ধাৰকাৰী দলটোৰ প্ৰতিজন সদস্যৰ সাহস, মানৱতা, অক্লান্ত শ্ৰম আৰু সেৱাৰ মানসিকতাই প্ৰলয়ৰ মাজতো সকলো বাধা দূৰ কৰি এক নিদৰ্শন দাঙি ধৰিলে। তেওঁলোকৰ কৰ্মনিষ্ঠা আৰু মানৱীয়তাই পুনৰ এবাৰ প্ৰমাণ কৰিলে যে জনসেৱা কেৱল এক চাকৰি নহয়, এয়া এক মহান দায়িত্ব। এই সমগ্ৰ ঘটনাটো শিৱসাগৰ জিলা আয়ুক্তৰ পেজত শ্বেয়াৰ কৰা হৈছে। অতিৰিক্ত জিলা আয়ুক্ত ৰণনময় ভৰদ্বাজেও তেওঁৰ ফেচবুক পেজত সুন্দৰভাৱে এই ঘটনাটো প্ৰকাশ কৰিছে। বিভীষিকাৰ মাজতো নিশ্চিতভাৱে এয়া এক আশা আৰু প্ৰেৰণাৰ খবৰ।

## বান পৰিস্থিতিৰ বুজ ল'লে কেন্দ্ৰীয়

বিস্তৃত মূল্যায়ন কৰিবলৈ আৰু পুনৰ্বাসন তথা পুনৰ্নিৰ্মাণ প্ৰক্ৰিয়াৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰা প্ৰয়োজনীয় সহায় সম্পৰ্কে পৰ্যালোচনা কৰাৰ উদ্দেশ্যে শীঘ্ৰে এক কেন্দ্ৰীয় মন্ত্ৰণালয়ৰ প্ৰতিনিধি দল অসমত আহি উপস্থিত হ'ব। ডাৱৰ বিস্ফোৰণৰ ফলত উজনিত সংঘটিত আকস্মিক বানে আমাৰ বহু লোকৰ জীৱন আৰু জীৱিকাত গভীৰ প্ৰভাৱ পেলাইছে। এই কঠিন সময়ত অসমৰ জনসাধাৰণৰ কাষত দৃঢ়ভাৱে থিয় দিয়াৰ বাবে মাননীয় গৃহমন্ত্ৰীলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। উল্লেখযোগ্য উজনি উজনি অসমত এতিয়াও অপৰিৱৰ্তিত বান পৰিস্থিতি। বানাক্ৰান্ত ৰাইজৰ দুৰ্দশাই চকু সেমেকাই তুলিছে সকলোৰে। বানত সকলো হেৰুৱাই এতিয়া অনিশ্চিত ভৱিষ্যতৰ দুশ্চিন্তাত সময় কটাইছে বানাক্ৰান্ত ৰাইজে। প্ৰলয়ংকৰী বানে সৰ্বস্বান্ত কৰা বহু বানাক্ৰান্তই এতিয়া এটুপি খোৱাপানী, অকণমান খাদ্যবস্তুৰ বাবে হাহাকাৰ কৰিবলগীয়া হৈছে। যদিও চৰকাৰ-প্ৰশাসনৰ ফালৰ পৰা সাহায্য বিতৰণৰ ব্যৱস্থা কৰিছে, তথাপি মুখ্যমন্ত্ৰীয়ে নিজেই কৈছে যে কিছুমান অঞ্চলত এতিয়াও উদ্ধাৰকাৰী দল উপস্থিত হ'ব পৰা নাই। ইতিমধ্যে বানত ৪১জন লোকৰ মৃত্যু হৈছে। শতাধিক লোক সন্ধানহীন হৈ আছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা বুধবাৰেই বান পৰিস্থিতিৰ বুজ ল'বলৈ উজনিত উপস্থিত হৈছে। বুধবাৰে শিৱসাগৰত বানাক্ৰান্তৰ খা-খবৰ লোৱাৰ পিছত আজি গোলাঘাটত বান পৰিস্থিতিৰ বুজ ল'ব মুখ্যমন্ত্ৰীগৰাকীয়ে। বানাক্ৰান্ত সকলো ধৰণৰ সহায় কৰাৰ আশ্বাস প্ৰদান কৰিছে মুখ্যমন্ত্ৰীগৰাকীয়ে। আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই গোলাঘাট জিলাৰ কেইবাটাও স্থানৰ বান শিৱিৰ পৰ্যবেক্ষণ কৰিব। প্ৰথম কমাৰবন্ধা ভাস্কৰ ছিনিয়ৰ বেচিক স্কুলৰ যি বান শিৱিৰত উপস্থিত হৈ বন্যাৰ্তৰ দুখ-দুৰ্দশাৰ বুজ ল'ব। তাৰ পিছতে নুমলীগড় উচ্চত্তৰ মাধ্যমিক বিদ্যালয়ৰ আৰ্দশ বান শিৱিৰত উপস্থিত হৈ মত বিনিময় কৰি বুজ ল'ব দুখ-দুৰ্দশাৰ। উল্লেখযোগ্য যে উজনিত বানাক্ৰান্তৰ সাহায্য প্ৰদান আৰু উদ্ধাৰ অভিযানত ভাৰতীয় স্থল আৰু বায়ু সেনাও নিয়োজিত হৈ আছে।

## ধাৰাসাৰ বৰষুণত মহানগৰীৰ পথ-উপপথত সাগৰসদৃশ পৰিৱেশ

ড্ৰেইন আৰু নৰ্দমাসমূহ উথলি উঠি পানী ৰাজপথলৈ বৈ আহে। কেইবাটাও গুৰুত্বপূৰ্ণ পথত এক-দেৰ ফুট পৰ্যন্ত পানী জমে, যাৰ ফলত দুই আৰু চাৰিচকীয়া বাহনসমূহ পথৰ মাজতেই বন্ধ হৈ পৰে। লগতে ছয়মাইল, খানাপাৰা, ভি আই পি ৰোড, গীতা মন্দিৰ, বেলতলা, এ আই ডি চিত একাঁঠু পানী। এই একাঁঠু পানীৰে মাজেৰে যাতায়াত কৰিব লগীয়া হৈছে জনতা। ভিন্ন স্থানত একাঁঠু পানীৰ মাজতে বিকল হৈ পৰিছে বাহন। অফিচৰ পৰা ঘৰলৈ ওভতা কৰ্মচাৰীসকলে বিৰামহীন যান-জঁট আৰু আঁঠুৱা পানীত তীব্ৰ হাৰাশাস্তিৰ সন্মুখীন হ'বলগীয়া হয়। লগতে জৰুৰী কাম নাথাকিলে ঘৰৰ পৰা বাহিৰ নহবলৈ আহ্বান জনাইছে। আনহাতে, মহানগৰীৰ বিভিন্ন স্থানত পানীৰ তলত থকা ড্ৰেইন আৰু নৰ্দমাসমূহ দেখা নোপোৱাৰ বাবে পদপথদি খোজকাঢ়ি যোৱাটোও অত্যন্ত বিপজ্জনক হৈ পৰিছে। বহু স্থানত বিদ্যুৎ সৰবৰাহ বন্ধ কৰি দিয়া হৈছে যাতে কোনো দুৰ্ঘটনা সংঘটিত নহয়। জিলা প্ৰশাসন আৰু পৌৰনিগমৰ বিশেষ দলসমূহ পানী নিষ্কাশনৰ বাবে তৎপৰ হৈ পৰিছে যদিও ধাৰাবাহিক বৰষুণ অব্যাহত থাকিলে নিশালৈ পৰিস্থিতি আৰু অধিক অৱনতি ঘটাৰ আশংকা কৰা হৈছে।

## প্ৰশ্নকাকত ফাদিলক লৈ ৰাজনীতি কৰিছে ৰাহুল গান্ধীয়ে

হাথিয়াৰ হিচাপে ব্যৱহাৰ কৰিবলৈ উঠিপৰি লাগিছে লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীয়ে। আজি এই মন্তব্য কৰে অসম চৰকাৰৰ শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে। আজি এক সংবাদমেল সম্বোধন কৰি অসমৰ শিক্ষা মন্ত্ৰীজনে কয় যে নীটৰ পেপাৰ লীকৰ দৰে কাৰ্য এক দুৰ্ভাগ্যজনক তথা অতি সংবেদনশীল ঘটনা। এই ঘটনাক কেন্দ্ৰীয় চৰকাৰে অতি গুৰুত্বসহকাৰে বিবেচনা কৰাৰ লগতে ক্ষীপ্ৰতাৰে এই দুষ্কাৰ্যত জড়িত সকলক ইতিমধ্যে গ্ৰেপ্তাৰ কৰি জেললৈ নিক্ষেপ কৰিছে। এই বিচাৰ প্ৰক্ৰিয়া ক্ষিপ্ৰতাৰে চলাবলৈ আৰু দোষীয়ে যাতে কঠোৰৰ পৰা কঠোৰতম উচিত শাস্তি পাব পাৰে তাৰবাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে আজি ফাষ্টট্ৰেক আদালত গঠনৰ কথা ঘোষণা কৰি এইক্ষেত্ৰত সংশ্লিষ্ট পক্ষক যাৱতীয় ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিছে। এই কথাই প্ৰমাণ কৰিছে ছাত্ৰ-ছাত্ৰীৰ বিষয় সন্দৰ্ভত প্ৰধানমন্ত্ৰী মোডী সংবেদনশীলতা আৰু চিন্তাৰ গম্ভীৰতা। প্ৰধানমন্ত্ৰী মোডীয়ে ছাত্ৰ-ছাত্ৰীৰ কল্যাণক সদায় আগস্থান দি অহাৰ লগতে সমস্যা বা বিষয়বোৰক প্ৰথম অগ্ৰাধিকাৰ হিচাপে বিবেচনা কৰি আহিছে বুলিও তেওঁ সংবাদমেলত মন্তব্য কৰে। সংবাদমেলত কংগ্ৰেছ নেতা ৰাহুল গান্ধী সন্দৰ্ভত ডাঃ ৰণোজ পেগুৱে মন্তব্য কৰি কয় যে এয়া ৰাজনীতি কৰাৰ সময় নহয়। এই সময় হৈছে ছাত্ৰ-ছাত্ৰীৰ সমস্যা সমাধানৰ সময়। ছাত্ৰ-ছাত্ৰীৰ ইচ্ছুক লৈ ৰাজনীতি কৰাটো উচিত নহয়। ভাৰতীয় জনতা পাৰ্টি আৰু এনডিএ মিত্ৰদল সমূহে নীট পৰীক্ষাৰ পেপাৰ লীক সম্পৰ্কে সংসদত আলোচনা কৰিবলৈ আগ্ৰহী। ছাত্ৰ-ছাত্ৰী সকলেও তাকেই বিচাৰিছে। কিন্তু ৰাহুল গান্ধী আৰু কংগ্ৰেছে আলোচনাৰ পৰা পলায়ন কৰি বিষয়টোৰ ৰাজনীতিকৰণত লাগি গৈছে, যিটো অত্যন্ত দুৰ্ভাগ্যজনক। বিজেপি চৰকাৰে পেপাৰ লীকৰ সমস্যাবোৰ সমাধান কৰিবলৈ সংসদত শাসক আৰু বিৰোধীৰ এক সৌহাদ্যপূৰ্ণ আলোচনা বিচাৰে। কিন্তু কংগ্ৰেছকে ধৰি 'ইণ্ডি' এলায়েন্সৰ দলবোৰে বিষয়টোৰ ওপৰত আলোচনা কৰাৰ পৰিবৰ্তে সংসদক পণবন্দী কৰি চলিত অধিবেশনত অচলাৱস্থা অনাটোৰে কি সূচাইছে বুলিও কংগ্ৰেছক প্ৰশ্ন কৰে! ৰাহুল গান্ধীক পুনৰ কটাক্ষ কৰি শিক্ষামন্ত্ৰী পেগুৱে কয় যে বিভিন্ন পৰীক্ষাৰ পেপাৰ লীক হোৱাটো এক দীৰ্ঘদিনীয়া সমস্যা। ছাত্ৰ-ছাত্ৰীৰ সুৰক্ষিত ভৱিষ্যতৰ স্বাৰ্থত এই সমস্যা আমি নোহোৱা কৰিবলৈ দৃঢ়তা লব লাগিব। সেয়া হব সকলো পক্ষৰ সহযোগিতাৰ মাজেৰেহে। কংগ্ৰেছৰ দৰে পলায়নবাদী মানসিকতা আৰু ৰাজনীতিকৰণৰে এই সমস্যাবোৰ সমাধান নহয়। পেপাৰ লীক নোহোৱা কৰিবলৈ প্ৰধানমন্ত্ৰী মোডীয়ে কিছুমান কঠোৰ পদক্ষেপো ইতিমধ্যে গ্ৰহণ কৰিছে। কিন্তু আপোনালোকৰ দলৰ আৰু মিত্ৰজোঁটৰ শাসনত থকা ৰাজ্যবোৰত হোৱা বিভিন্ন পৰীক্ষাৰ পেপাৰ লীক সম্পৰ্কেও আপুনি সৰৱ হোৱা উচিত আছিল। সেইবোৰত আপুনি সৰৱ নহয়। নে নিজৰ দলৰ শাসনত সংঘটিত দুষ্কৰ্ম ঢাকিবলৈ ছাত্ৰ-ছাত্ৰীৰ বিষয় এটাক লৈ এতিয়া আপুনি বৈতৰণী পাৰ হ'বলৈ বিচাৰিছে। এই প্ৰসংগতে সংবাদমেলতে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ২০২৫-২৬ বৰ্ষটোত কংগ্ৰেছ আৰু ইণ্ডি এলায়েন্সৰ শাসনাধীন ৰাজ্যবোৰত হোৱা বিভিন্ন পৰীক্ষাৰ পেপাৰ লীক সম্পৰ্কীয় কেইটামান তথ্যও সদৰি কৰে। পেগুৱে কয় যে অকল ২০২৫-২৬ বৰ্ষটোতে ইণ্ডি এলায়েন্স শাসিত জম্মু আৰু কাশ্মীৰত চাৰ্ভিছ চিলেকচন ব'ৰ্ড পৰীক্ষা, ঝাৰখাণ্ডত দশম শ্ৰেণীৰ হিন্দী আৰু বিজ্ঞানৰ কাকত, তামিলনাডুত বিএড পৰীক্ষা, পঞ্জাৱত পিএছএছএছবি নিযুক্তি পৰীক্ষা, পশ্চিমবংগত আৰক্ষী কনিষ্টবল নিযুক্তি পৰীক্ষা আৰু কংগ্ৰেছ শাসিত কৰ্ণাটকত এছএছএলছি এণ্ড চেকেণ্ড পিইউছি প্ৰিপাৰেটৰী পৰীক্ষা, কেৰালাত পিএছচি-২৬ পৰীক্ষাত অনিয়ম, তেলেংগানাত এছএছচি উৰ্দু মেডিয়াম আৰু ইন্টাৰমেডিয়েট লেংগুৱেজ পেপাৰ আৰু হিমাচল প্ৰদেশত দ্বাদশ শ্ৰেণীৰ ব'ৰ্ড পৰীক্ষাৰ প্ৰশ্নকাকত লীক হৈছিল। পেপাৰ লীকৰ সময়ত এই আটাইকেইখন ৰাজ্য ইণ্ডি এলায়েন্স শাসিত আছিল বুলিও তেখেতে মন্তব্য কৰে। তদুপৰি কংগ্ৰেছ শাসনাধীন ৰাজস্থানৰ প্ৰাক্তন মুখ্যমন্ত্ৰী অশোক গেহলোটৰ কাৰ্যকালত ভাৰতবৰ্ষৰ ভিতৰতে পেপাৰ লীকৰ অভিলেখ সৃষ্টি কৰিছিল। কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে দেশৰ যশস্বী প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ বাসগৃহৰ বাহিৰত প্ৰতিবাদ কৰাৰ নামত যি অপ্ৰীতিকৰ তথা অশান্ত পৰিৱেশৰ সৃষ্টি কৰিছিল এই কাৰ্যই সমগ্ৰ দেশকে লজ্জানত কৰিছে। বিৰোধী দলপতি এগৰাকীৰ দেশৰ প্ৰধানমন্ত্ৰীক অৱমাননা কৰাৰ মানসিকতাকো সংবাদমেলখনত মন্ত্ৰী ৰণোজ পেগুৱে চোকা ভাষাৰে সমালোচনা কৰে। কংগ্ৰেছ তথা বামপন্থী দলসমূহে ছাত্ৰ-ছাত্ৰীসকলক ঢাল হিচাপে ব্যৱহাৰ কৰি ৰাজনৈতিক মুনাফা লাভৰ ব্যৰ্থ চেষ্টা কৰিছে বুলিও সংবাদমেলখনত অভিহিত কৰে। শিক্ষাৰ প্ৰতি কংগ্ৰেছ আৰু ইউপিএ চৰকাৰৰ দায়িত্বহীনতা উদঙাই সংবাদমেলত ডাঃ পেগুৱে কয় যে পূৰ্বৰ ইউপিএ আমোলত শিক্ষা বিভাগৰ বাজেট আছিল মাত্ৰ ৮.২২৫ কোটি টকা। বিপৰীতে মোডী আমোলত এই বাজেট ১.৩ লাখ কোটি টকালৈ বৃদ্ধি হয়। এই সময়ছোৱাত দেশৰ বিভিন্ন প্ৰান্তত আইআইটি, আইএমএমকে ধৰি কলেজ আৰু বিশ্ববিদ্যালয়ৰ সংখ্যাও যথেষ্ট বৃদ্ধি হয়। ই সময়ছোৱাত ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ্থে সকলো ধৰণৰ পাঠ্যক্ৰমৰ আসনৰ সংখ্যাও পৰ্যাপ্ত পৰিমাণে বৃদ্ধি কৰা হয়, যিবোৰ কথা পূৰ্বৰ ইউপিএ আমোলত সপোনৰো অগোচৰ আছিল। উল্লেখযোগ্য যে আজি সংবাদমেলখনত দলৰ ৰাজ্যিক সাধাৰণ সম্পাদকদ্বয় দিপ্লুৰঞ্জন শৰ্মা, অনুপ বৰ্মন, মুখ্য মুখপাত্ৰ কিশোৰ উপাধ্যায়, সংবাদ বিভাগৰ আহ্বায়ক ৰূপম গোস্বামীও উপস্থিত থাকে।

## অত্যাৱশ্যকীয় সামগ্ৰীৰ যোগান-মূল্য সম্পৰ্কত পৰ্যালোচনা বৈঠক

সামগ্ৰীৰ উপলব্ধতা আৰু বজাৰ মূল্যৰ পৰিস্থিতিৰ বিস্তৃত পৰ্যালোচনা কৰে। সভাত বানাক্ৰান্ত অঞ্চলসমূহত খাদ্য সামগ্ৰী আৰু অন্যান্য অত্যাৱশ্যকীয় সামগ্ৰীৰ নিৰৱচ্ছিন্ন যোগান নিশ্চিত কৰাৰ ক্ষেত্ৰত গ্ৰহণ কৰা ব্যৱস্থাসমূহৰ মূল্যায়ন কৰা হয়। মন্ত্ৰী ৰায়ে সকলো জিলা আয়ুক্ত আৰু সংশ্লিষ্ট বিষয়াক পৰস্পৰৰ মাজত সু-সমন্বয় ৰক্ষা কৰি বানত ক্ষতিগ্ৰস্ত লোকসকলৰ মাজত সময়মতে সাহায্য সামগ্ৰী বিতৰণ নিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়ে। মন্ত্ৰীগৰাকীয়ে দ্ৰুত সঁহাৰি, নিৰৱচ্ছিন্ন নিৰীক্ষণ আৰু সময়োপযোগী পদক্ষেপ গ্ৰহণৰ ওপৰত গুৰুত্ব আৰোপ কৰি কয় যে এই দুৰ্যোগৰ সময়ত অত্যাৱশ্যকীয় সামগ্ৰীৰ যোগান যাতে কোনো পৰিস্থিতিতে ব্যাহত নহয়, সেয়া নিশ্চিত কৰিব লাগিব। তেওঁ প্ৰতিখন জিলাৰ টাস্ক ফ'ৰ্চক সকলো সময়তে সক্ৰিয় হৈ বজাৰত অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যৰ ওপৰত কঠোৰ নজৰ ৰাখিবলৈ নিৰ্দেশ দিয়াৰ লগতে কোনো সামগ্ৰীৰ অহেতুক মূল্যবৃদ্ধি পৰিলক্ষিত হ'লে তাৎক্ষণিকভাৱে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈও নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত ৰাজ্য চৰকাৰে বানপানীত ক্ষতিগ্ৰস্ত প্ৰতিগৰাকী লোকৰ কাষত থকাৰ বাবে সম্পূৰ্ণৰূপে প্ৰতিশ্ৰুতিবদ্ধ বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে সাহায্য আৰু অত্যাৱশ্যকীয় সেৱাসমূহ যাতে প্ৰতিটো ক্ষতিগ্ৰস্ত পৰিয়ালে সময়মতে লাভ কৰে, তাৰ বাবে চৰকাৰে সকলো প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰি আছে। সভাত বিভাগটোৰ অতিৰিক্ত মুখ্য সচিব বিশ্বৰঞ্জন ছামালে ক্ৰয় কৰা অৱশিষ্ট ধানসমূহ অতি শীঘ্ৰে মিলত বনাৰ ব্যৱস্থা কৰি ভাৰতীয় খাদ্য নিগম (এফচিআই)ৰ হাতত চাউল হস্তান্তৰ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে, যাতে ক্ৰয় কৰা ধানৰ কোনো ক্ষতি নহয়। লগতে তেওঁ জিলা পৰ্যায়ৰ টাস্ক ফৰ্চ্চসমূহক অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যৰ ওপৰত কঠোৰ নজৰ অব্যাহত ৰাখিবলৈ আৰু এই ক্ষেত্ৰত সমন্বয় সুদৃঢ় কৰিবলৈ আহ্বান জনায়। ভিডিঅ' কনফাৰেন্সত বিভাগটোৰ সচিব অনসূয়া দত্ত বৰুৱা, ভাৰতীয় খাদ্য নিগম (এফচিআই)ৰ মহাপ্ৰবন্ধক মনোজ কুমাৰ, আয়ুক্ত হেমন্ত ভূঞা, এ এফ ডি ইউ চি এলৰ পৰিচালন সঞ্চালক পাৰিজাত ভূঞা, জিলা আয়ুক্তসকল আৰু সংশ্লিষ্ট জিলা প্ৰশাসনৰ বিষয়াবৰ্গ উপস্থিত থাকে।

## ডেৰ কোটি টকাৰ ড্ৰাগছ জব্দ

চলাই গুৱাহাটী দিশৰ পৰা অহা এ এছ ০১ ইউ চি ৭৪৭৯ নম্বৰৰ ট্ৰাক খনত লুকুৱাই অনা অৱস্থাত আৰক্ষীয়ে খেদি খেদি ধৰিবলৈ সক্ষম হয় বাহন খন। আৰক্ষীয়ে ২৪ টাকৈ পেকেটত মণিপুৰৰ টি সঞ্জয় নামৰ লোক জনে ট্ৰাক খনত গোপন চেম্বাৰৰ জৰিয়তে সৰবৰাহ কৰিছিল বৃহৎ পৰিমাণৰ অবৈধ OPIUM খিনি। আৰক্ষীয়ে ইতিমধ্যে ২৪ কেজি OPIUM জব্দ কৰাৰ লগতে মণিপুৰী লোক জনক আটক কৰি তদন্ত অব্যাহত ৰাখিছে। কামৰূপৰআৰক্ষী অধীক্ষক শুভাশীষ বৰুৱাৰ নেতৃত্বত চলিছিল এই অভিযান। অভিযানত হাজো আৰু দদৰা আৰক্ষীয়ে সহযোগিতা আগবঢ়াই।

## গোলাঘাটত মুখ্যমন্ত্ৰী ঃ আশ্ৰয় শিবিৰ

স্থাপন কৰা সাহায্য শিবিৰটো পৰিদৰ্শন কৰে। এই শিবিৰত বৰ্তমান ১৭৮ গৰাকী বন্যাৰ্থীয়ে আশ্ৰয় লৈ আছে। মুখ্যমন্ত্ৰীয়ে বানপীড়িতৰ সৈতে মত-বিনিময় কৰি তেওঁলোকৰ সমস্যাসমূহ, দৈনন্দিন প্ৰয়োজন আৰু সন্মুখীন হোৱা বিভিন্ন অসুবিধাৰ বুজ লয়। এই শিবিৰ পৰিদৰ্শনৰ অন্তত মুখ্যমন্ত্ৰীয়ে কয় যে বানপীড়িতসকলৰ প্ৰতিটো প্ৰয়োজন অগ্ৰাধিকাৰৰ ভিত্তিত পূৰণ কৰাৰ বাবে জিলা প্ৰশাসন তথা বিভাগীয় কৰ্তৃপক্ষক নিৰ্দেশনা প্ৰদান কৰা হৈছে। উল্লেখ্য যে, শেহতীয়া বানত গোলাঘাট জিলাৰ ২৫ হাজাৰৰো অধিক লোক প্ৰভাৱিত হৈছে। ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে নুমনীগড় উচ্চতৰ মাধ্যমিক বিদ্যালয়ত স্থাপন কৰা বানসাহায্য শিবিৰটো পৰিদৰ্শন কৰি তেওঁলোকৰ অৱস্থাৰ বুজ লয়। ১৮২ গৰাকী বান প্ৰভাৱিত লোক থকা এই শিবিৰটোত যথেষ্ট সংখ্যক শিশুৱেও আশ্ৰয় গ্ৰহণ কৰি আছে। মুখ্যমন্ত্ৰীয়ে শিশুসকলৰ সৈতেও কিছু সময় কটাই বাৰ্তালাপ কৰে। শিবিৰ পৰিদৰ্শনৰ পিছত মুখ্যমন্ত্ৰীয়ে সংবাদ মাধ্যমৰ আগত শেহতীয়া বানত জনসাধাৰণে সন্মুখীন হোৱা কষ্টৰ কথা উল্লেখ কৰি কয় যে এই বানত খেতিপথাৰ, পশুধন ব্যাপকভাৱে প্ৰভাৱিত হোৱাৰ লগতে বহু পৰিয়াল ক্ষতিগ্ৰস্ত হৈছে। তেওঁ মন্তব্য কৰে যে জনসাধাৰণক পৰ্যাপ্ত সাহায্য আগবঢ়োৱাৰ বাবে চৰকাৰে প্ৰচেষ্টা হাতত লৈছে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি টেলিফোনেৰে তেওঁৰ পৰা অসমৰ শেহতীয়া বান পৰিস্থিতিৰ বুজ লৈছে। এই অভূতপূৰ্ব বানত হোৱা ক্ষয়-ক্ষতিৰ বিস্তৃত মূল্যাংকন কৰিবলৈ আৰু পুনৰ্বাসন তথা পুনৰ্নিৰ্মাণ প্ৰক্ৰিয়াৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰা প্ৰয়োজনীয় সাহায্য সম্পৰ্কে পৰ্যালোচনা কৰাৰ উদ্দেশ্যে কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন মন্ত্ৰালয়ৰ বিষয়াৰ দ্বাৰা গঠিত এটা দল শীঘ্ৰে অসমত আহি উপস্থিত হ'ব বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে তেওঁক অৱগত কৰাৰ কথাও মুখ্যমন্ত্ৰীয়ে সদৰী কৰে। স্মৰ্তব্য যে ৰাজ্যৰ শেহতীয়া বানৰ চাক্ষুষ বুজ লোৱাৰ উদ্দেশ্যে মুখ্যমন্ত্ৰী ড° শৰ্মাই কালি চৰাইদেউ, শিৱসাগৰ আৰু যোৰহাট জিলাৰ বিভিন্ন অঞ্চল তথা বানসাহায্য শিবিৰ পৰিদৰ্শন কৰিছিল।

## শিৱসাগৰত বানত ১৮ জনৰ মৃত্যু-

গাঁও, লুথুৰি গাঁও, তেঁতেলীগুৰি, টিপমীয়া, বচা গাঁও, হুলাল কাটনি, ৰহদৈগাঁও আদিত বৰ্তমানো পানী ওলাই যোৱা নাই। তদুপৰি এই গাঁওসমূহত পলসে পুতি পেলোৱাৰ বাবে বানাক্ৰান্তই ব্যাপক অসুবিধাৰ সন্মুখীন হ'ব লগা হৈছে। মথুৰাপুৰ, সাপেখাতী, চক্ৰাই, টেঙাপুখুৰী আদিত বান পৰিস্থিতি কিছু উন্নত হৈছে যদিও মাহমৰাত বান পৰিস্থিতি অপৰিৱৰ্তিত হৈ আছে। চৰাইদেউ জিলাৰ কিছু অঞ্চলত বান পৰিস্থিতি উন্নত হৈছে যদিও অঞ্চলসমূহত এতিয়া বসবাসৰ পৰিস্থিতি একেবাৰে বেয়া হৈ আছে। নাজিৰাৰ কমল চাপৰিত এইপৰ্যন্ত ৫০গৰাকীৰো অধিক লোক সন্ধানহীনৰ খবৰ পোৱা গৈছে। সেইদৰে বিহুবৰ নেপালীখুঁটিৰ বহু লোকৰ সন্ধান নাই। বিশেষতঃ ম'বাইল নেটৱৰ্কৰ অভাৱ তথা দুৰ্গম অঞ্চললৈ উদ্ধাৰৰ বাবে উদ্ধাৰকাৰী দল যাব নোৱাৰাৰ বাবেই এই অঞ্চলসমূহত কিমান লোকৰ বানৰ কবলত পৰি মৃত্যু হৈছে তাৰ তথ্য নাই প্ৰশাসনৰ হাতত। আনহাতে, চৰাইদেউৰ টেঙাপুখুৰী অঞ্চলৰ একেটা পৰিয়ালৰে নিৰুদ্দেশ হৈ থকা বিদিশা দুৱৰা, বিদ্যুৎ দুৱৰা আৰু বিপ্লৱ দুৱৰাৰো মৃতদেহ উদ্ধাৰ হৈছে। আনহাতে, পৰিয়ালটোৰ সন্ধানহীন মাতৃ টুটুমণি দুৱৰাৰ মৃতদেহ এইপৰ্যন্ত উদ্ধাৰ কৰিব পৰা নাই। ইফালে, চৰাইদেউৰ মথুৰাপুৰ থানা এলেকাত ৫গৰাকীকৈ লোকৰ মৃতদেহ উদ্ধাৰ হয়। থানাখনৰ অন্তৰ্গত হলৌফুকন গাঁও পঞ্চায়তৰ ধামধূলি গাঁও আৰু চোমনি গাঁৱত এছডিআৰএফ বাহিনীয়ে উদ্ধাৰ কৰে দুটা উৰলি যোৱা মৃতদেহ। মৃতদেহ দুটাৰ এটা অচিনাক্ত পুৰুষৰ, আনটো চোমনি গাঁৱৰ সন্ধানহীন হৈ থকা নৰেন ফুকনৰ বুলি চিনাক্ত কৰা হৈছে। উদ্ধাৰ কৰা মৃতদেহকেইটা হ'ল মাইবেলো ১০১নং গ্ৰাণ্ট গেলগেলি অঞ্চলৰ ৭ বছৰীয়া শিশু মনোজ মাল, শিলাসাঁকো চোমনি গাঁৱৰ অকণ চিত্ৰকৰ (৮৫) আৰু প্ৰদীপ চিত্ৰকৰ (৬৫) ধামধূলি চোমনি গাঁৱৰ নৰেন ফুকন (৪৭) আৰু এটা মৃতদেহ বৰ্তমানেও চিনাক্ত কৰিব পৰা নাই।

## উজনি অসমৰ বানপীড়িতলৈ দৰং জিলা

পুঁজিৰ দ্বাৰা দুৰ্গত লোক সকলক সহায় কৰিব বিচাৰে তেওঁলোকে দৰং জিলা পৰিষদৰ সাহায্য পুঁজিৰ একাউণ্ট ত বা কাৰ্যালয়ত আহিও দিব পাৰিব। পৰৱৰ্তী সময়ত দৰং জিলা পৰিষদে দুৰ্গত জিলা কেইখনৰ জিলা পৰিষদৰ জৰিয়তে এই সাহায্য বিতৰণ কৰিব। বৃহস্পতিবাৰে জিলা পৰিষদৰ সভানেত্ৰী শেৱালি গোস্বামী কলিতাই এক অনুষ্ঠানযোগে প্ৰকাশ কৰে যে আৰ্থিক সাহায্য উপৰিও কাপোৰ, খোৱা খাদ্য, খোৱাপানীৰ লগতে আন নিত্যপ্ৰয়োজনীয় সামগ্ৰীও কোনো লোকে দিব বিচাৰিলে দিব পাৰিব। আজিৰ সাহায্য আগবঢ়োৱা আৰম্ভনিৰ কাৰ্যসূচীতে বহু কেইজন বিশিষ্ট ব্যক্তিয়ে সাহায্য আগবঢ়ায়।সাহায্য আগবঢ়োৱা আৰম্ভনিৰ কাৰ্যসূচীত জিলা পৰিষদৰ উপ সভানেত্ৰী পৰিস্মিতা নাথ, সদস্য অনিতা ৰাজবংশী, বিতোপন ডেকা, চণ্ডিচৰন ডেকা,মুক্তা দেবী মণ্ডলৰ লগতে জিলা পৰিষদৰ বিষয়া কৰ্মচাৰী উপস্থিত থাকে।দৰং জিলা পৰিষদৰ এই কাৰ্যক সকলোৱে একেমুখে শলাগ লৈছে।

## ৰাষ্ট্ৰীয় ঘাইপথৰ পকী দলং-কালভাৰ্টৰ

যদিও সম্প্ৰতি কিন্তু প্ৰশাসনৰ নিষ্ক্ৰিয়তাৰ ফলত পৰিস্থিতি অধিক অৱনতি ঘটাৰ বিষয়ে জানিবলৈ দিছে ক্ষতিগ্ৰস্ত কৃষক ৰাইজে। আনহাতে একাংশ কৃষক ৰাইজৰ আৰ্থিক দুৰৱস্থাৰ সুযোগ লৈ একাংশ দালাল প্ৰকৃতিৰ বিত্তৱান লোকে প্ৰায় পৰিত্যক্ত ৰূপ ধাৰণ কৰা কৃষিভূমিসমূহ নামমাত্ৰ দামতে ক্ৰয় কৰি পথাৰৰ মাজতে মৎস্য পুখুৰী নিৰ্মাণ কৰাত পৰিস্থিতিৰ অধিক অৱনতি ঘটা দেখা গৈছে। আজি কেইবাগৰাকী কৃষকে একালৰ সাৰুৱা শালি ধানৰ কৃষিভূমিসমূহলৈ আঙুলিয়াই উচুপি উঠা পৰিলক্ষিত হয়। উল্লেখ্য, সমষ্টি পুনঃনিৰ্ধাৰণৰ পিছত একালৰ অবিভক্ত বৰপেটা জিলাৰ অন্তৰ্গত ৰাষ্ট্ৰীয় ঘাইপথছোৱাৰ ক্ষতিগ্ৰস্ত কৃষিভূমিসমূহ বৰপেটা আৰু বজালী দুয়োখন জিলাৰে অন্তৰ্ভুক্ত হৈ পৰিছে। পানী নিষ্কাশনৰ ব্যৱস্থাটোক বাধা দিয়াত পুৰণ গলিয়া, কাচিৰটাৰী, হৰিপুৰ, উত্তৰ নহাটী, কুছিয়াঝাৰ আদি গাঁওসমূহৰ খেতিপথাৰত বিৰূপ প্ৰভাৱ পৰা দেখা গৈছে। ভুক্তভোগী কৃষক ৰাইজে জিলা প্ৰশাসনক অতি শীঘ্ৰেই পানী নিষ্কাশনৰ পথসমূহ মুকলি কৰি কৃষকসকলক কৃষিৰ অধিকাৰ ঘূৰাই দিয়াৰ দাবী জনাইছে।

## নগাঁৱত চোৰাং বালি-শিলৰ অবৈধ কাৰবাৰ

কেৱল অভাৰ লোডিং ড্ৰাম্পাৰে নহয়, নগাঁও পৌৰ নিগমৰ অধীনত বেটেৰীৰ চালিত তিনিচকীয়া বাহনৰ বিৰুদ্ধে ও তৎপৰ নগাঁও জিলা পৰিবহণ বিভাগ।

## মুকালমুৱাৰ নাৰায়নপুৰ গাঁও পঞ্চায়তত

বায়'মেট্ৰিক এটেনডেন্স, ৱাইফাই মেচিনকে ধৰি প্ৰায় ডেৰ লক্ষাধিক টকাৰ সামগ্ৰী লুটি লৈ যায় চোৰে। ৰাতিপুৱা গাওঁ পঞ্চায়ত কাৰ্যালয়টোত কৰ্মৰত চতুৰ্থ বৰ্গৰ কৰ্মচাৰীজনে কাৰ্যালয়ৰ তলা ভঙা দেখি গাওঁ পঞ্চায়তৰ সভানেত্ৰীগৰাকীক অৱগত কৰে। পঞ্চায়ত কাৰ্যালয়ৰ ফালৰ পৰা ইতিমধ্যে মুকালমুৱা আৰক্ষী থানাত এজাহাৰ দাখিল কৰা হৈছে। ঘটনা সন্দৰ্ভত মুকালমুৱা আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ প্ৰাথমিক তদন্ত অব্যাহত ৰাখিছে। অতিশীঘ্ৰে চোৰক কৰায়ত্ত কৰি চুৰি সামগ্ৰী উদ্ধাৰ কৰাৰ আহ্বান জনাইছে গাওঁ পঞ্চায়তৰ কৰ্মচাৰী আৰু প্ৰতিনিধিসকলে।

## বৰভাগত অবৈধ কাঠৰ মিলৰ বিৰুদ্ধে বন

৭ টাকৈ অবৈধ কাঠফলা মিল জব্দ কৰিবলৈ সক্ষম হৈছে।প্ৰকাশ্য যে দীৰ্ঘদিন ধৰি নলবাৰীৰ আঞ্চলিক বন বিভাগটোৰে অবৈধ কাঠৰ মিলৰ সৈতে গোপন বুজাবুজি কৰি চলি থকাৰ সময়তে নলবাৰী সমষ্টিৰ পৰা প্ৰতিনিধিত্ব কৰি বনমন্ত্ৰীৰ দায়িত্ব পোৱা জয়ন্ত মল্ল বৰুৱা বিভাগটোৰ বাবে মুৰৰ কামৰণি হৈ পৰিছে। উল্লেখযোগ্য যে ৰাজ্যৰ নতুন মন্ত্ৰীসভাত নলবাৰী সমষ্টিৰ বিধায়ক জয়ন্ত মল্ল বৰুৱাক বন, বিত্ত আদি গুৰুত্বপূৰ্ণ বিভাগৰ দায়িত্ব অৰ্পণ কৰাৰ পিছতে নলবাৰী জিলাত দীৰ্ঘদিন ধৰি চলি থকা নদীৰ বুকুৰ পৰা নীতি বহিৰ্ভূতভাবে মাটি খনন,অবৈধ কাঠফলা মিল আৰু বন বিভাগৰ একাংশ কৰ্মচাৰীৰ বিৰুদ্ধে উত্থাপিত অভিযোগসমূহ পুনৰ চৰ্চালৈ আহিছে।স্থানীয় লোকসকলৰ মতে, ডাম্পাৰ, ট্ৰেক্টৰ আৰু জেচিবিৰ ব্যৱহাৰে নদীৰ পাৰ আৰু মথাউৰি ক্ষতিগ্ৰস্ত কৰিছে যাৰ ফলত আগন্তুক দিনত বান আৰু ভূমিক্ষয়ৰ আশংকা বৃদ্ধি পাব পাৰে। বিশেষকৈ নিশা ভাগত বহু সংখ্যক যানবাহনে অবৈধভাৱে বালিমাটি কঢ়িয়াই নিয়া দেখা যায় বুলি সঘনাই অভিযোগ উত্থাপন হৈছে।ইফালে বন বিভাগৰ একাংশ কৰ্মচাৰীৰ বিৰুদ্ধে অবৈধ খাদান আৰু কাঠফলা মিলৰ পৰা ধন সংগ্ৰহ কৰাৰো অভিযোগ উত্থাপিত হৈছে। যদিও এই অভিযোগসমূহৰ স্বতন্ত্ৰভাৱে নিশ্চিতকৰণ হোৱা নাই। তথাপিও বিষয়টো লৈ অঞ্চলজুৰি তীব্ৰ প্ৰতিক্ৰিয়া সৃষ্টি হৈছে। লগতে স্থানীয় ৰাইজে অভিযোগ কৰিছে যে জিলা প্ৰশাসন, বন বিভাগ আৰু জল সম্পদ বিভাগে বিষয়টোত কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা নাই। ফলত চৰকাৰৰ ৰাজহ ক্ষতি হোৱাৰ লগতে পৰিৱেশ আৰু নদী পৰিবেশ ব্যৱস্থাৰ ওপৰত নেতিবাচক প্ৰভাৱ পৰাৰ আশংকা প্ৰকাশ কৰা হৈছে। সংবাদ মাধ্যমৰ বাতৰিৰ সঁহাৰি তথা বনমন্ত্ৰী জয়ন্ত মল্লবৰুৱাৰ ধমকি পাই নলবাৰী আঞ্চলিক বন বিভাগৰ বিষয়া কৰ্মচাৰীয়ে জিলাখনৰ টিহুৰ মাখিবাহা, মুকমুৱাৰ ৰামপুৰ, বৰভাগ আদি অঞ্চলত অবৈধ কাঠৰ মিলৰ বিৰুদ্ধে অভিযান চলোৱা পৰিলক্ষিত হৈছে। এই অভিযান নিসন্দেহে আদৰণি যদিও এই অভিযান কিমান দিনলৈ থাকিব সেয়াও লক্ষ্যণীয় হ'ব। নে একাংশ সংবাদ মাধ্যমৰ নচমক প্ৰদৰ্শন কৰি অবৈধ কাঠৰ মিলৰ মালিকৰ সৈতে পুনৰ ধনৰ অংক কৰি আধাতে থমকি ৰ'ব নেকি বুলি সচেতন মহলৰ মাজত বিভিন্ন প্ৰশ্ন হৈছে। আৰু আগন্তুক দিনত পাগলাদিয়া- নোনা নৈৰ অবৈধ মাটি খননৰ বিৰুদ্ধে কি ব্যৱস্থা লয় সেয়াও লক্ষ্যণীয় হ'ব।

# এদিনীয়া ৰেংকিঙত স্থান উন্নত শুভমন গিল, বিৰাট কোহলী আৰু ৰোহিত শৰ্মাৰ

**নতুন দিল্লী, ২৩ জুলাই ঃ** ইংলেণ্ডৰ বিৰুদ্ধে শেহতীয়াকৈ সামৰণি পৰা এদিনীয়া শৃংখলাত উৎকৃষ্ট প্ৰদৰ্শনৰ পিছত আই চি চি পুৰুষৰ এদিনীয়া বেটিং ৰেংকঙত ভাৰতীয় বেটিং ত্ৰিমূৰ্তি-শুভমন গিল, বিৰাট কোহলী আৰু ৰোহিত শৰ্মাই নিজৰ স্থান সংস্কাৰ কৰিছে। তিনিখন মেচত মুঠ ১৮৮ ৰান সংগ্ৰহ কৰি গিল এতিয়া ৮০২ ৰেটিং পইণ্টেৰে শীৰ্ষত থকা ডেনিয়েল মিচেলৰ পৰা মাত্ৰ ১ পইণ্ট পিছত ( দ্বিতীয় স্থানত) আছে। কোহলী (৭৬৭) পইণ্ট আৰু ৰোহিত শৰ্মাই (৭৫৮ পইণ্ট) স্থান উন্নত কৰি শীৰ্ষ স্থানৰ ওচৰ চাপিছে। ইংলেণ্ডৰ বেটাৰ জো ৰুটে আউট নোহোৱাকৈ ২৪৯ ৰান কৰি 'প্লেয়াৰ অব্ দ্য চিৰিজ'ৰ খিতাপ দখল কৰাৰ লগতে ৪টা স্থান ওপৰলৈ উঠি অষ্টম স্থানত উপনীত হৈছে। বলিং ৰেংকঙত আফগানিস্তানৰ ৰছিদ খান শীৰ্ষত আছে আৰু ইংলেণ্ডৰ জোফ্ৰা আৰ্চাৰে তৃতীয় স্থানলৈ উন্নতি কৰিছে। অলৰাউণ্ডাৰ ৰেংকঙত নিউজীলেণ্ডৰ মাইকেল ব্ৰেচৱেলে নিজৰ কেৰিয়াৰৰ শ্ৰেষ্ঠ স্থান লাভ কৰি তৃতীয় স্থানত উপনীত হৈছে।বিশ্ব ক্ৰিকেটত ভাৰতীয় বেটাৰসকলৰ এই ধাৰাবাহিক প্ৰদৰ্শনে দলটোলৈ অধিক উৎসাহ কঢ়িয়াই আনিছে।



# কমনৱেলথ গেমছত ভাৰতৰ প্ৰথমটো পদক নিশ্চিত কৰিলে লাভলিনা বৰগোহাঁইয়ে

## প্ৰথম ৰাউণ্ডত 'বাই' লাভৰ ফলত পোনে পোনে ছেমি ফাইনেলত প্ৰৱেশ

**গ্লাছগ', ২৩ জুলাইঃ** ভাৰতীয় তাৰকা বক্সাৰ তথা টকিঅ' অলিম্পিকৰ ব্ৰঞ্জ বিজয়ী লাভলিনা বৰগোহাঁইয়ে ২০২৬ চনৰ কমনৱেলথ গেমছৰ উদ্বোধনী অনুষ্ঠানৰ পূৰ্বেই ভাৰতৰ বাবে প্ৰথমটো পদক নিশ্চিত কৰিছে। লাভলিনাই মহিলাৰ ৭৫ কেজি ওজন শ্ৰেণীত প্ৰতিযোগিতাত অৱতীৰ্ণ হৈছে। মাত্ৰ ৫ গৰাকী বক্সাৰ থকা খেলৰ তালিকাত



প্ৰথম ৰাউণ্ডত 'বাই' লাভ কৰাৰ ফলত তেওঁ পোনে পোনে ছেমি ফাইনেলত প্ৰৱেশ কৰে। বক্সিং প্ৰতিযোগিতাত ছেমি ফাইনেলত প্ৰৱেশ কৰাৰ লগে লগে অন্ততঃ ব্ৰঞ্জৰ পদক নিশ্চিত হৈ পৰে। টকিঅ' অলিম্পিকত ব্ৰঞ্জৰ পদক জয় কৰা অসম জীয়াৰী লাভলিনাৰ এই সাফল্যই সমগ্ৰ দেশবাসীৰ লগতে অসমবাসীলৈ গৌৰৱ কঢ়িয়াই আনিছে। উল্লেখ্য যে ৭৫ কেজি ওজন শ্ৰেণীত অৱতীৰ্ণ হোৱা অলিম্পিক পদক বিজয়ী তাৰকা বক্সাৰ লাভলিনা বৰগোহাঁইৰ প্ৰথমটো মেচ তাৰোনা তাফাকিৰ বিৰুদ্ধে অনুষ্ঠিত হ'ব। ছেমি ফাইনেলত বিজয়ী হ'লে লভলিনাই ফাইনেলত প্ৰৱেশ কৰি সোণৰ পদক জয় কৰাৰ সোণালী সুযোগ লাভ কৰিব। ৩য় বাৰৰ বাবে কমনৱেলথ গেমছত অংশগ্ৰহণ কৰা লাভলিনাৰ বাবে এই পদক অত্যন্ত বিশেষ হ'ব, কাৰণ ইয়াৰ পূৰ্বে তেওঁ কমনৱেলথত পদক লাভ কৰিবলৈ সক্ষম হোৱা নাছিল।

# আৰ্জেনটিনাৰ ফুটবল সংস্থাৰ সভাপতিৰ বিৰুদ্ধে এফ বি আইৰ বিত্তীয় অনিয়মৰ তদন্ত

**বুৱেনছ আয়াৰ্ছ, ২৩ জুলাই ঃ** ফিফা বিশ্বকাপ ২০২৬-ৰ সামৰণিৰ পিছতে আৰ্জেনটিনীয় ফুটবল দলৰ বাবে এক ডাঙৰ বিতৰ্কই গা কৰি উঠিছে। আমেৰিকাৰ কেন্দ্ৰীয় তদন্তকাৰী সংস্থা 'এফ বি আই'-য়ে আৰ্জেনটিনীয় ফুটবল সংস্থাৰ সভাপতি ক্লাউডিঅ' 'চিকি' তাপিয়াক বিত্তীয় অনিয়ম আৰু ধন সৰবৰাহ সন্দৰ্ভত সোধ-পোছ কৰিছে। বিশ্বকাপ শেষ কৰি বুৱেনছ আয়াৰ্ছলৈ উভতিবলৈ চাৰ্টাৰ্ড বিমানত উঠাৰ ঠিক আগেয়ে আমেৰিকাৰ বিমান বন্দৰত এফ বি আই-য়ে সভাপতি ক্লাউডিঅ' তাপিয়াক প্ৰায় ৩০ মিনিট সময় ধৰি প্ৰশ্নবাণ কৰে আৰু তেওঁৰ ম'বাইল ফোনটো জব্দ কৰে। বাতৰি অনুসৰি, এ এফ এ-ৰ বাণিজ্যিক আৰু স্পনছৰশ্বিপ চুক্তিৰ ৩০০ নিযুত ডলাৰতকৈও অধিক ধন আমেৰিকান বেংকৰ জৰিয়তে সৰবৰাহ আৰু হেৰফেৰ কৰাৰ অভিযোগত এই তদন্ত চলোৱা হৈছে। ফুটবল সংস্থাটোৱে তেওঁলোকৰ সভাপতি বা কোষাধ্যক্ষ পালো টভিগিনোক আনুষ্ঠানিকভাৱে আদালতত উপস্থিত হ'বলৈ কোনো চমন দিয়া নাই বুলি দাবী কৰিছে। অৱশ্যে, সংস্থাটোৰ সৈতে জড়িত এক তৃতীয় পক্ষক আমেৰিকাৰ গ্ৰ্যাণ্ড জুৰীয়ে প্ৰমাণ দাখিলৰ বাবে তলব কৰা বুলি স্বীকাৰ কৰিছে। ফুটবল সংস্থাৰ কোটি কোটি টকাৰ লেনদেন আৰু বাণিজ্যিক চুক্তিসমূহ এতিয়া আমেৰিকান আইন প্ৰৱৰ্তনকাৰী সংস্থাৰ তীক্ষ্ণ দৃষ্টিত আছে।

# ইচ্ছাকৃতভাৱে নো-বল কৰিলেই হ'ব নিলম্বন

## বিচিচিআইৰ ঘৰুৱা ক্ৰিকেটত নতুন নিয়ম ঘোষণা

নতুন দিল্লী, চ্ব জুলাই: ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ বৰ্ক্সৰ্ডে চণ্ত্মচ্ছ-চজ্জবৰ্ষৰ ঘৰুৱা ক্ৰিকেট ছিজনৰ বাবে খেলৰ কেইবাটাও গুৰুত্বপূৰ্ণ নিয়ম সলনি কৰিছে। খেলখন অধিক নিকা, শৃংখলাবদ্ধ আৰু আকৰ্ষণীয় কৰি তোলাৰ উদ্দেশ্যৰে মেৰিলেবক্সন ক্ৰিকেট ক্লাৱৰ পৰামৰ্শ অনুসৰি এই নতুন নিয়মসমূহ প্ৰস্তুত কৰা হৈছে। কোনো বলৰে যদি ইচ্ছাকৃতভাৱে ফ্ৰন্ট-ফুট নো-বল বা পিটচত নপৰা বল কৰে, তেন্তে তেওঁক সমগ্ৰ মেচখনৰ বাবেই নিলম্বিত কৰা হ'ব। আগতে কেৱল সেইটো ইনিংছৰ বাবেহে নিলম্বন কৰা হৈছিল। মেচৰ অন্তিম ইনিংছত কোনো দলে নিজৰ ইনিংছ সমাপ্ত ঘোষণা বা পৰিত্যাগ কৰিব নোৱাৰিব। এদিনীয়া মেচৰ 'ড্ৰিংকছ ব্ৰেক'ৰ সময়ত মুখ্য প্ৰশিক্ষক খেলপথাৰলৈ যাব পাৰিব। অহা মাহৰ পৰা ডলিপ ট্ৰফীৰ জৰিয়তে আৰম্ভ হ'বলগীয়া নতুন ছিজনৰ পৰাই এই নিয়মসমূহ কাৰ্যকৰী কৰা হ'ব। ৰাজ্যিক ক্ৰিকেট সংস্থাসমূহক ইতিমধ্যে এই বিষয়ে অৱগত কৰা হৈছে।ভ্ৰ

# এ পি এলক লৈ আশাবাদী আই পি এলৰ প্ৰাক্তন পেচাৰ

## অসমত লুকাই থকা ক্ৰিকেট প্ৰতিভাৰ নতুন মঞ্চ অসম প্ৰিমিয়াৰ লীগ ঃ আবু নেচিম

**গুৱাহাটী, ২৩ জুলাই ঃ** অসমৰ প্ৰাক্তন আই পি এল খেলুৱৈ সুদক্ষ পেচাৰ আবু নেচিমে অসম প্ৰিমিয়াৰ লীগ (এ পি এল)ক ৰাজ্যৰ পৰৱৰ্তী প্ৰজন্মৰ ক্ৰিকেটাৰৰ বাবে এক গুৰুত্বপূৰ্ণ মঞ্চ বুলি ব্যক্ত কৰিছে। এই লীগে অসমৰ উদীয়মান খেলুৱৈসকলক আত্ম প্ৰতিষ্ঠা দিয়াৰ লগতে সমান্তৰালভাৱে এখন সুন্দৰ পেছাদাৰী মঞ্চ প্ৰদান কৰিব বুলিও গুৱাহাটী ৰয়েলছত যোগদান কৰা আবুই কয়। এ পি এলৰ খেলুৱৈ নিলামত ভাষণ দি নেচিমে কয়, 'অসম প্ৰিমিয়াৰ লীগ ৰাজ্যৰ ক্ৰিকেটৰ বাবে অতি গুৰুত্বপূৰ্ণ। আমাৰ জুনিয়ৰ খেলুৱৈসকলৰ বাবে লীগ প্ৰকৃততে অনন্য প্ৰতিযোগিতাৰ মঞ্চ। লীগৰ নিলামত ২৭০ জনৰো অধিক খেলুৱৈ আছিল আৰু ইয়াৰে প্ৰায় ১২০ জনৰ বিষয়েহে মোৰ জ্ঞান আছিল। এই দৃষ্টিকোনৰ পৰাই সমগ্ৰ অসমতে আৱিষ্কাৰ নোহোৱা প্ৰতিভাৰ নিৰ্মল গভীৰতাও প্ৰতিফলিত হয়। জানিব পৰা যায় অসমত যে এতিয়া প্ৰতিভা সুন্দৰকৈ বিকাশ হৈছে। ইণ্ডিয়ান প্ৰিমিয়াৰ লীগত এম আই আৰু আৰ চি বিৰ হৈ খেলা নেচিমে অসমৰ ক্ৰিকেটাৰসকলে এ পি এলৰ জৰিয়তে ভৱিষ্যতে ক'ত উপনীত হ'ব পাৰিব সেয়া বিশ্লেষণ কৰি নিজৰ লগতে ভাৰতীয় দলৰ বেটাৰ অসমৰে ৰিয়ান পৰাগৰ গৌৰৱময় যাত্ৰাৰ কথাও ব্যক্ত কৰে। আবুই লগতে কয়, 'প্ৰতিজন খেলুৱৈ আৰু প্ৰতিটো ফ্ৰেঞ্চাইজিৰ লক্ষ্য এটাই, সেয়া হ'ল প্ৰতিযোগিতাত জয়ী হোৱা। কিন্তু আমি যদি কল্পনা কৰো যে অহা বছৰ এ পি এল ফ্ৰেঞ্চাইজিৰ খেলুৱৈয়ে যদি আই পি এল লগতে ভাৰতৰ হৈও খেলিবলৈ আগবাঢ়ি যায় তেন্তে সেইটোৱেই হব এই লীগে আগবঢ়োৱা প্ৰকৃত সুযোগ।' উল্লখ্য যে অসম ক্ৰিকেট সন্থাৰ তত্বাৱধানত "আমাৰ অসম, আমাৰ গৌৰৱ" মূলমন্ত্ৰৰে আয়োজন কৰা অসম প্ৰিমিয়াৰ লীগৰ উদ্বোধনী বৰ্ষত গুৱাহাটী ৰয়েলছসহ ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ মুঠ আঠটা ফ্ৰেঞ্চাইজি দল আছে। ইতিমধ্যে হৈ যোৱা নিলামত দলসমুহে প্ৰতিষ্ঠিত ক্ৰিকেটাৰৰ সমান্তৰালকৈ উদীয়মান খেলুৱৈসকলক লৈ পেছাদাৰী টি-২০ লীগৰ এক পৰিৱেশৰ সৃষ্টি কৰিব পৰাকৈ দল গঠন কৰিছে।

# ইউ এছ অ'পেনৰ শীৰ্ষ বাছনিত ইয়ানিক ছিনাৰ-আৰ্যনা ছাবালেংকা

**নিউয়ৰ্ক, ২৩ জুলাইঃ** আগন্তুক ইউএছ অ'পেন ২০২৬ টেনিছ প্ৰতিযোগিতাৰ বাবে ইউএছ টেনিছ এছ'চিয়েশ্যনে প্ৰত্যক্ষ প্ৰৱেশৰ তালিকা প্ৰকাশ কৰিছে। ২০ জুলাইৰ ডব্লিউ টি এ আৰু এ টি পি ৰেংকিং অনুসৰি, মহিলা শাখাত বিশ্বৰ নম্বৰ ৰ আৰ্যনা ছাবালেংকা আৰু পুৰুষ শাখাত বিশ্বৰ নম্বৰ ৰ ইয়ানিক ছিনাৰক শীৰ্ষ বাছনি প্ৰদান কৰা হৈছে। ৩০ আগষ্টৰ পৰা ইউএছ অপেনৰ মূল ড্ৰ'ৰ খেলসমূহ আৰম্ভ হ'ব। প্ৰত্যক্ষ প্ৰৱেশৰ বাবে মহিলা শাখাৰ কাট-অফ ৰেংকিং আছিল ১০২ আৰু পুৰুষ শাখাৰ বাবে ১০১। দুবাৰৰ বিজয়ী আৰ্যনা ছাবালেংকাই এইবাৰ একেৰাহে তৃতীয়টো ইউ এছ অপেন খিতাপ অৰ্জন কৰাৰ লক্ষ্যৰে খেলপথাৰত নামিব। শেহতীয়াকৈ উইম্বলডন জয় কৰা ইটালীৰ ইয়ানিক ছিনাৰে নিজৰ খিতাপ পুনৰুদ্ধাৰ কৰাৰ চেষ্টা চলাব। আঘাতৰ বাবে বিগত দুটা মেজৰ লীগ খেলিব নোৱাৰা বিশ্বৰ ৩ নম্বৰ খেলুৱৈ কাৰ্লোছ অলকাৰাজেও এই টুৰ্ণামেণ্টত অৱতীৰ্ণ হ'ব। আমেৰিকাৰ পৰা সৰ্বাধিক ১৪ গৰাকী মহিলা আৰু ১৪ গৰাকী পুৰুষ খেলুৱৈয়ে প্ৰত্যক্ষভাৱে মূল পৰ্বত স্থান পাইছে।

# চাইনা অ'পেনৰ পৰা বাহিৰ পি ভি সিন্ধু

**চাংঝৌ (চীন), ২৩ জুলাই ঃ** ভাৰতৰ তাৰকা বেডমিণ্টন খেলুৱৈ পি ভি সিন্ধু চীনত অনুষ্ঠিত 'চাইনা অ'পেন' প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে। প্ৰতিযোগিতাখনৰ দ্বিতীয় ৰাউণ্ডত স্থানীয় খেলুৱৈ তথা বিশ্বৰ ৪ নম্বৰ স্থানৰ কে চেন ইউফেইৰ বিৰুদ্ধে পৰাস্ত হয় সিন্ধু। প্ৰায় ডেৰ ঘণ্টা ধৰি চলা অত্যন্ত সংঘৰ্ষপূৰ্ণ মেচখনত ৩০ বছৰীয়া সিন্ধুৱে চেনৰ হাতত ২১-১৬, ২০-২২, ১৮-২১ ব্যৱধানত পৰাজয় স্বীকাৰ কৰে। প্ৰথমখন গেমত শক্তিশালী প্ৰদৰ্শন কৰি সিন্ধুৱে ২১-১৬ ব্যৱধানত জয়লাভ কৰি আগবাঢ়ি আছিল। কিন্তু দ্বিতীয়খন গেমত চেনৰ সুন্দৰ প্ৰত্যাৱৰ্তনে মেচখনলৈ নতুন মোৰ আনিলে। ২০-১৬ ৰ ব্যৱধানত ৪টা গেম পইণ্ট পোৱাৰ পিছতো সিন্ধুৱে সুযোগ হেৰুৱায় আৰু মেচখন ২০-২২ ব্যৱধানত চেনৰ দখললৈ যায়। অন্তিম তথা নিৰ্ণায়ক গেমখনতো



তীব্ৰ প্ৰতিদ্বন্দ্বিতা হয় যদিও ১৭-১৭ সমতাৰ পিছত চেনয়ে ধাৰাবাহিক পইণ্ট লাভ কৰি মেচখন নিজৰ নামেৰে কৰে। উল্লেখ্য যে, যোৱা সপ্তাহত জাপানী অ'পেন খিতাপ জয় কৰি উৎসাহিত হৈ থকা সিন্ধুৰ বাবে এই পৰাজয় এক ডাঙৰ আঘাত হিচাপে বিবেচিত হৈছে।

# ফ্ল'ৰিডাত অনুষ্ঠিতব্য 'উইমেন হু ৰেলী' সন্মিলনত অংশগ্ৰহণৰ বাবে আমন্ত্ৰণ লাভ

## বিশ্বৰ ২০ গৰাকী মহিলা প্ৰশিক্ষকৰ তালিকাত স্থান লাভ অসমৰ নাজনীন ৰহমানৰ

**গুৱাহাটী, ২৩ জুলাই ঃ** আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়া প্ৰশিক্ষণ ক্ষেত্ৰত অসমৰ বাবে নতুন স্বীকৃতি কঢ়িয়াই আনিছে গুৱাহাটীৰ ৰেকেট ক্ৰীড়া প্ৰশিক্ষক নাজনীন ৰহমানে। 'প্ৰফেছনেল টেনিছ ৰেজিষ্ট্ৰি' (পিটিআৰ) আৰু 'প্ৰফেছনেল পিকলবল ৰেজিষ্ট্ৰি' (পিপিআৰ)-এ যৌথভাৱে আৰম্ভ কৰা সন্মানজনক বৈশ্বিক উদ্যোগ 'উইমেন হু ৰেলী লিডাৰশ্বিপ প্ৰগ্ৰাম'-ৰ উদ্বোধনী বৰ্ষৰ বাবে আমন্ত্ৰণ লাভ কৰিবলৈ সক্ষম হৈছে এইগৰাকী অসমীয়া মহিলা প্ৰশিক্ষকে। উল্লেখ্য যে, বিশ্বৰ মাত্ৰ ২০ গৰাকী মহিলা প্ৰশিক্ষকৰ তালিকাত স্থান লাভ কৰি এই কৃতিত্ব অৰ্জন কৰিবলৈ সক্ষম হৈছে নাজনীন ৰহমানে। মন কৰিবলগীয়া যে, দহ মাহজোৰা এই নেতৃত্ব বিকাশ কাৰ্যসূচীৰ অংশ হিচাপে অহা ২৫ আৰু ২৬ জুলাইত আমেৰিকাৰ ফ্ল'ৰিডা ষ্টেটৰ টাম্পাস্থিত ছেডলব্ৰুক ৰিজৰ্টত অনুষ্ঠিত হ'ব আনুষ্ঠানিক 'উইমেন হু ৰেলী লিডাৰশ্বিপ ছামিট'। এই সন্মিলনত অংশগ্ৰহণ কৰিব নাজনীন ৰহমানে। উদ্বোধনী বৰ্ষৰ বাবে নিৰ্বাচিত বিশ্বৰ বিভিন্ন প্ৰান্তৰ মহিলা প্ৰশিক্ষকসকলক একত্ৰিত কৰিবলগীয়া এই সন্মিলনত অংশগ্ৰহণকাৰীসকলে নেতৃত্ব বিকাশৰ এক বিশেষ অভিজ্ঞতা লাভ কৰিব। এই সন্মিলনত অংশ লৈ মেণ্টৰৰ পৰামৰ্শ, পেছাদাৰী নেটৱৰ্ক গঢ়ি তোলা, পেছাগত উন্নয়ন আৰু সহযোগিতামূলক শিক্ষাৰ জৰিয়তে অংশগ্ৰহণকাৰীসকলে নিজৰ নেতৃত্বৰ দক্ষতা অধিক উন্নত কৰাৰ সুযোগ লাভ কৰিব। প্ৰণিধানযোগ্য যে, পি টি আৰ আৰু পি পি আৰ-ৰ উদ্যোগত আৰম্ভ কৰা 'উইমেন হু ৰেলী' কাৰ্যসূচীৰ লক্ষ্য হৈছে ৰেকেট ক্ৰীড়াৰ সৈতে জড়িত মহিলা প্ৰশিক্ষকসকলক নেতৃত্ব বিকাশ, শিক্ষা, সহযোগিতা আৰু মেণ্টৰশ্বিপৰ সুযোগ প্ৰদানৰ জৰিয়তে অধিক সক্ষম কৰি তোলা, আন্তঃৰাষ্ট্ৰীয় সংযোগ বৃদ্ধি কৰা আৰু তেওঁলোকৰ পেছাগত উন্নয়নত সহায় আগবঢ়োৱা। এক কঠিন প্ৰতিযোগিতামূলক আন্তঃৰাষ্ট্ৰীয় আবেদন প্ৰক্ৰিয়াৰ জৰিয়তে অংশগ্ৰহণকাৰীসকলক নিৰ্বাচন কৰা হৈছে। নেতৃত্ব দিয়াৰ সম্ভাৱনা, আনসকলৰ বিকাশৰ প্ৰতি দায়বদ্ধতা আৰু প্ৰশিক্ষণ পেছাক আগুৱাই নিয়াৰ দৃষ্টিভংগীৰ ওপৰত ভিত্তি কৰি এই বাছনি সম্পন্ন কৰা হৈছে। নাজনীন ৰহমানৰ এই নিৰ্বাচন ভাৰতীয় ৰেকেট ক্ৰীড়াৰ বাবে এক গুৰুত্বপূৰ্ণ আন্তৰ্জাতিক সুযোগ হিচাপে বিবেচিত হৈছে। প্ৰথম বৰ্ষৰ এই কাৰ্যসূচীত ভাৰতৰ প্ৰতিনিধি হিচাপে অংশগ্ৰহণ কৰিব তেওঁ। বিশ্বৰ বিভিন্ন দেশৰ প্ৰশিক্ষকসকলৰ সৈতে সহযোগিতা কৰি উদ্ভাৱন, শিক্ষা আৰু অন্তৰ্ভুক্তিমূলক নেতৃত্বৰ জৰিয়তে টেনিছ, পিকলবল তথা ৰেকেট ক্ৰীড়াৰ ভৱিষ্যত উন্নয়নৰ বাবে কাম কৰিব নাজনীন ৰহমানে। কাৰ্যসূচীৰ সূচনা সম্পৰ্কে পিটিআৰৰ উপাধ্যক্ষ মিলেনা ৰিডোছে কয় যে প্ৰথম বৰ্ষৰ এই দলে ৰেকেট ক্ৰীড়াৰ ভৱিষ্যত গঢ়াৰ বাবে প্ৰয়োজনীয় উৎসাহ, নেতৃত্বৰ ক্ষমতা আৰু দায়বদ্ধতাৰ প্ৰতিফলন ঘটাইছে। তেওঁ আৰু কয় যে এই অসাধাৰণ মহিলা প্ৰশিক্ষকসকলৰ নেতৃত্বৰ যাত্ৰাত সহযোগিতা কৰিবলৈ পাই পিটিআৰ গৰ্বিত। উল্লেখ্য যে, গুৱাহাটীৰ ক্ৰীড়া সংগঠক, খেলুৱৈ, প্ৰশিক্ষক আৰু উদ্যোগী নাজনীন ৰহমান হৈছে 'কাজিৰঙা প্ৰ' স্প'ৰ্টছ নেটৱৰ্ক'ৰ প্ৰতিষ্ঠাপক। ২০১১ চনত তেওঁ ক্ৰীড়াক পেছাদাৰীভাৱে আগুৱাই নিয়াৰ লক্ষ্যৰে সক্ৰিয়ভাৱে কাম আৰম্ভ কৰে। পৰৱৰ্তী সময়ত আন্তৰ্জাতিক টেনিছত ভাৰতক প্ৰতিনিধিত্ব কৰি ৪৫ বছৰৰ উৰ্ধৰ বিভাগৰ মিক্সড ডাবলছত আইটিএফ বিশ্ব ৰেঙ্কিঙত কেৰিয়াৰৰ সৰ্বোচ্চ ৮ নম্বৰ স্থান অৰ্জন কৰে তেওঁ। ইয়াৰোপৰি, পৰ্তুগালত অনুষ্ঠিত আইটিএফ ছিনিয়ৰ্ছ ওৱৰ্ল্ডছ টীম চেম্পিয়নশ্বিপত ভাৰতীয় মহিলা ছিনিয়ৰ্ছ দলকো নেতৃত্ব দিয়ে নাজনীন ৰহমানে। তদুপৰি, ২০২৩ চনত তুৰস্কত অনুষ্ঠিত আইটিএফ ছিনিয়ৰ্ছ ওৱৰ্ল্ডছ চেম্পিয়নশ্বিপত তেওঁ ভাৰতক প্ৰতিনিধিত্ব কৰে। পি পি আৰ-ৰ স্বীকৃতিপ্ৰাপ্ত পেছাদাৰী তথা ক্লিনিচিয়ান নাজনীন ৰহমানে অসম পিকলবল এছ'চিয়েশ্যনৰ সম্পাদক হিচাপেও দায়িত্ব পালন কৰি আছে। ইয়াৰোপৰি, উত্তৰ-পূব ভাৰতত পিকলবল খেলৰ প্ৰসাৰ আৰু বিকাশৰ বিভিন্ন উদ্যোগৰ নেতৃত্ব দিছে তেওঁ। প্ৰশিক্ষণ, তৃণমূল



পৰ্যায়ত ক্ৰীড়া উন্নয়ন আৰু ক্ৰীড়া নেতৃত্বৰ জৰিয়তে এই অঞ্চলটোত ৰেকেট ক্ৰীড়াত অংশগ্ৰহণ বৃদ্ধি কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে নাজনীন ৰহমানে। বিশেষকৈ মহিলা আৰু সম্ভাৱনাময় খেলুৱৈসকলৰ মাজত এই ক্ৰীড়াৰ প্ৰসাৰত তেওঁৰ অৱদান উল্লেখযোগ্য।

# আফগানিস্তান এদিনীয়া-টেষ্ট ক্ৰিকেট দলৰ নতুন অধিনায়ক ৰহমত শ্বাহ

**কাবুল, ২৩ জুলাই ঃ** আফগানিস্তান ক্ৰিকেট ব'ৰ্ডে ৰহমত শ্বাহক ক্ৰিকেট দলৰ নতুন টেষ্ট আৰু এদিনীয়া অধিনায়ক হিচাপে নিযুক্তি দিছে। হাশ্বমাতুল্লাহ শ্বাহিদীয়ে অধিনায়কৰ পদ ত্যাগ কৰাৰ পিছত এই সিদ্ধান্ত লোৱা হৈছে।ৰহমত শ্বাহে ২০২১ চনৰ পৰাই টেষ্ট আৰু এদিনীয়া দলৰ উপ-অধিনায়ক হিচাপে দায়িত্ব পালন কৰি আহিছিল। ইয়াৰ উপৰি তাৰকা বেটাৰ ৰহমানুল্লাহ গুৰবাজক দুয়োটা ফৰ্মেটৰে নতুন উপ-অধিনায়ক হিচাপে বাছনি কৰা হৈছে। আয়াৰলেণ্ডৰ বিৰুদ্ধে হ'বলগীয়া আগন্তুক শৃংখলাৰ পৰা দুয়োজনে এই দায়িত্ব চম্ভালিব। উল্লেখ্য যে, শ্বাহিদীৰ সফল অধিনায়কত্বত আফগানিস্তানে ২০২৩ চনৰ এদিনীয়া বিশ্বকাপত ইংলেণ্ড, পাকিস্তান আৰু শ্ৰীলংকাৰ দৰে ডাঙৰ দলক পৰাস্ত কৰিছিল। লগতে তেওঁৰ নেতৃত্বতে দলটোৱে ২০২৫ চনৰ চেম্পিয়নছ ট্ৰফীত অভিষেক ঘটাই পঞ্চম স্থান দখল কৰিবলৈ সক্ষম হৈছিল। আফগানিস্তান ক্ৰিকেট ব'ৰ্ডে আশা প্ৰকাশ কৰিছে যে ৰহমত শ্বাহৰ অভিজ্ঞতা আৰু নেতৃত্বত আফগান ক্ৰিকেট দলটোৱে আগন্তুক দিনবোৰত অধিক সাফল্য অৰ্জন কৰিব।



এ বি পাব্লিকেশ্বনৰ হৈ অনিল বৰ্মনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, গুৱাহাটী-১৬ত মুদ্ৰিত। কাৰ্যালয় ঃ পেঞ্চনপাৰা ৰোড, গোস্বামী ছাৰ্ভিচ, গুৱাহাটী-৩, ফোন ঃ ২৬৬০২৬০ , বিজ্ঞাপন ঃ লক্ষ্যধৰ ডেকা, ৯৮৬৪৪-৯১৫৯৫ ■ কোকৰাঝাৰ কাৰ্যালয়, জে ডি ৰোড, ফোন ঃ ৯৪৩৫৪-৮৩৮৩৬। তেজপুৰ কাৰ্যালয় ঃ তুলিকা কাৰ্ক, অপূৰ্ব বৰা ৯৮৫৪২-১১৩০৪, ৯০৮৫০-৭১৩০৪, চাৰ্কুলেচন ঃ অৰুণ শৰণীয়া (৯৭০৭৬-৮৩১১২)
Owner, Publisher & Printer Anil Barman, Published from Pension Para Road, Goswami Service, Silpukhuri, Guwahati-781003 and Printed at Pee Gee India, MIE, Kalapahar, Guwahati-781016. Editor: Anil Barman. Phone : 0361-2660260 ■ Fax : 0361-2665919 ■ batorikakot@rediffmail.com
■ মুখ্য সম্পাদক ঃ ভুৱনেশ্বৰ শৰ্মা ■ সম্পাদকঃ অনিল বৰ্মন